● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

আশাই আমাৰ জীৱনৰ আটাইতকৈ ৰোমাঞ্চকৰ অনুভূতি।

মেণ্ডি মূৰ
*আমেৰিকান কণ্ঠশিল্পী*



৭ ভয়াৱহ বায়ু প্ৰদূষণত পাঁচ বছৰ আয়ুস হ্ৰাস হৈছে ভাৰতীয়ৰ
১৫ কমনৱেলথ গেমছলৈ সাজু নীৰজ চোপ্ৰা
৪ ধোঁৱাচাঙত উঠা অসম চুক্তি এলান্ধুত পোত যাব কিজানি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৪৬তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৬ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 16 June 2022 মূল্য ঃ ৯.০০ টকা

■ দ্বিতীয় দিনাও মহানগৰীত অপৰিৱৰ্তিত কৃত্ৰিম বান পৰিস্থিতি ■ তিনিটা অস্থায়ী শিবিৰত ৬৭৭ জন লোকৰ আশ্ৰয় ■ উদ্ধাৰ অভিযান অব্যাহত ■ অধিকাংশ স্থানতে পানী আৱদ্ধ হৈয়ে আছে

# গুৱাহাটীৰ ১৮ স্থানত ভূমিস্খলন



*কৃত্ৰিম বানত আৱদ্ধ ছাত্ৰ-ছাত্ৰী আৱাস এৰি আগবাঢ়িছে নিৰাপদ স্থানলৈ, মহানগৰীত বুধবাৰে।*

■ খহি পৰিল বিদ্যুতৰ খুঁটা-দেৱাল-পথ ■ সৌভাগ্যক্ৰমে হতাহত হোৱা নাই কোনো লোক


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ জুন ঃ** গুৱাহাটী মহানগৰীত আজি দ্বিতীয় দিনাও অপৰিৱৰ্তিত হৈ আছে কৃত্ৰিম বান পৰিস্থিতি। কালিৰ তুলনাত আজি বৰষুণৰ মাত্ৰা কিছু হ্ৰাস পালেও অধিকাংশ অঞ্চলেই পানীত বুৰ গৈ আছে। গুৱাহাটী ৰাজহ চক্ৰৰ অন্তৰ্গত নুনমাটি, ভূতনাথ, মালিগাঁও, গোটানগৰ, ফটাশিল, বামুণীমৈদাম, ৰাজগড়, দিছপুৰ ৰাজহ চক্ৰৰ অধীনৰ হাতীগাঁও, সিজুবাৰী, ৰুক্মিণীগাঁও, ৱাৰলেছ, পিবক' পইণ্ট, বৰবাৰী, ছয় মাইল, অনিল নগৰ, নবীন নগৰ, চিৰিয়াখানা পথ, কাহিলীপাৰা, জুৰিপাৰ, ওদালবাক্ৰা, কেৰাইকুছি অঞ্চলত আজিও অপৰিৱৰ্তিত হৈ আছে কৃত্ৰিম বান। উল্লেখ্য যে কৃত্ৰিম বানৰ বিভীষিকাৰ মাজতে মহানগৰীৰ প্ৰায় ১৮টাকৈ স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱা *আঠ পৃষ্ঠাত চাওক*



■ টিহুৰ দুঠাইত ছিগিল মৰাপাগলদিয়াৰ মথাউৰি ■ সুৱণখাটা-নিকাচি দলং ভাগিলে দিৰিং নৈয়ে ■ শালবাৰীতো ৰূপহী নদীৰ খহনীয়াৰ কবলত দলং ■ আনন্দ বজাৰত ছিগিল পথ

# ভূটানৰ পানীয়ে সৃষ্টি কৰিছে তাণ্ডৱৰ

কোকৰাঝাৰ জিলাৰে বৈ যোৱা নৈ-উপনৈৰ ক্ৰমাৎ উন্মুক্ত ৰূপ



**অগ্ৰদূত বাৰ্তা**
**টিহু/পাঠশালা/ মুছলপুৰ/শালবাৰী/কোকৰাঝাৰ, ১৫ জুন ঃ** ৰাজ্যৰ বিভিন্ন স্থানত বানৰ তাণ্ডৱত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। ভূটানৰ পৰা কোবাল গতিত নামি অহা পানীৰে ইয়াৰ নামনি অঞ্চল অসমৰ বিভিন্ন নৈ ওফন্দি উঠাত সৃষ্টি হোৱা বান-খহনীয়াই উটুৱাই নিয়ে একাধিক পথ-দলং। ঠায়ে ঠায়ে *১০ পৃষ্ঠাত চাওক*

## ৰাহুল তৃতীয় দিনাও ইডিৰ সোধ-পোছ
## কংগ্ৰেছৰ মুখ্য কাৰ্যালয়তে প্ৰৱেশ কৰি দলীয় কৰ্মীক প্ৰহাৰ আৰক্ষীৰ




**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৫ জুন ঃ** নেচনেল হেৰাল্ড গোচৰত আজি তৃতীয় দিনাও কংগ্ৰেছ নেতা ৰাহুল গান্ধীক সোধ-পোছ অব্যাহত ৰাখে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)-এ। আজি ইয়াকে লৈ দেশৰ ৰাজধানী দিল্লীত অগ্নিগৰ্ভ পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰতিবাদত পুনৰ *১০ পৃষ্ঠাত চাওক*

## পুত্ৰৰ ৰাজনৈতিক সংস্থাপনৰ আশাৰে বিজেপিৰ শৰণাপন্ন!
## প্ৰাক্তন মন্ত্ৰী খৰছিং ইংতিৰ কংগ্ৰেছ ত্যাগ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ডিফু/বকলীয়াঘাট, ১৫ জুন ঃ** কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনত ২৬ টা সমষ্টিতে শোচনীয় প্ৰদৰ্শনৰ পাছত ইয়াৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি প্ৰাক্তন মন্ত্ৰী খৰছিং ইংতিয়ে আজি কংগ্ৰেছ ত্যাগ *ছয় পৃষ্ঠাত চাওক*

■ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকত এলানি ঘোষণা মুখ্যমন্ত্ৰী শৰ্মাৰ


# আগষ্টত ১০ হেজাৰ-নৱেম্বৰত ৪০ হেজাৰ নিবনুৱাক চৰকাৰী চাকৰি



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/ডিফু, ১৫ জুন ঃ** কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে ডিফুৰ টাউন হলত অনুষ্ঠিত হোৱা ৰাজ্যিক বিজেপিৰ কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণৰ উদ্দেশ্যে ইয়াত উপস্থিত হোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে তুলিৰাম ৰংহাঙে হ'ব কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ পৰৱৰ্তী মুখ্য *১০ পৃষ্ঠাত চাওক*

# সমদলত বাধা ঃ ৰাজীৱ ভৱনত খণ্ডযুদ্ধৰ সৃষ্টি

■ ৰাহুল গান্ধীক হাৰাশাস্তি-কৃত্ৰিম বানক লৈ প্ৰতিবাদ ■ আৰক্ষী-প্ৰতিবাদকাৰীৰ মাজত হতাহতি ■ আৰক্ষী বিষয়াসহ কে'বাজনো কংগ্ৰেছ নেতা আহত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ জুন ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ষড়যন্ত্ৰমূলকভাৱে বিজেপি চৰকাৰে প্ৰৱৰ্তক সঞ্চালকালয় (ইডি)ৰ জৰিয়তে ধাৰাবাহিকভাৱে জেৰা চলাই হাৰাশাস্তি কৰাৰ সমান্তৰালভাৱে মহানগৰীৰ কৃত্ৰিম বান পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি প্ৰদেশ কংগ্ৰেছে এক সমদল উলিওৱাৰ সময়তে উত্তপ্ত *১০ পৃষ্ঠাত চাওক*

■ ছহিদ কুশল কোঁৱৰৰ মৃত্যু বাৰ্ষিকীত ছহিদ দিৱস পালন

# স্বাধীনতা আন্দোলনৰ ১৯ ছহিদৰ নিকটাত্মীয়লৈ পাঁচ লাখকৈ অনুদান



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ জুন ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনত প্ৰাণাহুতি দিয়া অসমৰ বীৰ ছহিদ কুশল কোঁৱৰৰ ৭৯ সংখ্যক মৃত্যু দিৱস আজি ছহিদ দিৱসৰূপে পালন কৰা হয়। অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলন আৰু কামৰূপ মহানগৰ জিলাৰ উদ্যোগত তথা অসম চৰকাৰৰ সহযোগত ৰাজ্যিক ভিত্তিত আয়োজিত এই অনুষ্ঠানৰ বিভিন্ন কাৰ্যসূচীৰ অংশৰূপে পুৰা মুক্তিযুঁজাৰু সন্মিলনৰ ৰূপনগৰস্থিত মুখ্য কাৰ্যালয়ত থকা মহামানৰ মহাত্মা *১০ পৃষ্ঠাত চাওক*

## মাছ ধৰিবলৈ গৈ সলিল সমাধি ঘটিল আইতা-নাতিৰ

**অগ্ৰদূত বাৰ্তা**
**হোজাই, ১৫ জুন ঃ** আজি হোজাইৰ হাৱাইপুৰত মাছ ধৰিবলৈ গৈ নাতিসহ এগৰাকী ৫৭ বছৰীয়া মহিলাৰ সলিল সমাধি ঘটে। নিজ ঘৰৰ সমীপত জমা হৈ থকা পানীত মাছ ধৰিবলৈ *১০ পৃষ্ঠাত চাওক*

# বিৰোধীৰ বৈঠকত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব অগ্ৰাহ্য পাৱাৰৰ

প্ৰধানমন্ত্ৰী মোদীৰ নিৰ্দেশত সৰ্বসন্মত প্ৰাৰ্থীৰ বাবে বিৰোধী নেতৃত্বৰে বাৰ্তালাপ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ




**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৫ জুন ঃ** এনচিপিৰ মুৰব্বী তথা দেশৰ এজন প্ৰভাৱশালী ৰাজনৈতিক নেতা শাৰদ পাৱাৰে আজি ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্বক লৈ কুচকাৱাজ অব্যাহত থকাৰ সময়তে আজি পাৱাৰে কয় যে তেওঁ সক্ৰিয় ৰাজনৈতিক ইনিংছ খেলিবলৈ এতিয়াও বাকী আছে। বিৰোধীৰ বৈঠকত বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী হ'বলৈ মমতা বেনাৰ্জীয়ে জনোৱা প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। আগন্তুক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত বিৰোধীৰ পাঁচটা দলৰ অনুপস্থিতিক লৈয়ো চৰ্চা হৈছে। সূত্ৰত প্ৰকাশ যে মমতা বেনাৰ্জীয়ে কোনো জাননী নোহোৱাকৈ *ছয় পৃষ্ঠাত চাওক*

## সংগ-প্ৰসংগ

■ দয়ানন্দ পাঠক

### যতীন গোস্বামী




**যতীন** গোস্বামীৰ নাম আৰু কৰ্মজীৱন সম্পৰ্কে বহুতখিনি ক'বলগীয়া হয়। আমাৰ ছাত্ৰ অৱস্থাৰ পৰাই তেওঁৰ নাম বিভিন্ন মহলত উচ্চাৰিত হোৱাটো এক স্বাভাৱিক ঘটনাই আছিল। এনে পৰ্যায়ৰ ব্যক্তিসকলৰ পৰা আমি দূৰতেই আছিলো এগৰাকী সাধাৰণ লোক হিচাপে। আমি তেওঁক পালো অসম সাহিত্য সভাৰ উপ-সভাপতিৰ ৰূপত। গোৰেশ্বৰ অধিবেশনত তেওঁ উপ-সভাপতি হিচাপে নিৰ্বাচিত। সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিছে লক্ষ্যধৰ চৌধুৰীয়ে। ইফালে, ড° ৰামচৰণ *১০ পৃষ্ঠাত চাওক*



## নামঘৰত নিশা চুৰি, মণিকুট লণ্ড-ভণ্ড, ধৰ্মীয় পুথি ফালি তচনচ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ১৫ জুন ঃ** চিৰাঙৰ ঢালিগাঁও নামঘৰত যোৱা নিশা হোৱা ধাৰাসাৰ বৰষুণৰ সুযোগত চুৰিকাণ্ড সংঘটিত হয়। নামঘৰৰ ছটাকৈ তলা ভাঙি দুৰ্বৃত্তই লুটি নিয়ে ধন। *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ২৪° |
| ডিব্ৰুগড় | ২৫° | ২৩° |
| দিল্লী | ৪২° | ৩২° |
| কলকাতা | ৩৩° | ২৯° |
| মুম্বাই | ৩২° | ২৮° |
| চেন্নাই | ৩৪° | ২৭° |
| বাংগালুৰু | ২৮° | ২১° |
| শ্বিলং | ২১° | ১৮° |


*১৫ জুন, ২০২২*

# ‘এনকাউণ্টাৰ’ হত্যা-পিপিই কিট কেলেংকাৰিৰ ন্যায়িক তদন্তৰ দাবী

ৰাজ্যপালক স্মাৰকপত্ৰ সাতটা বিৰোধী দলৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ জুন ঃ** অসমত বিজেপি নেতৃত্বাধীন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰে পৰা ৰাজ্যখনত ‘এনকাউণ্টাৰ’ৰ নামত অভিযুক্তক বিনা বিচাৰে হত্যা কৰাৰ ঘটনা আৰু সদ্যপ্ৰকাশিত পিপিই কিট কেলেংকাৰিৰ ন্যায়িক তদন্তৰ দাবীত আজি সাতটা বিৰোধী দলৰ এটা প্ৰতিনিধি দলে ৰাজ্যপালৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিনিধি দলটোৰে ৰাজ্যপাল জগদীশ মুখীক সাক্ষাতৰ বাবে দিনৰ ১১ বজাত সময় নিৰ্ধাৰিত আছিল; কিন্তু ৰাজ্যপাল অসুস্থ হোৱাত ৰাজ্যপালৰ যুটীয়া সচিব গীতাৰ্থ বৰুৱাৰ হাতত স্মাৰকপত্ৰ প্ৰদান কৰে। কংগ্ৰেছ, চিপিআই (এম), চিপিআই (এম-এল), জাতীয় পৰিষদ, ৰাইজৰ দল, আঞ্চলিক গণ মৰ্চাৰ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল




*নিলাম নিলাম! ৭৫ বছৰ পুৰণি ভিক্ষাৰ পাত্ৰ নিলাম!*

ড° লক্ষ্মীনন্দন বৰাৰ স্মৃতিত ‘কাল বলুকাত খোজ’ শীৰ্ষক অনুষ্ঠান ■ ন্যাসৰ দ্বাৰা একাধিক বঁটা ঘোষণা ■ গাঁৱলীয়া সমাজ জীৱনৰ পৰা বিজ্ঞানলৈ বিচৰণ কৰিব পাৰিছিল ঃ ড° শৰ্মা

# ড° বৰাই সূতাৰ ওপৰেৰে খোজ কাঢ়িব পাৰিছিল



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৫ জুন ঃ** ‘২০২১ৰ তিনি জুনত অসমীয়া সাহিত্য জগতৰ এটা উজ্জ্বল নক্ষত্ৰ হঠাতে নোহোৱা হৈ গ'ল। মৃত্যু চিৰন্তন সত্য; কিন্তু মৃত্যুৰ পাছতো নিজৰ কৰ্মৰাজিৰ বাবে যিসকল বৰেণ্য বক্তিয়ে সমাজৰ বুকুত অমৰ হৈ জিলিকি আছে তাৰ ভিতৰত অন্যতম প্ৰথিতযশা সাহিত্যিক-ঔপন্যাসিক ড° লক্ষ্মীনন্দন বৰা।’ আজি ড° লক্ষ্মীনন্দন বৰাৰ অমূল্য সৃষ্টিৰাজিৰ অৱলোকনৰ উদ্দেশ্যে কটন বিশ্ববিদ্যালয়ৰ চুডমাৰ্চন হলত আয়োজিত ‘কাল বলুকাত খোজ’ শীৰ্ষক অনুষ্ঠানত ‘ঔপন্যাসিক ড° লক্ষ্মীনন্দন বৰা’ শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি এইদৰে *১০ পৃষ্ঠাত চাওক*



দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৬ জুন, ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

# মানাহ ৰাষ্ট্ৰীয় উদ্যান পথত খহনীয়া

## প্ৰশাসনে অনিৰ্দিষ্টকালৰ বাবে বন্ধ কৰিলে যাতায়াত

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৫ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত নেৰানেপেৰা বৰষুণৰ ফলত সৃষ্টি হৈছে বানপানীৰ। বানপানীৰ ফলত ঠায়ে ঠায়ে বিঘ্নিত হৈ পৰিছে যাতায়াত ব্যৱস্থা। সমান্তৰালকৈ মানাহ ৰাষ্ট্ৰীয় উদ্যান-বৰপেটাৰোড সংযোগী মুখ্য পথত হোৱা ভয়ংকৰ খহনীয়াৰ বাবে বিচ্ছিন্ন হৈ পৰিছে যাতায়াত। মানাহ-বৰপেটাৰোড সংযোগী পথৰ কৃঠলিঝাৰৰ এটি কালভাৰ্টত হোৱা ভয়ংকৰ খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে পথছোৱা। যাৰ বাবে প্ৰশাসনে ততাতৈয়াকৈ সেই পথটোৰে ছয় পৃষ্ঠাত চাওক

# তেজপুৰত পথ দুৰ্ঘটনাত সৰবৰহী ছাত্ৰনেতাৰ মৃত্যু



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৫ জুন ঃ** যোৱা নিশা তেজপুৰত সংঘটিত এক পথ দুৰ্ঘটনাত তেজপুৰ সদৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সক্ৰিয় ছয় পৃষ্ঠাত চাওক

# সৰুপথাৰত ছহিদ কুশল কোঁৱৰৰ মৃত্যু তিথি পালন



**সৰুপথাৰ, ১৫ জুন ঃ** স্বাধীনতা সংগ্ৰামী তথা দেশৰ অন্তিম গৰাকী ব্ৰিটিছৰ ফাঁচি কাঠত মৃত্যুদণ্ড দিয়া ছহিদ কুশল কোঁৱৰক ১৯৪৩ৰ ১৫ জুনৰ দিনটোতেই যোৰহাটৰ কেন্দ্ৰীয় কাৰাগাৰত ফাঁচি দিয়া হৈছিল। আজি ৭৯ সংখ্যক মৃত্যু তিথিৰ দিনা ধনশিৰি মহকুমা প্ৰশাসনে ছয় পৃষ্ঠাত চাওক

## লুণ্ঠনৰ অভিযোগ বিদ্যালয় পৰিচালনা-ইলেক্ট্ৰনিক কাম-কাজৰ নামত আবন্টিত ধনৰ

# ফলাফল শূন্য তিনি কস্তুৰবা বালিকা বিদ্যালয়ৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ জুন ঃ** 'আছে গৰু নাবাই হাল থকাতকৈ নথকাই ভাল' এই আপ্ত বাক্যশাৰী প্ৰযোজ্য হৈছে নগাঁও জিলাৰ একাংশ শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত। অলপতে ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল জিলাখনৰ একাংশ শিক্ষানুষ্ঠানত ফলাফল শূন্য। প্ৰাপ্ত তথ্য অনুসৰি, জিলাখনৰ জুৰীয়া কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত আঠগৰাকীকৈ শিক্ষক-কৰ্মচাৰীৰ বিপৰীতে এইবাৰ মেট্ৰিক পৰীক্ষাত সাতগৰাকীকৈ ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও এজনো ছাত্ৰীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম নহ'ল। একেদৰে লাওখোৱা কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ পৰা এইবাৰৰ মেট্ৰিক পৰীক্ষাত সাতগৰাকী ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও তেওঁলোকৰ ৰিজাল্ট প্ৰকাণ্ড শূন্য। বিশেষকৈ মহিলা শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে স্থাপন কৰা চৰকাৰী খণ্ডৰ এই বিদ্যালয়খনতো আঠগৰাকীকৈ শিক্ষক-কৰ্মচাৰী আছে। সমান্তৰালভাৱে বটদ্ৰৱা কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ পৰা ১৪ গৰাকী ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও মাত্ৰ তিনিগৰাকী ছাত্ৰীয়েহে উত্তীৰ্ণ হৈছে। অথচ এইখন বিদ্যালয়ত শিক্ষক-কৰ্মচাৰীৰ সংখ্যা ১০ গৰাকী। আবাসিক এই চৰকাৰী বিদ্যালয়কেইখনৰ ফলাফলক লৈ ছয় পৃষ্ঠাত চাওক



শালবাৰীত বানে ছিঙি নিলে পথ, বুধবাৰে।

## বেকাজান ৰামধেনু গাঁৱত অঘটন

# কণমানি পুত্ৰসহ পত্নী-শাহুৱেকক দাৰে ঘপিয়ালে উপৰ্যুপৰি

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ১৫ জুন ঃ** বৰহোলা থানাৰ অন্তৰ্গত বেকাজান ৰামধেনু গাঁৱত সংঘটিত হৈছে এক অঘটন। প্ৰাপ্ত তথ্য মতে, বিকাশ থাপা নামৰ লোকজনে পত্নী মনিকা লিম্বু, ডেৰ বছৰীয়া পুত্ৰ উজ্জ্বল থাপা আৰু শাহুৱেক ধনমায়া লিম্বুক আজি দুপৰীয়া চোকা দাৰে ঘপিয়াই আহত কৰে। ঘটনাস্থলীত বেকাজান আৰক্ষী চকীৰ আৰক্ষী উপস্থিত হৈ তিনিওকে সংকটজনক অৱস্থাত উদ্ধাৰ কৰি বৰহোলা সামূহিক চিকিৎসালয়লৈ আনে। তিনিজনৰে অৱস্থা অধিক সংকটজনক হোৱা বাবে বৰহোলা চিকিৎসালয়ে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। এই সংক্ৰান্তত বৰহোলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনজিৎ কুমাৰ ছয় পৃষ্ঠাত চাওক

# বহলপুৰৰ বিভিন্ন বিদ্যালয় জলমগ্ন ঃ ক্ষতিগ্ৰস্ত বহু মৎস্যপালক



অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ১৫ জুন ঃ** ধুবুৰী জিলাৰ বৃহত্তৰ বহলপুৰ অঞ্চলৰ বিভিন্ন গাঁও সম্প্ৰতি বানৰ কবলত পৰি অঞ্চলবাসী ৰাইজ ব্যাপক ক্ষয়-ক্ষতিৰ সন্মুখীন হৈছে। যোৱা কিছুদিন ধৰি চলি থকা নেৰানেপেৰা ধাৰাসাৰ বৰষুণৰ ফলত বহলপুৰ অঞ্চলৰ খাল-বিল, নলা, পুখুৰী, জলাশয় আদি পানীৰে ভৰি পৰিছে। বহলপুৰৰ বৰদল, বৰপীত, চেঁচাপানী, ডালোৱাডবা, চাছানা, ছানাপীত, খাৰাডবা, গাঁতডবা, ছয় পৃষ্ঠাত চাওক

## বড়মপুৰত নামঘৰ উদ্বোধন আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ

# নামঘৰৰ সিংহাসনৰ সন্মুখত বহি অন্যায়-অনাচাৰৰ কথা ভাবিব নাপায়

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ জুন ঃ** নগাঁও জিলাৰ বড়মপুৰস্থিত নৱম অসম আৰক্ষী বাহিনীৰ ছাউনীত আজি বিৰাজ কৰে উদুলি-মুদুলি পৰিৱেশে। ছাউনীটোত সুচনা হৈছে এক আধ্যাত্মিক পৰিৱেশৰ। ছাউনীটোৰ ভিতৰভাগত প্ৰতিষ্ঠা কৰা হৈছে এক নৱনিৰ্মিত বৰনামঘৰ। বৰনামঘৰ ভাগৰ প্ৰতিষ্ঠাক কেন্দ্ৰ কৰি আজিৰ দিনটোত যেন ভক্তিৰসত বুৰ গৈছে সমগ্ৰ ছাউনীটো। উল্লেখ্য যে আজি



এক ব্যতিক্ৰমী ৰূপত দেখা পোৱা গ'ল অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তক। হৰিমন্দিৰ ভাগৰ গুৰু আসন পূৰ্বে প্ৰতিষ্ঠা কৰা হৈছিল যদিও অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানজনে আজি দুপৰীয়া ছাউনীত উপস্থিত হৈ উদ্বোধন কৰে বৰনামঘৰ ভাগ। বৰনামঘৰ ভাগত দবা কোবাই মহন্তই কৰিলে মংগল ধ্বনি। আধ্যাত্মিক অনুষ্ঠানটিত ভাষণ প্ৰসংগত আৰক্ষী সঞ্চালকপ্ৰধানজনে কৰিলে কে'বাটাও ছয় পৃষ্ঠাত চাওক

# শ্ৰীৰামপুৰত বৃহৎ পৰিমাণৰ চোৰাং বাৰ্মিজ চেগুনসহ ট্ৰাক জব্দ

অগ্ৰদূত বাৰ্তা


**গোসাঁইগাঁও, ১৫ জুন ঃ** শ্ৰীৰামপুৰ আৰক্ষীৰ অভিযানত আজি বৃহৎ পৰিমাণৰ চোৰাং বাৰ্মিজ চেগুন কাঠসহ এখন ট্ৰাক জব্দ কৰে। এক বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষীয়ে জব্দ কৰাবলৈ সক্ষম হয় উক্ত বৃহৎ পৰিমাণৰ চোৰাং চেগুনকাঠখিনি। শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে ৰাষ্ট্ৰীয় ঘাইপথৰ ছয় পৃষ্ঠাত চাওক




# নগাঁৱৰ ভিন্ন স্থানৰ পৰা চাৰি ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ১৫ জুন ঃ** যোৱা নিশা নগাঁও আৰক্ষীয়ে চহৰখনৰ পাৰ্শ্বৱৰ্তী ভকতগাঁৱৰ পৰা দুজন পলাতক ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ নাম মাইনুদ্দিন (৩৫) আৰু আইনুদ্দিন (৩২)। নগাঁও সদৰ আৰক্ষী থানাত পঞ্জীভুক্ত ৪৫৮/২০২২ (এই)/২৯ এনডিপিএছ এক্ট মৰ্মে তেওঁলোক দুয়োকে





গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰাই ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। ইপিনে, আজি পুৱা নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী ডিফলু তিনিআলিত স্থানীয় একাংশ লোকে ড্ৰাগছসহ দুই যুৱকক কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। মহখুলীৰ পৰা নগাঁৱলৈ বুলি আহি থকা অৱস্থাত ড্ৰাগছসহ আটক কৰা যুৱকদ্বয় হ'ল মৃণাল ভূঞা আৰু হীৰকজ্যোতি বৰা। ধৃত মৃণালৰ ঘৰ নগাঁও ছয়আলিত আৰু হীৰকজ্যোতিৰ ঘৰ ডিফলুত। ধৃত যুৱক দুজনক পাছত ইটাচালি আৰক্ষী চকীৰ আৰক্ষীক গতাই দিয়ে। নগাঁও ইটাচালী আৰক্ষীয়ে যুৱকদ্বয়ক গ্ৰেপ্তাৰ কৰি জেৰা অব্যাহত ৰাখিছে।

## বেংকত জালিয়াতি

# বৰপেটাৰোডত ধৃত ডিমাপুৰৰ প্ৰৱঞ্চক

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ১৫ জুন ঃ** বেংকত আনে জমা কৰা ধনৰ বিপৰীতে জালিয়াতিৰে প্ৰ-পত্ৰ সলনি কৰি নাগালেণ্ডৰ এজন লোকে কৰা জালিয়াতিৰ তথ্য পোহৰলৈ আহিছে। বেংকৰ এই জালিয়াতিৰ স'তে জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা লোকজন নাগালেণ্ডৰ ডিমাপুৰৰ ৰাজহপুহেৰ কৃষ্ণ শৰ্মাৰ পুত্ৰ বিকাশ শৰ্মা (৩৭)। প্ৰাপ্ত তথ্য মতে যোৱা ছয় মে'ত বৰপেটাৰোডৰ ছয় পৃষ্ঠাত চাওক

# তেজপুৰত ৰখাই থোৱা অৱস্থাত দপ্‌দপাই জ্বলিল বাহন

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১৫ জুন ঃ** আজি পুৱা প্ৰায় ৯.৩০ বজাত তেজপুৰত পথৰ দাঁতিত ৰখাই থোৱা এখন বাহন হঠাৎ জ্বলি উঠাক লৈ আতংকৰ সৃষ্টি হৈছে। স্থানীয় বালিপুখুৰী তিনিআলিস্থিত জ্ঞান ভাৰতী বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰী কঢ়িওৱা ব্যক্তিগত এএছ-১২ এচি-৯৮৩৪ নম্বৰৰ বাহনখনত যান্ত্ৰিক



বিজুতি ঘটি জুই লাগে আৰু বাহনখন দাওদাওকৈ জ্বলি উঠাত সকলোৰে মাজত হাহাকাৰ লাগে। পুৱা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনাৰ পাছত বিদ্যালয়ৰ শ্ৰেণী আৰম্ভ হোৱাৰ বিপৰীতে মেক্সিম' বাহনখন পথৰ দাঁতিত ৰখাই থৈ বাহনখনৰ চালক তথা গৰাকী প্ৰসন্ন দাস ছয় পৃষ্ঠাত চাওক

# কালদিয়া নৈৰ বাঢ়নী পানীয়ে বিধ্বস্ত কৰিলে বজালীবাসীক



## হেজাৰ হেজাৰ বিঘা খেতিপথাৰ প্লাৱিত

**পাটাছাৰকুছি, ১৫ জুন ঃ** ভূটান পাহাৰৰ পৰা বৈ অহা কে'বাখনো নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত বানৰ কবলত পৰিছে বজালী জিলাৰ লগতে অইন অইন জিলাসমূহৰ হেজাৰ হেজাৰ লোক। যোৱা কেইদিনমানৰ পৰা অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত অঞ্চলটোত সৃষ্টি হোৱা কৃত্ৰিম বানে জনজীৱন স্তব্ধ কৰিছে। এই অঞ্চলত সৃষ্টি হোৱা এনে কৃত্ৰিম বান বাতৰি লিখা ছয় পৃষ্ঠাত চাওক

# ব্যৱসায়ী কালিচৰণ কলিতাৰ মৃত্যু

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৫ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাঘমাৰা গাঁও নিবাসী তথা বিশিষ্ট ব্যৱসায়ী কালিচৰণ কলিতাই (৭৮) যোৱা নিশা ১১ মান বজাত নিজ গৃহত শেষ নিশ্বাস ত্যাগ কৰে। বিগত কিছুদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ থকা কালিচৰণ কলিতা শয্যাগত হৈ আছিল। ছয় পৃষ্ঠাত চাওক

# কেন্দ্ৰীয় শক্তি মন্ত্ৰীক উভতি ধৰিলে ধেমাজি আছুৱে

**ধেমাজি, ১৫ জুন ঃ** জলবোমা সদৃশ নামনি সোৱণশিৰি জল বিদ্যুৎ প্ৰকল্পৰ নিৰ্মাণ কাৰ্য বন্ধ দাবীত সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাই নামনিবাসী ৰাইজক লগত লৈ দীৰ্ঘদিন ধৰি আন্দোলন কৰি আহিছে। ইয়াৰ পাছতো নামনিৰ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ কথা গুৰুত্ব পিঠি দি কেৱল পুঁজিপতি ছয় পৃষ্ঠাত চাওক

# নলবাৰীত আজি শিক্ষানুষ্ঠান বন্ধ ঘোষণা জিলা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৫ জুন ঃ** ভাৰতৰ বতৰ বিজ্ঞান বিভাগৰ তৰফৰ পৰা কাইলৈ গুৱাহাটীৰ লগতে নলবাৰী জিলাতো প্ৰৱল বৃষ্টিপাতৰ হোৱাৰ পূৰ্বানুমাণৰ প্ৰতি লক্ষ্য ৰাখি আজি নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনে এক গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰী কৰিছে। এই নিৰ্দেশনা অনুসৰি কাইলৈ নলবাৰী জিলাৰ চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠানসমূহ বন্ধ থাকিব। অৱশ্যে উক্ত দিনা ইতিমধ্যে কোনো পৰীক্ষা প্ৰক্ৰিয়া চলোৱাৰ ছয় পৃষ্ঠাত চাওক

## বুঢ়াদিয়া, মৰাপাগলাদিয়া, কানাইখুণ্ডাৰ বানত বুৰিল বহু গাঁও, ৰাস্তা-ঘাট, শিক্ষানুষ্ঠানকে ধৰি বহু অনুষ্ঠান-প্ৰতিষ্ঠান

# বানত চামতা-কৈঠালকুছি গড়কাপ্তানী পথ ছিঙাৰ উপক্ৰম

অগ্ৰদূত বাৰ্তা

**চামতা, ১৫ জুন ঃ** পশ্চিম নলবাৰীত বুঢ়াদিয়া, মৰাপাগলাদিয়া আৰু কানাইখুণ্ডাৰ বানৰ তাণ্ডৱ অব্যাহত আছে। বুঢ়াদিয়াৰ বানে লখোপুৰ অঞ্চলৰ গান্ধীবস্তিত মথাউৰি ছিঙাৰ উপৰি চামতা-কৈঠালকুছি গড়কাপ্তানী পথৰ নদলা বজাৰৰ কালভাৰ্টটো বানে এফালৰ কিছু অংশ খহাই নিয়াত পথটোলৈ ভাবুকি আহি পৰিছে । বুঢ়াদিয়াৰ বানে কুলবিল হীৰাপাৰাৰ পৰাই ৭০ টা পৰিয়ালৰ ঘৰ-দুৱাৰ বুৰাই পেলোৱাত পৰিয়ালকেইটাৰ অবৰ্ণনীয় পৰিৱেশৰ সৃষ্টি হৈছে। বুঢ়াদিয়াৰ বানে কুলবিলঘাট ৰাজহুৱা



শিৱালয়, সাহপুৰ ৰাজঘাটৰ দুৰ্গা মন্দিৰ প্ৰাংগণ, ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ চৌহদ বুৰাই পেলোৱাৰ ছয় পৃষ্ঠাত চাওক

# নলবাৰীত মাটিৰ দালাল আটক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৫ জুন ঃ** নলবাৰী আৰক্ষীয়ে আজি এজন মাটিৰ দালালক আটক কৰে। আটকাধীন লোকজন ৰতন বৰ্মন। উল্লেখ্য যে দীৰ্ঘদিনৰ পৰা নলবাৰী সদৰ ৰাজহ চক্ৰ কাৰ্যালয়ত দালালী কৰাৰ অভিযোগ উত্থাপন হৈছিল আৰু বহুসংখ্যক লোকে ধাৰাৰ জনৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত অভিযোগ দিয়া বুলি আৰক্ষীয়ে সদৰী কৰিছে। নলবাৰী চহৰৰ পাৰ্শ্বৱৰ্তী বৰকুৰাৰ বাসিন্দা ৰতনে ঘৰৰ পৰাই উপ-আৰক্ষী অধীক্ষক জিকিৰাণী মহন্তই আটক কৰে। লোকজনৰ লগতে গৃহৰ পৰা বিভিন্ন মাটিৰ দলিলকে ধৰি নগদ ধন জব্দ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। সম্প্ৰতি লোকজনক নলবাৰী থানাৰ জেৰা চলাই থকা হৈছে।

# ৰাইজে উদ্ধাৰ কৰিলে হৰিণা

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৫ জুন ঃ** আই নৈৰ বানপানীত উটি অহা এটা হৰিণা বঙাইগাঁও জিলাৰ সৃজনগ্ৰামৰ ভূমকাটাৰীত ৰাইজে আজি উদ্ধাৰ কৰি বৰঘোলা আৰক্ষী চকীক গতাই দিয়ে। পাছত অভয়াপুৰী আঞ্চলিক বন বিভাগৰ এটা দল আৰক্ষী চকীত উপস্থিত হৈ আঘাতপ্ৰাপ্ত হৰিণাটো নিজৰ জিম্মাত আনে আৰু প্ৰাথমিক চিকিৎসাৰ ব্যৱস্থা কৰে। আঘাতপ্ৰাপ্ত হৰিণাজনী সুস্থ হৈ উঠাৰ পাছত বন বিভাগে পাহাৰৰ বননিত মুকলি কৰি দিব। ইপিনে, হৰিণাজনী গৰ্ভৱতী বুলি আশংকা কৰিছে বন বিভাগ তথা ৰাইজে। উল্লেখ্য যে সৃজনগ্ৰামৰ ভূমকাটাৰীত আৰু এটা হৰিণা ৰাইজে প্ৰত্যক্ষ কৰে।



# টিহু নদীৰ বানৰ তাণ্ডৱত ছহিদ হিমাংশু তামুলীৰ স্মৃতিসৌধৰ ক্ষতি

## টিহু আছুৰ কাৰ্যালয়লৈ আহিছে ভাবুকি

অগ্ৰদূত বাৰ্তা

**টিহু, ১৫ জুন ঃ** টিহু নৈৰ পাৰৰ ছহিদ ভৱনৰ বাকৰিত অৱস্থিত সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক ছহিদ হিমাংশু তামুলীৰ স্মৃতিসৌধটোৰ এটি বৃহৎ অংশ টিহু নদীৰ বানৰ তাণ্ডৱত খহি পৰাত টিহু আঞ্চলিক ছাত্ৰ সন্থা, নলবাৰী জিলা ছাত্ৰ সন্থা আৰু টিহুবাসী ৰাইজ উদ্বিগ্ন হৈ পৰিছে। উল্লেখ্য যে টিহু মহকুমাৰ দাবীত বিভিন্ন গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচীৰ লগতে ২০১৫ৰ ১৭ জুলাইত ৩১ নম্বৰ ঘাইপথ অৱৰোধ কাৰ্যসূচী শান্তিপূৰ্ণভাৱে চলি থকাৰ সময়তে চি আৰ পি এফ জোৱানৰ নিৰ্বিচাৰ গুলি চালনাত মৃত্যু হয় টিহু আছুৰ সদস্য হিমাংশু তামুলীৰ। টিহু নদীৰ খহনীয়া ৰোধৰ ক্ষেত্ৰত জলসম্পদ বিভাগ সম্পূৰ্ণভাৱে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত উদ্যানখনতে থকা টিহু আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয়টোলৈও ভাবুকিৰ সৃষ্টি হৈছে। এই ক্ষেত্ৰত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকে কয় যে ছাত্ৰ সন্থাৰ তৰফৰ পৰা কে'বাবাৰো মৌখিক আৰু লিখিতভাৱে আবেদন দিয়াৰ পাছতো জলসম্পদ বিভাগে টিহু নদীৰ খহনীয়া ৰোধৰ বাবে গুৰুত্ব নিদিয়াৰ ছয় পৃষ্ঠাত চাওক

# তিনিচুকীয়াত ড্ৰাগছসহ আটক পাঁচ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ১৫ জুন ঃ** নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে তিনিচুকীয়া আৰক্ষীয়ে তীব্ৰ অভিযান চলাই অহাৰ মাজতে আজি আন এক সফলতা লাভ কৰে। বিশেষ সূত্ৰৰ পমখেদি তিনিচুকীয়া আৰক্ষীয়ে অভিযান চলাই চহৰখনৰ তিনিকোণীয়াত দুজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰে। ধৃত সৰবৰাহকাৰী দুজনে ড্ৰাগছখিনি ৰেলযোগে ডিমাপুৰৰ পৰা অনা বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে। সম্প্ৰতি ছয় পৃষ্ঠাত চাওক

# ডিমা হাছাও জিলাত পুনৰ কৃত্ৰিম বানৰ তাণ্ডৱ-ভূমিস্খলন, যাতায়াত-বিদ্যালয় বন্ধ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ১৫ জুন ঃ** দেওবাৰৰ পৰা হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত পাহাৰীয়া জিলা ডিমা হাছাওত পুনৰ কৃত্ৰিম বানৰ তাণ্ডৱ আৰু ঠায়ে ঠায়ে সংঘটিত ভূমিস্খলনত এক প্ৰকাৰে বিধ্বস্ত হৈ পৰিছে। ইপিনে, কৃত্ৰিম বানৰ তাণ্ডৱ আৰু ভূমিস্খলনত সম্প্ৰতি যাতায়াত আৰু প্ৰায়বোৰ বিদ্যালয় বন্ধ হৈ পৰিছে। উল্লেখ্য যে পাহাৰীয়া জিলাখনত বিগত সময়ছোৱাত সংঘটিত হৈ যোৱা বিভিন্ন ঠাইৰ কৃত্ৰিম বানৰ তাণ্ডৱ আৰু ভূমিস্খলনত বিধ্বস্ত ঠাইসমূহত নিৰ্মাণ কাৰ্য চলি আছে যদিও সেয়াও বন্ধ হৈ পৰিছে। জিলাখনৰ ল'ৱাৰ হাফলং ৰেল ষ্টেছনৰ ধ্বংস প্ৰাপ্ত অঞ্চলটো সম্প্ৰতি কৃত্ৰিম বানৰ কবলত। ইপিনে, এছ-ক্ৰাভ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ১ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৬ জুন ২০২২


# মহানগৰত বান

লখিমপুৰ, ধেমাজি, মাজুলী নহয়, গুৱাহাটী মহানগৰ বুৰিল কৃত্ৰিম বানত। মহানগৰৰ প্ৰায় ৫০ শতাংশ অঞ্চল কৃত্ৰিম বানৰ কৱলত পৰিছে। মহানগৰৰ ৰাজপথত বিলাসী গাড়ী চলা নাই, চলিছে এনডিআৰএফ, এছডিআৰএফৰ উদ্ধাৰকাৰী দলৰ নৌকা। মহানগৰৰ মাজমজিয়াত একঁকাল-এবুকু পানী। হেজাৰ হেজাৰ পৰিয়ালৰ ঘৰ-বাৰী কৃত্ৰিম বানত বুৰিছে। শ শ লোকক আশ্ৰয় শিবিৰলৈ স্থানান্তৰিত কৰা হৈছে। হেজাৰ হেজাৰ লোকে ঘৰ-বাৰী এৰি আন ঠাইত আশ্ৰয় লৈছে। পৌৰ প্ৰশাসনে বানপীড়িতসকলক খাদ্য তথা অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিবলগীয়া হৈছে। ১৫ জুনত শিক্ষানুষ্ঠানসমূহ বন্ধ ঘোষণা কৰা হৈছে। মহানগৰ বুৰাই পেলোৱা কৃত্ৰিম বানে মহানগৰৰ ভেম, গৰ্ব সকলো উটুৱাই নিলে। স্মাৰ্ট চিটী গুৱাহাটী কৃত্ৰিম বানত ভাহিছে। সৌ সিদিনা গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনত শাসক দল বিজেপি তথা চৰকাৰে বানমুক্ত গুৱাহাটীৰ প্ৰতিশ্ৰুতি দিছিল। ডেৰ মাহৰ পাছতে কৃত্ৰিম বানে সেই প্ৰতিশ্ৰুতি অসাৰ প্ৰতিপন্ন কৰিলে। গুৱাহাটীৰ কৃত্ৰিম বান প্ৰতিৰোধৰ সকলো আঁচনি তথা ব্যৱস্থাও যেন কৃত্ৰিম বানত উটি-ভাহি গ'ল। প্ৰতিখন চৰকাৰে শ শ কোটি টকাৰ বানপানী সমস্যাৰ সমাধান আৰু গুৱাহাটী উন্নয়নৰ বাবে আঁচনি লৈছে, খৰচো কৰিছে; কিন্তু কৃত্ৰিম বানৰ সমস্যাৰ সমাধান নহ'ল। আজিও এজাক বৰষুণতে মহানগৰৰ বাট-পথ, ঘৰ-বাৰী বুৰ যায়। আনকি সমস্যা কম হোৱাৰ পৰিৱৰ্তে বাঢ়িছেহে। এইবাৰৰ কৃত্ৰিম বানেই ইয়াৰ প্ৰমাণ দিয়ে। চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই দাবী কৰি আহিছিল যে মহানগৰৰ অনিল নগৰ, নবীন নগৰ এতিয়া পূৰ্বৰ দৰে বানত বুৰ নাযায়; কিন্তু এইবাৰ আগতকৈ বেছি ভয়াৱহ ৰূপতহে বান আহিল। এইবাৰৰ বানত পূৰ্বৰ অঞ্চলবোৰতো বুৰিছেই, আনকি বহু নতুন নতুন ঠাই বানত বুৰিছে। চৰকাৰী বিষয়া তথা ৰাজনৈতিক নেতাসকলে দাবী কৰিছিল যে গুৱাহাটীত নতুন ঠাই বানত বুৰা নাই; কিন্তু সেই দাবীও এইবাৰৰ বানে অসত্য প্ৰতিপন্ন কৰিলে। বৰষুণ আহিলেই নাইবা বৰষুণ বেছি হ'লেই গুৱাহাটী মহানগৰ কৃত্ৰিম বানত বুৰিব— এয়াই এতিয়া স্বাভাৱিক হৈ পৰিছে। চৰকাৰৰ ২৫ কোটিটকীয়া ছুপাৰ ছাকাৰবোৰ পৰি থাকিল। সেইবোৰ চলাবলৈ পৰ্যাপ্ত প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰীয়েই নাই বুলি প্ৰকাশ পাইছে। যদিহে প্ৰশিক্ষণপ্ৰাপ্ত কৰ্মচাৰী বা অপাৰেটৰ নাই, তেন্তে চৰকাৰে নিযুক্তি দি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা নাই কিয়? যদিহে ২৫ কোটি টকাত ছুপাৰ ছাকাৰ ক্ৰয় কৰিব পাৰে, তেন্তে লাখ টকা খৰচ কৰি চলোৱা মানুহ নিয়োগ কৰিব নোৱাৰে কিয়? বহুতৰে মনত এনে প্ৰশ্নৰো উদয় হ'ব পাৰে যে প্ৰকৃততে গুৱাহাটীৰ কৃত্ৰিম বানৰ পৰা সকাহ দিব বুলি দাবী কৰা ছুপাৰ ছাকাৰবোৰ প্ৰকৃততে কিমান উপযুক্ত? তেন্তে ছুপাৰ ছাকাৰবোৰ পৌৰ নিগমৰ বগাহাতীত পৰিণত হ'ল নেকি?

গুৱাহাটী মহানগৰৰ চাৰিওদিশে থকা ২০খন পাহাৰৰ বাবে ই এক কেৰাহী সদৃশ ৰূপ পাইছে। সেয়ে চাৰিওফালৰ পাহাৰৰ পৰা বৰষুণৰ পানীৰ ধল নামি আহে মহানগৰৰ মধ্যভাগলৈ। আগেয়ে বৰষুণৰ এই পানী ওলাই গৈছিল ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত থকা দ' ঠাই, খাল-বিল, নৈ-পুখুৰী আদিলৈ। সেয়ে মহানগৰত কৃত্ৰিম বান নহৈছিল; কিন্তু বৰ্তমান মহানগৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী অঞ্চলত থকা খাল-বিল, পথাৰ, দ' ঠাই, নৈ তথা জলাশয়সমূহ পুতি পেলোৱা হৈছে। এইবিলাকত মানুহৰ ব্যাপক বেদখল হ'ল। ঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি নিৰ্মাণ কৰা হ'ল। আৱাসিক তথা ব্যৱসায়িক অঞ্চলত পৰিণত হ'ল। এনে এটা সময় আছিল, যেতিয়া মহানগৰৰ ভিতৰলৈ বৰ নাও সোমাই আহিছিল। ইয়াৰ পৰা বুজিব পাৰি গুৱাহাটীৰ পানী কিদৰে ব্ৰহ্মপুত্ৰলৈ সহজে বৈ গৈছিল। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ যথেষ্ট তলত; কিন্তু মহানগৰৰ পানী ওলাই যোৱাৰ ব্যৱস্থা বা 'আউটলেট'সমূহ বন্ধ হৈ পৰিল। পানী জমা হ'ব পৰা খাল-বিল-জলাশয়, নৈসমূহ বেদখলকাৰীয়ে পুতি পেলালে। সেয়ে পানী ওলাই যোৱা আৰু জমা হোৱা ব্যৱস্থা নোহোৱা হ'ল। বৰষুণ দিলেই এতিয়া পানী ওফন্দি পৰে। মহানগৰৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলায়। পথ, উপ-পথসমূহত একঁকাল-এবুকুলৈকে পানী হয়। বিশেষকৈ পাহাৰবোৰত বেদখল আৰু মাটি কটা, শিল ভঙা, অৰণ্য ধ্বংস কৰা আদিৰ ফলত পাহাৰীয়া অঞ্চলবোৰৰ পৰা মাটি, বালি, বোকা আদি বাৰিষাৰ বৰষুণৰ সময়ত তললৈ খহি আহে। পাহাৰীয়া মাটি বেদখলৰ ফলত আৰু একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী, অসাধু ব্যৱসায়ী আদিয়ে পাহাৰৰ মাটি কটাৰ দৰে কুকৰ্মত সহযোগ কৰি অহাৰ ফলতে এনে ঘটনা ঘটিছে। পাহাৰৰ মাটি, বালি, বোকা আদি বৰষুণৰ পানীত উটি আহি মহানগৰৰ সকলো নলা-নৰ্দমা পুতি পেলায়। মাজে-সময়ে নলা-নৰ্দমা পৰিষ্কাৰ কৰা হয় যদিও প্ৰত্যেক জাক বৰষুণে মাটি-বালি, বোকা আনি নলা-নৰ্দমাবোৰত পেলায়। এইদৰে পাহাৰৰ পৰা পানী-বালি-বোকা-মাটি আহি নলা-নৰ্দমাত পৰাটো বন্ধ নোহোৱালৈকে মহানগৰৰ কৃত্ৰিম বান সমস্যা সমাধান সম্ভৱ নহ'ব। মহানগৰবাসীয়ে প্ৰতিটো বাৰিষাতে দুৰ্ভোগ ভুগিব লাগিব, বানৰ আতংকত বিনিদ্ৰ ৰজনী পাৰ কৰিব লাগিব!

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**এইবেলি** বিহু মঞ্চৰ লগতে আৰু এখন নতুন মঞ্চৰ জন্ম দিছে এচাম বিহুবলীয়া ৰাইজে। সেইখন বোকা মঞ্চ। মূল মঞ্চত আমন্ত্ৰণ কৰি অনা শিল্পীয়ে সুৰীয়া কণ্ঠ আৰম্ভ কৰাৰ লগে লগে আৰম্ভ হয় বোকা মঞ্চৰো। উন্মাদ নৃত্যৰ ভমকত কাৰ গাত কিমান বোকা লাগিছে, তালৈ চোৱাৰ সময় নাই। ভাল কাপোৰ, বেয়া কাপোৰ সেয়াও মাথোঁ গৌণহে। চকী ভঙা, বোকা দলিওৱা সেয়াহে মুখ্য। দৰ্শকৰ ভাল-বেয়া সেইসকলৰ বাবে নগণ্য। এক অদ্ভুত কাণ্ড। ভয়-শংকাত নীৰৱ-ভদ্ৰ দৰ্শকে শ্ৰীহৰি সুঁৱৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈ পৰে। এক অভাৱনীয় পৰিস্থিতিৰে প্ৰাণে বিচৰা মৰমৰ বিহুমঞ্চলৈ, সেউজ সুৰীয়া গীতৰ অনুষ্ঠানলৈ এক অভিশাপ। বোকা নৃত্য কৰাসকলে পুলিচ বাহিনীৰ হাতত গোটাচেৰেক বেত্ৰ দণ্ডও পাইছে। তথাপি তেওঁলোকৰ গালৈ চেতনা অহা নাই। এইবাৰ আকৌ ১০ হেজাৰ ভৰিবলৈ সাজু হৈ যাওক বোকা নৃত্য শিল্পীসকল। আপোনালোকলৈ সাদৰ-সম্ভাষণ।

**পৰাণ চন্দ্ৰ দাস,** *লেখক*

সময়ৰ সলনি হৈছে বুলি বিহু মঞ্চৰ ঐতিহ্যত কালিমা সানি জগতখনৰ সন্মুখত জাতিটোৰ দুৰ্নাম আনিবলৈ আপোনালোকে বাঞ্ছা নকৰিব। অনুষ্ঠান চাই আনন্দ লাভ কৰক। তাত আমাৰ ক'ব লগা নাই; কিন্তু সস্তীয়া উন্মাদ-আনন্দেৰে জাতিটোৰ হিয়াৰ আমঠু সুন্দৰ সংস্কৃতিলৈ দুৰ্নাম কঢ়িয়াই নানিব। ড° ভূপেন হাজৰিকা, খগেন মহন্ত, কোকিলকণ্ঠী দিপালী বৰঠাকুৰ, অৰ্চনা মহন্তক পাহৰি যাবলৈ আমাক বাধ্য নকৰাব। এইসকল প্ৰবাদ ব্যক্তিৰ সংগীত অনুষ্ঠানে সকলোৰে মন মোহাচ্ছন্ন কৰি ৰাখিছিল। ৰভা খুঁটাত উঠা বাদ দি, বোকাত লুতুৰি-পুতুৰি নহৈ শান্তিৰ অনুষ্ঠান গঢ়িবলৈ আহ্বান জনালো।


*ফোন : ৯৮৫৪২৯৪০২০*

# গোচৰ নিষ্পত্তিত ব্যৰ্থ বিদেশী ন্যায়াধিকৰণ

# ধোঁৱাচাঙত উঠা অসম চুক্তি এলান্ধুত পোত যাব কিজানি



### সোঁতৰ বিপৰীতে চিন্তা



**প্ৰবীণ চৌধুৰী**

যোৱা ন জুন সংখ্যা 'দৈনিক অগ্ৰদূত'ত 'গোচৰ নিষ্পত্তিত ব্যৰ্থ বিদেশী ন্যায়াধিকৰণ' শিৰোনামেৰে বাতৰি এটা প্ৰকাশ পাইছিল। বাতৰিটোৱে বিদেশী সমস্যা সমাধানৰ প্ৰতি থকা চৰকাৰৰ আৰু 'আখৰে আখৰে অসম চুক্তি ৰূপায়ণ'ৰ দাবীত মাজে মাজে সৰৱ হৈ নিজৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ চেষ্টা কৰি থকা ছাত্ৰ সংগঠনৰ দায়বদ্ধতাৰ প্ৰকৃত স্বৰূপ উদঙাই দিছে। বাতৰিটোৰ মতে এক এপ্ৰিল ২০২১ৰ পৰা ৩১ মাৰ্চ ২০২২লৈ, এই বিত্তীয় বছৰটোত ৰাজ্যখনৰ এশখন বিদেশী ন্যায়াধিকৰণে ১৫,২০১টা গোচৰ নিষ্পত্তি কৰিছে আৰু ৩১ মাৰ্চ ২০২২-ত ১,১৯,১৬৪টা গোচৰ নিষ্পত্তি নোহোৱাকৈ আছে। গোচৰৰ বৃহৎ আকাৰৰ সংখ্যালৈ চাই কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে শেহতীয়াভাৱে ন্যায়াধিকৰণবোৰৰ দক্ষতা আৰু গোচৰ নিষ্পত্তিৰ ধাৰা তিনি মাহৰ মূৰে মূৰে পুনৰীক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰলৈ নিৰ্দেশ জাৰি কৰিছে বুলিও বাতৰি প্ৰকাশ পাইছে। ৰাজ্য চৰকাৰলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা এনে নিৰ্দেশনা ৰাজ্য চৰকাৰৰ বাবে নিশ্চয় অপমানসূচক। সেই মৰ্মে ন্যায়াধিকৰণসমূহক ৰুজু কৰা গোচৰৰ সংখ্যাৰ ভিত্তিত মাহিলি গোচৰ নিষ্পত্তিৰ বাবে ৰাজ্য চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰি দিয়াৰ আৰু তাৰ বিপৰীতে বেছিভাগ ন্যায়াধিকৰণ এই লক্ষ্য পূৰণত ব্যৰ্থ হোৱা বুলিও বাতৰিত প্ৰকাশ পাইছে। উল্লেখ নিষ্প্ৰয়োজন যে নাগৰিকত্ব নিৰ্ণয়ৰ দৰে স্পৰ্শকাতৰ বিষয় এটাত প্ৰকৃত ন্যায় প্ৰদান কৰিবলৈ হ'লে খৰখেদাকৈ গোচৰ নিষ্পত্তি কৰাটো অবাঞ্ছনীয়। সেই পৰিপ্ৰেক্ষিতত ন্যায়াধিকৰণসমূহক মাহিলি বা তিনিমহীয়া লক্ষ্য বান্ধি দিয়াটো কিমান যুক্তিসংগত হৈছে সি ভাবিবলগীয়া বিষয়।

উল্লেখ্য যে সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বত ন্যায়াধিকৰণৰ সদস্যৰ দক্ষতাৰ ওপৰত বিতুষ্ট হৈ চৰকাৰে ন্যায়াধিকৰণৰ কেইগৰাকীমান সদস্যৰ কাৰ্যকালৰ নবীকৰণত অনুমোদন জনোৱা নাছিল। আনহাতে, ন্যায়াধিকৰণৰ দক্ষতাক লৈ চৰকাৰ বিতুষ্ট হোৱাৰ বিপৰীতে ন্যায়াধিকৰণত কৰ্মৰত একাংশ বিচাৰক, সদস্য আৰু কৰ্মচাৰীয়েও চৰকাৰৰ বিৰুদ্ধে বিতুষ্টি প্ৰকাশ কৰিছে। তেওঁলোকৰ মতে সৰহভাগ ন্যায়াধিকৰণ জোৰা-তাপলি মাৰি চলিছে, একেটা কোঠাতে তিনি চাৰিগৰাকী বিচাৰপতি বহি গোচৰ নিষ্পত্তি কৰিবলগীয়া হৈছে, অনেক ন্যায়াধিকৰণত চকী, মেজ আদি যথোপযুক্ত আচবাব-পত্ৰ নাই, অনেক ন্যায়াধিকৰণত প্ৰয়োজনীয় কাগজ-পাতি কিনিবলৈ ধন নাই ইত্যাদি।

ইয়াৰ আগতে আন এখন বাতৰি কাকত 'দৈনিক অসম'ত এক জুনত প্ৰকাশ পোৱা এটা বাতৰি মৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ ৰুজু কৰা এটা গোচৰৰ সঁহাৰি হিচাপে অসম চৰকাৰে ৩১ মে'ত শপতনামা এখন দাখিল কৰিছিল; আৰু তাতেই প্ৰকাশ পাইছিল উক্ত তথ্য আৰু মন্তব্যসমূহ।

উক্ত শপতনামাযোগে কে'বাখনো ন্যায়াধিকৰণৰ আন্তঃগাঁথনি পৰ্যাপ্ত আৰু সম্পূৰ্ণ নহয় বুলিও ৰাজ্য চৰকাৰে উচ্চ ন্যায়ালয়ক অৱগত কৰিছে। উল্লেখ্য যে ন্যায়াধিকৰণৰ আন্তঃগাঁথনিৰ অপৰ্যাপ্ততা সম্পৰ্কে যোৱা বছৰ উচ্চ ন্যায়ালয়ে অসন্তুষ্টি ব্যক্ত কৰিছিল। শপতনামাখনত উল্লিখিত আন কথাবোৰ ৰাজহুৱা হোৱা নাই যদিও গোচৰ নিষ্পত্তিৰ উক্ত তথ্য আৰু কে'বাখনো ন্যায়াধিকৰণৰ আন্তঃগাঁথনিৰ শোচনীয় অৱস্থাৰ বিষয়ে উচ্চ ন্যায়ালয়ে কৰা মন্তব্যৰ পৰাই অসমত বিদেশী সমস্যা সমাধানৰ দিশে চলি থকা কাম-কাজৰ পুতৌলগা অৱস্থাৰ বিষয়ে উমান পোৱা যায়।

ওপৰোক্ত শপতনামাত যোৱা বিত্তীয় বছৰত ন্যায়াধিকৰণত নিষ্পত্তি হোৱা আৰু বছৰটোৰ শেষত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰৰ সংখ্যাহে প্ৰকাশ পাইছে; কিন্তু তাৰ আগৰ বছৰবোৰত কিমান গোচৰ নিষ্পত্তি কৰা হৈছিল, বছৰবোৰৰ শেষত কিমান গোচৰ নিষ্পত্তি নোহোৱাকৈ থাকি গৈছিল, আৰম্ভণিৰ পৰা অৰ্থাৎ ১৯৮৫ত অসম চুক্তি চহী হোৱাৰে পৰা এতিয়ালৈকে কিমান গোচৰ ৰুজু কৰা হৈছিল, তাৰে কিমান গোচৰ নিষ্পত্তি কৰা হৈছে, আৰু তাৰ দ্বাৰা কিমান বিদেশী চিনাক্তকৰণ কৰা হৈছিল আদি তথ্য চৰকাৰেও প্ৰকাশ কৰা নাই আৰু বিদেশী সমস্যাৰ স্বয়ম্ভূ অভিভাৱক সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ আৰু অসম গণ পৰিষদ আদি দল-সংগঠনেও বিচৰা নাই।

তেনেবোৰ তথ্য যে প্ৰণালীৱদ্ধভাৱে কৰবাত লিপিৱদ্ধ কৰি ৰখা হৈছে সেই বিষয়েও সন্দেহৰ অৱকাশ আছে।

যি হওক, বিদেশী চিনাক্তকৰণ যে বিদেশী সমস্যা সমাধানৰ প্ৰথমটো পদক্ষেপ (Step), সেই কথা দোহৰাৰ কোনো প্ৰয়োজন নাই। অথচ এই পদক্ষেপটোতে উজুটি খাই খাই আমি যে সমস্যাটোৰ সমাধানৰ দিশে এখোজো আগবাঢ়িব পৰা নাই, সেই কথা উপলব্ধি কৰিবলৈ আমি কোনেও চেষ্টা কৰা নাই। সমগ্ৰ দেশতে বিদেশীৰ চিনাক্তকৰণ হয় ১৯৪৬ৰ বিদেশী আইন বা ফৰেইনাৰ্ছ এক্ট অনুযায়ী; কিন্তু ১৯৮৫ত 'অসম চুক্তি' চহী হোৱাৰ দুবছৰ আগতে ১৯৮৩ত বিদেশী চিনাক্তকৰণৰ বাবে কেৱল অসমত প্ৰযোজ্য হোৱাকৈ 'আইএমডিটি এক্ট, ১৯৮৩' নামৰ আইন এখন প্ৰণয়ন কৰা হৈছিল। উল্লেখ্য যে বিদেশী চিনাক্তকৰণৰ দায়িত্ব ন্যস্ত আছে 'ফৰেইনাৰ্ছ এক্ট-১৯৪৬'-ৰ অধীনত গঠন কৰিবলগীয়া ফৰেইনাৰ্ছ ট্ৰিবিউনেল বা বিদেশী ন্যায়াধিকৰণৰ ওপৰত। আইএম(ডিটি) এক্টখনৰ অধীনতো বিদেশী ন্যায়াধিকৰণ গঠন কৰাৰ ব্যৱস্থা আছিল। গতিকে নতুন আইনখনৰ অধীনত আৰম্ভণিতে ১১ খন ন্যায়াধিকৰণ স্থাপন কৰা হৈছিল; কিন্তু বিদেশী চিনাক্তকৰণত অসুবিধা সৃষ্টি কৰাৰ লক্ষ্যৰে প্ৰণয়ন কৰা আইনখনৰ অধীনত গঠন কৰা ন্যায়াধিকৰণকেইখনে কংগ্ৰেছ চৰকাৰে বিচৰাৰ দৰেই বিদেশী চিনাক্তকৰণত ব্যৰ্থ হৈছিল। প্ৰথমতে ১৯৮৫ত আৰু পিছত ১৯৯৬ত গঠন কৰা অসম গণ পৰিষদ চৰকাৰ দুখনে বিদেশী সমস্যা সমাধান কৰিব নোৱাৰাৰ মূল কাৰণ আছিল আইএম(ডিটি) এক্টখনে বিদেশী চিনাক্তকৰণত দিয়া বিধি-পথালি। পাছত ছাত্ৰ নেতা সৰ্বানন্দ সোণোৱালে উচ্চতম ন্যায়ালয়ত ৰুজু কৰা গোচৰৰ ৰায় মৰ্মে ২০০৫ত আইএম(ডিটি) এক্টখন বাতিল কৰা হৈছিল। প্ৰকৃততে ২০০৫ত এক্টখন বাতিল হোৱাৰ পিছৰ পৰাহে বিদেশী সমস্যা সমাধানৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। যি হওক, তাৰ পাছতেই আইএম(ডিটি) এক্টৰ অধীনত গঠন কৰা ন্যায়াধিকৰণ ১১ খন ফৰেইনাৰ্ছ এক্ট ১৯৪৬ৰ অধীনলৈ নিয়া হয়। ২০০৫-২০০৯ কালছোৱাত তদানীন্তন চৰকাৰে ২৩ খন নতুন ন্যায়াধিকৰণ স্থাপন কৰি অসমত ন্যায়াধিকৰণৰ সংখ্যা ৩৪ খনলৈ বৃদ্ধি কৰে। তাৰ চাৰি বছৰৰ পাছত ২০১৩ত ন্যায়াধিকৰণৰ সংখ্যা এশখনলৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছিল। অৰ্থাৎ ২০১৩লৈ 'লাখ লাখ' বিদেশী চিনাক্ত কৰাৰ বাবে অসমত মাথোন ৪৩ খন ন্যায়াধিকৰণৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছিল। সদৌ অসম ছাত্ৰ সন্থা অথবা অসম গণ পৰিষদে কিন্তু এই বিষয়ে কোনো ধৰণৰ আপত্তি তোলা নাছিল। চৰকাৰে এশখন ন্যায়াধিকৰণ স্থাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছতো প্ৰকৃততে কিমানখন ন্যায়াধিকৰণ কাৰ্যক্ষম হ'ল, কোন কোন ঠাইত ন্যায়াধিকৰণসমূহ

**সমগ্ৰ দেশতে বিদেশীৰ চিনাক্তকৰণ হয় ৰজ্ঝাচ্ছ্ৰছৰ বিদেশী আইন বা ফৰেইনাৰ্ছ এক্ট অনুযায়ীস্ল কিন্তু ৰজ্ঝাজ্জ্ৰপ্তত 'অসম চুক্তি' চহী হোৱাৰ দুবছৰ আগতে ৰজ্ঝাজ্জ্বত বিদেশী চিনাক্তকৰণৰ বাবে কেৱল অসমত প্ৰযোজ্য হোৱাকৈ 'আইএমডিটি এক্ট, ৰজ্ঝাজ্জ্ব' নামৰ আইন এখন প্ৰণয়ন কৰা হৈছিল**

স্থাপন কৰা হৈছে আদি বিষয়েও কোনো জাতীয় দল-সংগঠনে কোনো দিনে প্ৰশ্ন কৰা নাছিল। এতিয়াও বোধহয় কোনেও নাজানে সম্পূৰ্ণ আন্তঃগাঁথনি আৰু যাৱতীয় ন্যায়াধীশ তথা সদস্য আৰু কৰ্মচাৰীৰ নিযুক্তিৰ স'তে প্ৰকৃততে কিমানখন ন্যায়াধিকৰণ সম্পূৰ্ণভাৱে কাৰ্যক্ষম হৈছে।

উল্লেখ্য যে গোচৰ নিষ্পত্তি খৰতকীয়া কৰিবলৈ হ'লে ন্যায়াধিকৰণৰ সংখ্যা বৃদ্ধি কৰাৰ বাহিৰে আন উপায় নাই। সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বৰ অসমৰ প্ৰথমখন বিজেপি নেতৃত্বাধীন চৰকাৰে এটা সময়ত ন্যায়াধিকৰণৰ সংখ্যা এক হেজাৰখনলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু প্ৰথম অৱস্থাত এশখন অতিৰিক্ত ন্যায়াধিকৰণ স্থাপন কৰি ন্যায়াধিকৰণৰ সংখ্যা দুশখনলৈ বৃদ্ধি কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছিল। সেই মৰ্মে বিচাৰপতি তথা সদস্যও নিযুক্তি দিয়া হৈছিল; আৰু প্ৰায় ১৭০০ কৰ্মচাৰীকো বাছনি কৰা হৈছিল। এটা সূত্ৰৰ মতে এন আৰ চি চূড়ান্ত কৰাৰ পাছত গোচৰৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাব বুলিয়েই চৰকাৰে সেই সিদ্ধান্ত গ্ৰহণ কৰিছিল; কিন্তু কেন্দ্ৰীয় চৰকাৰে এন আৰ চিখন চূড়ান্ত বুলি ঘোষণা নকৰাৰ বাবে উক্ত এশখন অতিৰিক্ত ন্যায়াধিকৰণ স্থাপন কৰা হোৱা নাই। এই ক্ষেত্ৰতো জাতীয় দল-সংগঠনসমূহ নিমাত।

যোৱা ৩১ মাৰ্চত গুৱাহাটী উচ্চ ন্যায়ালয়ত চৰকাৰে দাখিল কৰা শপতনামাখনত উল্লেখ কৰা গোচৰ নিষ্পত্তিৰ তথ্য আৰু ন্যায়াধিকৰণসমূহৰ পুতৌজনক অৱস্থাৰ বিষয়ে বিতং বাতৰি প্ৰকাশ হোৱাৰ পাছতো জাতীয়তাবাদী কোনো দল-সংগঠনে মাত মতা নাই। অথচ অলপতে শিলিগুৰিত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাজহুৱা সভা এখনত ক'ভিড শাম কাটিলেই 'কা' আইন বলৱৎ কৰা হ'ব বুলি কওঁতে আমাৰ ছাত্ৰ সন্থা, জাতীয়বাদী যুৱ ছাত্ৰ পৰিষদ আদি জাঙুৰ খাই উঠিছিল। আখৰে আখৰে অসম চুক্তি ৰূপায়ণৰ দাবী তোলা আন্দোলনকাৰী নেতাসকলে কিন্তু চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত প্ৰকৃততে কি হৈ আছে তাৰ বিচাৰ নকৰে। গতিকে দেখা যায় যে বিদেশী সমস্যাৰ সমাধান নোহোৱাৰ বাবে যেনেদৰে চৰকাৰসমূহ দায়ী, চৰকাৰৰ লগতে তেনেদৰে জাতীয় সংগঠনসমূহো সমানেই দায়ী। নিযুক্তিৰ বাবে প্ৰয়োজনীয় ন্যায়াধীশৰ নাটনিৰ বাবেও যে পৰ্যাপ্ত ন্যায়াধিকৰণ কাৰ্যক্ষম কৰিব পৰা হোৱা নাই সেই কথা জাতীয় সংগঠনসমূহে নজনাৰ কোনো কাৰণ নাই। বাতৰিত প্ৰকাশ পোৱা অনুযায়ী বৰ্তমান ২৩৭ গৰাকী সদস্য কৰ্মৰত হৈ আছে। এশখন ন্যায়াধিকৰণৰ বাবে ২৩৭ গৰাকী সদস্য পৰ্যাপ্ত নে? আচৰিত কথা, জটিল ন্যায়িক প্ৰক্ৰিয়াৰ মাজেৰে 'লাখ লাখ বিদেশী' চিনাক্ত কৰিবলৈ ৩৪ খন ন্যায়াধিকৰণক কিমান বছৰ সময় লাগিব সেই বিষয়ে অসমত কোনোকালেই কোনো মহলতে প্ৰশ্ন উঠা নাছিল।

অতি দুৰ্ভাগ্যৰ বিষয় এয়ে যে কেনেবাকৈ ন্যায়াধিকৰণৰ বিষয়টো ৰাজহুৱা চৰ্চাৰ আওতালৈ অহা নাই। আন্দোলনকাৰীসকলে ইচ্ছা কৰিয়েই বিষয়টোৰ পৰা আঁতৰি থকা যেন লাগে। ১৯৭১-ৰ ২৪ মাৰ্চৰ পাছত অসমলৈ অহা পৰিয়ালসমূহত জন্মগ্ৰহণ কৰা সতি-সন্ততিসকল ইতিমধ্যে জন্মসূত্ৰে ভাৰতীয় হৈছেই। অবৈধভাৱে অসমত প্ৰৱেশ কৰা বিদেশী এজন কোনদিনা অসমত প্ৰৱেশ কৰিছিল তাক নিৰ্ণয় কৰাটো অতি জটিল কথা। তাৰ কাৰণে চৰকাৰৰ নিৰ্ধাৰিত নীতি-নিৰ্দেশনা আছে নে ন্যায়াধিকৰণৰ সদস্যসকলে নিজ বিচাৰ-বুদ্ধিৰে তাক নিৰ্ণয় কৰে সেই কথা জনা নাযায়। উল্লেখ্য যে ন্যায়াধিকৰণৰ ৰায়ত সন্তুষ্ট নহ'লে বিদেশী ঘোষিত লোকজনে উচ্চন্যায়ালয়ৰ আৰু উচ্চ ন্যায়ালয়ৰ ৰায়ত সন্তুষ্ট নহ'লে উচ্চতম ন্যায়ালয়ৰ ওচৰ চাপিব পাৰে। বিদেশী ন্যায়াধিকৰণে বিদেশী বুলি ঘোষণা কৰা অনেক ৰায় উচ্চ ন্যায়ালয়ে খাৰিজ কৰিছে। বহু সময়ত আৰক্ষীয়েও নিজৰ সফলতা জাহিৰ কৰিবলৈ জধে-মধে মানুহক অনুপ্ৰৱেশকাৰী বুলি সন্দেহৰ কাৰণ দেখুৱাই জাননী জাৰি কৰি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। লগতে বিদেশী ন্যায়াধিকৰণে একাধিকবাৰ স্বদেশী বুলি ঘোষণা কৰা লোকৰ বিৰুদ্ধে ন্যায়াধিকৰণে পুনৰ জাননী প্ৰেৰণ কৰা বুলিও অভিযোগ উত্থাপিত হৈছে। এইবোৰ নিশ্চয় অতি অন্যায়ৰ কথা। গতিকে কি ভিত্তিত মানুহ এজনৰ বিৰুদ্ধে ন্যায়াধিকৰণত গোচৰ তৰা হ'ব আৰু সেই গোচৰ তৰাৰ কৰ্তৃত্ব কাৰ আছে।


মুঠৰ ওপৰত দেখা যায় যে, বিদেশী চিনাক্তকৰণৰ প্ৰক্ৰিয়াটো অতি আঁসোৱাহপূৰ্ণ হৈ আছে, প্ৰয়োজন অনুসৰি পৰ্যাপ্ত ন্যায়াধিকৰণ স্থাপন কৰা হোৱা নাই আৰু স্থাপিত ন্যায়াধিকৰণসমূহত বিচাৰক তথা সদস্য আৰু কৰ্মচাৰীৰ নিযুক্তিসহ যাৱতীয় আন্তঃগাঁথনিৰ সৃষ্টি কৰা হোৱা নাই। লগতে চৰকাৰৰ নিষ্ঠাহীনতাৰ দৰে বিষয়টোৰ প্ৰতি জাতীয় দল-সংগঠনসমূহৰ নিষ্ঠাহীনতাও ৰাইজৰ চকুত সমানেই ধৰা পৰিছে। এনে এটা গুৰুত্বপূৰ্ণ কথা অসমীয়া মানুহে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিব নোৱাৰাটো জাতিটোৰ বাবে দুৰ্ভাগ্যৰ কথা। এতিয়াও সময় উকলি যোৱা নাই। ৩৭ বছৰে অসম চুক্তিখন ৰূপায়ণ হোৱা নাই বুলি ইনাই-বিনাই নাথাকি সমস্যাটোৰ 'কোৰ', মূল বা সাৰ স্বৰূপ বিদেশী চিনাক্তকৰণৰ বিষয়টোত জাতীয় সংগঠন, আঞ্চলিক দল, বুদ্ধিজীৱী, সাংবাদিক আদিয়ে মনোনিৱেশ কৰা উচিত। অন্যথা ইতিমধ্যে ধোঁৱা চাঙত উঠা অসম চুক্তিখন এলান্ধুৰে পোত খাই চিৰদিনৰ বাবে বিলুপ্ত হৈ যোৱাৰ বাবে সৰহ পৰ নালাগে।

*ফোন : ৮১৩৫৮৪৮৬২৩*

# অতিমাত্ৰা ক্ৰোধ ক্ষতিকাৰক

## খঙে আনতকৈ নিজৰহে বেছি ক্ষতিসাধন কৰে

### অৱলোকন



**চাইৰা ইছলাম বড়া**

**ঘৃণা,** বিদ্বেষ, কাম, ক্ৰোধ, লোভ, মোহ এইবোৰ মানৱ জীৱনৰ সহজাত প্ৰবৃত্তি। ইয়াৰ এটাও বাদ দি জীৱন সম্পূৰ্ণ হ'ব নোৱাৰে। এই সকলোবোৰ ৰিপুৰ মাজত অতিমাত্ৰা ক্ৰোধ আটাইতকৈ ক্ষতিকাৰক। পৃথিৱীত সকলো মানুহৰে স্বভাৱগত বৈশিষ্ট্য ভিন্ন প্ৰকাৰৰ। দৈনন্দিন জীৱনশৈলীও মানুহ ভেদে বেলেগ। মানুহ মাত্ৰে খং থাকিবই; কিন্তু খঙক নিয়ন্ত্ৰণ কৰাটো এজন ব্যক্তিৰ সুৰুচিত আচৰণৰ ওপৰত নিৰ্ভৰ কৰে। আজিৰ ব্যস্ততা ভৰা জীৱনত অৱসাদগ্ৰস্ত মনবোৰ অতি সহজতে খঙৰ বশৱৰ্তী হোৱা পৰিলক্ষিত হয়। খঙাল লোকসকল মতগৰ্বী স্বভাৱৰ বাবেই বহুক্ষেত্ৰত নিজৰ ভুলটো মানি লোৱাৰ পক্ষপাতী নহয়, নিজকে সৰ্বেসৰ্বা জ্ঞান কৰি মইবৰ ভাৱত ওফন্দি থকাটো তেওঁলোকৰ অহংকাৰী স্বভাৱৰ বদ অভ্যাস। পূৰ্বৰ শান্তিপুৰ্ণ সমাজ ব্যৱস্থাত জীৱন নিৰ্বাহৰ তুলনাত বৰ্তমান অধিক খামখেয়ালি আৰু ব্যস্ততাৰ বাবেও মানুহৰ মাজত সহনশীল ক্ষমতা ক্ৰমান্বয়ে হ্ৰাস পোৱাৰ অনুমান হয়। পৰিৱেশ পৰিস্থিতিভেদে মনৰ অমিল লোক সকলৰ মাজত প্ৰায়েই ক্ষোভৰ উদ্গীৰণ হয়, সেয়ে পৰাপক্ষত অপ্ৰিয় লোকসকলৰ পৰা দূৰত্বত অৱস্থান কৰাই শ্ৰেয়। আমাৰ সমাজৰে এচাম ভদ্ৰলোক স্বভাৱগতভাৱেই শান্তি প্ৰিয়, সমাজ সচেতন ব্যক্তিসকলে বহু ক্ষেত্ৰত খঙক সম্বৰণ কৰাৰ কৌশল আয়ত্ত কৰিব পাৰে। এইসকল লোক উদাৰ মুকলি মন এটাৰ অধিকাৰী বাবেই পৰাপক্ষত অপ্ৰীতিকৰ পৰিস্থিতি পৰিহাৰ কৰি শান্তিময় জীৱন যাত্ৰাত নিজৰ লগতে আনৰ জীৱনৰ বাটো পোহৰাই তোলে। এওঁলোকৰ সান্নিধ্য লাভ কৰি বহু অসুখী লোকৰো জীৱন ধন্য হৈ পৰে। অতিমাত্ৰা খঙে মানুহৰ মাজত থকা সুসম্পৰ্ক নষ্ট কৰাৰ লগতে ব্যক্তিগত সুখ্যাতিৰো হানি কৰে। খং নামৰ ৰিপুবিধ ইমানেই অনিষ্টকৰ যে খন্তেকৰ বাবে হিতাহিত জ্ঞান হেৰুৱাই নিজৰেই অপূৰণীয় ক্ষতিসাধন কৰিবলৈ উত্ৰাৱল হৈ পৰাৰ আকস্মিক ফলশ্ৰুতিত ইয়াৰ বহিঃপ্ৰকাশ ঘটিয়েই হত্যা-আত্মহত্যাৰ দৰে অবাঞ্ছিত দুৰ্ঘটনাবোৰো সংঘটিত হৈয়েই আহিছে। বিশেষকৈ জীৱন যুঁজত হাৰ মানি হতাশাগ্ৰস্ত লোকসকলে খঙৰ ভমকত অন্ধ হৈ অস্বাভাৱিক আচৰণ কৰিবলৈ মৰসাহ কৰে। খঙত উগ্ৰমূৰ্তি ধৰি এচামে অশ্ৰাব্য গালি-গালাজেৰে নিজৰেই ঘৃণনীয় ফোঁপোলা স্বৰূপটো উদঙাই দিবলৈও অলপো কুণ্ঠাবোধ নকৰে। এইসকল উচ্ছৃংখল মানসিকতাৰ লোকৰ মাজত পুতৌজনকভাৱে সাধাৰণ মনুষ্যত্বৰ জ্ঞানখিনিৰো অভাৱ হোৱা দৃষ্টিগোচৰ হয়। আনহে নালাগে একেখন ঘৰত বসবাস কৰা পৰিয়ালৰ লোকসকলৰ বাবেও এই ক্ৰোধান্বিত লোকসকল সমস্যাৰ কাৰণ হৈ পৰে। এইচাম লোকে নিজৰ কুৎসিৎ মনটো জাহিৰ কৰিব গৈ মুখত আখৈ ফুটাদি ফুটা অশ্লীল ডাবি ধমকিত পৰিস্থিতি বিনষ্ট হোৱাৰ সাপেক্ষে প্ৰত্যক্ষদৰ্শীৰ ৰোষত পৰি শাৰীৰিকভাৱে অপদস্থ হোৱাৰো বহুতো উদাহৰণ আছে। সমাজ এখন নিজৰ খেয়ালখুচি মতে চলাই নিয়ম বশীৰ্ভূত অপকৰ্মত লিপ্ত হৈ আনক অপদস্থ কৰাৰ কাৰো অধিকাৰ নাই। যিয়েই নহওক খং নামৰ শব্দটোৱেই অতি অনিষ্টকাৰক। সেয়ে বহুক্ষেত্ৰত বৰ্তমানৰ যন্ত্ৰৱৎ দিনত অভিভাৱকসকলে নিজৰ সন্তানক সৰুৰে পৰাই অসৎ প্ৰকৃতিৰ বদ অভ্যাসসমূহ নিয়ন্ত্ৰণত ৰাখিবলৈ উপযুক্ত নৈতিক শিক্ষা দিয়াৰ লগতে যোগ, প্ৰাণায়াম, মেডিটেছন আদিৰ উপকাৰিতাৰ বিষয়ে উচিত জ্ঞান প্ৰদান কৰি সঠিকভাৱে দীক্ষিত কৰি তোলাত অধিক সচেতন হোৱা প্ৰয়োজন। ভৱিষ্যত প্ৰজন্মৰ মাজত নৈতিকতাৰ স্খলনে যাতে গা কৰি উঠিব নোৱাৰে এই কথা চিন্তা কৰিয়েই এখন সুস্থ সমাজ গঢ় দিয়াৰ ক্ষেত্ৰত অৰিহণা যোগোৱাটো প্ৰত্যেকজন সচেতন লোকৰেই দায়িত্ব।

বহু সময়ত সামাজিক জীৱনত এজন ব্যক্তিৰ খঙাল স্বভাৱৰ বাবেই সকলোৰে অপ্ৰিয়ভাজন হৈ জনসমাগমৰ পৰা দূৰৈত থাকি নিসংগ জীৱন যাপন কৰিবলগীয়া অৱস্থাৰ উদ্ভৱ হয়। খিংখিঙীয়া অসহিষ্ণু স্বভাৱৰ লোকৰ খঙৰ কোনো নিৰ্দিষ্ট কাৰণ নাথাকে, সামান্য অজুহাততে পৰিস্থিতি বিষম কৰি তোলাত এওঁলোক সিদ্ধহস্ত। বৰ্তমান সময়ত পৰিয়ালকেন্দ্ৰিক সৰু সৰু তৰ্ক-বিতৰ্কবোৰেও শালীনতাৰ সীমা অতিক্ৰম কৰি সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। লোকচক্ষুত এইসকল উচ্ছৃংখল স্বভাৱৰ লোক অৱশ্যে মনোৰঞ্জনৰ খোৰাক যোগোৱা হাঁহিয়াতৰ পাত্ৰ হৈ পৰে। সেয়ে পৰাপক্ষত শত্ৰুপক্ষক সুবিধা নিদিয়াকৈ পৰিয়ালৰ মনোমালিন্য ঘৰৰ ভিতৰতে ৰখাটো জ্ঞানীজনৰ কাম। অতিমাত্ৰা খঙে আমাৰ মন কলুষিত কৰাৰ লগতে বিভিন্ন ধৰণৰ জটিল ৰোগৰ কাৰক হৈ উঠিব পাৰে। অৱশ্যে বহুক্ষেত্ৰত শাৰীৰিক অসুস্থতাৰ বাবেও ৰোগী এজনে দুৰ্বল মনৰ বশৱৰ্তী হৈ খিংখিঙীয়া স্বভাৱৰ হৈ পৰে। যিহেতু মনৰ প্ৰভাৱ পূৰামাত্ৰাই আমাৰ শৰীৰৰ ওপৰত পৰাটো নিতান্তই সাধাৰণ কথা। দীৰ্ঘদিনীয়া অসুখত শয্যাশায়ী হৈ থকা অস্বস্তিকৰ পৰিৱেশত এজন ৰোগী খঙাল হৈ পৰাটো তেনেই স্বাভাৱিক। এই ক্ষেত্ৰত পৰিয়ালৰ লোকসকলৰ বিশেষ কৰণীয় থাকে ৰোগীজনক সংগ দিয়াৰ লগতে সুচিকিৎসা প্ৰদান কৰাটো। সময়ৰ গতিশীলতাই সকলোৰে জীৱনলৈ এদিন বৃদ্ধকাল আনিব, এই সময়ছোৱাত কোনো কাৰণতে হতাশ নহৈ ইতিবাচক চিন্তা-চৰ্চাৰে মন সমৃদ্ধিশালী কৰি ৰখাটো নিতান্তই প্ৰয়োজন।

এই কথা সৰ্বজনবিদিত যে খঙে আনতকৈ নিজৰহে বেছি ক্ষতিসাধন কৰে, তথাপি বহুজনৰ আত্মাভিমানী স্বভাৱৰ বাবে



সঠিক সময়ত খঙক দমন কৰা কষ্টসাধ্য হৈ পৰে। মানৱীয় ৰিপুসমূহ নিয়ম-শৃংখলাৰ ভিতৰত দমন কৰি ৰাখিব পৰাটোহে জীৱশ্ৰেষ্ঠৰ প্ৰধান কৰণীয়। অন্যথা মানুহ আৰু জীৱ-জন্তুৰ মাজত একো পাৰ্থক্যই নাথাকিব। মানুহ মাত্ৰেই কম-বেছি পৰিমাণে খং থাকিবই; কিন্তু সীমা অতিক্ৰম কৰি গ'লে নিজৰেই অপূৰণীয় ক্ষতি হয়। খঙৰ বশৱৰ্তী হৈ বিপৰীত পক্ষক নক'বলগীয়া কথাৰে থকা-সৰকা কৰি পৰিস্থিতি স্বাভাৱিক হোৱাৰ পাছত নিজে হীনমন্যতাত ভুগিবলগীয়া হয়। মনৰ চাবিপাত নিজৰ হাততেই থাকে, কিছু ত্যাগৰ বিনিময়ত সকলো পৰিস্থিতিতে মনৰ সন্তুলন অটুট ৰাখি পৰিৱেশ বিনষ্ট হোৱাৰ পৰা ৰক্ষা পাব পৰা যায়। কিছুমান লোকৰ খংটো যেন নাকৰ ওপৰতে থাকে, এইচাম লোকে সৰু সৰু কথাতে খং কৰি অপ্ৰীতিকৰ, আচহুৱা পৰিৱেশৰ সূচনা কৰে। বহুতে আকৌ খঙত অগ্নিশৰ্মা হৈ আগ-পিছ নাভাবি ঘৰৰ মূল্যৱান বস্তু ভাঙি লণ্ড-ভণ্ড কৰি পাছত অনুতপ্ত হয়। খঙাল লোকসকল লোকচক্ষুত সাধাৰণতে অপ্ৰিয়ভাজন হয়, সকলোৰে বিচাৰে শান্তিপূৰ্ণ পৰিৱেশ এটাত জীৱন নিৰ্বাহ কৰিবলৈ। পৰিৱেশ-পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰে আমাৰ মন-মগজুৰ চিন্তা ধাৰণা। সময় ভেদে বিভিন্ন পৰিৱেশত মানুহৰ মনৰ প্ৰতিক্ৰিয়া ভিন্ন প্ৰকাৰৰ হয়। প্ৰতিজন মানুহৰে চিন্তা ধাৰণাৰ ওপৰত নিৰ্ভৰ কৰে জীৱন বাটৰ খলা-বমাবোৰক তেওঁ কি ধৰণেৰে গ্ৰহণ কৰে। মনৰ ওপৰত কাৰো জোৰ-জোলুম নচলে, প্ৰত্যেকজন লোকেই নিজৰ মনৰ ওপৰত নিজে ৰজা। বহু ক্ষেত্ৰত য'ত অথন্তৰৰ মূল মনটোৱেই। কিছু সংযমী হৈ এৰাধৰাৰ মনোভাৱেৰে বহু অনাকাংক্ষিত পৰিস্থিতি উদ্ভৱ হোৱাৰ পৰা আঁতৰি থাকিব পাৰি।

বহু লোকৰ জীৱনত অতৃপ্ত পুঞ্জীভূত বেদনাৰ বৰ্হিঃপ্ৰকাশ ঘটিও ক্ষোভৰ উদ্গীৰণ ঘটায়। খং আৰু ধুমুহা প্ৰায় একেই দুয়োটা শান্ত হোৱাৰ পাছতহে গম পোৱা যায় ক্ষতিৰ পৰিমাণ কিমান বেছি হ'ল। কৰে। খং উঠাৰ সময়ত হৈ-হাল্লা কৰাৰ পৰিৱৰ্তে নীৰৱতা অৱলম্বন কৰাটোহে জ্ঞানীজনৰ লক্ষণ। খন্তেকীয়া জীৱনৰ মূলৱান সময়খিনিত হিংসা, বিদ্বেষ, খঙৰ দৰে নেতিবাচক দিশবোৰ সামৰি থৈ কেৱল মাথোঁ মানৱীয় প্ৰেমৰ নিদৰ্শনেৰে মানৱতাৰ জয়গান গাই জীৱন সুখানুভূতিৰে উপচাই তোলাৰ প্ৰয়াস নিশ্চয় কৰিব পাৰি।

*ফোন : ৯১০১৫১৭৮৪৭*

দৈনিক অগ্ৰদূত
১৬ জুন বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

# বিদ্যালয়ত শৈক্ষিক পৰিৱেশ ক'ত?

**কেৱল অসমীয়া ভাষাই নহয়, বৰঞ্চ ভাৰতৰ সকলো আঞ্চলিক ভাষাক ইংৰাজীয়ে তিলতিলকৈ গ্ৰাস কৰি আনিছে আৰু এই ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে সাৰ-পানী যোগাইছে আমাৰ চৰকাৰ আৰু সমাজে। এই সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ সময় কেতিয়া হ'ব নাজানো। নাও ডুবিলেও টিঙৰ পৰা নামিব নোখোজা জাতিটো এই ক্ষেত্ৰত আগবাঢ়ি আহিব বুলিও আশা কৰিব নোৱাৰি**

**ড° দেবেন চন্দ্ৰ দাস 'সুদামা'**



**১৩** জুন, ২০২২ সংখ্যা 'দৈনিক অগ্ৰদূত'ৰ অগ্ৰলেখ শিতানত সম্পাদক প্ৰাঞ্জলসেন ডেকাই লিখা 'বিদ্যালয়ত শৈক্ষিক পৰিৱেশ ক'ত?' শীৰ্ষক লেখাটো পঢ়ি সম্পাদকক ধন্যবাদ দি আমিও দুআষাৰ নিলিখাকৈ থাকিব নোৱাৰিলো। অৱশ্যে প্ৰতি বছৰে স্কুল শিক্ষান্ত পৰীক্ষাৰ ফল ঘোষণা কৰাৰ পাছত এনে ধৰণৰ আলোচনা-পৰ্যালোচনা মন্থন হোৱা লক্ষ্য কৰি আহিছো আৰু মাজে-সময়ে আমিও আমাৰ মতামত ব্যক্ত কৰি আহিছো। সম্পাদকে লেখাটোৰ আৰম্ভ এনেদৰে কৰিছে— 'বিগত কেইবছৰ মানৰ দৰে এইবাৰো হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছত অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ মুণ্ডপাত আৰম্ভ হৈছে।' কিন্তু মুণ্ডপাত অসমীয়া মাধ্যমত হোৱা নাই, হৈছে চৰকাৰী বিদ্যালয়ৰঃ কাৰণ কেৱল অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰে নহয়, সকলো ভাষাৰ মাধ্যমৰে এনে দুৰৱস্থা হৈছে। অসমত অসমীয়া, বাংলা, হিন্দী, বড়ো, নেপালী আদি ভাষাৰ চৰকাৰী বিদ্যালয় আছে, সেইবোৰৰ ফলাফল দুখলগা হৈছে। কিয় এনে হৈছে এই সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰাৰ প্ৰয়োজন হৈছে। ব্যক্তিগত খণ্ডতো অসমীয়া মাধ্যমৰ বিদ্যালয় বহুত আছে, সেইবিলাকৰ ফলাফল কিন্তু অতি সন্তোষজনক। বৰাক উপত্যকাত ব্যক্তিগত খণ্ডত বাংলা মাধ্যমৰ বিদ্যালয় আছে, সেইবিলাকৰো ফল বেয়া নহয়, কিন্তু চৰকাৰী বিদ্যালয়ৰহে দুৰ্গতি হৈছে। আনকি ৰেল বিভাগৰ দ্বাৰা পৰিচালিত ইংৰাজী মাধ্যমৰ বিদ্যালৰো ৭৫ শতাংশহে উত্তীৰ্ণ হৈছে। ১৪৮ খন চৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ ফল মাত্ৰ ১০ শতাংশহে।

অসমত 'শিশু শিক্ষা সমিতি'ৰ দ্বাৰা পৰিচালিত ২৯৪ খন বিদ্যালয়ৰ পৰা ন হেজাৰ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল, তাৰ ভিতৰত ১২৪ খন বিদ্যালয়ৰ এশ শতাংশ উত্তীৰ্ণ হৈছিল। বিদ্যালয়ৰ গড় হিচাপে ৯১ শতাংশ উত্তীৰ্ণ হৈছে। সম্ভৱ জাতীয় বিদ্যালয়সমূহৰ ফলাফলো এনে হৈছে নিশ্চয়। অসমত এনে কিছুমান ব্যক্তিগত খণ্ডৰ অসমীয়া মাধ্যমৰ বিদ্যালয় আছে, যিবোৰ কোনো সংস্থাৰ মাধ্যমত নচলে। তেনে বিদ্যালয়সমূহৰ ফলাফলো সন্তোষজনক, কিন্তু চৰকাৰী বিদ্যালয়ৰ ফলাফল ইমান বেয়া কিয় আৰু দেখা গৈছে যে সকলো মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ ফল দুখলগা, অৱশ্যে ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়; কিন্তু সংখ্যাত কম।

আগতে শিক্ষা ব্যৱস্থা তিনিকোণীয়া আছিল— শিক্ষক, ছাত্ৰ আৰু অভিভাৱক, বৰ্তমান প্ৰশাসন ইয়াৰ লগত যোগ হৈ চাৰিকোণীয়া হৈছে। বিদ্যালয়ৰ আন্তঃগাঁথনি মজবুত হ'বই লাগিব, কিন্তু শিক্ষাৰ মান উন্নত কৰাৰ ক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীৰ ভূমিকা শীৰ্ষত। বৰ্তমান প্ৰশাসনে শিক্ষকৰ শৈক্ষিক অৰ্হতাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিছে, ইয়াৰো প্ৰয়োজন আছে, কিন্তু শিক্ষক যদি শিক্ষাদানৰ প্ৰতি সমৰ্পিত বা ব্ৰতী নহয়, তেতিয়া শৈক্ষিক যোগ্যতা নিৰৰ্থক হয়। এটা সময় আছিল, ষষ্ঠ শ্ৰেণী উত্তীৰ্ণ হৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হৈছিল, সেই সময়ত শিক্ষাৰ মান নম্বৰৰ ওপৰত নাছিল, জ্ঞানৰ আধাৰতহে আছিল। শিক্ষকে দৰমহা পাইছিল ৩০ টকা মাহে। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ শ্ৰেণীলৈ মাধ্যমিক পৰ্যায় আছিল, শিক্ষকৰ অৰ্হতা মেট্ৰিক বা নৰ্মাল উত্তীৰ্ণ আছিল। অষ্টম, নৱম আৰু দশম শ্ৰেণী উচ্চ বা হাইস্কুল আছিল। সেই সময়ত স্নাতক হোৱা যুৱক পাবলৈ নাছিল। দুই-চাৰিজনহে আছিল। মেট্ৰিক পাছ আৰু নৰ্মাল উত্তীৰ্ণসকলেই পাঠদান কৰিছিল, ছাত্ৰ-ছাত্ৰীয়ে বিষয়সমূহ ভালদৰে আয়ত্ত কৰিব পাৰিছিল। আৰু এতিয়া? শিক্ষকৰ অৰ্হতা যিমানেই বেছি হৈছে, শিক্ষাৰ মান সিমানেই নিম্নগামী হৈছে। ইয়াৰ মূল কাৰণ হৈছে বৰ্তমান ৭০ শতাংশ শিক্ষকে শিক্ষকতাক কেৱল বৃত্তি বা পেছা হিচাপে লৈছে, দৰমহা পোৱাটোৰেই হৈছে শিক্ষকতা। ছাত্ৰ-ছাত্ৰীক জ্ঞানী কৰিবলৈ প্ৰাণঢালি শিক্ষাদান কৰা শিক্ষকৰ সংখ্যা কমি গৈছে। চৰকাৰী বিদ্যালয়ৰ (লগতে মহাবিদ্যালয়ৰো) এই ধৰণেই লৈছে। বৰ্তমান চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা শিক্ষকৰ দৰমহা ২৫-৩০ হেজাৰৰ ওপৰত। আমিও ৫০ টকা দৰমহাত মাধ্যমিক (এম ই) স্কুলত শিক্ষকতা কৰিছিলো।

আনহাতে, বেচৰকাৰী শিক্ষানুষ্ঠানবিলাকত শিক্ষকতা কৰাসকলৰ শিক্ষকৰ যোগ্যতা চৰকাৰী বিদ্যালয়তকৈ বহুত কম। অনুসন্ধান কৰি জানিব পাৰিছো যে এনে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে ছয়-সাত হেজাৰৰ পৰা ১৫-২০ হেজাৰ টকা পায়; কিন্তু তেওঁলোকে ন বজাৰ পৰা আবেলি তিনি-চাৰি বজালৈ পাঠদান কৰিবলৈ বাধ্য। চৰকাৰী বিদ্যালয়তো কৰিব লাগে; কিন্তু নকৰে, নকৰিলেও তেওঁলোকে দৰমহা কমকৈ নাপায় আৰু চাকৰিও নাযায়, এনে কৰিলে বেচৰকাৰী বিদ্যালয়ৰ শিক্ষকৰ কি গতি হ'ব? সকলোৰে জানে। শিক্ষকৰ আনন্দ ক'ত? এই সম্পৰ্কে এজন সচেতন ব্যক্তিৰ চাক্ষুষ অভিজ্ঞতাৰ কথা ক'ব খুজিছো। মানুহজন সকলো ক্ষেত্ৰতে সচেতন। তেওঁৰ দুজন ল'ৰা। ডাঙৰজন এখন চৰকাৰী উচ্চতৰ মাধ্যমিকৰ বিষয় শিক্ষক, ঘৰৰ পৰা প্ৰায় ৩০ কিলোমিটাৰ দূৰত বিদ্যালয়। সৰুজন এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ শিক্ষক। স্কুল শিক্ষান্ত পৰীক্ষাৰ ফল ঘোষণা কৰাৰ দিনা ডাঙৰ ল'ৰা দুই বজাত ঘৰ পালেহি। চুচুক-চামাককৈ অহা দেখি দেউতাকে সুধিলে— 'সোনকালে আহিলি যে? তহঁতৰ পৰীক্ষাৰ ফল কেনে হ'ল?' ল'ৰাই কওঁ নকওঁকৈ ক'লে— 'বৰ ভাল নহয়, কোনোমতে ৬০ শতাংশ উত্তীৰ্ণ হৈছে।' তাৰ কথাত কোনো প্ৰকাৰৰ উৎসাহ নাই, বিষণ্ণ মনেৰে কথাখিনি কৈছে। চাৰে তিনি বজাত সৰু ল'ৰাজন একেবাৰে হাঁহিমুখে উপস্থিত হ'লহি। দেউতাকে সুধিলে— 'কি অ', বৰ স্ফূৰ্তি কৰি আহিছ যে, স্কুলৰ পৰীক্ষাৰ ফল কেনে?' ল'ৰাই যেন কথাখিনি ক'বলৈ উদ্‌গ্ৰীৱ হৈ আছিল। তপকৈ ক'লে, ন জনে ডিষ্টিংচন, পাঁচজনে ষ্টাৰ, তিনিজনে প্ৰথম বিভাগ আৰু দুজনে দ্বিতীয় বিভাগ পাইছে। এশ শতাংশই পাছ দেউতা। টকা কম পাওঁ, কিন্তু এনে আনন্দ বহুত কমেই পোৱা যায়।'

মানুহজনে ফোনত ক'লে— 'মই লক্ষ্য কৰি থাকো যে ডাঙৰ ল'ৰা প্ৰায় সোনকালে আহি ঘৰ পায়, সুধিলে কয়— আজি পাঁচ পিৰিয়ডতে ছুটী হ'ল। আজি শিক্ষক নায়েই, সোনকালে ছুটী হ'ল ইত্যাদি, কিন্তু এক কিলোমিটাৰ দূৰত থকা বিদ্যালয়ৰ পৰা সৰু ল'ৰা তিনি বজাৰ আগত ঘৰলৈ অহা কোনোদিনেই দেখা নাই। চৰকাৰী বিদ্যালয়ৰ অৱস্থা এনেকুৱাই।

এতিয়া চৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সম্পৰ্কে চৰ্চা কৰা প্ৰয়োজন আছে বুলি ভাবো। আমাৰ সমাজত এটা বদ্ধমূল ধাৰণাই গা কৰি উঠিছে। সেইটো হৈছে চৰকাৰী বিদ্যালয়ত সন্তানক পঢ়ুৱালে ভৱিষ্যৎ অন্ধকাৰ হ'ব। যাৰ বাবে নগৰে-চহৰে, গাঁৱে-ভূঞে অসংখ্য বেচৰকাৰী বিদ্যালয় প্ৰতিষ্ঠা হৈছে, যিবিলাকত অৰ্হতাসম্পন্ন শিক্ষকৰতো দূৰৰ কথা, আন্তঃগাঁথনি বুলিবলৈকো একো নাই। নগৰৰ নামী-দামী আভিজাত্যপূৰ্ণ বিদ্যালয়সমূহত পঢ়া প্ৰতিজন ছাত্ৰীৰ অভিভাৱকে প্ৰতিটো বিষয়তে গৃহ শিক্ষকৰ ব্যৱস্থা কৰি দিছে। এবাৰ এখন ডাঙৰ বিদ্যালয়ৰ হৰ্তা-কৰ্তা অধ্যক্ষকক তেওঁৰ এজন বন্ধুৱে সুধিলে— 'তোমাৰ বিদ্যালয়ৰ ফল ইমান ভাল কেনেকৈ হয়? শিক্ষকবিলাক অৰ্হতাসম্পন্ননে?' তেতিয়া অধ্যক্ষই ক'লে— 'নহয়, আমাৰ বিদ্যালয়ত অৰ্হতাসম্পন্ন শিক্ষক একেবাৰে কম। আমাৰ বিদ্যালয়ৰ ফল অভিভাকেহে ভাল কৰে; কাৰণ আমাৰ ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকে প্ৰতিটো বিষয়তে গৃহ শিক্ষকৰ হতুৱাই পঢ়ুৱায়, অন্যথা আমাৰ বিদ্যালয়ৰ ফল ইমান ভাল নহ'লহেঁতেন।'

আনহাতে, চৰকাৰী বিদ্যালয়ত সেইসকল পিতৃ-মাতৃ বা অভিভাৱকৰ সন্তান বা আশ্ৰিতে পঢ়ে যিসকলে গৃহ শিক্ষক ৰখাতো দূৰৰ কথা, বহুতে দুপৰীয়াৰ সাঁজ খাবৰ বাবেহে সন্তানক স্কুললৈ পঠিয়ায়। বিদ্যালয়ৰ পৰা দিয়া পোছাক তেওঁলোকৰ বাবে অতি গুৰুত্বপূৰ্ণ। ছোৱালীক দিয়া চাইকেলখন তেওঁলোকৰ বাবে অমূল্য সম্পদ। তেনেস্থলত চৰকাৰী বিদ্যালয়ত আশানুৰূপ ফল আশা কৰাটো কিমান সম্ভৱ! ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ুওৱা পিতৃ-মাতৃয়ে যদি সন্তানক চৰকাৰী বিদ্যালয়ত পঢ়ুৱায়, তেতিয়া ফল অতি উচ্চ মানৰ নোহোৱাকৈ নাথাকিলহেঁতেন। বৰ্তমানৰ প্ৰজন্মৰ আভিজাত্যৰ ভাৱনা প্ৰখৰ হৈ উঠিছে, যাৰ বাবে তেওঁলোকে হাজিৰা-বনুৱা-ঠেলাৱালা-ৰিক্সাৱালা, দৰিদ্ৰ পৰিয়ালৰ সন্তানে পিন্ধা চৰকাৰী পোছাক নিজৰ সন্তানক পিন্ধাব নোখোজে, চৰকাৰে প্ৰদান কৰা দুপৰীয়াৰ আহাৰ তেওঁলোকৰ সন্তানৰ বাবে অখাদ্য। তেনে কৰিলে সমাজত তেওঁলোকৰ স্থান বহুত তললৈ যাব।

বৰ্তমান পৰীক্ষা ব্যৱস্থাও একেবাৰে শিথিল হৈছে। পৰীক্ষা গৃহত পাইকাৰী হাৰত নকল কৰা আৰু কৰোৱাতো সৰ্বজনবিদিত হৈছে। ব্যক্তিগত খণ্ডৰ বহুতো বিদ্যালয়ে পৰীক্ষাকেন্দ্ৰৰ তত্ত্বাৱধায়কসকলক হাত কৰি তেওঁলোকৰ বিদ্যালয়ৰ পৰীক্ষাৰ্থীক সুবিধা দিয়াৰ কথাও মানুহৰ মুখত শুনা যায়।

৬০-৭০ৰ দশকলৈ মেট্ৰিক পৰীক্ষাৰ ফল ৪০ শতাংশৰ ওপৰৰ নাছিল। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ে মেট্ৰিক পৰীক্ষা নিয়ন্ত্ৰণ কৰিছিল। মূল্যাংকন জ্ঞানৰ আধাৰত কৰা হৈছিল। অনুকম্পা বা গ্ৰেছ নম্বৰ দিয়াৰ ব্যৱস্থা নাছিল। যিখিনি উত্তীৰ্ণ হৈছিল, খাটি সোণ-ৰূপ হৈয়েই উজলিছিল। বৰ্তমান যদিও সেইদৰে পৰীক্ষাৰ বহী মূল্যাংকন কৰা হয়, তেতিয়া কুৰি শতাংশ ছাত্ৰ-ছাত্ৰী হয়তো উত্তীৰ্ণ নহ'ব পাৰে।

চৰকাৰে এহাতে চৰকাৰী বিদ্যালয়ৰ মান উন্নত কৰিবলৈ নানা প্ৰকাৰে কাগজৰ গদা ঘূৰাই আছে, আনহাতে, ব্যক্তিগত খণ্ডৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় প্ৰতিষ্ঠাৰ বাবে অনুমতি প্ৰদান কৰিয়ে আছে। সম্পাদকে লিখিছে— 'অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ কথাটোও অসমীয়া ভাষা সংকটৰ লেখীয়াই হৈছেগৈ। অসমীয়া ভাষা-সাহিত্য সংকটৰ গৰাহত পৰিছে বুলি সততে বিভিন্নজনে যেনেদৰে উদ্বেগ প্ৰকাশ কৰে, তেনে কথাই খাটে চৰকাৰী বিদ্যালয়ৰ ক্ষেত্ৰতো।' কেৱল অসমীয়া ভাষাই নহয়, বৰঞ্চ ভাৰতৰ সকলো আঞ্চলিক ভাষাক ইংৰাজীয়ে তিলতিলকৈ গ্ৰাস কৰি আনিছে আৰু এই ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে সাৰ-পানী যোগাইছে আমাৰ চৰকাৰ আৰু সমাজে। এই সম্পৰ্কে চিন্তা-চৰ্চা কৰাৰ সময় কেতিয়া হ'ব নাজানো। নাও ডুবিলেও টিঙৰ পৰা নামিব নোখোজা জাতিটো এই ক্ষেত্ৰত আগবাঢ়ি আহিব বুলিও আশা কৰিব নোৱাৰি। 'দৈনিক অগ্ৰদূত'ৰ সম্পাদকক ধন্যবাদ দিছো।

*ফোন ঃ ৯৪৩৫৪০৩৩৩৬*

---

### হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পাছত

# ছাত্ৰ-ছাত্ৰীসকলে কি অধ্যয়ন কৰিব?

**আইনুল হক চৌধুৰী**

**হাইস্কুল** শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে এতিয়া এটি নতুন জীৱন আৰম্ভ কৰাৰ কাৰণে আগবাঢ়িছে। হাইস্কুল শিক্ষান্তলৈকে ছাত্ৰ-ছাত্ৰীসকলে সকলো বিষয় অধ্যয়ন কৰিব লগা হয়। কিন্তু উচ্চতৰ মাধ্যমিক স্তৰত নিজ ইচ্ছামতে বিভিন্ন বিষয় আৰু শাখাত অধ্যয়ন কৰাৰ সুবিধা লাভ কৰে। হাইস্কুল শিক্ষান্তৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চতৰ মাধ্যমিক স্তৰত ক্ৰমে কলা, বাণিজ্য আৰু বিজ্ঞান শাখাত নাম ভৰ্তিৰ পথ খোলা থাকে। তদুপৰি কাৰিকৰী শিক্ষা গ্ৰহণৰ কাৰণে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে পলিটেকনিক শিক্ষা প্ৰতিষ্ঠানত বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তিৰ সুবিধা লাভ কৰিব পাৰে। ইয়াৰ বাহিৰেও কম মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে আই, টি আইৰ বিভিন্ন পাঠ্যক্ৰমত নাম ভৰ্তি কৰি আত্মনিৰ্ভৰশীল হিচাপে কোনোমতে জীৱন নিৰ্বাহ কৰাৰ উপায় উলিয়াব পাৰে। সাধাৰণতে দেখা যায় যে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিকৰ বিজ্ঞান, বাণিজ্য আৰু কলা শাখাত নাম ভৰ্তি কৰে। বাস্তৱ জীৱনত দেখা যায় ছাত্ৰ-ছাত্ৰীসকলে কোনো শাখা বা বিষয়ত অধ্যয়নৰ কাৰণে প্ৰয়োজনীয় দক্ষতা আৰু আগ্ৰহ নথকা সত্ত্বেও কেৱল মাত্ৰ অভিভাৱকৰ হেঁচা বা ইচ্ছা মতে তেনে বিষয় বা শাখাত নাম ভৰ্তি কৰা দেখা যায়। শাখা বা বিষয় বাছনিৰ ক্ষেত্ৰত অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক জোৰ কৰাটো অনুচিত। ছাত্ৰ-ছাত্ৰীৰ ইচ্ছাৰ ওপৰত বিষয় বা শাখা বাছনি কৰাটো অতি প্ৰয়োজন। এই বিষয়ত অভিভাৱকসকল যথেষ্ট সচেতন হোৱাটো অতি প্ৰয়োজন আৰু কেতিয়াও কোনো শাখা বা বিষয় অধ্যয়নৰ বাবে নিজ সন্তানক বাধ্য কৰোৱা উচিত নহয়। শাখা নিৰ্বাচনৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষাতে লাভ কৰা নম্বৰৰ ফালেও চকু দিয়া উচিত। হাইস্কুল শিক্ষান্ত পৰীক্ষাত যদি কোনো ছাত্ৰ-ছাত্ৰীয়ে কমেও ৭৫ শতাংশ নম্বৰ লাভ কৰে তেন্তে তেনে ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শাখাত নাম ভৰ্তি কৰিলে তথা মনোযোগেৰে অধ্যয়ন কৰিলে ভাল ফলাফলৰ আশা কৰিব পাৰি। ঠিক সেইদৰে ইংৰাজী, গণিত আদি বিষয়ত অধিক নম্বৰ লাভ কৰিলে বাণিজ্য শাখাত ভাল ফলাফল লাভ কৰাৰ আশা কৰিব পাৰি। বেছিভাগ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ এটি ভ্ৰান্ত তথা যুক্তিহীন ধাৰণা যে, কেৱল বিজ্ঞান শাখাত অধ্যয়ন কৰিলে সফল জীৱন লাভ কৰিব পাৰি। এনে যুক্তিহীন ধাৰণাৰ বশৱৰ্তী হৈ ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শাখাত প্ৰয়োজনীয় দক্ষতা নথকাকৈ উচ্চতৰ মাধ্যমিকত ভাল ফলাফল কৰাটো সম্ভৱ নহয়। বাস্তৱ জীৱনত দেখা যায় যে, কলা বা বাণিজ্য শাখাত মনোযোগেৰে অধ্যয়ন কৰিলেও জীৱনত সাফল্য অৰ্জন কৰিব পাৰি। আমাৰ সমাজৰ বেছি ভাগ অভিভাৱকৰ ধাৰণা যে, নিজ সন্তানক ডাক্তৰ অথবা ইঞ্জিনীয়াৰ হিচাপে গঢ় দিয়া। এটা শ্ৰেণীৰ অভিভাৱকৰ ধাৰণা যে কেৱল ডাক্তৰ আৰু ইঞ্জিনীয়াৰসকলহে সফল জীৱনৰ অধিকাৰী। অভিভাৱক সমাজে এনে ধাৰণা ত্যাক কৰক। সন্তানৰ ইচ্ছা তথা তাৰ দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন শাখা বা বিষয়ত নাম ভৰ্তি কৰিবলৈ উৎসাহিত কৰক। পৃথিৱীৰ উন্নত দেশবোৰৰ অভিভাৱকসকলে নিজ সন্তানক মনোবিজ্ঞানীৰ জৰিয়তে মেধা পৰীক্ষা কৰাই কি বিষয় অধ্যয়ন কৰিব তাক নিৰ্ধাৰণ কৰাই আৰু ইয়াৰ পাছত সেই মতে শাখা,



বিষয় নিৰ্বাচন কৰে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফলাফল লাভ নকৰিলে ভাল কলেজত নাম ভৰ্তি কৰাৰ পৰা বঞ্চিত হ'বলগা হয়। যোৱা বছৰৰ ভাৰতীয় প্ৰশাসনীয় সেৱাৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰসকলৰ ভিতৰত বেছিভাগেই কলা শাখাৰ ছাত্ৰ-ছাত্ৰী আছিল। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলে নিজকে প্ৰতিষ্ঠা কৰিবলৈ মনোযোগেৰে অধ্যয়ন কৰাৰ লগতে শাখা বা বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত বাস্তৱবাদী দৃষ্টিভংগীৰে ছাত্ৰ সমাজ আগবঢ়া উচিত। এতিয়া আহো উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে কি কি বিষয় অধ্যয়ন কৰিব?

**কলা শাখাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ পাছত ছাত্ৰ-ছাত্ৰীসকলে কি কি বিষয় অধ্যয়ন কৰিব?**

দ্বাদশ শ্ৰেণীৰ কলা শাখাত উত্তীৰ্ণ হোৱাৰ পাছত সাধাৰণ স্নাতক অথবা স্নাতক পাঠ্যক্ৰমৰ মেজৰসহ যেনে অৰ্থনীতি, ইংৰাজী, অসমীয়া, শিক্ষা, ৰাজনীতি বিজ্ঞান, সমাজশাস্ত্ৰ, হিন্দী, বাংলা, মনোবিজ্ঞান, তৰ্ক শাস্ত্ৰ, পৰ্যটন, পৰিৱেশ, ফাইন আৰ্ট আৰু বৰ্তমানে নিজকে আত্মনিৰ্ভৰশীল হোৱা আইনৰ তিনিবছৰীয়া পাঠ্যক্ৰম ইত্যাদি অধ্যয়ন কৰিব পাৰে। স্নাতক উত্তীৰ্ণ হোৱাৰ পাছত সাধাৰণ স্নাতক অথবা স্নাতক পাঠ্যক্ৰমৰ মেজৰসহ যেনে অৰ্থনীতি, ইংৰাজী, অসমীয়া, শিক্ষা, ৰাজনীতি বিজ্ঞান, সমাজশাস্ত্ৰ, হিন্দী, বাংলৰা, মনোবিজ্ঞান, তৰ্ক শাস্ত্ৰ, পৰ্যটন, পৰিৱেশ, ফাইন আৰ্ট আৰু বৰ্তমানে নিজেক আত্মনিৰ্ভৰশীল হোৱা আইনৰ তিনি বছৰীয়া পাঠ্যক্ৰম ইত্যাদি অধ্যয়ন কৰিব পাৰে। স্নাতক উত্তীৰ্ণৰ পাছত ইউ পি এছ চি, এ জে এছ, অসম লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰি।

**বাণিজ্য শাখাৰ উচ্চতৰ মাধ্যমিক উত্তীৰ্ণৰ পাছত ঃ** দ্বাদশ শ্ৰেণীৰ বাণিজ্য শাখা উত্তীৰ্ণ হোৱাৰ পাছত সাধাৰণ স্নাতক পাঠ্যক্ৰম অথবা মেজৰ সহ একাউণ্টিং আৰু বিত্ত, ই বাণিজ্য, অৰ্থনীতি আৰু বাণিজ্য, ইনচিউৰেঞ্চি, কম্পিউটাৰ, বৈদেশিক বাণিজ্য, বি চি এ, বি বি এ ইত্যাদি স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰিব পাৰি। স্নাতক উত্তীৰ্ণৰ পাছত চাৰ্টাৰ্ড একাউণ্টেচি, কষ্ট একাউণ্টেণ্ট, কোম্পানী ছেক্ৰেটাৰীৰ উপৰি ইউ, পি, এছ ছি পৰীক্ষা, অসম লোকসেৱা আয়োগৰ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰি।

**বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ পাছঃ** উচ্চতৰ মাধ্যমিক দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসা বিজ্ঞান, কাৰিকৰী শিক্ষা অধ্যয়ন কৰাৰ সুবিধা লাভ কৰিব পাৰে। কিন্তু চিকিৎসা বিজ্ঞান অধ্যয়নৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে উচ্চতৰ মাধ্যমিক স্তৰত ভাল ফলাফল লাভ কৰাসকলে সফল হোৱা দেখা যায়। লগতে চিকিৎসা বিজ্ঞানৰ নাম ভৰ্তিৰ বাবে অতিৰিক্ত কোচিং লোৱাও দেখা যায়। ঠিক সেইদৰে কাৰিকৰী শিক্ষা লাভৰ বাবে পৰীক্ষাত উত্তীৰ্ণ হ'বৰ বাবে বহু পৰিশ্ৰম কৰিব লগা হয়। যিসকললৈ এই দুটা পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰে সেই সকলৰ ভিতৰত বহুতে হতাশাত ভোগা দেখা যায়। কেৱল চিকিৎসা বিজ্ঞান আৰু কাৰিকৰী বিজ্ঞান অধ্যয়ন কৰাৰ বাহিৰেও ছাত্ৰ-ছাত্ৰীসকলে আন বহু শাখাত স্নাতক পৰ্যায়ত অধ্যয়ন কৰাৰ সুবিধা আছে।

স্নাতক মেজৰসহ যেনে— পদাৰ্থ বিজ্ঞান, পৰিৱেশ বিজ্ঞান, ৰসায়ন বিজ্ঞান, বায়'টেকন'লজি, প্ৰাণী বিজ্ঞান ইত্যাদি। ইয়াৰ বাহিৰেও নিজকে আত্মনিৰ্ভৰশীল হিচাপে প্ৰতিষ্ঠাৰ বাবে চাৰি বছৰীয়া আৰ্কিটেক পাঠ্যক্ৰমত নাম ভৰ্তি কৰাৰ সুবিধা থকাৰ লগতে পেৰা মেডিকেলৰ বিভিন্ন বিভাগত যেনে— Medical Laboretory Technology, Medical Rediography Technology, Cardiac Care Technology, Physiotheraphy, ICU Technology, Physians Assistance Course, Emergency & First Aid Course, OT Technology, OT+Anaesia+Endoscophy, Dialysis Technician Course ইয়াৰ বাবে উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত চূড়ান্ত পৰীক্ষাত পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ত ৫০ শতাংশ নম্বৰৰ স'তে উত্তীৰ্ণ হ'ব লাগে। বিজ্ঞান শাখাত স্নাতক পৰীক্ষা উত্তীৰ্ণৰ পাছত বিজ্ঞান শাখাৰ বিভিন্ন বিষয়ত এম এছ চি অধ্যয়ন কৰাৰ সুবিধা থাকে। এতিয়া ছাত্ৰ-ছাত্ৰীসকলক মই আহ্বান জনাওঁ যে আপোনালোকে যি বিষয় অধ্যয়ন নকৰক কিয় সেই বিষয়টো আন্তৰিকতাৰে অধ্যয়ন কৰক। কিয়নো সফল জীৱন লাভৰ বাবে কঠোৰ পৰিশ্ৰমৰ প্ৰয়োজন। যদি এজন প্ৰশাসনিক বিষয়া হ'ব বিচাৰে তেনেহ'লে উচ্চতৰ মাধ্যমিক স্তৰৰ পৰা নিয়মীয়াকৈ মূল পাঠ্যপুথিৰ লগতে Traditional General Knowledge আৰু সাম্প্ৰতিক ঘটনা প্ৰবাহ পৰম্পৰাগত সাধাৰণ জ্ঞান আহৰণ কৰিবৰ বাবে উচ্চ মাধ্যমিক স্তৰৰ সকলো বিষয়ৰ পাঠ্যপুথিৰ জ্ঞানবোৰ ভালদৰে আহৰণ কৰিব লাগিব। লগতে বিভিন্ন বিষয় যেনে—ভূগোল, বিজ্ঞান, ৰাজনীতি, সমাজ বিজ্ঞান আদি বিষয়ৰ আনুষংগিক পুথি অধ্যয়ন কৰিব লাগিব। ইয়াৰ বাহিৰেও বাতৰি কাকত, আলোচনী অধ্যয়ন কৰি সেই জ্ঞানবোৰ লিপিবদ্ধ কৰিব লাগিব।

লগতে ইণ্টাৰনেটৰ ইউ টিউবৰ জৰিয়তেও বিভিন্ন বিষয়ৰ প্ৰশ্নৰ উত্তৰ আহৰণ কৰি ইয়াক লিপিবদ্ধ কৰিব লাগিব। আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলে ৰাজ্যিক, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন বিষয়ৰ বৃত্তি বিভাগ তথা বিভিন্ন প্ৰতিষ্ঠান আদিয়ে প্ৰদান কৰে। সেইবোৰৰ বিষয়ে সবিশেষ জানিবলৈ প্ৰতিষ্ঠান আৰু বিভাগবোৰৰ ৱেবছাইটবোৰ নিয়মীয়াকৈ চাব লাগিব আৰু আৰ্থিক বাবে দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ বাবে আৰ্থিক সাহায্য লাভ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে মাজে সময়ে বিভিন্ন সংস্থা, সংগঠনে আয়োজন কৰা কেৰিয়াৰ সম্পৰ্কীয় কৰ্মশালাত অংশগ্ৰহণ কৰিলে নিজ জীৱনৰ লক্ষ্য পূৰণ কৰাত বহু কথা জানিব পাৰিব।


*ফোন ঃ ৮০১১০৭৩২৮৩*

---

## ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

### ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ



**বিশ্বজিৎ বৰুৱা**

এইবাৰ আহিল মূল প্ৰশ্ন ঃ **২,৩০০** কোটি টকা ক'ৰ পৰা আহিব? প্ৰকল্পৰ স্থান কি হ'ব? এই সমস্যাও দূৰ হ'ল। অইল ইণ্ডিয়াই **৪০** শতাংশ বিনিয়োগ কৰিবলৈ আগ্ৰহী হ'ল। **৩০** শতাংশ আহিব বিভিন্ন উদ্যোগিক প্ৰতিষ্ঠান, চৰকাৰী বিনিয়োগ আৰু ঋণৰ পৰা, **১০** শতাংশ মুকলি কৰি দিয়া হ'ব জনগণৰ বাবে। স্থান নিৰ্ধাৰণ কৰা হ'ল- টেঙাখাত। সেইমৰ্মে তদানীন্তন প্ৰধানমন্ত্ৰী নৰসিংহ ৰাও আহি টেঙাখাতৰ উইল্টন গ্ৰাণ্টত আধাৰশিলাও স্থাপন কৰিলেহি। সমগ্ৰ অঞ্চলটোৰ ওপৰেদি সেই সময়ত আনন্দৰ মলয়া বতাহ যেন বৈ গৈছিল। টেঙাখাতৰ উইল্টন গ্ৰাণ্ট, নন্দনবন বাগিচাৰ সন্মুখ অংশ লোকাৰণ্য হৈ পৰিছিল সেইদিনা। হিতেশ্বৰ শইকীয়াৰ এটা আশা আছিল যে প্ৰকল্পৰ স্থান হওক শিৱসাগৰ জিলাৰ কোনো অংশ, কিন্তু ডিব্ৰুগড় জিলাৰ নাগৰিকৰ দ্বাৰা গঠিত গেছক্ৰেকাৰ প্ৰকল্প স্থান দাবী সমিতিৰ বলিষ্ঠ ভূমিকাৰ বাবে প্ৰকল্পৰ স্থান টেঙাখাতৰ পৰা সলনি হ'ল যদিও ডিব্ৰুগড় চহৰৰ পৰা আঠ কিঃ মিঃ নিলগৰ বৰবৰুৱাৰ সমীপত লেপেটকটা নিৰ্ধাৰণ হ'ল।

বিচিপিএলত দক্ষতাসম্পন্ন আৰু অদক্ষ ব্যক্তিৰ নিযুক্তি প্ৰসংগত বিভিন্ন প্ৰশ্ন উত্থাপন হৈ আহিছে। অসমৰ জাতীয় সংগঠনসমূহেও বিচিপিএলৰ সকলোধৰণৰ নিযুক্তি অসমীয়া ৰাইজৰ চকুৰ আগত স্বচ্ছতাৰে হোৱাটো দাবী কৰি আহিছে। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ সংশ্লিষ্ট পক্ষসমূহে বিচিপিএলৰ স্থাপন, নিযুক্তি আদি বিষয়সমূহ সৰ্বদাই নিৰীক্ষণ কৰি আহিছে বুলি মন্তব্য কৰিছে। ইঞ্জিনীয়াৰ্ছ ইণ্ডিয়া লিমিটেড্ এসময়ত যি অসমত গেছক্ৰেকাৰ প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত বিভিন্ন অজুহাত দেখুৱাইছিল, ভাৰত চৰকাৰৰ সেই সংস্থাৰ তত্ত্বাৱধানতে আজি এই প্ৰকল্পৰ অভিযান্ত্ৰিক দিশসমূহ পূৰ্ণ পৰ্যায়ত স্থাপন হোৱাৰ দিশলৈ আগবাঢ়িছে। প্ৰকল্পটোৰ স্থাপন আৰু পূৰ্ণপৰ্যায়ৰ পৰিচালনাৰ বাবে বিভিন্ন বিভাগসমূহ যেনে ইঞ্জিনীয়াৰিং এণ্ড প্ৰজেক্ট মেনেজমেণ্ট, চিভিল এণ্ড ষ্ট্ৰাকচাৰেল ৱৰ্কছ, মেকানিকেল পাইপিং এণ্ড ইৰেকচন ৱৰ্কছ এট প্ৰচেছ ইউনিটছ আৰু ইউটিলিটিজ এণ্ড অফছাইট ইউনিটছ আজি প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশত আগবাঢ়িছে। বিচিপিএল প্ৰকল্পলৈ যিহেতু প্ৰাকৃতিক গেছ দুলীয়াজনস্থিত অইল ইণ্ডিয়া লিমিটেড প্ৰকল্পৰ পৰা যোগান ধৰা হ'ব সেয়েহে দুলীয়াজানতো বিচিপিএলৰ গেছ কমপ্ৰেচ্ন ষ্টেচন স্থাপন কৰা হৈছে যিটো ইতিমধ্যে কাৰ্যক্ষম হৈছে বুলি জানিব পৰা গৈছে।

**গেছ ক্ৰেকিং আৰু ভটিয়নী উদ্যোগ**

গেছক্ৰেকাৰ নামটোৰ স'তে অসমৰ প্ৰতিজন ব্যক্তিৰে যেন আজন্ম চিনাকি। শতাধিক ছহিদৰ আত্মবলিদানৰ বিপৰীতে অসমে লাভ কৰা গেছক্ৰেকাৰ প্ৰকল্প নামটো যেন অসমীয়াৰ তেজৰ সিৰাই সিৰাই প্ৰবাহিত। কত যুক্তি, কত ষড়যন্ত্ৰ ওফৰাই এই প্ৰকল্পত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন গ্ৰহণ কৰিব পৰা গৈছিল। যিসকলৰ ঐকান্তিক প্ৰচেষ্টা এই প্ৰকল্পই আজি পূৰ্ণ পৰ্যায়ত প্ৰাপ্তিৰ দিশলৈ আগবাঢ়িছে সেইসকলৰো বহুতেই আজি চিৰদিনৰ বাবে এই ধৰা এৰি গৈছে। তথাপিও উন্নয়নৰ সোপান ওপৰলৈ অধিক আগুৱাই নিয়াৰ দায়িত্ব আকৌ নতুন প্ৰজন্মই গ্ৰহণ কৰিব লাগিব। গেছক্ৰেকাৰ এনে



এক বৈজ্ঞানিক কৌশল যি প্ৰাকৃতিক গেছ আৰু তৈলজাত পনীয়া খনিজ দ্ৰব্যৰ অনু-পৰমাণুসমূহ বৈদ্যুতিক ক্ৰিয়াৰ দ্বাৰা ভাঙি-চিঙি ক্ষুদ্ৰাতিক্ষুদ্ৰ পৰমাণুলৈ পৰিৱৰ্তন কৰি এক বৃহৎ পাৰমাণৱিক শক্তি আহৰণ কৰিব পৰা যায়। পাৰমাণৱিক শক্তিৰ সু-প্ৰয়োগেৰে প্ৰাকৃতিক গেছ আৰু জুলীয়া খনিজ পদাৰ্থত থকা অণুক চূৰ্ণ-বিচূৰ্ণ কৰি তাত লুকাই থকা মহতী শক্তি উদ্ধাৰ কৰি সু-প্ৰয়োগ কৰাটোৱেই হৈছে গেছক্ৰেকাৰ প্ৰকল্পৰ উদ্দেশ্য। খনিজ পদাৰ্থৰ অণু অথবা জুলীয়া পদাৰ্থখিনিক তড়িৎ বিশ্লেষণ (ইলেক্ট্ৰলাইচিছ) পদ্ধতিৰ যোগেদি 'এটম'লৈ পৰিৱৰ্তন কৰিলে যি মহতী শক্তি উদ্ধাৰ হয়, সেই শক্তিৰেই সু-প্ৰয়োগ কৰি উচ্চ ঘনত্বৰ পলিথেলিন (এইছ ডি পি ই), কম ঘনত্বৰ পলিথেলিন (এল এল ডি পি ই), গেছ'লিন আৰু গাড়ী-মটৰত ব্যৱহৃত ইন্ধন তৈয়াৰ কৰিব পৰা যায়। এই বৃহৎ কৰ্মত ইতিমধ্যে সফলতা প্ৰাপ্ত জাৰ্মানীৰ মেচাৰ্ছ নভ'লৈন টেকন'ল'জী আৰু ইংলণ্ডৰ মেচাৰ্ছ আই এন ই অ এছ টেকন'ল'জীৰ অভিজ্ঞতা নিয়োজিত কৰা হৈছে এই প্ৰকল্পৰ বাবে প্ৰয়োজনীয় প্ৰাকৃতিক গেছ যোগানৰ দায়িত্ব অইল ইণ্ডিয়া লিমিটেড্ আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগ আৰু নেপথা যোগানৰ দায়িত্ব নুমলীগড় শোধনাগাৰে বহন কৰিছে। সম্পূৰ্ণভাৱে কৰ্মক্ষম হৈ পৰিলে বিচিপিএল প্ৰকল্পই বাৰ্ষিক ২,২০,০০০ টন উচ্চ আৰু নিম্ন ঘনত্বৰ পলিইথেলিন আৰু ৬০,০০০টন পলিপ্ৰপেলিন (পিপি) প্ৰস্তুত কৰি উলিয়াব পাৰিব। পানী ($H_2O$) ৰ পৰা যেনেদৰে হাইড্ৰ'জেন আৰু অক্সিজেন গেছ পৃথক কৰিব পাৰি সেইদৰেই খনিজ পদাৰ্থত দ্ৰবীভূত অণুৰ আণবিক গুৰুত্ব দুটা পৃথক পদাৰ্থলৈ পৰিৱৰ্তন কৰি পলিথেলিন আৰু পলিপ্ৰপেলিন উদ্ধাৰ কৰা হ'ব যাৰ গুৰুত্ব আজিৰ পৃথিৱীৰ অৰ্থনীতিত আকাশলংঘী। ইয়াৰ কাৰণ? উত্তৰ আমাৰ সকলোৰে পৰিচিত অসংখ্য ভটিয়নী উদ্যোগ। কি হ'ব পাৰে এই ভটিয়নী উদ্যোগসমূহ?


পলিথেলিন ব্যৱহাৰ কৰি ভটিয়নী উদ্যোগসমূহে তৈয়াৰ কৰিব পাৰেĐ প্লাষ্টিক বেগ, টেবুল ক্ল'থ জাতীয় বিভিন্ন চীট, ৰেপাৰ, ম'বাইল কেচ, মানিবেগ, গাড়ী ঢাকিব পৰা কভাৰ, বিভিন্ন পুতলা সামগ্ৰী, পানীৰ পাইপ, লেট্ৰিনৰ বাবে ব্যৱহৃত টেংকী আৰু পাইপ, বাল্টি-মগ, কনটেইনাৰ, ইলেকট্ৰিক কেৱল, কম্পিউটাৰ কেচ, বেকা-বেকি কৰিব পৰা টিউব-পাইপ, বজাৰ কৰা মোনা, চাহপাত-মৰাপাট আদি বিভিন্ন সামগ্ৰী পেক কৰিবৰ বাবে ব্যৱহৃত মোনা ইত্যাদি, দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় অসংখ্য সামগ্ৰী। অন্যহাতেদি পলিপ্ৰপ্ৰেলিন ব্যৱহাৰ কৰি ভটিয়নী উদ্যোগসমূহে তৈয়াৰ কৰিব পাৰে গাড়ীৰ বাবে প্ৰয়োজনীয় বিভিন্ন পাৰ্টছ, বেটেৰী কেচ, গাড়ীৰ বাম্পাৰ, চেমিকনডাক্টৰ্ছ, কাপ-প্লেট, নাও-জাহাজ, ইনজেকচন চিৰিঞ্জ, ঘৰত ব্যৱহৃত ইলেকট্ৰিক ৱায়াৰ, দৰ্জা-খিৰিকী ইত্যাদি ইত্যাদি। চিন্তা কৰি চাওক ইয়াৰ এবিধ সামগ্ৰী উৎপাদনত নিয়োজিত এটা মাত্ৰ ভটিয়নী উদ্যোগে কোটি কোটি টকাৰ ব্যৱসায় কৰিব পাৰে।

কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ অঞ্চলটোৰ জনসাধাৰণৰ চকুত এক বৃহৎ স্বপ্ন আছে গেছক্ৰেকাৰ প্ৰকল্পৰ ভৱিষ্যতক লৈ। অসংখ্য ভটিয়নী উদ্যোগেৰে এই অঞ্চলৰ জনগণৰ জীৱনৰ মান যাদুকাঠীৰ স্পৰ্শতে পৰিবৰ্তন আৰু উন্নীত হ'ব বুলি আমি সকলোৰে আশা কৰিছোঁ। এই ভটিয়নী উদ্যোগসমূহ গঢ়ি উঠিলে উজনি অসমত এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা হ'ব বুলি আশা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেয়েহে এই অঞ্চলক এক বৃহৎ স্পেচিয়েল ইকনমিক জ'ন (চেজ) হিচাপে গঢ়ি তুলিব পৰা যাব বুলি মন্তব্য কৰিছে। সন্দেহ নাই এই ভটিয়নী উদ্যোগৰ বাবেই আজি চীনে সমগ্ৰ বিশ্বৰ প্লাষ্টিক মাৰ্কেটখন নিজৰ দখলত ৰাখিবলৈ সক্ষম হৈছে। কম্পিউটাৰৰ পৰা পুতলা সামগ্ৰীলৈকে চীনে এনে ভটিয়নী উদ্যোগেৰেই কেনেদৰে বিশ্বৰ বজাৰ দখল কৰিলে সেয়া আমি চকুৰ আগতে দেখি আহিছো। পলিথেলিন আৰু পলিপ্ৰপেলিন আমাৰ এই প্ৰকল্পত উৎপাদন হ'লে স্বাভাৱিকতেই দেশৰ অৰ্থনীতিৰ চকৰি ঘূৰাই দিব পাৰিব কেৱল অসমৰ ভটিয়নী উদ্যোগসমূহেই। বাৰ্ষিক **২,২০,০০০** টন পলিথেলিন আৰু **৬০,০০০** টন পলিপ্ৰপেলিনেই যুগান্তকাৰী পৰিৱৰ্তন কঢ়িয়াই আনিব পাৰে উজনি অসমলৈ।

উল্লেখযোগ্য যে উত্তৰ পূৰ্বাঞ্চলক বাদ দি ভাৰতবৰ্ষৰ জনগণৰ প্লাষ্টিকৰ বাৰ্ষিক জনমূৰি ব্যৱহাৰ হৈছে গড়ে প্ৰতিজন ব্যক্তিৰ বিপৰীতে আঠ কিলোগ্ৰাম, কিন্তু উত্তৰ পূৰ্বাঞ্চলত এই ব্যৱহাৰ মাত্ৰ ৩.৭৫ কিলোগ্ৰাম। চাহিদা আকাশলংঘী কিন্তু সামগ্ৰীৰ মূল্যমানৰ বাবে চাহিদা সত্ত্বেও ব্যৱহাৰ সীমিত। ভটিয়নী উদ্যোগসমূহে নিশ্চয় এই ব্যাপক চাহিদাৰ সুবিধা উপভোগ কৰিব পাৰিব।কিন্তু কথা হৈছেĐ এই বিষয়ত আগ্ৰহী কৰি তুলিবলৈ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়াহে লক্ষ্যণীয়। প্ৰকল্পটো স্থাপনৰ বেলিকা স্থানীয় লোকৰ নিযুক্তিৰ সপক্ষে বিভিন্ন জাতীয় সংগঠনসমূহে থিয় দিছিল কিন্তু অসমৰ নৱ-প্ৰজন্মৰ মাজৰ পৰা এচামক দক্ষতাসম্পন্ন কৰি তুলিবলৈ চৰকাৰীভাৱে পৰিকল্পিত প্ৰচেষ্টা বাৰু গ্ৰহণ কৰা হৈছিলনে? দক্ষতাসম্পন্ন লোকৰ অভাৱৰ বাবেই প্ৰকল্পটোৰ বহু পোনপটীয়া নিযুক্তি ৰাজ্যখনৰ বাহিৰলৈ গুচি গ'ল। নৱপ্ৰজন্মৰ যুৱক-যুৱতীহঁতৰ স্কিল ডেভলপমেণ্ট'ৰ বাবে চৰকাৰীভাৱে পৰিকল্পনা কি অথবা ভটিয়নী উদ্যোগ স্থাপনৰ বাবে আগ্ৰহী থলুৱা উদ্যোগীক চৰকাৰে কি সহায়-সুবিধা আগবঢ়াব সেয়া মুকলিকৈ কোৱা হৈছেনে? ঢাক-ঢোল পিটি তিনিচুকীয়াত আৰম্ভ কৰা প্লাষ্টিক পাৰ্কৰ অৱস্থা আজিৰ তাৰিখত কি? আশা কৰা হৈছিল- তিনিচুকীয়াৰ প্ৰস্তাৱিত প্লাষ্টিক পাৰ্কত কমপক্ষেও 400টা ভটিয়নী উদ্যোগ গঢ়ি তুলিব পৰা হ'ব। প্ৰাপ্ত তথ্য মতে ইতিমধ্যে চৰকাৰীভাৱে এহেজাৰ কোটিমান টকাও খৰচ কৰা হ'ল। এই ধন যিসকলৰ জেপত সোমাল বুলি অভিযোগ উঠিছিল সেইসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ল নে? আমি আশা কৰোঁĐ শতাধিক ছহিদৰ আত্মবলিদান আৰু অগণন মানুহৰ ত্যাগৰ বিনিময়ত লাভ কৰা অসমীয়াৰ স্বপ্ন গেছক্ৰেকাৰ প্ৰকল্পৰ আৰু ইয়াৰ সম্ভাৱ্যতাক লৈ সামান্য হেতালি খেলিবলৈও যাতে কোনেও সাহস কৰিব নোৱাৰে সেয়া শেন দৃষ্টিৰে প্ৰতিজন শুভচিন্তক অসমীয়াই আন্তৰিকতাৰে নজৰ ৰাখক।

*ফোন ঃ ৯৪৩৫০-২৮০০৮*

## পুনৰ দেশৰ দৈনিক সংক্ৰমণ আঠ হেজাৰৰ উৰ্ধ্বত, মৃত্যু ১৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুন ঃ** বিগত কে'বাদিন ধৰি দেশত উৰ্ধ্বমুখী হৈ আছে কৰ'নাৰ দৈনিক সংক্ৰমণৰ হাৰ। বিগত ২৪ ঘণ্টাত ভাৰতত পুনৰ ক'ভিডৰ দৈনিক সংক্ৰমণ আঠ হেজাৰৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশত নতুনকৈ কৰ'না আক্ৰান্ত হ'ল ৮,৮২২ জন লোক। বৰ্তমানলৈকে ভাৰতত ৪,৩২,৪৫,৫১৭ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। ইফালে, বিগত ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ক'ভিডত মৃত্যু হ'ল ১৫ জন লোকৰ। বৰ্তমানে ভাৰতৰ ৫৩,৬৩৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে।



## ধনাঢ্যৰ তালিকাত পুনৰ আম্বানীক অতিক্ৰম আদানীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুন ঃ** এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ স্বীকৃতি আকৌ এবাৰ হেৰুৱালে মুকেশ আম্বানীয়ে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ স্বত্বাধিকাৰী আম্বানীক অতিক্ৰম কৰি আকৌ এবাৰ এছিয়াৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে স্বীকৃত হ'ল আদানী গোষ্ঠীৰ মুৰব্বী গৌতম আদানী। ফ'ৰ্ব্ছ ৰিয়েল টাইম বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি বিশ্বৰ শীৰ্ষ ১০ অৰ্বুদপতিৰ তালিকাত সম্প্ৰতি আদানীয়ে ষষ্ঠ সংখ্যক আৰু আম্বানীয়ে সপ্তম সংখ্যক স্থান লাভ কৰিছে। অৱশ্যে আম্বানী আৰু আদানীৰ মাজত বৰ্তমানে মাত্ৰ ০.৪ বিলিয়ন ডলাৰৰ সম্পত্তিৰ পাৰ্থক্য আছে। আজি পুঁজি বজাৰত আৰ আই এলৰ শ্বেয়াৰৰ মূল্য হ্ৰাস পোৱাত আম্বানীৰ ২.৫ বিলিয়ন ডলাৰৰ সম্পত্তি হ্ৰাস পালে। বৰ্তমানে আম্বানীৰ মুঠ সম্পত্তিৰ পৰিমাণ হৈছে ৯৬.১ বিলিয়ন ডলাৰ। আনহাতে, আদানীৰ সম্পত্তিৰ পৰিমাণ হৈছে ৯৮.৩ বিলিয়ন ডলাৰ। আজি আদানীৰ ১.৯৭ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি হয়। অৰ্বুদপতিৰ এই তালিকাত টেছলা আৰু স্পেচএক্সৰ মূৰব্বী এলন মাস্কে ২০৬ বিলিয়ন ডলাৰৰ সম্পত্তিৰে প্ৰথম স্থানত আছে।

## অসুস্থ মুশ্বাৰফ উভতিব পাকিস্তানলৈ, সেনাই দিলে অনুমতি

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৫ জুন ঃ** পাকিস্তানৰ প্ৰাক্তন ৰাষ্ট্ৰপতি তথা সামৰিক শাসক পাৰভেজ মুশ্বাৰফ গুৰুতৰভাৱে অসুস্থ। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, প্ৰাক্তন সামৰিক শাসকজনৰ শৰীৰৰ একাধিক অংগ বিকল হৈছে। বৰ্তমানে ডুবাইত চিকিৎসাধীন হৈ থকা মুশ্বাৰফে পাকিস্তানলৈ উভতি আহিব বিচাৰিছে আৰু ইয়াৰ বাবে অনুমতি দিলে পাকিস্তানৰ সেনা বাহিনীয়ে। এই বিষয়ত পাকিস্তানৰ সেনা বাহিনীৰ মুখপাত্ৰ মেজৰ জেনেৰেল বাবৰ ইফতিখাৰে কয়, 'পাকিস্তানৰ সেনাৰ নেতৃত্বই ভাবে যে প্ৰাক্তন সেনাপ্ৰধানজনে পাকিস্তানলৈ উভতি অহা উচিত। পাকিস্তানলৈ উভতি অহাৰ ক্ষেত্ৰত পাৰভেজ মুশ্বাৰফৰ পৰিয়ালে সিদ্ধান্ত লোৱা উচিত। এই ক্ষেত্ৰত সেনাৰ ফালৰ পৰা কোনো বাধা বা আপত্তি নাই।' সেনা বাহিনীৰ সেউজ সংকেতৰ পাছত অচিৰে মুশ্বাৰফৰ পাকিস্তানলৈ প্ৰত্যাৱৰ্তনৰ সম্ভাৱনা আছে।



## দিল্লীত পুনৰ বৃদ্ধি ক'ভিডৰ সংক্ৰমণ, এদিনত দুজনৰ মৃত্যু



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুন ঃ** দিল্লীত কৰ'নাৰ সংক্ৰমণ আকৌ এবাৰ বৃদ্ধি পাবলৈ ধৰিছে। যোৱা মঙলবাৰে দেশৰ ৰাজধানীত কৰ'নাত আক্ৰান্ত ১,১০০ জন ৰোগীক চিনাক্ত কৰা হৈছিল। বৰ্তমানলৈকে দিল্লীত ১৯ লাখৰো অধিক লোক কৰ'নাত সংক্ৰমিত হ'ল। মঙলবাৰে দিল্লীত দুজন ক'ভিড ৰোগীৰ মৃত্যু হৈছিল। উল্লেখ্য যে একেৰাহে পঞ্চম দিনৰ বাবে কালি দিল্লীত এদিনত ৬০০ৰো অধিক ক'ভিড আক্ৰান্তক চিনাক্ত কৰা হৈছিল। বৰ্তমানে ৰাজধানী চহৰখনত ৩,১০০ জন সক্ৰিয় ক'ভিড ৰোগী আছে।



## ২.৮ শতাংশ প্ৰতিৰক্ষা বাজেট হ্ৰাস কৰিলে পাকিস্তানৰ সেনা বাহিনীয়ে

**নিউজ ব্যুৰ' ইছলামাবাদ, ১৫ জুন ঃ** পাকিস্তানৰ সেনা বাহিনীয়ে প্ৰকাশ কৰা অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাবে প্ৰতিৰক্ষা বাজেটত ২.৮ শতাংশ পুঁজি হ্ৰাস কৰা হৈছে। টেলিভিছনৰ এক সাক্ষাৎকাৰত সেনাৰ মুখপাত্ৰ মেজৰ জেনেৰেল বাবৰ ইফতিখাৰে কয় যে একাংশ লোকে ধাৰণা কৰাৰ দৰে পাকিস্তানে প্ৰতিৰক্ষাৰ বাজেট বৃদ্ধি কৰা নাই, বৰঞ্চ চলিত বিত্তীয় বৰ্ষত ২.৮ শতাংশ হ্ৰাস কৰে। পাকিস্তানত অব্যাহত থকা ব্যাপক মূল্যবৃদ্ধি আৰু পাকিস্তানী টকাৰ মূল্য হ্ৰাস পোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিৰক্ষা বাজেটৰ ধন হ্ৰাস কৰা বুলি সেনাৰ মুখপাত্ৰজনে জানিবলৈ দিয়ে।

### দিল্লীত গড়ে প্ৰতিজন মানুহৰ আয়ুস মূলত প্ৰদূষণৰ কাৰণত ৯.৭ বছৰ হ্ৰাস পাইছে

## ভয়াৱহ বায়ু প্ৰদূষণত পাঁচ বছৰ আয়ুস হ্ৰাস হৈছে ভাৰতীয়ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৫ জুন ঃ** ভাৰতৰ সবাতোকৈ বৃহৎ সংকটৰ নাম হৈছে বৰ্ধিত বায়ু প্ৰদূষণ। প্ৰতিদিনে দেশখনৰ প্ৰায়বোৰ চহৰতে প্ৰদূষণৰ প্ৰকোপ বৃদ্ধি পাইছে। এই প্ৰদূষণৰ ফলত সৰ্বাধিক ক্ষতি হৈছে মানৱৰ। প্ৰদূষণৰ পৰিণতিত আয়ুস হ্ৰাস পাইছে ভাৰতীয়ৰ। এক সমীক্ষামূলক অধ্যয়নত এই তথ্য পোহৰলৈ আহিছে। দেশৰ একাংশ চহৰ আৰু পাৰ্শ্বৱৰ্তী অঞ্চলত বাস কৰা বাসিন্দাসকলৰ গড় আয়ুস সম্প্ৰতি সাত বছৰলৈকে হ্ৰাস



পাইছে। ইয়াৰ বাবে দায়ী বায়ু প্ৰদূষণ। স্বাস্থ্যকৰ খাদ্য লাভ নকৰা, ধূমপানৰ কাৰণতো ভাৰতীয়ৰ গড় আয়ুস ক্ৰমে ১.৮ বছৰ আৰু ১.৫ বছৰ হ্ৰাস পাইছে। বায়ু প্ৰদূষণৰ ফলত ভাৰতৰ বিভিন্ন অঞ্চলত বাস কৰা লোকসকলৰ গড় আয়ুস পাঁচ বছৰকৈ হ্ৰাস পাবলৈ ধৰিছে।

সম্প্ৰতি ইউনিভাৰ্ছিটি অব্ চিকাগোৰ এনাৰ্জি পলিচি ইনষ্টিটিউটে বিশ্বৰ বিভিন্ন দেশৰ 'এয়াৰ কোৱালিটি লাইফ ইনডেক্স' (এ কিউ এল আই) শীৰ্ষক এক সমীক্ষা চলাইছে। এই সমীক্ষাৰ প্ৰতিবেদন কালি প্ৰকাশ পাইছিল। উক্ত সমীক্ষাতে ভাৰতীয়ৰ আয়ুস হ্ৰাসৰ এক চাঞ্চল্যকৰ তথ্য উল্লেখ কৰা হৈছে। দেশত বায়ু প্ৰদূষণৰ নিৰিখত চহৰৰ ভিতৰত দিল্লীৰ অৱস্থা সবাতোকৈ শোচনীয়। দেশৰ ৰাজধানী চহৰখনত গড়ে প্ৰতিজন মানুহৰ আয়ুস মূলত প্ৰদূষণৰ কাৰণত ৯.৭ বছৰ হ্ৰাস পাইছে। এই সমীক্ষাত উল্লেখ কৰা অনুসৰি ভাৰতৰ সবাতোকৈ প্ৰদূষিত ৰাজ্যকেইখন হৈছে উত্তৰ প্ৰদেশ, বিহাৰ, হাৰিয়ানা আৰু ত্ৰিপুৰা। এইকেইখন ৰাজ্যত মানুহৰ আয়ুস ক্ৰমে প্ৰদূষণজনিত কাৰণত ৮.২ বছৰ, ৭.৯ বছৰ, ৭.৬ বছৰ আৰু ছয় বছৰকৈ হ্ৰাস পাইছে। বিশ্বৰ সৰ্বাধিক বায়ু প্ৰদূষণৰ নিৰিখত ভাৰতে দেশ হিচাপে দ্বিতীয় স্থান দখল কৰিছে। তালিকাত প্ৰথম স্থানত আছে বাংলাদেশ। ভাৰতত বায়ু প্ৰদূষণৰ ফলত মানুহৰ গড় আয়ুস পাঁচ বছৰ হ্ৰাস পোৱাৰ বিপৰীতে বাংলাদেশত ৬.৯ বছৰ হ্ৰাস পাইছে। আনহাতে, বৰ্ধিত বায়ু প্ৰদূষণৰ ফলত নেপালত ৪.১ বছৰ, পাকিস্তানত ৩.৮ বছৰ আৰু কংগোত ২.৯ বছৰকৈ আয়ুস হ্ৰাস পাইছে। এই সমীক্ষাত উল্লেখ কৰা মতে, সমগ্ৰ বিশ্বতে বায়ু প্ৰদূষণ বৃদ্ধি পাইছে। ফলত গড়ে ২.২ বছৰ আয়ুস হ্ৰাস পাইছে পৃথিৱীবাসীৰ।


## দেশত অচিৰে ৫ জি সেৱা প্ৰৱৰ্তন, স্পেকট্ৰাম নিলামত অনুমোদন মোদী চৰকাৰৰ





**নিউজ ব্যুৰ', নতুন দিল্লী, ১৫ জুন ঃ** ম'বাইল তথা ইণ্টাৰনেট সেৱা গ্ৰহণকাৰীৰ বাবে সুখবৰ। অচিৰে ভাৰতত আৰম্ভ হ'ব ৫ জি ইণ্টাৰনেট সেৱা। এই সিদ্ধান্তত আজি অনুমোদন জনালে কেন্দ্ৰীয় চৰকাৰে। এই মুহূৰ্তত দেশত ৪ জি সেৱা অব্যাহত আছে। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে আজি প্ৰকাশ কৰা অনুসৰি, স্পেকট্ৰাম নিলামৰ বাবে ইতিমধ্যে টেলি যোগাযোগ বিভাগৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। ২০ বছৰৰ বৈধতাৰ স'তে চৰকাৰে মুঠ ৭২০৯৭.৮৫ মেগাহাৰ্টছ স্পেকট্ৰাম নিলাম কৰিব। জুলাইৰ অন্তিম ভাগত ভাৰতত ৫ জি স্পেকট্ৰাম নিলামৰ আয়োজন কৰা হ'ব। উল্লেখ্য যে বৰ্তমানৰ ৪ জি সেৱাৰ তুলনাত ১০ গুণ অধিক গতিসম্পন্ন হ'ব ৫ জি সেৱা।

## ১১ বছৰ পাছত কলকাতাত পুনৰ সন্ধান লাভ পলিঅ'ৰ বীজাণুৰ

**নিউজ ব্যুৰ', কলকাতা, ১৫ জুন ঃ** কলকাতাত সুদীৰ্ঘ ১১ বছৰ পাছত সন্ধান লাভ কৰা হ'ল পলিঅ'ৰ বীজাণুৰ। মেটিয়াবুৰুজৰ এটা নৰ্দমাত লাভ কৰা হৈছে পলিঅ'ৰ জীৱাণুৰ। কিছুদিন পূৰ্বে অঞ্চলটোৰ নৰ্দমাৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষা কৰা হৈছিল আৰু উক্ত নমুনাত পলিঅ' ভাইৰাছৰ উপস্থিতি ধৰা পৰে। পলিঅ' ভাইৰাছৰ সন্ধান ধৰা পৰাৰ পাছত পশ্চিমবংগৰ স্বাস্থ্য বিভাগে বিশেষ সতৰ্কতা অৱলম্বন কৰিছে। শিশুৰ প্ৰতি বিশেষ দৃষ্টি ৰাখিবলৈকো স্বাস্থ্য বিভাগে নিৰ্দেশ দিছে। উল্লেখ্য যে ২০১১ বৰ্ষত পশ্চিমবংগৰ হাওৰাত এগৰাকী বালিকাৰ শৰীৰত অন্তিমবাৰ পলিঅ'ৰ সংক্ৰমণ চিনাক্ত কৰা হৈছিল। ২০১৪ৰ ২৭ মাৰ্চত ভাৰতে পলিঅ'মুক্ত দেশৰ স্বীকৃতি লাভ কৰিছিল।





## বেংকৰ প্ৰৱন্ধকক হত্যা কৰা সন্ত্ৰাসবাদী সেনাৰ অভিযানত ধৰাশায়ী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ১৫ জুন ঃ** দক্ষিণ কাশ্মীৰৰ ছ'পিয়ানত সেনাৰ গুলিত প্ৰাণ হেৰুৱালে লস্কৰ-ই-তৈবাৰ দুজন সন্ত্ৰাসবাদী। মৃত সন্ত্ৰাসবাদীৰ এজন কাশ্মীৰৰ এটা বেংকত কৰ্মৰত বিষয়াৰ হত্যাকাণ্ডত জড়িত আছিল। কাশ্মীৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি কয়, 'মৃত দুই সন্ত্ৰাসবাদীৰ মাজৰ এজন ছ'পিয়ানৰ বাসিন্দা জান মহম্মদ ল'ন। যোৱা দুই মে'ত কুলগামত ৰাজস্থানৰ বেংক বিষয়া এজনক সন্ত্ৰাসবাদীয়ে কাৰ্যালয়তে হত্যা কৰিছিল আৰু এই ঘটনাৰ স'তে ল'ন প্ৰত্যক্ষভাৱে জড়িত আছিল। তদুপৰি অন্যান্য সন্ত্ৰাসমূলক কামতো তেওঁ জড়িত আছিল।' আজি সেনাৰ গুলিত মৃত্যু হোৱা আনজন সন্ত্ৰাসবাদীৰ নাম হৈছে তুফাইল গানাই। সন্ত্ৰাসবাদীজনৰ পৰা এটা এ কে-৪৭ ৰাইফল, এটা পিষ্টল আৰু যথেষ্ট পৰিমাণৰ কাৰ্টুজ জব্দ কৰা হৈছে।

## শ্ৰীলংকাৰ পাছত পাকিস্তান, দৈনিক ১২ ঘণ্টা অন্ধকাৰত ডুব গৈছে দেশ

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৫ জুন ঃ** ক্ৰমশঃ অধিক প্ৰকট হৈ উঠিছে পাকিস্তানৰ বিদ্যুৎ সংকট। ইন্ধনৰ অভাৱত সম্প্ৰতি দেশখনত বিদ্যুৎ উৎপাদন বাধাগ্ৰস্ত হৈছে। ফলত বিদ্যুতৰ অভাৱত দিনে-নিশাই কৰ্তন কৰা হৈছে বিদ্যুৎ সৰবৰাহ। সম্প্ৰতি পাকিস্তানৰ বিভিন্ন অঞ্চলত দৈনিক ১২ ঘণ্টাৰো অধিক সময় বিদ্যুৎ কৰ্তন কৰা হৈছে। ফলত প্ৰতিদিনে সুদীৰ্ঘ সময় দেশখন অন্ধকাৰত ডুব গৈছে। পাকিস্তানৰ এই পৰিস্থিতিয়ে শ্ৰীলংকাৰ কথা বহুতৰে মনত পেলাই



দিছে। তিনিমাহ পূৰ্বে শ্ৰীলংকাতো ভয়াৱহ বিদ্যুৎ সংকটে দেখা দিছিল আৰু পাছত দেশখনত দেখা দিয়া জটিল পৰিস্থিতিত চৰকাৰৰ পতন হৈছিল। পাকিস্তানৰ প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি বিদ্যুৎ পৰিস্থিতি উন্নত নহ'লে আগন্তুক সময়ত বিদ্যুতৰ সৰবৰাহ অধিক সময়ৰ বাবে কৰ্তন কৰিব লগা হ'ব পাৰে। কিছুদিন পূৰ্বে সতৰ্কতামূলক পদক্ষেপ হিচাপে দেশখনৰ শ্বাহবাজ শ্বৰীফৰ চৰকাৰে কিছু ব্যৱস্থা গ্ৰহণ কৰিছে। বিদ্যুৎ ৰাহি কৰিবলৈ নিশা ১০ বজাৰ ভিতৰত বিবাহ অনুষ্ঠান সমাপ্ত কৰিবলৈ চৰকাৰে নিৰ্দেশ দিছে। তদুপৰি নিশা ৮-৩০ বজাতে বজাৰ অঞ্চল বন্ধ কৰিবলৈকো শ্বৰীফ প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। বহু কাৰ্যালয়ত সম্প্ৰতি কৰ্মচাৰীসকলক ঘৰৰ পৰাই কৰ্মৰত হ'ব দিয়া হৈছে। প্ৰশাসনে এনেবোৰ পদক্ষেপ লোৱাৰ পাছতো পাকিস্তানত বিদ্যুৎ নাটনিৰ সমস্যাটোৱে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে। একে সময়তে মূল্যবৃদ্ধিয়েও দেশখনত নতুন অভিলেখ ৰচিছে। সম্প্ৰতি দেশখনত মূল্যবৃদ্ধিৰ হাৰ ১৩.৮ শতাংশ হৈছে।

## 'অগ্নিপথ' নিযুক্তি আঁচনিক লৈ বিহাৰত উত্তপ্ত পৰিস্থিতি, বক্সাৰত ৰেললৈ শিলাবৰ্ষণ প্ৰতিবাদকাৰীৰ



**নিউজ ব্যুৰ', পাটনা, ১৫ জুন ঃ** কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় সেনা বাহিনীত যুৱ প্ৰজন্মক নিযুক্তিৰ বাবে 'অগ্নিপথ' নামৰে এখন নতুন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ অধীনত ভাৰতীয় সেনা বাহিনীত যুৱ প্ৰজন্মক চাৰি বছৰৰ বাবে নিযুক্তি প্ৰদান কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ সদ্য ঘোষিত 'অগ্নিপথ' নিযুক্তি আঁচনিৰ বিৰুদ্ধে সৰৱ হ'ল বিহাৰৰ যুৱ প্ৰজন্মই। ৰাজ্যখনৰ বক্সাৰত একাংশ প্ৰতিবাদকাৰী যুৱকে ৰেললৈ শিলাবৰ্ষণ কৰি ক্ষোভ প্ৰদৰ্শন কৰে। আনহাতে, মুজাফ্ফৰতো যথেষ্ট সংখ্যক যুৱকে ৰাজপথত সমবেত হৈ চৰকাৰী বিৰোধী শ্ল'গানৰে পৰিস্থিতি উত্তপ্ত কৰি তোলে। ভাৰতীয় সেনাত নিযুক্তি লাভৰ বাবে প্ৰতিশ্ৰুতি চলাই অহা এইসকল যুৱকে 'অগ্নিপথ' নিযুক্তি আঁচনিৰ বিৰোধিতা কৰি পাটনাৰ পৰা যাত্ৰা কৰা পাতলিপুত্ৰ এক্সপ্ৰেছ ৰেললৈ শিলাবৰ্ষণ কৰে। একাংশ প্ৰতিবাদকাৰীয়ে কে'বাখনো ৰেল অৱৰোধ কৰি ৰাখে। প্ৰতিবাদকাৰীসকলে অভিযোগ কৰা অনুসৰি চৰকাৰে সেনাত নিযুক্তি প্ৰদানৰ নামত যুৱ প্ৰজন্মক আভুৱা ভাঁৰিবলৈ এনে আঁচনি প্ৰস্তুত কৰিছে। মাত্ৰ চাৰি বছৰৰ বাবে সেনাত নিযুক্তি লাভ কৰাৰ পাছত এইসকল যুৱকৰ ভৱিষ্যৎ কি হ'ব বুলিও প্ৰতিবাদকাৰীয়ে প্ৰশ্ন উত্থাপন কৰিছে।

## মেক্সিকোত বন্দুকধাৰী-আৰক্ষীৰ গুলীয়াগুলিত ১০ বন্দুকধাৰীৰ মৃত্যু

**নিউজ ব্যুৰ', মেক্সিকো, ১৫ জুন ঃ** মেক্সিকোৰ টেক্সকাল্টিতলান অঞ্চলত যোৱা নিশা আৰক্ষী আৰু বন্দুকধাৰীৰ মাজত হোৱা গুলীয়াগুলিৰ ঘটনাত ১০ জন বন্দুকধাৰী নিহত হোৱাৰ লগতে তিনিজন আৰক্ষী আহত হয়। এই ঘটনাত আন চাৰিজন বন্দুকধাৰী গুলিবিদ্ধ হয়। এই ঘটনাত আৰক্ষীয়ে ইতিমধ্যে সাতজন লোকক গ্ৰেপ্তাৰ কৰিছে। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে ২০ টা ৰাইফল, পিষ্টল, হেণ্ডগান, কাৰ্টুজ, পাঁচখন বাহন, সামৰিক পৰিধান আৰু বুলেটপ্ৰুফ জেকেট জব্দ কৰিছে। মেক্সিকোৰ যিটো অঞ্চলত এই ঘটনা সংঘটিত হ'ল উক্ত অঞ্চলত দীৰ্ঘদিন ধৰি ড্ৰাগছ ব্যৱসায়ী আৰু গেংষ্টাৰে আতংকৰ সৃষ্টি কৰি আহিছে।



## চীনত প্ৰবল বৃষ্টিপাতত ভূমিস্খলন, ঘৰ ভাঙি মৃত্যু ছজন লোকৰ



**নিউজ ব্যুৰ', বেইজিং, ১৫ জুন ঃ** চীনত চলিত সপ্তাহত প্ৰচণ্ড বৃষ্টিপাতৰ ফলত ছজন লোকে প্ৰাণ হেৰুৱালে। স্থানীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি দক্ষিণ-পূব চীনত পাঁচজন লোকৰ বানত মৃত্যু হৈছে। আনহাতে, উত্তৰ চীনৰ মংগোলীয়া অঞ্চলত হোৱা প্ৰবল বৃষ্টিপাতত এখন গাড়ী পানীয়ে উটাই নিয়াৰ ফলত আন এজন লোকৰ মৃত্যু হয়। সম্প্ৰতি তিনিজন লোক অঞ্চলটোত সন্ধানহীন হৈ আছে। প্ৰবল বৃষ্টিপাতৰ ফলত একাধিক স্থানত ভূমিস্খলনৰ লগতে বাসগৃহ ভাঙি যোৱাৰ ঘটনাও সংঘটিত হৈছে। প্ৰশাসনে প্ৰায় দুই লাখ পীড়িত লোকক নিৰাপদ স্থানলৈ স্থানান্তৰিত কৰিছে।

## ছেভেৰ'ডনেৎস্ক চহৰৰ ৮০ শতাংশ দখল মস্কোৰ, পুটিনৰ বিৰুদ্ধে বিক্ষোভ ৰাছিয়াত



**নিউজ ব্যুৰ', মস্কো, ১৫ জুন ঃ** ইউক্ৰেইন যুদ্ধক লৈ ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ বিৰুদ্ধে সোচ্ছাৰ হ'ল ৰুছ নাগৰিক। এইসকল প্ৰতিবাদকাৰীৰ মুখ বন্ধ ৰাখিবলৈ ৰীতিমতে কঠোৰ হ'ল আৰক্ষী। আৰক্ষীৰ বিৰুদ্ধে মানৱাধিকাৰ লংঘনৰ অভিযোগো উত্থাপিত হৈছে। এনে এক ঘটনাৰ সাক্ষী হ'ল পশ্চিম ৰাছিয়াৰ ভল্গা নদীৰ পাৰৰ নিজনি নভ'গ'ৰাড চহৰ। কালি এই চহৰখনত কমেও ২০ গৰাকী যুৱতীয়ে পুটিন বিৰোধিতাৰে প্ৰতিবাদত অংশ লৈছিল। এইসকল প্ৰতিবাদকাৰী যুৱতীৰ বয়স ১৮-২৭ বছৰৰ ভিতৰত আছিল। বিক্ষোভ প্ৰদৰ্শনৰ সময়তে আৰক্ষীয়ে যুৱতীকেইগৰাকীক আটক কৰিছিল আৰু তেওঁলোকক বলপূৰ্বক নগ্ন অৱস্থাত আৰক্ষীৰ কেমেৰাৰ সন্মুখত থিয় কৰোৱা হৈছিল। বিক্ষোভকাৰীৰ অধিবক্তাই উত্থাপন কৰা অভিযোগ অনুসৰি মহিলা আৰক্ষীয়ে যুৱতীকেইগৰাকীক আটক কৰাৰ পাছত নগ্ন হ'বলৈ বাধ্য কৰাইছিল আৰু ইয়াৰ পাছত কেমেৰাৰ সন্মুখত ৰাখি ফটো তুলিছিল। এয়া মানৱাধিকাৰ লংঘনৰ চূড়ান্ত অভিযোগ বুলি অধিবক্তাজনে দাবী কৰে। ইফালে, পূব ইউক্ৰেইনৰ উদ্যোগ নগৰী ছেভেৰ'ডনেৎস্কৰ প্ৰায় ৮০ শতাংশ ৰুছ সেনাই দখল কৰিলে। চহৰত প্ৰৱেশৰ পাছত তিনিখনকৈ মুখ্য দলং ৰুছ সেনাই বোমাৰে ধ্বংস কৰে।

## এইবাৰ ব্ৰিটেইনৰ সাংবাদিক, প্ৰতিৰক্ষা বিষয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা ৰাছিয়াৰ



**নিউজ ব্যুৰ', ম'স্কো, ১৫ জুন ঃ** ৰাছিয়াই ব্ৰিটিছ সংবাদ মাধ্যম আৰু প্ৰতিৰক্ষা বিভাগৰ কে'বাজনো বিষয়াৰ বিৰুদ্ধে দেশত প্ৰৱেশৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিলে। ৰুছ বৈদেশিক মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ব্ৰিটেইনৰ ২৯ জন সাংবাদিক আৰু সমীক্ষকৰ ৰাছিয়াত প্ৰৱেশ নিষিদ্ধকৰণৰ সিদ্ধান্ত লোৱা হৈছে। ৰুছ বৈদেশিক মন্ত্ৰণালয়ে লগতে কয় যে ব্ৰিটেইনৰ এইসকল সাংবাদিকে ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধক লৈ পক্ষপাতদুষ্ট বাতৰি পৰিৱেশন কৰিছিল আৰু সেয়েহে ব্ৰিটিছ সংবাদ মাধ্যমৰ এইসকল কৰ্মচাৰীৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্ত লোৱা হ'ল। বিবিচি, টাইমছ আৰু গাৰ্জিয়ানত কৰ্মৰত সংবাদ প্ৰতিষ্ঠানৰ জ্যেষ্ঠ সম্পাদক, সংবাদদাতাৰ লগতে ব্ৰিটেইনৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ ২০ জন লোকৰ ৰাছিয়াত প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।


## আমেৰিকাত বানৰ তাণ্ডৱ, য়েল্ল'ষ্ট'ন পাৰ্কত আবদ্ধ ১০ সহস্ৰাধিক লোক

**নিউজ ব্যুৰ', নিউয়ৰ্ক, ১৫ জুন ঃ** আমেৰিকাৰ য়েল্ল'ষ্ট'নত ভয়াৱহ বানৰ ফলত দেশখনৰ সবাতোকৈ পুৰণি ৰাষ্ট্ৰীয় উদ্যানত ১০ হেজাৰৰো অধিক লোক আবদ্ধ হৈ আছে। এইসকল লোকক য়েল্ল'ষ্ট'ন ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নিৰাপদে উদ্ধাৰ কৰিবলৈ প্ৰশাসনে অভিযান আৰম্ভ কৰিছে। নেৰানেপেৰা বৰষুণৰ ফলত হোৱা বানত অঞ্চলটোৰ প্ৰায়বোৰ বাট-পথ আৰু দলং পানীত বুৰ গৈছে। তিনিখন ৰাজ্যত বিস্তৃত এই বিশাল উদ্যানখনৰ শিবিৰত সম্প্ৰতি ১০ সহস্ৰাধিক লোকে আশ্ৰয় গ্ৰহণ কৰিছে। বানত আবদ্ধ উদ্যানখনৰ পৰা



এইসকল লোকক নিৰাপদে বাহিৰলৈ আনিবলৈ প্ৰশাসনে পদক্ষেপ গ্ৰহণ কৰিছে। বানৰ প্ৰতি লক্ষ্য ৰাখি আগন্তুক কমেও এসপ্তাহলৈ ৰাষ্ট্ৰীয় উদ্যানখন বন্ধ কৰাৰ সিদ্ধান্ত কৰ্তৃপক্ষই গ্ৰহণ কৰিছে।

## কঁপিছে হাত, থিয় হ'বও নোৱাৰে পুটিন ঃ ৰুছ ৰাষ্ট্ৰপতিৰ নতুন ভিডিঅ'ক লৈ চাঞ্চল্য



**নিউজ ব্যুৰ', মস্কো, ১৫ জুন ঃ** এসময়ত নিজে আছিল সামৰিক বাহিনীত। সেইজন বৰ্তমানৰ ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনৰ শেহতীয়া এক ভিডিঅ'ই বিশ্বজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। সম্প্ৰতি প্ৰকাশিত এই ভিডিঅ'ত আবদ্ধ হোৱা দৃশ্য অনুসৰি প্ৰচণ্ড হাত কঁপিছে পুটিনৰ। একে সময়তে ভালদৰে থিয় হ'বলৈ পৰা নাই ৰুছ ৰাষ্ট্ৰপতিয়ে। 'নিউ য়ৰ্ক প'ষ্ট'ত পুটিনৰ সন্দৰ্ভত এক প্ৰতিবেদন প্ৰকাশ পাইছে। এই প্ৰতিবেদনত উল্লেখ কৰা মতে, যোৱা দেওবাৰে ক্ৰেমলিনত এক বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত আছিল পুটিন আৰু সেই সময়তে পুটিনৰ শেহতীয়া এই ভিডিঅ' গ্ৰহণ কৰা হৈছিল। উক্ত ভিডিঅ'ত প্ৰত্যক্ষ হোৱা অনুসৰি ৰাছিয়াৰ বিখ্যাত পৰিচালক নিকিতা মিখাইলভক পুৰস্কাৰ প্ৰদানৰ সময়ত যথেষ্ট দুৰ্বল আৰু নিষ্প্ৰভ দেখা গৈছিল পুটিনক। পুটিনৰ হাতখন যথেষ্ট কঁপিছিল। কেৱল সেয়াই নহয়, ৰুছ ৰাষ্ট্ৰপতিয়ে মঞ্চত ভালদৰে থিয় হ'বলৈ পৰা নাছিল। ৬৯ বছৰীয়া পুটিনৰ ভৰিও কঁপিছিল। অৱশ্যে পুটিনৰ এই ভিডিঅ'ৰ সত্যতা এতিয়াও নিৰূপণ কৰা হোৱা নাই। আমেৰিকাৰ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি, শাৰীৰিক অৱস্থাৰ কাৰণত পুটিনক দীৰ্ঘসময় জনসমক্ষত নাথাকিবলৈ চিকিৎসকে পৰামৰ্শ দিছে। পুটিন বিৰল কৰ্কট ৰোগত আক্ৰান্ত হোৱা বুলি যোৱা মাৰ্চত আন্তৰ্জাতিক সংবাদ মাধ্যমত এক বাতৰি প্ৰচাৰিত হৈছিল।

অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ১৬ জুন, বৃহস্পতিবাৰ ২০২২ পৃষ্ঠা ৮

# বঙাইগাঁৱত অৰ্ধশতাধিক গাঁও বানৰ কবলত

## দুই নম্বৰ বাশবাৰীত বানে খহাই নিলে বাসগৃহ

**অগ্ৰদূত ব্যুৰ’**

**বঙাইগাঁও, ১৫ জুন ঃ** বঙাইগাঁও জিলাৰ নয়াগাঁৰৰ ১৭ নম্বৰ ঘাইপথৰ এটা অংশ কুজীয়া নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱাৰ ফলত সেই পথেৰে চলাচল কৰাত ৰাইজ অসুবিধাত পৰিছে। আনহাতে, জিলাখনৰ নাম্বাৰপাৰাত মানাহ নৈৰ বানপানীয়ে তাত থকা মথাউৰি এটা অংশ খহাই নিয়াৰ ফলত বিস্তৰ অঞ্চলৰ খেতি পথাৰ প্লাবিত হৈছে। একেদৰে বৰষুণৰ পানীয়ে জিলাখনৰ উত্তৰ শালমাৰা মহকুমাৰ চৌটাকীত ঘাইপথৰ এটা সামান্য অংশ খহাই নিছে। আনহাতে, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকাৰীয়ে জানিবলৈ দিয়া মতে, জিলাখনৰ মাণিকপুৰ ৰাজহ চক্ৰৰ ৭৬ গাঁৱৰ ৮০০ হেক্টৰ কৃষি ভূমি বানপানীত প্লাবিত হৈছে। ইপিনে, জিলাখনৰ উত্তৰ অভয়াপুৰী সমষ্টিত আই-মানাহ আৰু আই নৈয়ে তীব্ৰ ৰুদ্ৰৰূপ ধাৰণ কৰিছে। নেৰানেপেৰা কৈ হৈ থকা বৰষুণৰ ফলত প্লাবিত হৈছে অৰ্ধ শতাধিক ৰাজহ গাঁও। কে’বাদিন ধৰি ধাৰাযাৰ বৰষুণৰ ফলত আই আৰু মানাহ নৈৰ জলপৃষ্ঠ বৃদ্ধি পাই প্লাবিত কৰিলে ন ন অঞ্চল। আই আৰু মানাহ নৈৰ পানীয়ে বুৰাই পেলালে মাণিকপুৰ আৰু সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত অৰ্ধ শতাধিক ৰাজহ গাঁও। মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুংঝাৰ, এক আৰু দুই নম্বৰ ধুপুৰী, নোৱাপাৰা, ভাটিপাৰা, পশ্চিম বৰবিলা, খৰিবাৰী, ভাণ্ডাৰা, জামদহা, ভাণ্ডাৰা জলমগ্ন হৈছে। সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত দুই নম্বৰ বাশবাৰী, নাম্বাৰপাৰা, বাংলাপাৰা, গনবিন্যা, গোলাপাৰা, জপেয়া, মূলবাৰী আদি অঞ্চল জলমগ্ন। মানাহ নৈৰ পানীৰ তলত



নাম্বাৰপাৰাত অনুষ্ঠিত কৰা নিউ ববী চাৰ্কাছ। ইফালে, আইনৈৰ পানীভাগ বাঢ়ি যোৱাত গেৰুকাবাৰী-জামদহা গড়কাপ্তানী পথত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। দুই নম্বৰ বাশবাৰীত আই নদীৰ গৰাখহনীয়াই উটুৱাই লৈ গল নিশাটো কটোৱা এক আটকধুনীয়া মহন্ত মণ্ডল ব্যক্তিগৰাকীৰ ঘৰটো। উল্লেখ্য যে নিশা এই ঘৰটোতে পৰিয়ালটো নিশা কটাইছিল। প্ৰবল বৃষ্টিপাত হোৱাত নদীৰ পানী বিপদ সীমাৰ ওপৰেৰে ববলৈ আৰম্ভ কৰে। ফলত খহনীয়াৰ সৃষ্টি হয় আৰু পুৰা ভাগত মুহূৰ্ততে আটকধুনীয়া ঘৰটো নদীত জাহ যায়। ফলত পৰিয়ালটো গৃহহীন হৈ পথৰ ভিক্ষাৰীত পৰিণত হয়। লগতে বানাক্ৰান্ত লোকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। পশুধনৰ মাজত খাদ্য সংকটে দেখা দিছে। জিলা প্ৰশাসনক বানাক্ৰান্ত লোকসকলৰ সহায় কৰাৰ আহ্বান জনাইছে বানাক্ৰান্ত সকলে। জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ’ব। ইপিনে, ধাৰাযাৰ বৰষুণৰ পানীয়ে ছিঙাই নিলে গেৰুকাবাৰী আৰু তিনি নম্বৰ জামদহা সংযোগী পকীপথ। যোগাযোগ বিচ্ছিন্ন দুখনকৈ গাঁও। বঙাইগাঁও জিলাৰ মাণিকপুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত দুই নম্বৰ জামদহা আৰু তিনি নম্বৰ জামদহা অঞ্চল কৃত্ৰিম বানৰ কবলত। প্ৰবল বৰষুণ আৰু আই নৈৰ মৰা সুঁতিয়েদি বৈ অহা পানীৰ সোঁতে ছিঙালে গেৰুকাবাৰী তিনি নম্বৰ জামদহা সংযোগী পকীপথ। ফলত তিনি নম্বৰ আৰু চাৰি নম্বৰ জামদহা অঞ্চল যোগাযোগ বিচ্ছিন্ন হৈ পৰা পৰিলক্ষিত হৈছে। ইফালে, তিনি নম্বৰ জামদহা প্ৰথমিক বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰ পানীত বুৰ যোৱাৰ লগতে স্কুলৰ সন্মুখৰ এই পথ পানীৰ সোঁতে উটুৱাই নিয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে গাঁৱৰ মানুহৰ যাতায়ত ব্যৱস্থা সম্পূৰ্ণভাৱে বন্ধ হৈ গৈছে। ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ জনতাৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। উক্ত গাঁও দুখনৰ শতাধিক পৰিয়ালৰ ঘৰ-বাৰী কৃত্ৰিম বানত পানীত বুৰ গৈছে। কিন্তু বিভাগীয় কৰ্তৃপক্ষৰ লোক উক্ত অঞ্চলসমূহত উপস্থিত হোৱা নাই বুলি ক্ষোভ ব্যক্ত কৰে স্থানীয় লোকে।

# কামপুৰত পুনৰ কপিলী নদীৰ ভয়াৱহ ৰূপ

## কপিলীৰ পানী হুৰাহুৰে বাঢ়িছে ঃ হোজাই, নগাঁও জিলা প্ৰশাসনৰ ৰেড এলাৰ্ট জাৰি

**বিশেষ সংবাদদাতা**

**নগাঁও/হোজাই/যমুনামুখ, ১৫ জুন ঃ** নগাঁও-হোজাই-জিলাত পুনৰ কপিলীৰ বানে সংহাৰ সৃষ্টি কৰিব নেকি ? সম্প্ৰতি এনে এক শংকাৰ সৃষ্টি হৈছে । যোৱা কে’বাদিনৰ পৰা দি থকা ধাৰাসাৰ বৰষুণৰ ফলত অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে কপিলীৰ জলপৃষ্ঠ। ডিমা হাছাও জিলাত থকা জলবিদ্যুৎ প্ৰকল্পৰ বান্ধ এৰি দিয়াৰ ফলত আজি দিনৰ পৰা কপিলী নদীৰ পানী হুৰাহুৰে বাঢ়িছে। ফলত হোজাই আৰু নগাঁও জিলা প্ৰশাসনে আৰক্ষীৰ জৰিয়তে মাইকযোগে জাননী দি কপিলী নৈপৰীয়া ৰাইজক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। হোজাই জিলা প্ৰশাসনে কপিলীপৰীয়া অঞ্চল যেনে কপিলীপাৰ, লস্কৰ পথাৰ, টাইচুবালি, কোমোৰাকটা, ৰায়কটা, যমুনামুখ আদি অঞ্চলৰ লগতে নগাঁও জিলা প্ৰশাসনে কামপুৰ, কচুৱা, ৰহা আদি অঞ্চলত মাইকযোগে জাননী দিছে। এমাহ পূৰ্বে কপিলী নদীৰ বাঢ়নী পানীয়ে কামপুৰ অঞ্চলৰ ৰাইজৰ ঘৰ-বাৰী সা-সম্পত্তি প্ৰায় শেষ কৰাৰ পাছত পুনৰ কে’বাদিন ধৰি নেৰানেপেৰা বৰষুণ দি থকাত কামপুৰ কপিলী নদীৰ জলপৃষ্ঠ ক্ৰমাৎ বৃদ্ধি পোৱাত কপিলীপৰীয়া ৰাইজ আতংকিত হৈ পৰিছে। যোৱা নিশাৰ পৰা কপিলী নদীৰ পানী ফেনে-ফোটোকাৰে বাঢ়ি অহাৰ ফলত কামপুৰ অঞ্চলৰ বিভিন্ন ঠাইত ভাবুকিৰ সৃষ্টি হৈছে। উল্লেখ্য যে যোৱা ২৪ মে’ৰ নিশাৰে পৰা কপিলী নদীৰ বাঢ়নী পানীয়ে কামপুৰৰ কে’বাটাও বান্ধ ভাঙি পেলোৱাৰ ফলত সমগ্ৰ কামপুৰ অঞ্চলৰ গাঁৱত প্ৰৱেশ কৰি সপোনৰ ঘৰ শেষ কৰি দিয়াত আজিও বহু লোকে থানথিত কৰিব পৰা নাই। ইতিমধ্যে পথাৰ, খাল-বিল, পুখুৰী আদিত যোৱাটো কপিলী নদীৰ বাঢ়নী পানীয়ে আজিও কামপুৰ অঞ্চলত সাগৰ সদৃশ হৈ থকাত পুনৰ যদি কপিলী নদীৰ পানী বাগৰে তেন্তে ৰাইজৰ অৱস্থা শোচনীয় হৈ পৰিব। কামপুৰ কপিলী নদীৰ পানী বিপদসীমাৰ ওপৰেদি বৈ আছে।

উল্লেখ্য যে কিছু দিন পূৰ্বে হৈ যোৱা কপিলীৰ বানে হোজাই জিলাৰ লগতে নগাঁও জিলাত এক অবৰ্ণনীয় দুৰ্যোগ নমাই আনিছিল। জিলা দুখনৰ কে’বা লাখ লোক আক্ৰান্ত হৈছিল। বহু বাট পথ বাঢ়নী পানীয়ে উটুৱাই লৈ যোৱাৰ লগতে বহু ঠাইত নৈৰ মথাউৰি ছিঙিছিল। এতিয়াও ঠায়ে ঠায়ে মথাউৰি উন্মুক্ত অৱস্থাত আছে। এনে এক অৱস্থাত পুনৰ বানপানী হ’লে জিলা দুখনৰ নৈপৰীয়া ৰাইজৰ দুখে কুলাই পাচিয়ে নধৰা হ’ব ।

**জলবিদ্যুৎ প্ৰকল্পই এৰিছে পানী ঃ পুনৰ বানৰ আশংকা হোজাইত**

বিগত কিছু দিনৰ পৰা হৈ থকা বৰষুণৰ বাবে উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ কপিলী জল বিদ্যুৎ প্ৰকল্পৰ বৃহৎ নদী বান্ধ খাণ্ডমৰ চাৰিখন গেট খুলি দিয়াত নামনিত পুনৰ বানৰ আশংকাই দেখা দিছে।

# জালনোটসহ আটক এজন

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ১৫ জুন ঃ** হোজাই আৰক্ষীয়ে আজি জালনোটসহ এজন লোকক আটক কৰে। হোজাইৰ ৰাইকটা অঞ্চলৰ উছমান আলী নামৰ লোকজনে বিদ্যুৎ বিল পৰিশোধ কৰিবলৈ আহি বিদ্যুৎ কৰ্মচাৰীৰ হাতত আটক হয়। লোকজনে টনজিম আলীৰ নামত বিল পৰিশোধ কৰিবলৈ আহিছিল। বিল কাউণ্টাৰত ৫৫০০ টকা পৰিশোধ কৰাৰ সময়ত লোকজনৰ পাঁচশ টকীয়া নোটকেইখনৰ ওপৰত সন্দেহ হোৱাত পৰিষদৰ কৰ্মচাৰীয়ে পৰীক্ষা কৰোতে সেয়া জাল নোট বুলি প্ৰমাণিত হয় আৰু লোকজনক আটক কৰি আৰক্ষীক গতাই দিয়ে। বিদ্যুৎ বিভাগৰ এজাহাৰ মৰ্মে লোকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি সোধ-পোছ চলাই আছে। এই লোকজনৰ লগত হোজাইত জালনোট প্ৰচলন কৰা বৃহৎ চক্ৰ জড়িত থকাৰ সন্দেহ কৰা হৈছে।

CORRIGENDUM-III

[illegible]

Janasanyog/C/4701/22

# ডবকাত বন্যহস্তীৰ উপদ্ৰৱ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ১৫ জুন ঃ** যোৱা নিশা ডবকাৰ ভগীৰাম গাঁৱত বনৰীয়া হাতীয়ে আক্ৰমণ চলাই কে’বাটাও বাসগৃহ লণ্ডভণ্ড কৰে। নিশা প্ৰায় ১২ বজাত চাৰি-পাঁচটা বনৰীয়া হাতীৰ এটা দলে বহু কেইটা ঘৰ-দুৱাৰ ভাঙি লণ্ড ভণ্ড কৰাৰ লগতে ভঁড়ালত ৰখা ধান চাউল আদি খাই তহিলং কৰে।

# গুৱাহাটীৰ ১৮ স্থানত ভূমিস্খলন

*এক পৃষ্ঠাৰ পৰা* নাই বুলি জিলা প্ৰশাসনে সদৰী কৰি কয় যে চন্দ্ৰপুৰ ৰাজহ চক্ৰৰ অধীনৰ চাৰিটা স্থানত, আজাৰৰ এটা, গুৱাহাটীৰ তিনিটা আৰু দিছপুৰ ৰাজহ চক্ৰৰ অধীনৰ ১০টা স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। ইপিনে, কৃত্ৰিম বানত আবদ্ধ হৈ থকা লোকসকলৰ উদ্ধাৰৰ বাবে এনডিআৰএফ আৰু এছডিআৰএফে আজি তিনিখনকৈ নাও ব্যৱহাৰ কৰাৰ লগতে জিলা প্ৰশাসনৰ তৰফৰ গৃহবন্দী হৈ থকা লোকসকলক খাদ্য সামগ্ৰী যোগান ধৰা হৈছে। প্ৰশাসনে সদৰী কৰা অনুসৰি, দিছপুৰ ৰাজহ চক্ৰৰ অধীন ২৪,৩০০ লোক কৃত্ৰিম বানত আক্ৰান্ত হৈছে। ইয়াৰে ৬৭৭ জন লোকে তিনিটা বান শিবিৰ আশ্ৰয় লৈছে য’ত ১৬৬জন পুৰুষ, ৩৩৭ গৰাকী মহিলা আৰু ১৭৭ জন শিশু আছে বুলি সদৰী কৰিছে।

**১৮ স্থানত ভূমিস্খলন ঃ বিস্তৰ ক্ষতিসাধন**

ইফালে, ভূমিস্খলনৰ ফলত কালি চাৰিজনকৈ শ্ৰমিকে প্ৰাণ হেৰুওৱাৰ পাছত আজিও মহানগৰীৰ ১৮টাকৈ স্থানত সংঘটিত হয় ভূমিস্খলনৰ ঘটনা। অৱশ্যে এই ঘটনাত কোনো লোক হতাহত হোৱাৰ খবৰ অহা নাই যদিও পাহাৰ খহি বা গাৰ্ড ৱাল খহি বহু পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন হয়। এই সন্দৰ্ভত দুৰ্যোগ প্ৰশমন বিভাগে সদৰী কৰা তথ্য অনুসৰি, দিছপুৰ ৰাজহ চক্ৰৰ অধীনৰ ১০টাকৈ স্থানত ভূমিস্খলৰ ঘটনা সংঘটিত হৈছে। ইয়াৰে নৰকাসুৰ পাহাৰত পুৱা পাঁচ বজাত গাৰ্ড ৱাল খহি পৰাত ন’ন বৰা আৰু অনন্ত কলিতাৰ বাসগৃহৰ কিছু পৰিমাণে ক্ষতি হয়। সমান্তৰালভাৱে জাপৰিগোগৰ কৃষ্ণ নগৰত মুজামিল হক পথ, গীতানগৰৰ ভগদত্ত পথ, কালাপাহাৰৰ নিগম আনন্দ, কৈলাশনগৰৰ পূব ভৰানীপুৰ, আঠমাইলৰ জনতা হাইস্কুল, নুনমাটি গাৰ্ডেন আদি স্থানত ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। ইয়াৰ উপৰি লিচুবাগানৰ নিজৰাপাৰ, হেঙেৰাবাৰীৰ নৱ নগৰ, নুনমাটিৰ বাপুজী নগৰত গাৰ্ড ৱাল খহি পৰে। একেদৰে গুৱাহাটী ৰাজহ চক্ৰৰ অধীনৰ ফটাশিল আমবাৰী, পিয়লি ফুকন নগৰ, অমিয় নগৰ, চন্দ্ৰপুৰ ৰাজহ চক্ৰৰ অধীনৰ দুই নম্বৰ খাৰঘুলি, বীৰকুছি, নাৰেংগী তিনিআলি, খাৰঘুলি আৰু আজাৰা ৰাজহ চক্ৰৰ অধীনৰ নেপালী বস্তিত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে বুলি বিভাগে সদৰী কৰে। লগতে কৃষ্ণ নগৰ, পিয়লি ফুকন নগৰ, পূব শৰণীয়া, পূব জ্যোতি নগৰ, হেপী ভিল্লা, ভগদত্তপুৰ, গীতানগৰ আদি অঞ্চলৰ উপৰি আজাৰা ৰাজহ চক্ৰৰ অধীনৰ অঞ্চলত সাতটা বিদ্যুতৰ খুঁটা কৃত্ৰিম বান আৰু ভূমিস্খলনৰ ফলত উভালি পৰে বুলি বিভাগে সদৰী কৰিছে।

**মাষ্টাৰ প্লেন বাদ দিয়ক-এয়াই নেকি ঘৰে ঘৰে পানী ঃ হাতীগাঁৱত কৃত্ৰিম বান পৰিস্থিতি পৰিদৰ্শন কৰি সৰৱ কংগ্ৰেছ সভাপতিৰ কটাক্ষ**

ইফালে, হাতীগাঁৱত আজি কৃত্ৰিম বানৰ পৰিস্থিতি বুজ লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই ৰাজ্য চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। সংবাদ মাধ্যমৰ আগত চৰকাৰক সমালোচনা কৰি সভাপতি বৰাই কয়, ‘মানুহে পৰিৱৰ্তন আনিলে। বিজেপিৰ আজি মূল অহংকাৰটো কি? ২০১৪ৰ পৰা ২০২২লৈ পাঁচটা নিৰ্বাচন জিকিছো বুলি বাৰে বাৰে বিজেপি চৰকাৰৰ বৰমূৰীয়াসকলে ডাংকোপ মাৰে। ডাংকোপ মাৰি থাকোতে থাকোতে আজি গুৱাহাটী পানীৰ তলত ডুব গৈ আছে। এতিয়া গুৱাহাটী বন্ধ দিছে। সেয়ে গুৱাহাটীৰ ৰাইজক আহ্বান জনাইছো যে এনেকৈ জলবন্দী হৈ চৰকাৰে দিয়া বন্ধ মানি ঘৰত সোমাই থকাৰ সময় পাৰ হৈ গ’ল। কিমান দিন মহানগৰীৰ সচেতন ৰাইজ জলবন্দী হৈ ঘৰত সোমাই থাকিব? আজি প্ৰতিবাদ কৰাৰ সময় আহিছে। হয় গুৱাহাটীৰ পৰিস্থিতি পৰিৱৰ্তন কৰক, নহয় ৰাইজে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ আৰম্ভ কৰক।’ কংগ্ৰেছে কি কৰিলে বুলি এতিয়া প্ৰশ্ন কৰি লাভ নাই, কিয়নো কংগ্ৰেছে নোৱাৰা কাৰণেই বিজেপিয়ে পৰিৱৰ্তন আনিব বুলি কৈছিল বুলি মন্তব্য কৰি সভাপতি বৰাই পুনৰ কয়, ‘ৰাইজে পৰিৱৰ্তন আনিলে। ধাৰাৱাহিক পাঁচটা নিৰ্বাচনত ৰাইজে বিজেপিক জয়ী কৰাইছে। মহানগৰীৰ ৰাইজে বিজেপিক মূৰত তুলি লোৱাৰ বিনিময়ত আজি বিজেপিয়ে ৰাইজক মূৰত ধৰি পানীত ডুবাই দিছে। আজি যেতিয়া পৰিস্থিতি বেয়া হয় গুৱাহাটীবাসীক কয় ঘৰৰ পৰা নোলাব। কিমান দিন গুৱাহাটীৰ মানুহ জলবন্দী হৈ থাকিব, কিমান দিন কক্‌বকাই থাকিব আৰু কিমান নিৰ্বাচনত বিজেপিক ভোট দি থাকিব?’ পাঁচটা নিৰ্বাচনত ধাৰাবাহিকভাৱে ভোট দিয়াৰ পাছত বিজেপিৰ অহংকাৰে ফাটি গৈছে বুলি তেওঁ মন্তব্য কৰি কয় যে আজি বিৰোধী হিচাপে কিবা কথা ক’লে বিজেপিয়ে পাঁচটা নিৰ্বাচন জিকাৰ কথা কৈ বিৰোধীৰ মাত মতাৰ অধিকাৰ নাই বুলি কয়। বিৰোধীয়ে নামাতে কিন্তু ৰোম নগৰীত জুই লাগোতে নিৰোৱে যেনেকৈ বীণ বজাই আছিল এতিয়া গুৱাহাটীৰ সচেতন লোকে সেইদৰে থাকিলে নহ’ব বুলি আহ্বান জনাই চৰকাৰে বানপানীৰ কাৰণে যি বন্ধ দিছে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সময় আহিছে বুলি সভাপতি বৰাই কয়। তেওঁ কয়, ‘চৰকাৰক সময়সীমা বান্ধি সকীয়াই দিয়াৰ সময় আহিছে। চৰকাৰে কিমানবাৰ সময় দিছিল? আজি কিয় বন্ধ দিব লগা হ’ল? কৃত্ৰিম বানপানী ৰোধ কৰিবলৈ মেচিন আনিছো, কৃত্ৰিম বানপানী নাইকিয়া কৰিম, ঘৰে ঘৰে খোৱাপানীৰ ব্যৱস্থা কৰিম আদি কথাবোৰ কৈছিল। এয়াই নেকি ঘৰে ঘৰে খোৱাপানী?’ উল্লেখ্য যে দুৰ্নীতি-ভ্ৰষ্টাচাৰে এই চৰকাৰৰ চৰম সীমা পাইছে আৰু এই চৰকাৰে গুৱাহাটীৰ মানুহৰ সমস্যা সমাধান কৰিব নোৱাৰে বুলি মন্তব্য কৰি বৰাই কয়, ‘কেৱল নিৰ্বাচনত ধাৰাৱাহিকভাৱে জিকি থকাটোৱেই বিজেপিৰ অহংকাৰ। তেওঁলোকৰ একমাত্ৰ বায়ডাটা হৈছে যে যোৱা পাঁচটা নিৰ্বাচনত জয়ী হৈছে। ৰাইজে বিপুল ভোটত জয়ী কৰাইছে। গতিকে তেওঁলোকে গ্যেৰাণ্টি লৈছে আৰু আজি গুৱাহাটী বন্ধ দিছে আৰু ৰাইজ সোমাই আছে।’ মাষ্টাৰ প্লেন বাদ দিয়ক, ভণ্ডামিৰে গুৱাহাটীত ৰাজত্ব কৰিবলৈ বিজেপিয়ে যোৱা আঠ বছৰে অপচেষ্টা কৰি আহিছে বুলি তেওঁ কটাক্ষ কৰে। ইয়াৰ বিৰুদ্ধে গুৱাহাটীবাসীয়ে সৰৱ ভূমিকা নোলোৱা বাবে আজি বিজেপি চৰকাৰ অহংকাৰত ফাটি গৈছে বুলি তেওঁ ক্ষোভেৰে কয়। ‘গুৱাহাটীবাসীক যদি আমি শুই থাক বুলি কওঁ শুই থাকিব, সাৰ পা বুলি কলে সাৰ পাব।’ এনেকৈয়ে বিজেপিয়ে ভাবে বুলিও প্ৰদেশ কংগ্ৰেছৰ সভাপতিজনে কয়।

# নগৰবেৰাত আৰক্ষী- মছজিদৰ ইমাম, গাঁওৰক্ষী বাহিনীৰ যৌথ সভা

## শান্তি-সম্প্ৰীতি অটুট ৰখাৰ আহ্বান আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ৰ

**আলোপতি, ১৫ জুন ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰা আৰক্ষী থানাত আজি সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বৃহত্তৰ অঞ্চলটোত শান্তি শৃংখলা অটুট ৰখাৰ স্বাৰ্থত আৰক্ষী, বিভিন্ন মছজিদৰ ইমাম আৰু গাঁওৰক্ষী বাহিনীৰ এক যৌথ সভা অনুষ্ঠিত হৈ যায়। গাঁওৰক্ষী বাহিনীৰ নগৰবেৰা আৰক্ষী থানা কমিটীৰ সভাপতি তথা



প্ৰাক্তন চক্ৰ সংগঠক আবুল কালাম আজাদে সভাপতিত্ব কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিৰেল আহমেদে। সভাত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়ে ভাষণত কয় সম্প্ৰতি দেশৰ বিভিন্ন ৰাজ্যত হিংসা, বিদ্বেষৰ ঘটনা সংঘটিত হোৱাৰ লগতে বিভিন্ন অশুভ বাৰ্তা বিয়পিব ধৰিছে। এনে পৰিস্থিতিত আমাৰ সমাজত যাতে কোনো তৃতীয় শক্তি সোমাই শান্তি শৃংখলা বিঘ্নিত কৰিব নোৱাৰে আৰু কোনো অপশক্তিয়ে গা কৰি উঠিব নোৱাৰে তাৰ বাবে সকলোৱে সতৰ্ক হ’ব লাগিব। ভাষণ প্ৰসংগত আৰক্ষী অধীক্ষকগৰাকীয়ে আৰু কয় সমাজ গঠনত আমাৰ সকলোৰে দৃষ্টি ভংগী গঠনমূলক হ’ব লাগে। এনে দৃষ্টি ভংগীৰে অসমীয়া জাতি গঠনত আমি আগৰ দৰে আগবাঢ়ি যাব লাগিব। ঐতিহাসিক নগৰবেৰা অঞ্চলত বিগত দিনত কোনো অপশক্তিয়ে গা কৰি উঠা নাই আৰু ভৱিষ্যতেও নুঠে বুলি আশা প্ৰকাশ কৰি সভাত উপস্থিত সকলোকে বৃহত্তৰ অঞ্চলটোত শান্তি সম্প্ৰীতি আৰু ঐক্য অটুট ৰখাৰ আহ্বান জনায়। সভাত ছয়গাঁৱৰ আৰক্ষী চক্ৰ বিষয়া সুভান চন্দ্ৰ দাস, নগৰবেৰা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া বনশ্ৰী মালাকাৰ, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিৰেল আহমেদ, সমাজকৰ্মী আব্দুল বাৰিক, আব্দুল আজিজ, সাংবাদিক হাছানুল আহমেদ ভাষণত সম্প্ৰীতিৰ মিলন ভূমি বুলি পৰিচিত বৃহত্তৰ নগৰবেৰা অঞ্চলত যাতে কোনো ধৰণৰ অশান্তিৰ পৰিবেশ নহয় তাৰ বাবে সকলোকে সজাগ আৰু সচেতন হ’বলৈ আৰু শান্তিৰ পৰিৱেশ বৰ্তাই ৰখাৰ আহ্বান জনায়।

# কেন্দ্ৰীয় শক্তি মন্ত্ৰীৰ মন্তব্যৰ তীব্ৰ বিৰোধিতা অগপ নেতাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ জুন ঃ** নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে বিদেশী পুঁজিৰ সহায় লৈ আন্দোলন কৰিছিল বুলি কেন্দ্ৰীয় শক্তি বিভাগৰ মন্ত্ৰী ৰাজ কুমাৰ সিঙে কৰা মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰিছে জ্যেষ্ঠ অগপৰ নেতা, প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। আজি এক বিবৃতিত বৰুৱাই কয়, ‘কেন্দ্ৰীয় শক্তি মন্ত্ৰীজনৰ মন্তব্যৰ কোনো বাস্তৱ ভিত্তি নাই। তেওঁ এনে মন্তব্য কৰাৰ পূৰ্বে অঞ্চলটোৰ জনসাধাৰণৰ আবেগ-অনুভূতিৰ প্ৰতিও সচেতন হোৱাৰ প্ৰয়োজন আছিল।’ বৰুৱাই বিবৃতিটোত আৰু উল্লেখ কৰে যে নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প বন্ধ কৰিবৰ বাবে আন্দোলনৰ সৃষ্টি হোৱা নাছিল। এই প্ৰকল্প বিজ্ঞান সন্মতভাৱে নিৰ্মাণ কৰি নদীৰ পাৰৰ বাসিন্দাসকলৰ সকলো ধৰণৰ সুৰক্ষাৰ দাবীত এই আন্দোলন কৰা হৈছিল। যদিহে এই প্ৰকল্প প্ৰকৃতাৰ্থত বিজ্ঞান সন্মতভাৱে আঁচনি প্ৰস্তুত কৰা হৈছিল, তেনেহলে পৰিৱেশ সম্পৰ্কীয় মতামত লোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিভাগৰ পৰিৱৰ্তে এনজিঅ’ৰ সহায় কিয় লোৱা হৈছিল বুলিও প্ৰাক্তন মন্ত্ৰী বৰুৱাই প্ৰশ্ন কৰে। এনেধৰণৰ উদ্ভুত মন্তব্য যাতে ভৱিষ্যতে কৰা নহয় তাৰ বাবে বৰুৱাই চৰকাৰৰ লগতে সকলো পক্ষকে অনুৰোধ জনায়। ইপিনে, অৰুণাচল প্ৰদেশে উৎপাদনৰ ১২ ভাগ আৰু অসমে মাথোঁ দুভাগ শক্তি লাভ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীজনে কৰা মন্তব্যৰো সমালোচনা কৰি বৰুৱাই অসমক অৰুণাচল প্ৰদেশতকৈ অধিক বিদ্যুৎ দিবৰ বাবে দাবী জনায়। অসমৰ জনসাধাৰণে কেৱল সমস্যা বহন নকৰি উপভোগৰো সুবিধা কৰিবৰ বাবে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেওঁ দাবী জনায়।

# কৃত্ৰিম বানৰ কবলত তেজপুৰ চহৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ১৫ জুন ঃ** কেৱল গুৱাহাটী মহানগৰীয়েই নহয় বৰ্তমান ধাৰাবাহিক বৰষুণত বানত তেজপুৰ পৌৰসভা অন্তৰ্গত বহুকেইটা অঞ্চল ডুব যোৱাটো এক নিয়মীয়া ঘটনাত পৰিণত হৈছে। আজি তেজপুৰ চহৰৰ একাধিক অঞ্চল কৃত্ৰিম বানৰ কবলত পৰাৰ লগতে লোকনিৰ্মাণ বিভাগৰ কে’বাটাও পথৰ ওপৰত একাঁঠু পানীত ডুব যায়। জমা হোৱাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজ ব্যাপক সমস্যাৰ সন্মুখীন হ’বলগীয়া হৈছে। এনেদৰে দিনক দিনে তেজপুৰ পৌৰসভা, তেজপুৰ নগৰ উন্নয়ন কৰ্তপক্ষ, তেজপুৰ



ৰাজহ চক্ৰ আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ ৰহস্যজনক উদাসীনতাৰ সুযোগ লৈ ইমানদিনে বৰষুণৰ পানী ওলাই যোৱা পূৰ্বৰ সকলো পথ ক্ৰমান্বয়ে নিঃশেষ হোৱাৰ পাছত বৰ্তমান কৃত্ৰিম বানৰ সমস্যা তেজপুৰৰ নতুন নতুন অঞ্চললৈ বিয়পি পৰিছে। উল্লেখ্য যে আজিও তেজপুৰ একাডেমী, বাণ থিয়েটাৰৰ সমীপত, সদৰ থানাৰ উত্তৰ দিশে থকা পথ, ঈদগাহ ফিল্ডৰ সন্মুখত, আই এম এ বিল্ডিঙৰ পৰা গাৰোৱাণপট্টি সংযোগী পথৰ দুয়োকাষে তথা আৱৰ্ত ভৱনৰ কাষতো কৃত্ৰিম বানৰ সৃষ্টি হয়। প্ৰাকৃতিক জলাশয়, চৰকাৰী হোলাৰ মাটিত অবাধ বেদখল চলি অহা সত্ত্বেও সংশ্লিষ্ট চৰকাৰী পক্ষই এই ক্ষেত্ৰত কোনো গুৰুত্ব দিয়া নাই। দৰ্প, অহংকাৰত মত্ত একাংশ বিষয়াৰ বাবে এনেবোৰ সমস্যাৰ প্ৰতি চকু দিবলৈ সময়ৰ অভাৱ। সম্প্ৰতি তেজপুৰৰ কাষৰীয়া সকলো অঞ্চলতে দ পথাৰ, হোলা আদি পুতি থকা হৈছে। চহৰখনৰ কাষৰীয়া অঞ্চলত কৃষি পথাৰৰ অস্তিত্ব শূন্য। উল্লেখ্য যে প্ৰকৃততে কৃষি ভূমি ক্ৰয় বিক্ৰয় হ’লেও ভূমি আইন অনুসৰি ইয়াত কৃষি কাৰ্যৰ বাহিৰে আন কামত ব্যৱহাৰ কৰিব নোৱাৰি যদিও তেজপুৰত এবাৰ ক্ৰয়-বিক্ৰয় হোৱাৰ পাছত এনে ভূমিত কি কামত ব্যৱহাৰ কৰা হৈছে সেয়া চোৱাৰ সময় কাৰো নাই। পূৰ্বৰ কৃষি প্ৰধান অঞ্চল, ডিপোতা, গটঙা, গৰৈমাৰী, ডেকাৰগাঁও, মাজগাও, তৰাজান কুমাৰগাঁও, ডেউৰীগাঁও আদিত বৰ্তমান কৃষি পথাৰ প্ৰায় নিঃশেষ হৈছে। তদুপৰি, পুনৰ মাটিৰ দালাল সক্ৰিয় হৈ উঠা চহৰখনৰ কাষৰীয়া অঞ্চলত বিঘাই বিঘাই দ পথাৰ দালালে ক্ৰয় কৰি সেয়া কেইদিনমানৰ পাছতে অধিক মূল্যত বিক্ৰী কৰা কাৰ্য অব্যাহত আছে। পূৰ্বৰ পিতনি সদৃশ প্ৰাকৃতিক হোলাসমূহ ইচ্ছামতে দখল কৰি লোৱা সত্ত্বেও চৰকাৰী বিভাগসমূহ ৰহস্যজনকভাৱে হাত সাবতি বহি থকাত কৃত্ৰিম বানে ভয়ংকৰ ৰূপ ল’বলৈ আৰম্ভ কৰাত তেজপুৰৰ বহু সংখ্যক লোক ক্ষোভিত হোৱাৰ লগতে এনে হোলাসমূহ পূৰ্বৰ তথ্য অনুসৰি এতিয়া এক জৰীপ চলাই এই হোলাসমূহত হোৱা বেদখল, বিভিন্ন নিৰ্মাণ, গোহালি আদিৰ লগতে সকলো ধৰণৰ আৱৰ্জনা পেলোৱা কাৰ্য বন্ধ কৰা নতুবা প্ৰয়োজন অনুসৰি উচ্ছেদ কৰাৰো দাবী উত্থাপন হৈছে।

[illegible]

Janasanyog/D/5526/22

# প্ৰধানমন্ত্ৰী আৱাস যোজনাত দুৰ্নীতি-বিসংগতি

## ■ যোৰহাট জিলা আছা-আটছাৰ সুকীয়াকৈ উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১৫ জুন ঃ** ৰাজ্যখনৰ বিভিন্ন ঠাইত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত দুৰ্নীতি হোৱা সম্পৰ্কে বাতৰি প্ৰকাশ হৈ থকাৰ সময়তে মৰিয়নিতো তেনে হোৱাৰ অভিযোগ উত্থাপিত হৈছে । যোৰহাট বাঘচোং উন্নয়ন খণ্ডৰ অন্তৰ্গত মৰিয়নি বিধানসভা সমষ্টিৰ ৫৯ নম্বৰ দক্ষিণ কাটনি গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনাক লৈ ব্যাপক দুৰ্নীতি আৰু বিসংগতি হোৱা অভিযোগ উঠিছে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থা আটছাৰ যোৰহাট জিলা সমিতি আৰু অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছাৰ মৰিয়নি শাখাই এই সন্দৰ্ভত আনকি জিলা উপায়ুক্তক সুকীয়াকৈ স্মাৰক পত্ৰও প্ৰদান কৰিছে । স্মাৰকপত্ৰত দুয়োটা ছাত্ৰ সংগঠনে উল্লেখ কৰা অনুযায়ী ২০১১ৰ অনুমোদন তালিকাত যিসকল হিতাধিকাৰীৰ নাম তালিকাভুক্ত হৈ আছিল ! তাৰে প্ৰায় ৩৫-৪০ জন প্ৰকৃত হিতাধিকাৰীয়ে পঞ্জীয়ন নকৰাৰ ফলত বঞ্চিত হৈছে । সংগঠন দুটাৰ নেতৃত্বই জনোৱা মতে, বঞ্চিত হিতাধিকাৰীসকলৰ কেঁচা ঘৰ আছে আৰু তেওঁলোকে প্ৰকৃত হিতাধিকাৰী হিচাপে ঘৰ পাব লাগিছিল ।

আনহাতে, যিসমূহ ঘৰ আবন্টন পাইছে সেই ঘৰসমূহো পঞ্চায়ত প্ৰতিনিধিসকলে ঠিকাদাৰৰ দ্বাৰা কাম কৰাইছে বুলিও স্মাৰক পত্ৰত উল্লেখ কৰিছে । তদুপৰি হিতাধিকাৰীৰ বেংক একাউন্ট থকাৰ পাছতো নতুনকৈ বেংক একাউন্ট খোলাই সেই একাউন্টৰ যোগেদিহে আঁচনিৰ কাম কৰাইছে বুলি অভিযোগ দিছে দুয়োটা ছাত্ৰ সংগঠনে । ইফালে, হিতাধিকাৰীয়ে শপতনামা দাখিল কৰাৰ পিছতো পঞ্চায়তৰ পৰা ৰিলিজ লেটাৰ নিদিয়াৰ বাবেই হিতাধিকাৰীয়ে তেওঁলোকৰ ধন পোৱা নাই বুলিও স্মাৰকপত্ৰত লগতে উল্লেখ কৰিছে। আছাৰ যোৰহাট জিলা সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য অভিজিত কৰ্মকাৰ আৰু আটছাৰ মৰিয়নি শাখাৰ শিক্ষা আৰু সাহিত্য সম্পাদক জিতুল পাটনায়কে স্বাক্ষৰ কৰা স্মাৰকপত্ৰৰ যোগেদি ছাত্ৰ সংগঠন দুটাই চাৰিটা দাবী উত্থাপিত কৰিছে। সেই অনুসৰি, ২০১১ তালিকাক নাম থকা সত্বেও যাৰ দোষত প্ৰকৃত হিতাধিকাৰী বঞ্চিত হ'ল তেওঁলোকৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণ কৰা, হিতাধিকাৰীৰ বেংক একাউন্ট থকাৰ পাছতো পুনৰ কিয় বেংক একাউন্ট খোলা হ'ল আৰু তাৰ পাছবুক বৰ্তমানলৈকে হিতাধিকাৰীক কিয় দিয়া হোৱা নাই তাৰ ওপৰত ব্যৱস্থা লোৱা, হিতাধিকাৰীৰ ঘৰ ঠিকাদাৰৰ দ্বাৰা নিৰ্মাণ কৰোৱাতো বে-আইনী বুলি উল্লেখ কৰি তেনে কাম বন্ধ কৰি অতি শীঘ্ৰে হিতাধিকাৰীক নিজে ঘৰ বনাবলৈ ব্যৱস্থা কৰি দিয়া আৰু প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ সন্দৰ্ভত জিলা প্ৰশাসনৰ জৰিয়তে সজাগতামূলক সভা অনুষ্ঠিত কৰিবলৈ দাবী জনাইছে। অন্যথা প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও দুয়োটা সংগঠনে সকীয়াই দিছে। কালি যোৰহাট জিলাৰ উপায়ুক্তক সাক্ষাৎ কৰি সংগঠন দুটাৰ নেতৃত্বই স্মাৰকপত্ৰ প্ৰদান কৰে ।



বানত প্লাৱিত বাগানপাথাৰ বিস্তীর্ণ অঞ্চল।

# উচ্চ ন্যায়ালয়ৰ অধিবক্তা হাৰুন আল ৰচিদৰ ৰহস্যজনক মৃত্যু

অগ্ৰদূত বাৰ্তা

**চাপৰ, ১৫ জুন ঃ** গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হাৰুন আল ৰচিদ (২৫)ৰ যোৱা ১৩ জুনৰনিশা গুৱাহাটীৰ চান্দমাৰীত থকা ভাড়াঘৰত ৰহস্যজনকভাবে মৃত্যুৱে ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিলাসীপাৰাৰ নায়েৰ আলগাৰ মায়াৰ চৰৰ বাসিন্দা তথা স্থানীয় সাংবাদিক হজৰত আলীৰ অধিবক্তা পুত্ৰৰ মৃত্যুৰ খবৰ ভাড়াঘৰৰ মালিকে হাৰুনে পৰিয়ালক অৱগত কৰে। ভাড়াঘৰৰ ভিতৰতে ডিঙিত চিপ লৈ ওলমি থকা অৱস্থাত যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে বুলি ভাড়াঘৰৰ মালিকে পৰিয়ালক জনাইছে যদিও পৰিয়ালৰ লোকে এই ঘটনাক সহজভাৱে ল'ব পৰা নাই। হাৰুনৰ পিতৃ আলীয়ে তেওঁৰ পুত্ৰক কোনো দুৰ্বৃত্তই পৰিকল্পিতভাৱে হত্যা কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আজি দুপৰীয়া গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত যুৱ অধিবক্তাজনৰ মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা কৰা হয়। সন্ধিয়া তেওঁৰ মৃতদেহ নায়েৰ আলগাৰ মায়াৰ চৰত থকা নিজা বাসগৃহলৈ লৈ যোৱা হয়। অতি অমায়িক আৰু মেধাৱী যুৱ অধিবক্তাজনৰ অকাল বিয়োগত গোটেই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে । উল্লেখ্য যে সাংবাদিক আলীয়ে অতি কষ্টৰে পুত্ৰক গুৱাহাটীত ৰাখি পঢ়ুৱাই উচ্চ শিক্ষিত কৰি তুলিছিল। হাৰুনে আইনৰ স্নাতক ডিগ্ৰী গ্ৰহণ কৰি চলিত বৰ্ষতে গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে যোগদান কৰিয়ে অকাল মৃত্যুক আঁকোৱালি লয়। আজি নিশা বহু সংখ্যক গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা আৰু দফণ কাৰ্য কামাৰপাৰা কবৰস্থানত সম্পন্ন কৰা হয়। তেওঁৰ বিয়োগত জ্যেষ্ঠ সাংবাদিক মোছলেম উদ্দিন আহমেদ, দুৰ্নীতিৰ দৰ্পণ সংবাদগোষ্ঠী, টপ নিউজ অসম ৱেব পৰ্টেল, নায়েৰ আলগা প্ৰেছ ক্লাব, চাপৰ প্ৰেছ ক্লাব, বিলাসীপাৰা প্ৰেছ ক্লাব, সমাজকৰ্মী হৰমুজ আলী, সাংবাদিক ছত্ৰপতি গোস্বামী, ধুবুৰী জিলা সাহিত্য সভাৰ সম্পাদক আজাদ আলী আহমেদ, মুখপাত্ৰ তিলক চন্দ্ৰ প্ৰসাদ, শিক্ষক তথা নিবন্ধকাৰ আলতাপ আলী আহমেদ, দুলাল কলিতা, সোমেশ শীল শৰ্মা আদিকে ধৰি বিভিন্ন দল সংগঠন তথা ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে ঘটনাৰ উচ্চ তদন্ত দাবী কৰিছে।

# খুমটাইত বানপানী-ক'ভিডৰ জটিল পৰিস্থিতিৰ সজাগতা



অগ্ৰদূত বাৰ্তা

**খুমটাই, ১৫ জুন ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰ কাৰ্যালয়ত কালি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু জিলা প্ৰশাসনৰ যৌথ উদ্যোগত ইউনিচেফৰ সহযোগত আপোনাৰ জীৱন, আমাৰ সম্পদৰ বানপানী আৰু ক'ভিডৰ জটিল পৰিস্থিতিত ল'ব লগা সাৱধানতাৰ ওপৰত এখন সজাগতা সভা অনুষ্ঠিত হোৱাৰ লগতে ঘৰে ঘৰে সজাগতা অভিযানৰ মুকলি কৰা হয়। খুমটাই ৰাজহ চক্ৰ বিষয়া তনবীৰ ইউছুফ আহমেদে উদ্দেশ্য ব্যাখ্যা আৰু জ্যেষ্ঠ সহায়ক বিতুল হাজৰিকাই আঁত ধৰা সজাগতা সভাত গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত পল্লৱী গগৈ আৰু দুৰ্যোগ ব্যৱস্থাপনা গোলাঘাট জিলা প্ৰকল্প বিষয়া ৰনি ৰাজকুমাৰে বানপানী আৰু ক'ভিডৰ জটিল পৰিস্থিতিত ল'ব লগা সাৱধানতাৰ বিষয়ে বিস্তৃত ব্যাখ্যা দাঙি ধৰে। ঘৰে ঘৰে সজাগতা অভিযানৰ মুকলি কৰে খুমটাই জিলা পৰিষদৰ সদস্য মুনিন্দ্ৰ মোহন গগৈয়ে। উল্লেখ্য যে খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত ৩০ খনত গাঁৱত ২৪ গৰাকী স্বেচ্ছাসেৱকে প্ৰতি পৰিয়ালৰ ঘৰে ঘৰে গৈ বানপানী আৰু ক'ভিডৰ জটিল পৰিস্থিতিত ৰাইজে কি কৰিব আৰু কি কৰিব নালাগে আৰু চৰকাৰ আগবঢ়োৱা সহায়-সহযোগৰ বিষয়ে সজাগতা সৃষ্টি কৰিব।

# বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত বিশ্ব ৰক্তদান দিৱস

বিশেষ সংবাদদাতা

**পাঠশালা, ১৫ জুন ঃ** বিশ্ব তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কালি বজালীৰ ভট্টদেৱ বিশ্ববিদ্যালয়তো বিশ্ব ৰক্তদান দিৱস পালন কৰা হয়। বিশ্ব ৰক্তদান দিৱস উপলক্ষে ভট্টদেৱ বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ ব্লাড বেংকৰ সহযোগত আয়োজন কৰা ৰক্তদান শিবিৰত বিশ্ববিদ্যালয়ৰ কে'বাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে ৰক্তদান কৰে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক দেৱৰ্ষি মেধিয়ে নিজে ৰক্তদান কৰি শিবিৰটো আৰম্ভ কৰি ৰক্তদান মহাদান বুলি ব্যক্ত কৰাৰ লগতে অনুষ্ঠানত সহায়-সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰে। ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক পিংকু গাংগুলীৰ নেতৃত্বত অনুষ্ঠিত গোটেই অনুষ্ঠানটোত ৰক্তদান কৰা সকলোকে এডালকৈ গছৰ পুলি আৰু মানপত্ৰ প্ৰদান কৰা হয়।

# ডিব্ৰুগড়ৰ ফুলামপুৰ যুৱ সমাজৰ উদ্যোগত সম্বৰ্ধনা-সাংস্কৃতিক অনুষ্ঠান

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ১৫ জুন ঃ** ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ অন্তৰ্গত ফুলামপুৰ গাঁৱত ফুলামপুৰ যুৱ সমাজৰ উদ্যোগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীৰ লগতে সাহিত্য- সংস্কৃতি, বিজ্ঞান আৰু ক্ৰীড়া ক্ষেত্ৰখনত নিজৰ নাম অক্ষুণ্ণ ৰাখি গাঁৱখনলৈ যিকেইজন ব্যক্তিয়ে গৌৰৱ কঢ়িয়াই আনিছে , সেইসকল ব্যক্তিকো সম্বৰ্ধনা জ্ঞাপন কৰাৰ উদ্দেশ্য সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। 'দৈনন্দিন বাৰ্তা' কাকত গোষ্ঠীৰ মুখ্য পৰিচালন সঞ্চালক তথা স্বত্বাধিকাৰী শংকৰ গোহাঞি, বিশিষ্ট বাঁহীবাদক লক্ষীনন্দন লাহন, অসম ক্ৰিকেট এছ'চিয়েছনলৈ নিৰ্বাচিত হোৱা পল্লৱজ্যোতি চেতিয়া আৰু শিশু বিজ্ঞানীৰূপে স্বীকৃতি লাভ কৰা লিওচেন গগৈক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত অনুষ্ঠানটোত পুৱা পতাকা উত্তোলন কৰে অভ্যৰ্থনা সমিতিৰ সভাপতি সুনীল গগৈয়ে আৰু স্মৃতি তৰ্পণ কৰে নব গোহাঁয়ে । গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত সন্ধিয়া এখন আলোচনাচক্ৰ অনুষ্ঠিত কৰা হয়। শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক ৰাজু বুঢ়াগোহাঁই সঞ্চালনা কৰা আৰু যুৱ সাংবাদিক সন্থা, অসমৰ সাধাৰণ সম্পাদক কাঞ্চন কে গোহাঁয়ে আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট অতিথি তথা মুখ্য আলোচক হিচাপে ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা সাহিত্যিক, সাংবাদিক ড° শশীকান্ত শইকীয়াই অংশ লোৱাৰ লগতে চাবুৱা ডি.ডি.আৰ মহাবিদ্যালয়ৰ অধ্যাপক পুৰন্দৰ গোহাঁই, কানৈ মহাবিদ্যালয়ৰ অধ্যাপক আদিত্য দাহাল, ফুলামপুৰ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী নিয়ন্তা গোহাঁই, প্ৰাক্তন শিক্ষক লীলা গোহাঁই, প্ৰাক্তন শিক্ষয়িত্ৰী প্ৰিয়লতা গোহাঁই, সমাজকৰ্মী মনজিৎ গোহাঁই প্ৰমুখ্যে অভ্যৰ্থনা সমিতিৰ সমূহ বিষয়ববীয়া আৰু অগণন ৰাইজ উপস্থিত থাকে।

# আন্তঃজিলা জাতীয় বিদ্যালয় বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৫ জুন ঃ** লখিমপুৰ জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিয়ে কালি আইবিএম জাতীয় বিদ্যালয়ত আন্তঃজিলা জাতীয় বিদ্যালয়ৰ এখন বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। লখিমপুৰ জিলা জাতীয় বিদ্যালয় সমন্বয়ৰক্ষী সমিতিৰ কাৰ্যকৰী সভাপতি ৰাতুল চুতীয়াই আঁত ধৰা প্ৰতিযোগিতাখন পৰিচালনা কৰে লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা দিপাঞ্জলী দত্তই। জিলাখনৰ মুঠ ১৫ খন জাতীয় বিদ্যালয়ে যোগদান কৰা প্ৰতিযোগিতাখনত নাৰায়ণপুৰ জিজ্ঞাসা বিদ্যালয়ৰ ছাত্ৰ পাৰ্থ প্ৰতীম হাজৰিকাই প্ৰথম আৰু ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ ছাত্ৰী জ্যোতিস্মিতা চুতীয়াই দ্বিতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগী দুগৰাকীয়ে অহা ২০ জুনত অসম জাতীয় বিদ্যালয়ত ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হ'ব লগা বিষ্ণু ৰাভা সংগীত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বুলি জিলা সমন্বয়ৰক্ষী সমিতিৰ সভাপতি যাদৱ বৰুৱা আৰু সম্পাদিকা মমিতা বৰগোহাঁয়ে জানিবলৈ দিছে।

# চামতা-কৈঠালকুছি, বৰক্ষেত্ৰী প্ৰকল্প কাৰ্যালয়ত ধৰ্ণা অংগনৱাড়ী কৰ্মী-সহায়িকাৰ





অগ্ৰদুত বাৰ্তা

**চামতা, ১৫ জুন ঃ** অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অধীনৰ সংহত শিশু উন্নয়ন আঁচনি (আইচিডিএছ)ৰ অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকাসকলে কালি সদৌ অসম অংগনৱাড়ী কৰ্মী- সহায়িকা সন্থাৰ আহ্বানত তেওঁলোকৰ মূখ্য দাবী-কৰ্মী, সহায়িকাসকলৰ অৱসৰৰ বয়স ৬৫ বছৰ কৰা, অৱসৰকালীন আৰ্থিক সাহায্য প্ৰদান আৰু উচ্চতম ন্যায়ালয়ে ৰায়দান কৰা মতে কৰ্মী, সহায়িকাসকলক গ্ৰেচুইটী প্ৰদানৰ দাবীত প্ৰতিবাদী ধৰ্ণা কৰ্যসূচী পালন কৰে । কালি দিনৰ দুইবজাত চামতাস্থ পশ্চিম নলবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত আৰু কৈঠালকুছিস্থ মধুপুৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়ত উল্লেখিত দাবীৰ সমৰ্থনত পশ্চিম নলবাৰী প্ৰকল্প অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ দ্বি-শতাধিক অংগনৱাড়ী কৰ্মী, সহায়িকাই হাতে হাতে বিভিন্ন শ্ল'গান লিখা ফেষ্টুন লৈ, ধৰ্ণা দি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।

## ■ গ্ৰেচুইটী প্ৰদান, অৱসৰকালীন সাহায্য, অৱসৰৰ বয়সৰ সীমা বৃদ্ধিৰ দাবী

আনহাতে, নলবাৰী জিলাৰ ভিতৰতে সৰ্ববৃহৎ প্ৰকল্প বৰক্ষেত্ৰী সংহত শিশু উন্নয়ন প্ৰকল্পটো প্ৰতিবাদকাৰীসকলে কাৰ্যালয়টোৰ প্ৰকল্প বিষয়াৰ জৰিয়তে সমাজ কল্যাণ বিভাগৰ সঞ্চাকলৈ বুলি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। শান্তিপূৰ্ণ এই ধণা কাৰ্যসূচীত কৰ্মী-সহায়িকাসকলে কাৰ্যালয়ৰ কামত বাধা প্ৰদান নকৰাৰ উপৰি নিজ নিজ অংগনৱাড়ী কেন্দ্ৰত পাঠদান আৰু শিশু খাদ্য বিতৰণ কৰিহে ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।

# নাৰীৰ ৰক্তদানে সমাজলৈ এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰিছে



অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৫ জুন ঃ** 'ৰক্তদান এক মহান দান, এই কথা আমি শিক্ষিত সমাজে আজিও উপলব্ধি কৰিব পৰা নাই। তেজৰ অভাৱত মৃত্যুৰ স'তে যুঁজ দিয়া ৰোগী আৰু ৰোগীৰ পৰিয়ালৰ অৱস্থা কেনে হয় সেয়া ভুক্তভোগীয়ে বুজি পায়। 'কালি বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মানস পুত্ৰ যোৰহাট জিলা শাখাৰ সেৱা বাহিনী উদ্যোগত মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয় নকছাৰীত অনুষ্ঠিত মুকলি সভাত সন্মানীয় অতিথি অৱসৰপ্ৰাপ্ত অধ্যাপক খগেন ফুকনে এনেদৰে কয়। মুকুল গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ ভাৰপ্ৰাপ্ত সম্পাদক দ্বীজেন শইকীয়াই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ললিত গগৈ, সৌন্দৰ্য প্ৰকাশ হাজৰিকা, ড° সংগীতা নেওগ, ফুনু বৰা গগৈ, ৰঞ্জিত বৰা, হিৰণ্য গগৈ, জিতেন শইকীয়া। উল্লেখ্য যে কালি বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে এক ৰক্তদান শিবিৰ আয়োজন কৰিছিল মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয় নকছাৰীত। এই ৰক্তদান শিবিৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নকছাৰী আঞ্চলিক শাখাৰ শিশু, আই-মাতৃ কল্যাণ সমিতিৰ সম্পাদিকা পল্লৱী গগৈয়ে ৰক্তদান কৰি আইমাতৃসকললৈ এক গুৰুত্বপূৰ্ণ বাৰ্তা প্ৰেৰণ কৰাত ৰাইজে ভূয়সী প্ৰশংসা কৰে আৰু মুকলি সভাতেই শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে কৃতজ্ঞতা পত্ৰ প্ৰদান কৰে পল্লৱী গগৈক। অনুষ্ঠানৰ আঁত ধৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সেৱা বাহিনীৰ অধিনায়ক নিতুল গগৈয়ে। ৰক্তদান শিবিৰ উদ্বোধন কৰে মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয় নকছাৰী মহকুমা চিকিৎসা বিষয়া বিৰু কাকতিয়ে। ২০ গৰাকী ৰক্তদাতাই ৰক্তদান কৰে।

## ■ সেৱাবাহিনীৰ উদ্যোগত বিশ্ব ৰক্তদাতা দিৱস উদ্‌যাপন শ্ৰীমন্ত শংকৰদেৱ সংঘৰ

# বিহপুৰীয়া বঙালমৰাত ড্ৰাগছ সৰবৰাহকাৰী ধৃত

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ১৫ জুন ঃ** বিহপুৰীয়াত পুনৰ দুই ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে বিহপুৰীয়া আৰক্ষী। সৰবৰাহকাৰীজন বঙালমৰা আৰক্ষী চকীৰ অন্তৰ্গত দৌলতপুৰৰ চাহাবুদ্দিন (২৩)। আজি বিয়লি আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ ঘৰত অভিযান চলাই ৩৫.১৫ গ্ৰাম সন্দেহযুক্ত হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে সম্প্ৰতি বিহপুৰীয়া আৰু বঙালমৰাত গঢ়ি উঠিছে ড্ৰাগছৰ অবাধ বেহা। বিহপুৰীয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া উৎপল বৰাই ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে যদিও এই বেহা ৰোধ কৰিবলৈ সক্ষম হোৱা নাই।

# কাজলগাঁৱত ৩০ মহিলালৈ অত্যাধুনিক তাঁতশাল বিতৰণ



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১৫ জুন ঃ** চিৰাঙৰ কাজলগাঁৱত বিটিচি হস্ততাঁত আৰু বয়ন শিল্প বিভাগৰ উদ্যোগত অত্যাধুনিক তাঁতশাল বিতৰণ কৰে চিৰাঙৰ ৩০গৰাকী মহিলাক। বিটিচিৰ বিভাগীয় কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে বিতৰণ কৰে এই অত্যাধুনিক তাঁতশাল। মহিলা সৱলীকৰণৰ বাবে বিটিচিৰ এছঅ'পিডি ফাণ্ডৰ ধনেৰে ৩৭ হেজাৰ টকা মূল্যৰ এই অত্যাধুনিক তাঁতশাল জিলাখনৰ ৩০গৰাকী মহিলাক বিতৰণ কৰে। অনুষ্ঠানত বিটিচিৰ হেণ্ডলুম টেক্সটাইল বিভাগৰ মুৰব্বী বিষয়া তথা চিৰাং জিলাৰ বিষয়া দিজেন্দ্ৰ কছাৰী, জিলা অতিৰিক্ত উপায়ুক্ত অজিত শৰ্মাসহ বহু সংখ্যক লোকৰ উপস্থিতিত এইসমূহ সামগ্ৰী বিতৰণ কৰে। এইসমূহ সামগ্ৰী বিতৰণৰ পাছতে বিভাগীয়ভাৱে প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ কথাও ঘোষণা কৰে বিভাগীয় কাৰ্যবাহী বিষয়াজনে। জিলা সদৰ কাজলগাঁওস্থিত বিভাগীয় কাৰ্যালয়ত প্ৰতিকূল বতৰৰ মাজতো অনুষ্ঠিত হয় অনুষ্ঠানটিৰ। বিটিআৰৰ কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে অত্যাধুনিক তাঁতশাল বিতৰণৰ পাছতে কয় যে চিৰাং জিলাৰ বদনাম এটা আছে উগ্ৰপন্থী অধ্যুষিত অঞ্চল হিচাপে যদিও এতিয়া শান্তি প্ৰতিষ্ঠা হৈছে আৰু কোনো উগ্ৰপন্থী সংগঠন নাই। এনেও বিভিন্ন দিশত জিলাখন পিছপৰা। গতিকে জিলাখনক সকলো দিশতে আগুৱাই লোৱাৰ চেষ্টা কৰিছে বিটিআৰ প্ৰশাসনে। এই ক্ষেত্ৰত মহিলাসকলে আগভাগ ল'ব লাগিব বুলি ভাবি মহিলাসকলক তাঁতশালৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত স্বাৱলম্বী কৰি গঢ়ি তুলিবলৈ কালি এইদৰে অত্যাধুনিক তাঁতশাল বিতৰণ কৰা হৈছে বুলি কয়। তেওঁ লগতে কয় যে মহিলাসকল পৰিয়ালৰ চাবিকাঠি। গতিকে পৰিয়ালৰ লগতে সমাজখনক আগুৱাই লোৱাত মহিলাসকলক উদ্দেশ্য কৰি কেন্দ্ৰীয় চৰকাৰে মহিলা সৱলীকৰণৰ বাবে বিভিন্ন পদক্ষেপ লোৱাৰ কথা সদৰী কৰে কাৰ্যবাহী সদস্য ধনঞ্জয় বসুমতাৰীয়ে।

# বৰ্ণমৰ নাটক 'তিনিটা ৰঙীণ পখিলা'

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১৫ জুন ঃ** বিশ্বনাথ চাৰিআলিৰ অন্যতম নাট্যগোষ্ঠী 'বৰ্ণম'ৰ উদ্যোগত আৰু সংগীত নাটক অকাডেমীৰ, নতুন দিল্লীৰ অৰ্থ সাহায্যত ২৫ আৰু ২৬ জুনত বিশ্বনাথ চাৰিআলিস্থিত ৰাজলক্ষী বিবাহ ভৱন প্ৰেক্ষাগৃহত অসমৰ এগৰাকী প্ৰতিষ্ঠিত নাট্যকাৰ পংকজজ্যোতি ভূঞাৰ ৰচিত তথা বহুল প্ৰচলিত নাটক 'তিনিটা ৰঙীণ পখিলা' মঞ্চস্থ কৰা হ'ব। বৰ্ণমৰ সম্পাদক কুশল ডেকাৰ তত্ত্বাবধানত ২০০৫ত গঢ় লৈ উঠা এই নাট্যানুষ্ঠানটো একেৰাহে শিশু তথা ডাঙৰৰ নাট কৰ্মশালাৰ লগতে নাট প্ৰযোজনা, আলোচনাচক্ৰ, ৰাষ্ট্ৰীয় নাট সমাৰোহ আদি আয়োজন কৰি অহা বৰ্ণমৰ এইখন ৩৪ সংখ্যক নাট প্ৰযোজনা। সন্ধিয়া সাত বজাৰ পৰা বিশিষ্ট অভিনেতা কুশল ডেকা, পুলক সভাপণ্ডিত আৰু বলীন ভূঞাই অভিনয় কৰিবলগীয়া নাটক 'তিনিটা ৰঙীণ পখিলা'ৰ পৰিচালনাও কুশল ডেকাৰ। বিশ্বনাথ চাৰিআলিৰ সমূহ নাট্যপ্ৰেমী দৰ্শকৰ বাবে ই এক আনন্দৰ বতৰা কঢ়িয়াই আনিছে।

# বিজনীত স্বামী বিবেকানন্দ কনিষ্ঠ মহাবিদ্যালয়ত চুৰিকাণ্ড

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১৫ জুন ঃ** চিৰাং জিলাৰ বিজনীৰ তিনি নম্বৰ ৱাৰ্ডস্থিত ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান 'স্বামী বিবেকানন্দ কনিষ্ঠ মহাবিদ্যালয়'ত যোৱা নিশা এক চুৰিকাণ্ড সংঘটিত হয়। মহাবিদ্যালয়খনৰ কাৰ্যালয় সহায়ক গোবিন্দ ধৰ আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী দেৱজিৎ ৰায় চৌধুৰীয়ে কালি কনিষ্ঠ মহাবিদ্যালয়খনলৈ অহাৰ পাছত চুৰিকাণ্ডৰ ঘটনাটো পোহৰলৈ আহে। উল্লেখ্য যে নিশা প্ৰবল বৃষ্টিপাতৰ সময়তে অজ্ঞাত চোৰে বিজনী-শিয়ালমাৰী গড়কাপ্টানী পথৰ দাঁতিত অৱস্থিত কনিষ্ঠ মহাবিদ্যালয়খনৰ কাৰ্যালয়ৰ ভিতৰত কৌশলেৰে প্ৰৱেশ কৰি এইছ পি গেছ চিলিণ্ডাৰ এটা, পানী তোলা মটৰ এটা, এখন ষ্টেণ্ড ফেন, এখন চিলিং ফেন, চিলভাৰৰ ডাঙৰ চচপেন এটাকে ধৰি ১০ হেজাৰ টকাৰ সা-সামগ্ৰী চুৰি কৰি লৈ যায়। কালি স্বামী বিবেকানন্দ কনিষ্ঠ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক হেমেন শৰ্মাই উক্ত চুৰিকাণ্ড সন্দৰ্ভত বিজনীৰ আৰক্ষীক খবৰ দিয়াত বিজনী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰঞ্জিত ৰাজখোৱাসহ আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। পাছত স্বামী বিবেকানন্দ কনিষ্ঠ মহাবিদ্যালয় পৰিচালনা সমিতিৰ তৰফৰ পৰা বিজনী থানাত এখন এফআইআৰ দাখিল কৰাত বিজনীৰ আৰক্ষীয়ে উক্ত চুৰিকাণ্ড সন্দৰ্ভত ১০৩/২০২২ নম্বৰৰ এক গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# ৰক্তদানৰ সজাগতাৰ বাবে পদক্ষেপ ল'বলৈ চৰকাৰক দাবী

## ■ মঙলদৈত বিশ্ব ৰক্তদাতা দিৱসত ৰক্তদাতাক সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ১৫ জুন ঃ** 'ৰক্তদান কৰাটো এটা উদাৰ কাম, ৰক্তদানৰ প্ৰয়াসৰ স'তে জড়িত হওক আৰু মানুহৰ জীৱন বনাওক'- শীৰ্ষক শ্ল'গানেৰে ৰাজ্যৰ অন্যান্য জিলাৰ লগতে দৰঙতো কালি বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়। মঙলদৈ অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভড়াল কৰ্তৃপক্ষৰ উদ্যোগত সজাগতা, শোভাযাত্ৰা, স্বেচ্ছাসেৱী ৰক্তদাতা সংস্থা আৰু ব্যক্তিক সম্বৰ্ধনা, সজাগতা সভা আদি বিভিন্ন কাৰ্যসূচীৰে দিনজোৰাকৈ মঙলদৈত বিশ্ব ৰক্তদাতা দিৱস উদ্‌যাপন কৰা হয়। কাৰ্যসূচীত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ হৰপাল সিং চূড়ী, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ গোপীনাথ বৰা, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ ৰমেশ চন্দ্ৰ গোস্বামী, অসম চিকিৎসা সেৱা সংস্থাৰ মঙলদৈ শাখাৰ সম্পাদক ডাঃ জয়ন্ত ডেকা, মঙলদৈ ৰক্ত ভড়ালৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া আদি ভালেমান বিশিষ্ট লোক, বেচৰকাৰী অনুষ্ঠান আৰু ছাত্ৰ সংগঠনৰ প্ৰতিনিধি, স্বেচ্ছাসেৱী ৰক্তদাতা আদি উপস্থিত থাকে। অনুষ্ঠানত মাৰোৱাৰী যুৱ মঞ্চ, ক্ৰিষ্টেল ভিজন, ইউনিটি, ইৰাড', সত্ৰ, ৰক্তধাৰা, লক্ষীকান্ত সাংস্কৃতিক মহাবিদ্যালয় আৰু সমন্বয় কলা কৃষ্টি বিকাশ কেন্দ্ৰ, আছু আদি ৰক্তদাতা গোটৰ সদস্যকে ধৰি মুঠ ৩৫জন ৰক্তদাতাক প্ৰশংসাপত্ৰ আৰু গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত নিজৰ নিজৰ অনুভৱ ব্যক্ত কৰি ৰক্তদান সম্পৰ্কত ৰাইজৰ সজাগতাৰ অভাৱ দূৰ কৰাৰ বাবে চৰকাৰৰ উপযুক্ত পদক্ষেপ ল'বলৈ আহ্বান জনায়। দিৱস উপলক্ষে মঙলদৈ মহাবিদ্যালয়ৰ এনচিচি গোটৰ উদ্যোগত কালি এটা স্বেচ্ছামূলক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়।

# মৰাণত চিলিণ্ডাৰ বিস্ফোৰণত ভস্মীভূত হ'ল দোকান


অগ্ৰদূত বাৰ্তা

**মৰাণ, ১৫ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত পথালিবাম চাহ বাগিচাৰ সাত নম্বৰ লাইনত চাহ-পকৰীৰ দোকানত কালি এটা চিলিণ্ডাৰ বিস্ফোৰণ ঘটে। তথ্য মতে, চাহ-পকৰী বনাই থকা অৱস্থাতেই ব্যৱহৃত চিলিণ্ডাৰটো প্ৰথম অৱস্থাত বিস্ফোৰণ হৈ যোৱাত দোকানখনত থকা অন্য দুটা চিলিণ্ডাৰো বিস্ফোৰণ ঘটে। এই বিস্ফোৰণত কোনো লোক আহত হোৱা নাই যদিও দোকানখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। স্থানীয় ৰাইজে খবৰ দিয়াত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ জুই নুমুৱাবলৈ সক্ষম হয়। ইতিমধ্যে মৰাণ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বুজ লৈছে পৰিস্থিতিৰ।

# নগাঁৱা অভিযন্তাৰ বিশেষ সফলতাত উৎফুল্লিত হাতীচোংবাসী

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১৫ জুন ঃ** ক'ভিডকালীন সময়ৰ পাছত বহুজাতিক প্ৰতিষ্ঠান উইলপ'লে নগাঁও জিলাৰ হাতীচোং মৌজাৰ কুজীডাঁহৰ অংকুৰজ্যোতি বৰাক মহাৰাষ্ট্ৰৰ পুনেস্থিত প্ৰতিষ্ঠানটোৱে উন্নত সেৱা আগবঢ়োৱাৰ বাবে 'চাৰ্টিফিকেট অব এক্সিলেন্স' বঁটাৰে সন্মানিত কৰিছে। যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা মেকানিকেল বিভাগৰ স্নাতক ডিগ্ৰী লাভৰ পাছত তেওঁ ৰাজস্থানৰ পিলানীৰ বিৰলা ইনষ্টিটিউট এব টেকন'লজিৰ পৰা এমটেক হৈ উক্ত বহুজাতিক প্ৰতিষ্ঠানটোত নিয়োজিত হৈছিল। হাতীচোঙৰ কুজীডাঁহৰ সুৰেন বৰা আৰু সাবিত্ৰী বৰাৰ কনিষ্ঠ পুত্ৰ অংকুৰজ্যোতিৰ এই সফলতাত স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ক্ৰিয়েশ্বন ক্লাব, সান্নিধ্য, শ্বাইন'ছ প্লেয়াৰ্ছ আৰু বৰগছ আদিৰ উপৰি সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ নগাঁও জিলা সমিতিয়ে তেওঁক অভিনন্দন জনাইছে। উল্লেখ্য যে অভিযন্তা অংকুৰজ্যোতি বৰাৰ পত্নী টিনাশ্ৰী বৰায়ো হাইস্কুলৰ টে'ট পৰীক্ষাত উত্তীৰ্ণ হৈ গোলাঘাট জিলাত কৰ্মৰত হৈ আছে।



# নামঘৰত নিশা চুৰি, মণিকুট লণ্ড-ভণ্ড

*এক পৃষ্ঠাৰ পৰা* নামঘৰৰ মণিকুট লণ্ড-ভণ্ড, ধৰ্মপুথি আদি ফালি তচনচ কৰে চোৰে। তদুপৰি দান বাকচত থকা সকলো ধন চোৰে লুটি নিয়ে। নামঘৰত দিয়া দানৰ ধন ভাদতহে গণনা কৰা হেতুকে কিমান ধন লুট হৈছে সেয়া নিশ্চিত কৰা হোৱা নাই। নিশা নামঘৰত দুজন বাপ আছিল যদিও ধাৰাসাৰ বৰষুণত চোৰৰ উমান পোৱা নাছিল তেওঁলোকে। ইতিমধ্যে এই নামঘৰৰ চুৰি কাণ্ডৰ তদন্ত অব্যাহত ৰাখিছে ঢালিগাঁও আৰক্ষীয়ে। উল্লেখ্য যে ভাৰতীয় তেল নিগমৰ বঙাইগাঁও শোধনাগাৰ নামঘৰখ্যাত এইখন নামঘৰ ঢালিগাঁও থানাৰ নিচেই কাষতে অৱস্থিত।

# সমদলত বাধা ঃ ৰাজীৱ ভৱনত খণ্ডযুদ্ধৰ

*এক পৃষ্ঠাৰ পৰা* হৈ পৰে ৰাজীৱ ভৱন। সভাপতি ভূপেন বৰাৰ নেতৃত্বত ৰাজীৱ ভৱনৰ পৰা সমদল উলিওৱাৰ সময়তে বৃহৎ আৰক্ষীৰ দলে মূল গেটৰ সন্মুখতে সমদলক বাধা প্ৰদান কৰে আৰু ইয়াকে লৈ দুয়োপক্ষৰ মাজত হতাহতিৰ সৃষ্টি হয়। একাংশ প্ৰতিবাদকাৰীয়ে আৰক্ষীৰ বেৰিকেড ফালি সমদল উলিয়াবলৈ চেষ্টা কৰাৰ পাছতে আৰক্ষীয়ে সভাপতি বৰা, বিৰোধী উপ-দলপতিসহ কংগ্ৰেছ নেতা-কৰ্মীসকলক টানি-ঠেলি আটক কৰি গাড়ীত তোলে আৰু তেনে সময়তে একাংশ প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত সৃষ্টি হোৱা হতাহতিত দিছপুৰ আৰক্ষীৰ সহকাৰী আয়ুক্ত হিমাংশু দাসকে ধৰি কে'বাজনো লোক আহত হয়। আৰক্ষী বিষয়াজনৰ মূৰৰ পৰা তেজ বৈ অহাত তেওঁক ততাতৈয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। এই হতাহতিৰ ফলত প্ৰদেশ কংগ্ৰেছৰ সভাপতি বৰা, সাধাৰণ সম্পাদক অপূৰ্ব কুমাৰ ভট্টাচাৰ্য, বিধায়ক আব্দুল ৰছিদ মণ্ডল, কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী, ত্ৰিদীপ বৰ্মন, দ্বীপ বায়ন, ৰেহান উদ্দিন আহমেদ, বৰ্ণালী ফুকন, গীতালি দাস, পাৰ্বতী সিং, জিন্টু হাজৰিকা, কংকন দাস, ৰূপা দেউৰী, বালিকা পেগু আদিও সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত আৰক্ষীয়ে সকলো প্ৰতিবাদকাৰীক আটক কৰি লৈ যায় আৰু বিয়লি মুকলি কৰি দিয়ে। উল্লেখ্য যে কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ইডিয়ে চলোৱা জেৰাক বিজেপি চৰকাৰৰ ষড়যন্ত্ৰ আখ্যা দি দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো কংগ্ৰেছ নেতা-কৰ্মীয়ে যোৱা ১৩ জুনত ৰাজীৱ ভৱনত প্ৰতিবাদ সাব্যস্ত কৰি চান্দমাৰিস্থিত ইডিৰ কাৰ্যালয়লৈ এক সমদল উলিওৱাৰ চেষ্টা কৰিছিল যদিও আৰক্ষীয়ে বাধাদান কৰি সকলোকে আটক কৰে। আজি পুনৰ প্ৰদেশ কংগ্ৰেছে কৃত্ৰিম বান পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ইডিৰ প্ৰসংগত চান্দমাৰিস্থিত কাৰ্যালয়লৈ এক প্ৰতিবাদী সমদল উলিওৱাৰ চেষ্টা কৰিছিল যদিও উক্ত দিনাৰ দৰেই আৰক্ষীয়ে বাধা প্ৰদান কৰাত আৰক্ষীৰ বিৰুদ্ধে সৰৱ হৈ পৰে প্ৰতিবাদকাৰীসকল। আৰক্ষীৰ বাধাৰ সন্মুখীন হৈ প্ৰতিবাদকাৰীসকলে 'অসম আৰক্ষী গ' বেক, বিজেপি গ' বেক, মোদী চৰকাৰ হায় হায়' আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। তেনেতে একাংশ প্ৰতিবাদকাৰীয়ে বেৰিকেড ঠেলি সমদল উলিয়াবলৈ কৰিবলৈ চেষ্টা কৰাত এজন আৰক্ষী জোৱান বাগৰি পৰাত পৰিস্থিতি অধিক উত্তেজনাপূৰ্ণ হৈ পৰে। লগে লগে আৰক্ষীয়ে প্ৰতিবাদকাৰীসকলক আটক কৰিবলৈ উদ্যত হওঁতেই দুয়ো পক্ষৰ টনা-আঁজোৰাত কে'বাজনো আঘাতপ্ৰাপ্ত হয়। আহত আৰক্ষী বিষয়া দাসে সদৰী কৰা অনুসৰি, পতাকা লগাই লৈ ফুৰা এডাল বাঁহৰ লাঠিৰ কোব তেওঁৰ মূৰত পৰাত তেজ ওলাই আহে। আটক হোৱাৰ পাছত সভাপতি বৰাই বিজেপি চৰকাৰ আৰক্ষীৰ ক্ষমতাৰে বলিয়ান হৈ পৰিছে বুলি মন্তব্য কৰি গণতান্ত্ৰিক প্ৰতিবাদকাৰীক ব্যৱহাৰ কৰাৰ দৰেই এদিন অসমৰ ৰাইজেও বিজেপিক চোঁচৰাই দিছপুৰৰ গাদীৰ পৰা নমাই আনিব বুলি কয়। উল্লেখ্য যে ৰাজীৱ ভৱনৰ চৌহদৰ ভিতৰত সোমাইয়ো আৰক্ষীয়ে একাংশ প্ৰতিবাদকাৰীক আটক কৰিবলৈ উদ্যত হয় আৰু সংশ্লিষ্ট স্থানতো প্ৰতিবাদকাৰী আৰু আৰক্ষীৰ মাজত তীব্ৰ বাক-বিতণ্ডাৰ এক পৰিৱেশ সৃষ্টি হয়।

**নিজাববীয়া গোচৰ ৰুজু কৰিব পূব গুৱাহাটী আৰক্ষীয়ে**

ইফালে, আহত জ্যেষ্ঠ আৰক্ষী বিষয়া দাসক পতাকা লগাই থোৱা বাঁহৰ লাঠিৰে প্ৰহাৰ কৰা হৈছে বুলি প্ৰতিবাদস্থলীত উপস্থিত থকা পূব গুৱাহাটী আৰক্ষীৰ উপ-আয়ুক্ত সুধাকৰ সিঙে সদৰী কৰিছে। সমান্তৰালভাৱে অতিৰিক্ত উপ-আয়ুক্ত বিবেকানন্দ দাসে ঘটনাস্থলীতে আৰক্ষীৰ ওপৰত হাত তোলা কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি সদৰী কৰি নিজববীয়াকৈ গোচৰ তৰা হ'ব বুলি মন্তব্য কৰে।

**আইনী ব্যৱস্থা ল'বলৈ নিৰ্দেশ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান সিঙৰ**

কংগ্ৰেছৰ প্ৰতিবাদকাৰীৰে সৃষ্টি হোৱা হতাহতিত আৰক্ষী বিষয়া দাস আহত হোৱা ঘটনাত শীঘ্ৰে আইনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ প্ৰেৰণ কৰিছে অসম আৰক্ষীৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে। ঘটনাৰ কিছু সময়ৰ পাছতে শীৰ্ষ আৰক্ষী বিষয়াজনে টুইটৰ জৰিয়তে আইন-শৃংখলাৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ গৈ আহত হোৱা আৰক্ষী বিষয়া দাস সম্প্ৰতি চিকিৎসাধীন বুলি উল্লেখ কৰি ইয়াৰ বিৰুদ্ধে শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে।

# স্বাধীনতা আন্দোলনৰ ১৯ ছহিদৰ

*এক পৃষ্ঠাৰ পৰা* গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। ইয়াৰ পাছতে নেহৰু পাৰ্কত থকা ছহিদ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে সৰ্বধৰ্মীয় প্ৰাৰ্থনা অনুষ্ঠিত কৰা হয়। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিনিধিৰূপে উপস্থিত থকা অসম চৰকাৰৰ কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই।

শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পাছতে ৰূপনগৰস্থিত স্বতন্ত্ৰ সেনানী ভৱনত ১৯৪২ৰ গণ আন্দোলনৰ বীৰ ছহিদসকলৰ পৰিয়ালবৰ্গ আৰু মুক্তিযুঁজাৰুসকলৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ উপস্থিতিত ছহিদ পৰিয়াললৈ অনুদান বিতৰণ কৰা হয়। উল্লেখ্য যে 'আজাদী কা অমৃত মহোৎসৱ' শীৰ্ষৰে উদ্‌যাপন কৰি থকা ভাৰতৰ স্বাধীনতাৰ ৭৫ বৰ্ষ উপলক্ষে অসম চৰকাৰৰ তৰফৰ পৰা ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি প্ৰাণ আহুতি দিয়া অসমৰ বীৰ ছহিদসকলৰ নিকটাত্মীয়লৈ পাঁচ লাখ টকাকৈ অনুদানৰ চেক প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰে নগৰাকী ছহিদৰ উত্তৰাধিকাৰীয়ে ইতিমধ্যে ২০১৮ৰ ২০ ছেপ্টেম্বৰত ঢেকিয়াজুলিত অনুষ্ঠিত ছহিদ দিৱসত এই অনুদান লাভ কৰিছে। আজিৰ অনুষ্ঠানত বাকী থকা ১৯গৰাকী ছহিদৰ উত্তৰাধিকাৰীসকলে এই অনুদান লাভ কৰে। আজি এই আৰ্থিক সাহায্য আগবঢ়োৱা হয় ৰাওতা কোঁচ, মদন বৰ্মন, কুশল কোঁৱৰ, কমলা মিৰি, মনবৰ নাথ, পিয়লি ফুকন, ভোগেশ্বৰী ফুকননী, কনকলতা বৰুৱা, মুকুন্দ কাকতি প্ৰমুখ্যে ছহিদসকলৰ উত্তৰাধিকাৰীক।

অসম চৰকাৰৰ হৈ অনুদান প্ৰদান কৰি দিয়া ভাষণ প্ৰসংগত মন্ত্ৰী অতুল বৰাই কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত দেশৰ ভিতৰত অসমতে পোন প্ৰথমবাৰৰ বাবে স্বাধীনতা আন্দোলনৰ ছহিদৰ পৰিয়ালক আৰ্থিক অনুদান দিয়াটো সম্ভৱ হৈছে। ছহিদসকলৰ লগতে মুক্তিযুঁজাৰুসকলৰ প্ৰতি বৰ্তমানৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ যথেষ্ট সংবেদনশীল বুলি উল্লেখ কৰি মন্ত্ৰী বৰাই আৰু কয় যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সাম্ৰাজ্যবাদী ব্ৰিটিছৰ বিৰুদ্ধে যুঁজা প্ৰতিগৰাকী বীৰ যোদ্ধাৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মৃত্যুকো আদৰিব জনা প্ৰকৃত সত্যাগ্ৰহী কুশল কোঁৱৰৰ স্মৃতি যুগমীয়া কৰাৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে উল্লেখ কৰি অসম চৰকাৰেও মুক্তিযোদ্ধাসকলৰ বাবে পৰ্যায়ক্ৰমে গ্ৰহণ কৰি থকা ব্যৱস্থা সম্পৰ্কতো তেওঁ অৱলোকন কৰে।

সভাত গৃহ আৰু ৰাজনৈতিক পৰিক্ৰমা বিভাগৰ সচিব দেৱ প্ৰসাদ মিশ্ৰৰ লগতে কে'বাগৰাকী মুক্তি যোদ্ধা আৰু ছহিদৰ পৰিয়ালে ভাষণ দিয়ে।

সভাত মুক্তিযুঁজাৰু সন্মিলনৰ তৰফৰ পৰা অসম স্বতন্ত্ৰতা সৈনিক ৰিলিফ ৰুল ১৯৮৮ ৰ সংশোধন, সৰুপথাৰ ৰে'লৱে ষ্টেচনটো ছহিদ কুশল কোঁৱৰৰ নামত উৎসৰ্গা কৰা, লীলাবাৰী বিমান বন্দৰ ছহিদ কনকলতা বৰুৱাৰ নামত উৎসৰ্গা কৰা, গোৱালপাৰা জিলাত নিৰ্মাণ হ'বলগীয়া চিকিৎসা মহাবিদ্যালয়খন ছহিদ নিধানুৰাম ৰাজবংশীৰ নামত উৎসৰ্গা কৰাকে ধৰি স্বাধীনতা সংগ্ৰামীৰ পৰিয়াললৈ বিনামূলীয়া বিজুলী যোগান, মুক্তিযুঁজাৰু আৰু অমৰ ছহিদসকলৰ পৰিয়ালসমূহলৈ সন্মান পেন্সন আগবঢ়োৱা, ছহিদৰ বাসগৃহ সংৰক্ষণ আদি কেইবাটাও দাবী উত্থাপন কৰা হয়।

অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি কৃষ্ণকান্ত লহকৰৰ সভাপতিত্বত অনুষ্ঠিত আৰু সন্মিলনৰ সম্পাদক দ্বিজেন্দ্ৰ মোহন শৰ্মাই আঁত ধৰা এই সভাত গৃহ বিভাগৰ যুটীয়া সচিব অনিমেষ তালুকদাৰ, মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ দায়িত্বত থকা আৰক্ষী অধীক্ষক ৰ'জী কলিতা, মুক্তিযঁজাৰু ক্ৰমে ভোলানাথ নগৰীয়া, পূৰ্ণেছ্বৰ দুৱৰা, গকুল চন্দ্ৰ গগৈ, গোলাপী চেতিয়া আৰু মুহিৰাম বনীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# মাছ ধৰিবলৈ গৈ সলিল সমাধি

*এক পৃষ্ঠাৰ পৰা* নামি সলিল সমাধি ঘটে। মৃত মহিলাগৰাকীৰ নাম বুধ গাৰা আৰু শিশুটিৰ নাম দেবু কোঁৱৰ। সম্পৰ্কত দুয়ো আইতাৰ আৰু নাতি। দুয়োকে পানীত ওপঙি থকা অৱস্থাত স্থানীয় লোকে উদ্ধাৰ কৰি হোজাইৰ চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। পৰিয়ালৰ লোকে আৰ্থিক অনাটনৰ বাবে মৰণোত্তৰ পৰীক্ষা নকৰাকৈ শেষকৃত্য সম্পন্ন কৰে।

# আগষ্টত ১০ হেজাৰ-নৱেম্বৰত

*এক পৃষ্ঠাৰ পৰা* কাৰ্যবাহী সদস্য। অহা ২০ জুনত শপত ল'ব ৰংহাঙে। কাৰ্যনিৰ্বাহক সভাত আজি দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, ৰাষ্ট্ৰীয় উপসভাপতি বৈজয়ন্ত জয়পাণ্ডাৰ উপস্থিতিত প্ৰায় এঘণ্টাজোৰা বৈঠকত মুখ্যমন্ত্ৰী শৰ্মাই দলীয় নেতা-কৰ্মীৰ উদ্দেশ্যে কে'বাটাও গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। বিশেষকৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ প্ৰতিখন আঁচনি সঠিকভাৱে ৰাইজৰ মাজলৈ লৈ যাবলৈ দলীয় কৰ্মীসকলক মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। কালি কেন্দ্ৰীয় চৰকাৰে মুকলি কৰা 'অগ্নিপথ' আঁচনিৰ অধীনত ভাৰতীয় সেনা বাহিনীত চাৰি বছৰৰ বাবে নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক পৰৱৰ্তী সময়ত অসম আৰক্ষীত মকৰলৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ হ'ব বুলিও ঘোষণা কৰে। এই উদ্দেশ্যে ভাৰতীয় সেনাত অগ্নিবীৰৰূপে নিযুক্তি লাভ কৰিবলৈ অসমৰ গাঁওসমূহৰ যুৱক-যুৱতীসকলক শাৰীৰিকভাৱে শক্তিশালী কৰি তোলাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ দলীয় কৰ্মীসকলক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে নিকা নিযুক্তি ব্যৱস্থাৰ মাজেৰে ৰাজ্যৰ পাচলি ব্যৱসায়, ঠেলা চালক, ৰিক্সা চালক আদিৰ সন্তানে চৰকাৰী চাকৰি লাভ কৰিবলৈ সক্ষম হ'লে বিজেপিৰ গৌৰৱে আকাশ চুব।

দলীয় সভাৰ এই ভাষণত তেওঁ ঘোষণা কৰে যে অসম চৰকাৰে অহা আগষ্টত ১০ হেজাৰ আৰু নৱেম্বৰত ৪০ হেজাৰ নিবনুৱাক চৰকাৰী চাকৰিত নিযুক্তি প্ৰদান কৰিব। জলজীৱন আঁচনিৰ অধীনত 'জলমিত্ৰ পদ'ৰ সৃষ্টি কৰি ৬৫০০ টকাৰ মাননিৰে অসমৰ ২৬ হেজাৰ যুৱকক নিযুক্তি প্ৰদান কৰিব বুলিও তেওঁ সদৰী কৰে। ইপিনে, খিলঞ্জীয়া ভূমিহীনক ভূমিপট্টা প্ৰদান, বনভূমিৰ বাহিৰে চৰকাৰী ভূমিত চাহ খেতি কৰা সকলক ভূমিৰ অধিকাৰ প্ৰদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ঘাইপথৰ নামত ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ পূৰ্বে চাহ বাগিচাৰ মালিকে লাভ কৰিছিল যদিও এতিয়াৰে পৰা ইয়াৰ এটা অংশ শ্ৰমিকে লাভ কৰিব। বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত অসমক এখন স্বাৱলম্বী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে আগবঢ়া চৰকাৰখনে অহা চাৰি বছৰৰ ভিতৰত দুহেজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনৰ দিশে আগবঢ়া বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সৌৰশক্তি আৰু পানীৰ পৰা বিদ্যুৎ উৎপাদন কৰি অসমক ভাৰতৰ ভিতৰতে সেউজ শক্তি উৎপাদন কৰা অন্যতম ৰাজ্য হিচাপে গঢ়ি তুলিবলৈও তেওঁ কয়। ইপিনে, সভাৰ অন্তত সাংবাদিকৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰী শৰ্মাই পাহাৰীয়া জিলাকেইখনৰ সৌৰশক্তিৰ পৰা বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অহা ৩০ দিনৰ ভিতৰত হিন্দুস্তান পেপাৰ কৰ্প'ৰেছনৰ কৰ্মচাৰীসকলৰ বাবে পাঁচশ কোটি টকা মোকলাই দিয়া বুলি তেওঁ সদৰী কৰে। নৱনিৰ্বাচিত পাৰিষদসকলক সতৰ্কতাৰে কাম কৰি যাবলৈ পৰামৰ্শ আগবঢ়ায়। এই ক্ষেত্ৰত তেওঁ কয় যে এসময়ত কংগ্ৰেছে ৰাইজৰ বিপুল সমৰ্থন লাভ কৰিছিল যদিও পৰিয়ালতন্ত্ৰ আৰু দুৰ্নীতিৰ বাবে জনতাৰ পৰা বিচ্ছিন্ন হোৱাত এখনো আসন লাভ নকৰিলে। বিজেপিয়ে যাতে এনে পৰিস্থিতিৰ সন্মুখীন নহয় তাৰ বাবে সতৰ্ক থাকিবলৈ সজাগ কৰি দিয়ে পাৰিষদসকলক। তেওঁ কয় যে দল আজি যি স্থানত উপনীত হৈছে সেয়া শেষ পৰ্যায় বুলি ভাবিলে নহ'ব, সমাজৰ প্ৰতিটো শ্ৰেণীক আকৰ্ষিত কৰাৰ বাবে দিনে নিশাই কামত নিয়োজিত হ'ব লাগিব। তেওঁ কয় যে ধান ক্ৰয় আঁচনি, অৰুণোদয়, বসুন্ধৰা আদিকে ধৰি কে'বাখনো আঁচনিৰ জৰিয়তে প্ৰকৃত হিতাধিকাৰীক উপকৃত কৰাৰ দিশত লাভ কৰা সফলতাই দলটোক আজিৰ পৰ্যায়ত উপনীত কৰাইছে।

ইয়াৰ পূৰ্বে কেন্দ্ৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাষণত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত বিশ্বৰ সকলো ৰাষ্ট্ৰই ভাৰতৰ মুখাপেক্ষী হৈছে। মোদীৰ শাসনকালত দেশৰ বিভিন্ন উন্নয়নমূলক কামৰ ব্যাখ্যা দাঙি ধৰে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বৰ বাবেই দেশত নেতৃত্ব বৃদ্ধি পোৱা বুলি কয় সোণোৱালে। তেওঁ কয় যে বিশ্বগুৰুৰ আসনত উপবিষ্ট হ'বলৈ আগবঢ়া ভাৰত উন্নতিৰ শিখৰলৈ নিবলৈ হ'লে আৰু দুটা কাৰ্যকালৰ বাবে বিজেপিৰ শাসনত থাকিব লাগিব। একাংশ সাম্প্ৰদায়িক শক্তিয়ে এই ক্ষেত্ৰত বাধা সৃষ্টি কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে একাংশই ভাৰতক দুৰ্বল কৰাৰ চেষ্টা অব্যাহত ৰাখিছে। ২০৩১লৈ জয়ৰ ধাৰাবাহিকতা বজাই ৰাখিবলৈ তেওঁ দলীয় নেতা-কৰ্মীক আহ্বান জনায়।

# কংগ্ৰেছৰ মুখ্য কাৰ্যালয়তে প্ৰৱেশ

*এক পৃষ্ঠাৰ পৰা* গৰজি উঠে কংগ্ৰেছ কৰ্মীয়ে। দলৰ সাংসদ অধীৰ চৌধুৰীয়ে অভিযোগ কৰা অনুসৰি, কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত প্ৰৱেশ কৰি আৰক্ষীয়ে কৰ্মীসকলক প্ৰহাৰ কৰে। এই ঘটনাক গণতন্ত্ৰৰ হত্যা বুলি কয় নেতাজনে। অভিযোগ অনুসৰি, দলৰ মুখ্য কাৰ্যালয়ৰ সকলোবোৰ প্ৰৱেশদ্বাৰ আৰক্ষীয়ে বন্ধ কৰি দিয়ে। ৰাহুলক ইডিয়ে সোধপোছৰ বিৰোধিতাত অধিৰ চৌধুৰী, কে চি বেণুগোপাল, ভূপেশ ৰাঘেল, অজয় মাকেন, গৌৰৱ গগৈ আদিৰ দৰে দলৰ শীৰ্ষনেতাসকলে মুখ্য কাৰ্যালয়ৰ বাহিৰত সত্যাগ্ৰহ কাৰ্যসূচী পালন কৰে। বিজেপি আৰু আৰক্ষীৰ বিৰুদ্ধে বিক্ষোভকাৰীসকলে শ্ল'গান দিয়ে। এই নেতাসকলে কাৰ্যতঃ কংগ্ৰেছ কাৰ্যালয় ঘেৰি ৰাখিছে। অধিৰে কয়, 'তেওঁলোক আমাৰ কাৰ্যালয়ত প্ৰৱেশ কৰিছে। কোনোবা দিনা তেওঁলোকে আমাৰ ঘৰলৈ গৈ অত্যাচাৰ কৰিব। এয়া গণতন্ত্ৰৰ হত্যা।' ইপিনে, ইডি কাৰ্যালয়ৰ বাহিৰত টায়াৰ জ্বলাই বিক্ষোভ প্ৰদৰ্শন কৰে ৰাহুলৰ অনুৰাগীসকলে। কংগ্ৰেছৰ একাধিক কৰ্মীক আটক কৰে আৰক্ষীয়ে। বিক্ষোভৰ ফলত ৰাজধানীত যান-বাহন চলাচল বিপৰ্যস্ত হয়। সংসদত মহাত্মা গান্ধীৰ মূৰ্তিৰ পাদদেশত বিক্ষোভ প্ৰদৰ্শন কৰে কংগ্ৰেছ সাংসদসকলে। আজি পুৱা ১১ বাজি ৩৫ মিনিটত ই ডিৰ কাৰ্যালয়ত উপস্থিত হয় ৰাহুল। কালিৰ পৰা ১২ ঘণ্টা সোধ-পোছৰ সন্মুখীন হয় কংগ্ৰেছ নেতা।

# ভূটানৰ পানীয়ে সৃষ্টি কৰিছে তাণ্ডৱৰ

*এক পৃষ্ঠাৰ পৰা* ছিগিল মথাউৰি। এই পৰিস্থিতিত মূৰে-কপালে হাত দিছে বানাক্ৰান্তই।

**মূৰে-কপালে হাত দি ঈশ্বৰক চিন্তি দিন কটাইছে নৈপৰীয়া ৰাইজে**

বিগত কে'বাদিন ধৰি নেৰানেপেৰাকৈ আহি থকা বৰষুণৰ ফলত মৰাপাগলদিয়া নৈৰ বাঢ়নী পানীৰ কোবাল সোঁতত টিহুৰ উত্তৰ বালিত দুঠাইত ছিগিল মথাউৰি। মৰাপাগলদিয়া নৈখনৰ দুয়োপাৰে মথাউৰি ছিগাৰ ফলত পূব পাৰৰ গড়বেৰ, কৈহাটীপাৰা, সাৰাপাৰা, গোৰৱাদল, যাঠিকুছি, নদী পাৰ বড়ো চুবা আৰু পশ্চিমপাৰৰ উত্তৰ বালি, হাৰিভাঙা, ভোজকুছি, বৰপীত, ভয়ৰা আদি বৃহত্তৰ গ্ৰামাঞ্চলৰ ৰাইজ শংকিত হৈছে। নৈপৰীয়া বাসিন্দাই মূৰে-কপালে হাত দি ঈশ্বৰক চিন্তি দিন কটাইছে। প্ৰতিবছৰে ভূটান পাহাৰৰ পৰা কোবাল গতিত নামি অহা মৰাপাগলদিয়া নদীৰ বাঢ়নী পানীয়ে নিমিষতে গাঁওসমূহৰ কৃষিভূমি, ঘৰ-বাৰী, হাঁহ-কুকুৰা, গৰু-ছাগলী আদি উটুৱাই নি গঞা ৰাইজক ত্ৰাহি মধুসূদন দেখুৱাই আহিছে। আনকি মানুহৰ জীৱনৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰি আহিছে এই নৈখনৰ বলিয়া বানে। আজি পুৱাই মৰাপাগলদিয়া নদীৰ সোঁতে উত্তৰবালিৰ টিহু-আখৰা গড়কাপ্টানী পথৰ পৰা কৈহাটীপাৰালৈ যোৱা মৰাপাগলদিয়াৰ নৈৰ পূব পাৰৰ মথাউৰিটোৰ প্ৰায় ১০০ ফুট ছিগি নিয়াত অকল কৈহাটীপাৰায়ে নহয় বাগৰি যোৱা পানীয়ে বৃহত্তৰ অঞ্চলত ক্ষতি কৰিছে। আনহাতে, পশ্চিম পাৰৰ প্ৰায় ৩০ ফুট মথাউৰি ছিগাত বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈ পৰিছে। তদুপৰি পোহনীয়া গৰু-ছাগলী, হাঁহ-কুকুৰা আদি নিৰাপদে ৰখাৰ ক্ষেত্ৰত সমস্যা আহি পৰিছে। প্ৰতি বছৰে এই মথাউৰিটো পঞ্চায়তে কৃষিবান্ধ হিচাপে নিৰ্মাণ কৰে আৰু প্ৰতি বাৰিষাতে বাঢ়নী পানীয়ে ছিগি নিয়ে। ২০২০-২১ত টিহু-আখৰা গড়কাপ্টানী পথৰ পৰা উত্তৰবালিৰ দক্ষিণে পূব পাৰৰ মথাউৰিৰ বাবদ প্ৰায় ২০ লাখ টকা আৰু পশ্চিমপাৰৰ মথাউৰিৰ বাবদ প্ৰায় ২৭ লাখ টকা ব্যয় সাপেক্ষে পশ্চিম নামবৰভাগ গাঁও পঞ্চায়তে কৃষিবান্ধ হিচাপে নিৰ্মাণ কৰিছিল। কিন্তু বছৰটোৰ প্ৰথম বানতে মথাউৰি ছিগি নৈপৰীয়া ৰাইজক বিপৰ্যস্ত কৰি তুলিলে। মথাউৰি বা কৃষিবান্ধ নিৰ্মাণৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষৰ সুপৰিকল্পিত আঁচনিৰ অভাৱতে মৰাপাগলদিয়াৰ মথাউৰি বাৰে বাৰে কে'বাঠাইতো ছিগি অঞ্চলবাসীক বিপদত পেলাই আহিছে। স্থানীয় লোকে জনপ্ৰতিনিধিসকলৰ চৰম অৱহেলাৰ বাবে বছৰে বছৰে মথাউৰি ছিগি হাৰাশাস্তি কৰাৰ অভিযোগ কৰিছে। পূৰ্বে আমাৰ কাকতত এই সমস্যাটোৰ বিষয়ে সবিস্তাৰে বাতৰি প্ৰকাশ পোৱাৰ পাছত তদানীন্তন জলসম্পদ বিভাগৰ মন্ত্ৰী, স্থানীয় বিধায়ক, উপায়ুক্ত আদিয়ে ভগ্ন মথাউৰি পৰিদৰ্শন কৰিছিল যদিও উত্তৰবালিৰ খহনীয়া আৰু বানপানী সমস্যাৰ একো সমাধান নহ'ল।

**বজালীৰ নিত্যানন্দ কাৰৈমাৰী, ভৱানীপুৰত বানৰ তাণ্ডৱ**

পাটাছাৰকুছি সমষ্টিত কালদিয়া নৈয়ে সংহাৰী ৰূপ লৈছে। পাটাছাৰকুছি, পাঠশালা, নিত্যানন্দক কাৰৈমাৰী, হাঠিনাপুৰ, বাংলীপাৰা, পিপলা, অকয়া আদি বিভিন্ন অঞ্চল পহুমাৰা আৰু কালদিয়া নৈৰ পানীয়ে বুৰাই পেলাইছে। বজালী জিলাত নতুনকৈ সংযোজন হোৱা সৰুক্ষেত্ৰী সমষ্টিত কাৰৈমাৰী, হাঠিনাপুৰ অঞ্চলত কালদিয়া নৈয়ে মথাউৰি ছিগাৰ বাবে বহু পৰিয়ালে ঘৰ-বাৰী এৰি ওখ স্থানত আশ্ৰয় লয়। ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন স্থানত পহুমৰা আৰু পল্লাৰ বাঢ়নী পানীয়ে বহু গাঁও প্লাৱিত কৰিছে। পহুমাৰা নৈৰ বানৰ কবলত মাধৱপুৰ গাঁওকুচি, কৰাগাৰী পহৰা পথাৰ, কহৰা, কুৰুবাহা পথাৰ আদি অঞ্চল প্লাৱিত হৈছে। একেদৰে পল্লা নদীয়ে শুকমানাহ ধৰি কে'বাখনো গাঁও প্লাৱিত কৰিছে। বানৰ তাণ্ডৱত বিধ্বস্ত হৈছে কৃষি পথাৰ। তদুপৰি গৰাখহনীয়াৰো সৃষ্টি হৈছে।

**দিৰিং নৈৰ সোঁতত উটিল দলং পাখামাৰাত প্ৰৱল গৰাখহনীয়া**

বিগত কিছুদিন ধৰি নেৰানেপেৰাকৈ বৰষুণত ভূটানৰ পৰা বৈ অহা দিৰিং নদীৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত মুছলপুৰৰ পাখামাৰাত প্ৰৱল গৰাখহনীয়াৰ সৃষ্টি হৈছে। ৩০-৪০ বছৰ পূৰ্বে পাখামাৰাত দিৰিং নৈখন যি স্থানেৰে বৈ গৈছিল সম্প্ৰতি সেই স্থানৰ পৰা ৩০-৪০মিটাৰ পশ্চিম দিশেৰে বৈ গৈছে। নৈখনে ধাৰাবাহিকভাৱে পাখামাৰাত গৰাখহনীয়াৰ সৃষ্টি কৰাত ইতিমধ্যে সাত-আঠটা পৰিয়াল নৈৰ বুকুত জাহ গৈছে। পৰিয়ালকেইটা এই স্থানৰ পৰা অইন স্থানলৈ উঠি গৈছে। পুনৰ দুই- তিনিটা পৰিয়াল নৈত জাহ যোৱাৰ আশংকা কৰা হৈছে। ৰাইজে নিজাববীয়াকৈ খহনীয়া ৰোধৰ ব্যৱস্থা কৰি আহিছে যদিও খহনীয়া ৰোধ কৰিব পৰা নাই। প্ৰতিটো নিৰ্বাচনৰ আগমুহূৰ্তত নেতা-পালিনেতাসকলে ইয়ালৈ আহি খহনীয়া ৰোধ কৰিব বুলি কৈ ভোট ভিক্ষা কৰে যদিও নিৰ্বাচন যোৱাৰ পাছত ওলোটা খৰ মাৰে। ফলত প্ৰতিবছৰে পাখামাৰা অঞ্চলত নৈৰ খহনীয়া বৃদ্ধি হয়। ইতিমধ্যে অঞ্চলটোৰ নৱেন বৈশ্য , দীনেশ বৈশ্য, উদয় বৈশ্য, প্ৰতাপ বৈশ্য, বীৰেন বৈশ্যৰ ঘৰ-দুৱাৰ নৈত জাহ গৈছে। এতিয়া প্ৰফুল্ল বৈশ্য আৰু দিলীপ বৈশ্যৰ বাসগৃহকেইটা খহনীয়াৰ কবলত। কেতিয়া নৈত জাহ যায় তাৰ ঠিকনা নাই।

বানত আজি খহি পৰিল পকী দলং। চাউলকাঢ়াত দিৰিং নদীৰ ওপৰত থকা পকী দলংখন আজি পুনৰ খহি পৰে। দিৰিং নদীৰ বাঢ়নী পানীয়ে ভাঙি পেলায় দলংখন। ফলত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে সুৱণখাটা-নিকাছি যাতায়াত ব্যৱস্থা। উল্লেখ্য যে বিগত চাৰি বছৰ পূৰ্বে বাৰিষা নৈখনৰ প্ৰৱল সোঁতে দলংখন চিঙি পেলোৱাৰ পাছত অঞ্চলটোৰ ৰাইজে বাঁহৰ দলং সাজি যাতায়াত কৰি আহিছিল। কিন্তু আজি পুনৰ ভূটান সীমান্তৰ পৰা বৈ অহা নৈখনৰ প্ৰৱল সোঁতে দলংখন ছিঙি পেলোৱাত পথটোৰে যাতায়াত বন্ধ হয়। এতিয়া জিলা সদৰ মুছলপুৰলৈ অহাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হ'ব ৰাইজ। আনহাতে, বহু ছাত্ৰ-ছাত্ৰীৰো শৈক্ষিক জীৱনত প্ৰভাৱ পৰিব। উল্লেখ্য যে বিগত বৰ্ষত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে দলংখনৰ পুনৰ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে কাৰ্যকৰী নহ'ল। যাৰ ফলত এতিয়া ৰাইজ সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে।

**শালবাৰীত ৰূপহী নদীৰ তাণ্ডৱ খহনীয়াৰ কবলত ৰূপহী দলং**

বাগ্‌সাৰ শালবাৰীত ৰূপহী নদীৰ তাণ্ডৱ। ফেনেফোটোকাৰে বাঢ়িছে ৰূপহী নৈৰ জলপৃষ্ঠ। ৰূপহী নৈৰ বাঢ়নী পানীৰ তাণ্ডৱৰ বাবে ইতিমধ্যে ৰূপহী দলঙৰ উত্তৰ মূৰৰ পশ্চিম পাৰত প্ৰবল খহনীয়াৰ সৃষ্টি হৈছে। যাৰ ফলত গড়কাপ্টানী পথটোৰ অৱস্থা অতিকৈ শোচনীয় তথা ভয়াৱহ হৈ পৰিছে। যোৱা কিছু দিন ধৰি নেৰানেপেৰা বৰষুণ হৈ থকাৰ ফলত ৰূপহী নদীৰ পানীত বৃহত্তৰ ৰূপহী অঞ্চলৰ খেতিপথাৰৰ লগতে খেতিয়কৰ নতুনকৈ ৰোৱা শালি ধান, কঠীয়া আদি পানীৰ তলত ডুব গৈছে। অতি কম সময়ৰ ভিতৰতে ৰূপহী নদীৰ পানী পাৰ ভাগি বিভিন্ন অঞ্চল প্লাৱিত কৰাৰ সম্ভাৱনাই দেখা দিছে। স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষ তথা জিলা প্ৰশাসনক ক্ষতিগ্ৰস্ত খেতিয়কসকলৰ ক্ষয়ক্ষতি নিৰূপণ কৰি সাহায্য প্ৰদান কৰিবলৈ অনুৰোধ জনাইছে। ইফালে, ৰূপহী নৈৰ জলপৃষ্ঠ বৃদ্ধিৰ বাবেই শালবাৰীৰ সমীপৰ্তী তথা বজালীৰ অন্তৰ্গত পানপাৰা, চেংলীমাৰী আদিত বাঢ়নী পানীৰ সৃষ্টি হোৱাত ৰাইজৰ মাজত আতংকই বিৰাজ কৰিছে।

**আনন্দ বজাৰ-শান্তি বজাৰ পথৰ পাটলাত বাঢ়নী পানীয়ে ছিগিলে পথ**

বাগ্‌সাৰ শালবাৰীৰ আনন্দ বজাৰ পাটলাত বাঢ়নী পানীৰ সোঁতে ছিঙিলে পথ। আনন্দ বজাৰ-শান্তি বজাৰ সংযোগী পথত যোগাযোগ বিচ্ছিন্ন হৈছে। আজিৰে পৰা ইপাৰ-সিপাৰ হ'ব পৰা নাই কোনো লোকে। পথটোৰ দুয়োদিশে স্কুল-কলেজলৈ অহা-যোৱা কৰা ছাত্ৰ-ছাত্ৰীও আজি আৱদ্ধ হৈ পৰে পাটলাত ছিঙি যোৱা পথছোৱাৰ বাবে। উল্লেখ্য যে আনন্দ বজাৰ-শান্তি বজাৰ সংযোগী পথটোৰে নিতৌ অহা-যোৱা কৰে প্ৰায় ২০-২৫ খন গাঁৱৰ ৰাইজৰ লগতে স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে। আজি পুৱাৰ ভাগত পাটলা ৰাখল এম ই স্কুলৰ নাতিদূৰৈত নেৰানেপেৰা বৰষুণৰ বাবেই পানীৰ সোঁত বোৱাৰ ফলত পথছোৱা সম্পূৰ্ণৰূপে ছিঙি যায়। পথটোৰে যাতায়াত ব্যৱস্থা এতিয়া সম্পূৰ্ণ বিচ্ছিন্ন।

**বিছমুৰী আশ্ৰয় শিবিৰত বাহৰ পাতিছে ৩৭ টা-পৰিয়ালে**

কোকৰাঝাৰ জিলাৰ ভাৰত-ভূটান সীমান্তবৰ্তী সুবাইঝাৰৰ বিস্তীৰ্ণ অঞ্চল চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ পৰা বৈ অহা পানীৰ ধলে প্লাৱিত কৰাত বানৰ কবলত পৰিছে অৰ্ধ শতাধিক পৰিয়াল। ইতিমধ্যে অঞ্চলটোৰ শ শ ঘৰ-বাৰী বানৰ কবলত ডুব যোৱাত অসহায় পৰিয়ালবোৰে নিৰাপদ স্থানলৈ ঢাপলি মেলিবলৈ বাধ্য হৈছে যদিও বানৰ কবলত হাঁহ, গৰু, গাহৰি পশুধন উটি যোৱা আৰু সা-সম্পত্তি ক্ষতিগ্ৰস্ত হৈছে।

ইতিমধ্যে বিছমুৰীৰ গৌৰ্জানপুৰীত বানপানীৰ কবলত পৰা আক্ৰান্ত ৩৭ টাকৈ পৰিয়াল আশ্ৰয় শিবিৰত থিতাপি লৈছে। ইয়াৰে আশ্ৰয় শিবিৰত প্ৰাপ্তবয়স্ক ১১৯ গৰাকী আৰু কণ কণ শিশু, নাবালক ৩৭ জন সহ সৰ্বমুঠ ১৫৬ গৰাকী লোকে আজি বিছমুৰী গৌজৌনপুৰী ভিচিডিচি কাৰ্যালয়ৰ আশ্ৰয় শিবিৰত বাহৰ পাতিছে। কোকৰাঝাৰ জলসম্পদ বিভাগৰ অধীনস্থ চম্পাৱতী নৈৰ পানী বিপদ সীমা অতিক্ৰম কৰাৰ লগতে অহা ২৪-৩৬ ঘণ্টাত জিলাখনত ধাৰাসাৰ বৰষুণ অব্যাহত থাকিলে গৌৰাং, সোণকোষ, মদাতী, গুৰুফেলা, সৰলভাঙা, গংগিয়া আৰু লংগা নৈৰ পানী বিপদসীমা অতিক্ৰম কৰিব বুলি বিভাগীয় সূত্ৰে প্ৰকাশ।

# বোকা-পানীত একাকাৰ সৌৰামুৰী-কদমতল-চন্দ্ৰপুৰ পথ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ জুন ঃ** 'সময় পালে আমাৰ পথত এবাৰ আহি যাব। পথতে হোৱা বোকাপানী এবাৰ গচকিব।' এই মন্তব্য হাজো সমষ্টিৰ অন্তৰ্গত সৌৰামুৰীৰ এজাক ভুক্তভোগী ৰাইজৰ। উল্লেখ্য যে সমষ্টিটোৰ অন্তৰ্গত বাৰাংহাটী গাঁও পঞ্চায়তৰ অধীনস্থ সৌৰামুৰী-কদমতল চ'কৰ পৰা চন্দ্ৰপুৰলৈ যোৱা পথটো বছৰ বছৰ ধৰি বোকাপানীৰে একাকাৰ হৈ ৰাইজক জীয়াতু ভোগাই আছে। ইতিমধ্যে পথটোৰ দুৰ্দশা বৰ্ণনা কৰি স্থানীয় বিধায়িকা তথা পঞ্চায়ত প্ৰতিনিধিক বাৰম্বাৰ মেৰামতিৰ বাবে অনুৰোধ কৰি আহিছে যদিও তেওঁলোকে হ'ব হ'ব বুলি ৰাইজক আভুৱাভাঁৰি দিন নিয়াইছে। সেয়েহে ৰাইজে বিধায়িকা তথা জনপ্ৰতিনিধিক এবাৰ পথটো স্ব-চক্ষে প্ৰত্যক্ষ কৰিবলৈ অনুৰোধ জনাই কয় যে বৰ্তমান পথটোৰ অৱস্থা দেখিলে সমষ্টিটোৰ প্ৰকৃত উন্নয়নৰ ছবি স্পষ্ট হ'ব। বোকা আৰু পানীৰ বাবে পথচাৰী জোতা-ছেণ্ডেল হাতত লৈ খোজ কাঢ়িব লগা অৱস্থা হৈছে। স্থানীয় বিধায়িকাই যোৱাটো কাৰ্যকালতে পথটো শ্লেভাৰ ব্লকৰে নিৰ্মাণ কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। পঞ্চায়তৰ প্ৰতিনিধিও সেই একে কথাই কৈছিল। পিছে কথা আৰু কমাৰ মিল নাই বাবে বৰ্তমানলৈ পথটো এনেদৰে থাকিব লগা হ'ল। পথটো অতিপাত গুৰুত্বপূৰ্ণ। দিনটো যান-বাহনকে ধৰি ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ চলাচল বহুত বেছি। বৰ্তমান পথটোৰ অৱস্থাৰ বাবে একাংশ ৰাইজে বিকল্প পথ ল'বলৈ বাধ্য হৈছে।

# 'এনকাউণ্টাৰ' হত্যা-পিপিই কিট

*এক পৃষ্ঠাৰ পৰা* দ্বাৰা যুটীয়াভাৱে প্ৰদান কৰা স্মাৰকপত্ৰখনত অভিযোগ কৰা হয় যে ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছৰে পৰা ৰাজ্যখনত 'এনকাউণ্টাৰ' হত্যাৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। সন্দেহ কৰাৰ থল আছে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনৰ পৃষ্ঠপোষকতাতে এই অবৈধ, অসাংবিধানিক আৰু মানৱ অধিকাৰ হৰণকাৰী হত্যাকাণ্ডবোৰ সংঘটিত হৈছে। শেহতীয়াভাৱে বটদ্ৰৱাৰ ঘটনাক কেন্দ্ৰ কৰি দুজনকৈ লোকক আৰক্ষীৰ দ্বাৰা হত্যা কৰা আৰু বটদ্ৰৱা থানাত অগ্নিসংযোগ কৰা ঘটনাতো স্মাৰকপত্ৰখনত গভীৰ উদ্বেগ প্ৰকাশ কৰা হয়। বিজেপি চৰকাৰে যি সাম্প্ৰদায়িক ৰাজনীতি বিয়পাই দিছে তাৰে অংশৰূপে মুছলমান লোকক 'এনকাউণ্টাৰ'ৰ বিশেষ লক্ষ্য কৰি লোৱা হৈছে বুলিও স্মাৰকপত্ৰত কোৱা হয়।

অলপতে 'দি ৱায়াৰ' আৰু 'দি ক্ৰছকাৰেণ্ট' নামৰ সংবাদ প্ৰতিষ্ঠান দুটাই ক'ভিডৰ সময়ত পিপিই কিট যোগানৰ নামত হোৱা কেলেংকাৰি তথ্যসহ দাঙি ধৰিছে। মুখ্যমন্ত্ৰীৰ পত্নী আৰু তেওঁৰ পৰিয়ালৰ ঘনিষ্ঠ ব্যৱসায়ীক সকলো নিয়ম-নীতি ভংগ কৰি কিদৰে পিপিই কিট যোগানৰ ঠিকা দিয়া হৈছিল সেই কথা সবিস্তাৰে প্ৰকাশ পাইছে। স্মাৰকপত্ৰত এই বিষয়েও উল্লেখ কৰি ইয়াৰ উপযুক্ত তদন্তৰ দাবী জনোৱা হৈছে।

স্মাৰকপত্ৰৰ জৰিয়তে দাবী কৰা হৈছে যে 'এনকাউণ্টাৰ' হত্যাৰ ঘটনাবোৰ এগৰাকী উচ্চ ন্যায়ালয়ৰ কৰ্মৰত ন্যায়াধীশৰ দ্বাৰা তদন্ত কৰাব লাগে আৰু এই ঘটনাবোৰৰ স'তে জড়িত অপৰাধী পুলিচ বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ তত্বাৱধানত চিবিআইৰ দ্বাৰা পিপিই কিট কেলেংকাৰিৰ দ্ৰুত তদন্ত কৰাৰ বাবেও স্মাৰকপত্ৰৰ জৰিয়তে দাবী জনোৱা হৈছে।

প্ৰতিনিধি দলটোত কংগ্ৰেছৰ মীৰা বৰঠাকুৰ আৰু মনজিৎ মহন্ত, চিপিআই (এম)ৰ সুপ্ৰকাশ তালুকদাৰ আৰু ইচফাকুৰ ৰহমান, চিপি আইৰ মুনিন মহন্ত আৰু চক্ৰেশ্বৰ কলিতা, চি পি আই (এম-এল)ৰ নৰেন বৰা আৰু পংকজ কুমাৰ দাস, অসম জাতীয় পৰিষদৰ ৰাজু ফুকন আৰু প্ৰিন্স ফাইজুল হক, ৰাইজৰ দলৰ ঘনশ্যাম নাথ আৰু আঞ্চলিক গণমৰ্চাৰ প্ৰণৱজ্যোতি চেতিয়াই অংশগ্ৰহণ কৰে।

# ড° বৰাই সূতাৰ ওপৰেৰে খোজ কাঢ়িব

*এক পৃষ্ঠাৰ পৰা* মন্তব্য কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, গৱেষক ড° গোবিন্দ প্ৰসাদ শৰ্মাই। বক্তৃতানুষ্ঠানত মূল বক্তাৰূপে অংশগ্ৰহণ কৰি প্ৰয়াত ড° বৰাৰ জীৱনৰ সৃষ্টিৰাজিৰ সমান্তৰালভাৱে বহু দিশ উপস্থাপন কৰি ড° শৰ্মাই কয় যে ড° বৰাৰ অধিকাংশ সৃষ্টিৰ মূল আধাৰ আছিল গাঁৱলীয়া জীৱনৰ প্ৰতিচ্ছবি। প্ৰাৰম্ভিক অৱস্থাত 'ৰামধেনু'ত প্ৰকাশ পোৱা গল্পসমূহ যিয়ে পঢ়িছিল শেষ নোহোৱালৈকে তাক এৰিব পৰা নাছিল। একোটা গল্পৰ জৰিয়তে তেওঁ সংশ্লিষ্ট স্থান বা দিশসমূহ জীৱন্ত ৰূপত তুলি ধৰিব পাৰিছিল আৰু ইয়াৰ বাবে পাঠক সমাজে তেওঁৰ সৃষ্টিৰাজিৰ প্ৰতি বিশেষ গুৰুত্ব প্ৰদান কৰিছিল বুলি তেওঁ কয়। চহৰত থাকিও ড° বৰাই কেতিয়াও গাঁৱৰ স'তে মৰম-চেনেহ কমাই দিয়া নাছিল বুলি মন্তব্য কৰি ড° শৰ্মাই পুনৰ কয়, 'আজিৰ সমাজ জীৱনত আমি বহুতেই চহৰীয়া হৈ গাঁৱৰ কথা পাহৰি যাওঁ। গাঁৱৰ পৰা আহি চহৰৰ পোৱাৰ পাছতে সম্পৰ্ক ছেদ কৰি দিওঁ; কিন্তু ড° বৰা তেনে প্ৰকৃতিৰ লোক নাছিল। নগাঁৱৰ এখন গাঁৱৰ পৰা আহি মহানগৰত থাকি এজন প্ৰতিষ্ঠিত লোক হিচাপে পৰিচয় লাভ কৰাৰ পাছতো ড° বৰাই মৃত্যু পৰ্যন্ত গাঁৱৰ মানুহৰ লগত আপোন হৈ থাকিল।' বেয়া বা বিতৰ্ক হ'ব বুলি বহু লেখকে হাত নিদিয়া সত্যৰ দিশসমূহ ড° বৰাই তুলি ধৰি সকলো দিশ তন্ন তন্নকৈ বুজাই দিবলৈ সক্ষম হৈছিল বুলি মন্তব্য কৰি শংকৰদেৱ, মাধৱদেৱৰ পৰা ব্ৰাহ্মণ্য আৰু অব্ৰাহ্মণ্য সমাজৰ দিশসমূহ উদাহৰণসহ দাঙি ধৰি ড° শৰ্মাই কয়, 'ড° বৰাই সূতাৰ ওপৰেৰে খোজ কাঢ়িব পাৰিছিল। তেওঁৰ সৃষ্টিৰাজিত কেতিয়াও সূতা ছিঙি পৰি যোৱা নাছিল বৰঞ্চ অধিক শক্তিশালীহে হৈছিল। সমাজৰ দ্বি-বিভাজন তেওঁ ঔপন্যাসৰ জৰিয়তে ফুটাই তুলি এনে ব্যৱস্থাক শেষ কৰাৰ চেষ্টা কৰিছিল।' উল্লেখ্য যে সৃষ্টিৰাজিৰ জৰিয়তে ড° বৰাই এফালে যদি গাঁৱলীয়াৰূপে পৰিচয় বহন কৰিবলৈ সক্ষম হৈছিল আৰু আনফালে 'কায়কল্প'ৰ সৃষ্টিৰে বিজ্ঞানৰ দিনত প্ৰতিভা দাঙি ধৰি সকলোকে চমক দিবলৈ সক্ষম হৈছিল বুলি অৱসৰপ্ৰাপ্ত অধ্যাপকগৰাকীয়ে মন্তব্য কৰে। মৃত্যু পৰ্যন্ত যুৱক হৈ থকা ড° বৰাই গাঁৱলীয়া সমাজ জীৱনৰ পৰা বিজ্ঞানলৈ সকলোতে সমানে বিচৰণ কৰিব পাৰিছিল আৰু এনে অসাধাৰণ সৃষ্টিৰ বাবেই তেওঁ যুগে যুগে অমৰ হৈ থাকিব বুলি ড° শৰ্মাই কয়। উল্লেখ্য যে প্ৰয়াত ড° বৰাৰ ৯০ সংখ্যক জন্ম বাৰ্ষিকী উপলক্ষে আয়োজিত তথা সেউজী বৰা নেওগে আঁত ধৰা এই অনুষ্ঠানত প্ৰথমে প্ৰয়াত বৰাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সুৰেন তালুকদাৰৰ সঞ্চালনাত তথা অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকাৰ, কটনৰ ভাৰপ্ৰাপ্ত পঞ্জীয়ক মহাদেৱ পাটগিৰিয়ে অংশ লোৱা এই অনুষ্ঠানত 'গৰীয়সী'ৰ বাছকবনীয়া সম্পাদকীয় আৰু অ-সম্পাদকীয়' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰা হয়। জ্যোতি প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা তথা পুত্ৰ ত্ৰিদিব নন্দন বৰাৰ সম্পাদনাত প্ৰকাশ পোৱা গ্ৰন্থখনত 'গৰীয়সী'ৰ সম্পাদক হৈ থকাৰ সময়ত ২০০৯ৰ মে'ৰ পৰা ২০২১ৰ মে'লৈ প্ৰকাশ পোৱা ড° বৰাৰ প্ৰায় ডেৰ শতাধিক নিৰ্বাচিত সম্পাদকীয় আৰু অ-সম্পাদকীয় প্ৰকাশ কৰা হৈছে। উল্লেখ্য যে ড° বৰাৰ তিনি জুনৰ মৃত্যুৰ দিনটোৰ পৰিৱৰ্তে প্ৰতিবছৰে ১৫ জুনত তেওঁৰ অমৰ সৃষ্টিৰাজিক লৈ উদ্‌যাপনৰ দিনৰূপে পালন কৰা আৰু ইয়াক আগবঢ়াই নিয়াৰ বাবে এখন সাহিত্য ন্যাস গঠন কৰা হৈছে বুলি পুত্ৰ স্বৰূপ নন্দন বৰাই সদৰী কৰে।

**ড° লক্ষ্মীনন্দন বৰা সাহিত্য ন্যাসৰ কে'বাটাও বঁটা ঘোষণা**

প্ৰয়াত ড° বৰাৰ সৃষ্টিৰাজিক জীয়াই ৰখাৰ উদ্দেশ্যে সাহিত্য ন্যাসে আজি কে'বাটাও বঁটা ঘোষণা কৰে। স্বৰূপ নন্দন বৰাই সদৰী কৰা অনুসৰি, এজন বিশিষ্ট সাহিত্যিকলৈ বাৰ্ষিক 'ড° লক্ষ্মীনন্দন বৰা সাহিত্য বঁটা' নামেৰে এটা জীৱনজোৱা সাধনা বঁটা প্ৰদান কৰা হ'ব। ৪০ বছৰৰ অনূৰ্ধ্ব শ্ৰেষ্ঠ যুৱ ঔপন্যাসিক বা চুটি গল্প লেখকলৈ বাৰ্ষিক-দ্বি-বাৰ্ষিক বঁটা প্ৰদান কৰা হ'ব। বাৰ্ষিক 'ড° লক্ষ্মীনন্দন বৰা স্মাৰক বক্তৃতানুষ্ঠান', ড° বৰাৰ সৃষ্টিৰাজিক ভাৰতীয় ভাষা তথা ইংৰাজীলৈ অনুবাদৰ ক্ষেত্ৰত সহযোগিতা, গৱেষণা কৰা গৱেষকলৈ এককালীন জলপানি প্ৰদান, কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ স্নাতক বা স্নাতকোত্তৰ মেধাৱী শিক্ষাৰ্থীক বঁটা-জলপানি প্ৰদান, উচ্চ শিক্ষানুষ্ঠানৰ পুথিভঁৰাললৈ গ্ৰন্থদান, প্ৰয়াত ড০ বৰাৰ প্ৰয়াত পত্নীৰ সোঁৱৰণত জীৱনজোৱা সাধনা বঁটাপ্ৰাপকৰ পতি বা পত্নীলৈ স্বীকৃতিস্বৰূপে 'মাধুৰী বৰা সাৰথি বঁটা' প্ৰদান কৰা হ'ব বুলি আজি ঘোষণা কৰে।

# যতীন গোস্বামী

*এক পৃষ্ঠাৰ পৰা* ঠাকুৰীয়াই অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক হিচাপে নিৰ্বাচিত। তাতোকৈ বিস্ময়জনক কথা, আমাক সেই বৰ্ষৰ অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক হিচাপে নিৰ্বাচিত বা মনোনীত কৰা হ'ল। তেতিয়াৰ পৰাই যতীন গোস্বামীৰ স'তে আমাৰ এক প্ৰসংগৰ সূচনা ঘটিল।

যতীন গোস্বামীৰ উপস্থিতি আমি অনেক অনুষ্ঠান-প্ৰতিষ্ঠানত দেখিছো। কামৰূপ অনুসন্ধান সমিতি, কামৰূপ জিলা সাহিত্য সভা, অসম ভাষাবিজ্ঞান সমিতি, ইণ্ডিয়ান আৰ্কিঅ'লজিকেল ছ'চাইটিৰ দৰে সংগঠনবোৰৰো তেওঁ সদস্য আছিল।

প্ৰথমে তেওঁ এটি চৰকাৰী চাকৰি কৰিছিল বুলি শুনিছো। সেই চাকৰি ত্যাগী তেওঁ বিদেশী বিতাড়ন আন্দোলনত নামি পৰাটো আমি দেখিছো। মুঠৰ ওপৰত, গোস্বামী যে এগৰাকী সক্ৰিয় সমাজকৰ্মী আৰু জাতীয়তাবাদী লোক তাত সন্দেহ নাই। ১৯২৫ত তেওঁৰ জন্ম পাটাছাৰকুছিত।

আমি অসম সাহিত্য সভাত থকাৰ সময়ত গোস্বামীক অতি ঘনিষ্ঠভাৱে পাইছিলো। তেওঁ আছিল এগৰাকী অতি কৰ্মদক্ষ উপ-সভাপতি। আনহাতে, ড° ৰামচৰণ ঠাকুৰীয়াৰ দৰে এগৰাকী অতি কৰ্ম চঞ্চল প্ৰধান সম্পাদক। এইখিনিতে এটা কথা কোৱা ভাল, অসম সাহিত্য সভাৰ বাৰ্ষিক অধিবেশনবোৰৰ আকাৰ-আয়তনৰ কথা বহলাই ক'লেও সম্পূৰ্ণ নহ'ব। সেয়া এক বৃহৎ কাৰবাৰ। নিয়ম অনুসৰি সভাৰ বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰিব লাগে সভাৰ সভাপতিজনে। কিন্তু বিষয় বাছনি সভাবোৰত আমি থকা সময়ত সভাৰ সভাপতিক দেখা নগৈছিল। তেওঁৰ প্ৰতিনিধিত্ব কৰিছিল উপ-সভাপতিয়ে। এনে এখন ছবিয়েই আমি দেখিছিলো ১৯৯২ত। লক্ষ্যধৰ চৌধুৰীয়ে সেই বৰ্ষত সভাপতি আৰু যতীন গোস্বামী উপ-সভাপতি। ড° ৰামচৰণ ঠাকুৰীয়া প্ৰধান সম্পাদক। সভাৰ সকলোখিনি তিতা-কেঁহা গোস্বামী আৰু ঠাকুৰীয়াইহে বহন কৰিবলগীয়া হৈছিল। আমি দেখিছো, গোস্বামীয়ে অতি ধৈৰ্যসহকাৰে বিষয় বাছনি সভাৰ গৰম বতাহবোৰ সহ্য কৰি গৈছিল। এইখিনি গুণ অৰ্থাৎ ধৈৰ্য ধৰাৰ গুণ ঠাকুৰীয়াৰো আছিল। তেওঁ যেতিয়া মঞ্চৰ পৰা উঠি আহি বাহিৰত অনৰ্গলভাৱে চিগাৰেট হুপিবলৈ আৰম্ভ কৰিছিল, তেতিয়াই বুজিছিলো তেওঁ গৰম বতাহ সহ্য কৰিব নোৱাৰি বাহিৰলৈ ওলাই আহি অনৰ্গল চিগাৰেট হুপিবলৈ আৰম্ভ কৰিছে।

গোস্বামী সাহিত্য সভাৰ উপ-সভাপতি হিচাপে একাধিকবাৰ থাকিল। তেওঁৰ স'তে আমি অসমৰ ভিন ভিন ঠাইৰ বিভিন্ন সভাত উপস্থিত আছো। তেনেবোৰ সভাতো আমি তেওঁক হাস্যমুখেই দেখিছো।

গোস্বামীৰ সাহিত্য কৰ্মও অতি ব্যাপক। তেওঁৰ সাহিত্য কৰ্মৰ ক্ষেত্ৰখন গৱেষণাধৰ্মী। তথাপি তেওঁৰ সাহিত্য কৰ্ম এতিয়াও বিশেষভাৱে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হোৱা নাই। গুণগত কাৰণত নহয়। সাহিত্য ক্ষেত্ৰত নীৰৱে বিৰাজ কৰা লবিকেন্দ্ৰিকতাই এনে হোৱাৰ মূল কাৰণ। আমাৰ কলেজ, বিশ্ববিদ্যালয়ৰ লেখক এগৰাকীয়ে লিখা অনেক দুৰ্বল লেখাও সবল লেখা বুলি স্বীকৃতি পায় তাৎক্ষণিকভাৱে। কাৰণ সেইবোৰ কিতাপ বিষয় সাপেক্ষ প্ৰসংগপুথি হিচাপে তালিকাত সুমুৱাই দিয়া হয়। কলেজ-বিশ্ববিদ্যালয়ৰ বাহিৰৰ লেখকৰ বাবে সেয়া সম্ভৱ নহয়। যতীন গোস্বামীও এনে লবিকেন্দ্ৰিকতাৰেই বলি।

'অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস', 'অসমীয়া লিপিৰ ইতিহাস' গোস্বামীৰ দুখন নিৰ্ভৰযোগ্য গ্ৰন্থ। অসমীয়া ভাষাৰ ইতিহাস অসমত কে'বাখনো আছে। অসমীয়া লিপিৰ ইতিহাস এতিয়াও আমাৰ বাবে গৱেষণাৰ বিষয়। কিন্তু সেই ক্ষেত্ৰত আমাৰ সক্ৰিয়তা লেহেমীয়া।

সৃষ্টিশীল বা 'ক্ৰিয়েটিভ' ৰচনাৰ ক্ষেত্ৰতো গোস্বামীয়ে পিছ পৰি থকা ব্যক্তি নহয়। ঢৌ যেতিয়া আহে', 'ধূলি -হে-ধূলি', 'মাটিৰ বুকুত', 'অব্যয় অব্যক্ত', 'দীৰ্ঘনামা নগৰীয়া' আদি গ্ৰন্থৰ মাপত গোস্বামীৰ ভিতৰৰ ব্যক্তি সত্তাক বিচাৰি উলিয়াব পাৰি। নিজৰ গ্ৰন্থসমূহক প্ৰকাশ কৰি উলিয়াবলৈ তেওঁ 'জয়া প্ৰেছ' নামৰ এটি মুদ্ৰণ প্ৰতিষ্ঠানো গঢ়ি তুলিছিল। আলোচনাক আৰু নবহলাও।

আজি-কালি আমাৰ সহৰ সংখ্যক লোকেই ৰাজহুৱা সা-সমস্যাৰ বাবে নিজৰ নিজৰ আদৰ্শকো বলিদান দিবলৈ কুণ্ঠাবোধ নকৰে। তেনে বঁটা বা সন্মান লাভৰ বাবে তেওঁলোকে নিজ নিজ ধৰণে চেষ্টাও কৰে। কিন্তু যতীন গোস্বামীক যেতিয়া অসম সাহিত্য সভাই 'সাহিত্যাচাৰ্য' সন্মান প্ৰদান কৰিব খুজিছিল, তেওঁ তেনে সন্মানৰ বাবে যোগ্যপুৰুষ নহয় বুলি প্ৰদত্ত সন্মান গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। তেওঁৰ যুক্তি-অসমত এতিয়াও অনেক পণ্ডিত লোক আছে। তেনে পণ্ডিতৰ বাবেহে সেই সন্মান সংৰক্ষিত থাকক। সাহিত্য ক্ষেত্ৰৰ বঁটা-বাহন আৰু নিজৰ বিষয়ে নিজৰ ধাৰণাৰ ক্ষেত্ৰত তেওঁৰ আপোচবিহীন কথা-বতাবোৰে কাৰোবাক অনুপ্ৰাণিত কৰিছে নে কৰা নাই সেয়া এক সুকীয়া কথা, কিন্তু তেওঁৰ তেনে দৃষ্টিভংগীয়ে মোক বিশেষভাৱে প্ৰভাৱিত কৰিছে।

সভাৰ ফালৰ পৰা আমি অসমৰ বিভিন্ন স্থানলৈ গৈছো। যতীন গোস্বামীক সভা-সমিতিবোৰত দেখিছো। যিকোনো পৰিস্থিতিতেই তেওঁৰ গালভৰা মুখখন অদৃশ্য হৈ পৰা নেদেখিলো। অসম সাহিত্য সভাৰ বিষয় বাছনি সভাবোৰত সভাপতিগৰাকীক অনপস্থিত দেখিছিলো। কিন্তু উপ-সভাপতি যতীন গোস্বামীকহে দেখিছিলো। সাহিত্যিক হৈয়ো 'সাহিত্যাচাৰ্য'ৰ সন্মান গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা ব্যক্তিগৰাকীয়েই হ'ল যতীন গোস্বামী। সম্প্ৰতি তেওঁৰ শাৰীৰিক অসুস্থতাৰ কথা জানো। তেওঁ আৰোগ্য হোৱাটো বিচাৰো।

*ফোন ঃ ৯৮৫৪০৫০৯৪৭*

■ পানীৰ তলত শালি কঠীয়া ঃ কৃষকৰ হাহাকাৰ, খাদ্যৰ অভাৱত পৰিছে পশুধন

# বাহাৰঘাট, বৰভাগৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ জুন ঃ** কে'বাদিনো ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বৰভাগ আৰু বনভাগ মৌজাৰ প্ৰায়ভাগ ঠায়ে পানীয়ে বুৰাই পেলোৱাৰ ফলত কৃষকৰ নাজলা-নথেল অৱস্থা হৈছে। উল্লেখ্য যে বছৰে বছৰে অঞ্চলটোত বাঢ়নী পানী সোমাই কৃষকক ৰামটাঙোন শোধাই আছে বানপানীয়ে। এইবেলিও আগতয়ী শালিধানৰ কঠীয়া সম্প্ৰতি পানীয়ে তল কৰাত একাংশ কৃষকে চকুৰে ধোঁৱা কোৱা দেখিছে। মনকৰিবলগীয়া যে প্ৰতিবছৰে বাৰিষাৰ আৰম্ভণিতে পাগলাদিয়াৰ পানী সোমাই কৃষকৰ সপোনক তচ্‌নচ কৰাটো নতুন কথা নহয়। বিশেষকৈ বৰভাগৰ দোকোঁহা গাঁৱত থকা দুসুঁতীৰ মুখৰ উন্মুক্ত জানটোৰে হোৱাহোৰে সোমাই অহা পানীয়ে সমগ্ৰ অঞ্চলটো বুৰাই ৰাইজক চৰম শাস্তি দি আহছিে। পূৰ্বৰ অগপ চৰকাৰৰ দিনত সঠাইজান আৰু দুসুতিৰ মুখৰ শ্লুইছ গেট স্থাপনৰ ক্ষেত্ৰত অভিলাষী আঁচনি লৈছিল। কিন্তু দুৰ্ভাগ্যজনক কথা যে তাৰ পৰৱৰ্তী চৰকাৰসমূহে সঠাইজান আৰু দুসুতিৰ মুখৰ শ্লুইছ গেট সম্পৰ্কে কেৱল মাত্ৰ ৰাজনীতি কৰিহে পাৰ কৰিলে। কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰিলে কোনো এখন চৰকাৰে। মাত্ৰ নিৰ্বাচনৰ সময়ৰ একপ্ৰকাৰ প্ৰতিশ্ৰুতি হৈ থাকিল বৰভগীয়াৰ অভিশাপ স্বৰূপ সঠাইজান আৰু দুসুতিৰ মুখৰ শ্লুইছ গেটখন। যাৰফলত বছৰে বছৰে যন্ত্ৰণা ভোগ কৰে বৰভাগ আৰু বনভাগ



মৌজাৰ একাংশ কৃষকে। অকল খেতিপথাৰৰে নহয় মাছপোহা পুখুৰী আৰু পুধনৰো যথেষ্ট ক্ষতিপ্ৰতিটো বাৰিষাত। এইবাৰো সেই একে অৱস্থা হৈছে। ইফালে ধাৰাবাহিক বৰষুণৰ ফলত প্ৰায়ভাগ পথৰে চাইদবাম নাই। এইসমূহ এতিয়া মৰণফান্দ হৈ ৰাইজক হাৰাশাস্তি কৰি আহিছে। আনহাতে খাদ্যৰ অভাৱত পৰিছে পশুধন। মুঠৰ ওপৰত এক যন্ত্ৰণাময় অৱস্থা এইসকল দুৰ্ভগীয়া ৰাইজৰ। কোনো এজন জনপ্ৰতিনিধিৰে খবৰ ল'বলৈ আহৰি নাই দুৰ্ভগীয়া কৃষকসকলৰ। মাথোঁ ভোগৰ সময়ত হিয়া উজাৰি সহায় কৰাৰ আশ্বাস। বৰক্ষেত্ৰী আৰু নলবাৰী সমষ্টিৰ অন্তৰ্গথ এইসকল কৃষকে আজি আক্ষেপ কৰি সাংবাদিকৰ আগত কয় যে চৰকাৰ গঠনৰ এবছৰ হৈ গ'ল। আমি বিধায়কজন কেনেকুৱা দেখিয়েই নাপালো। বছৰটোত বহুত দুৰ্যোগ পাৰ হৈ গ'ল অঞ্চলটোৰে। কোনো এটা দুৰ্যোগতে আমাৰ খবৰ ল'বলৈ আহৰি নাপালে জনপ্ৰতিনিধিয়ে। ইফালে, হাজো সমষ্টিৰ পশ্চিম বড়িগোগ মৌজাৰ বিভিন্ন অঞ্চ জলমগ্ন হৈ পৰিছে। কে'বাটাও বাটপথৰ অৱস্থা তথৈবচ। খোজ কাঢ়িব পৰা অৱস্থাত নাই। এইবোৰ দেখিও জনপ্ৰতিনিধি নিশ্চুপ হৈ থকাটো ভুক্তভোগী ৰাইজে দুৰ্ভাগ্যজনক বুলি অভিহিত কৰিছে।

# দশম স্থান লাভ কৰা এনিকংকনা গগৈৰ লগতে কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১৫ জুন ঃ** টেঙাখাত জাতীয় বিদ্যালয়ৰ পৰা ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ অসমৰ ভিতৰত দশম স্থান লাভ কৰা এনিকংকনা গগৈকে ধৰি বিদ্যালয়খনৰ ৩০ জন কৃতী ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অধ্যক্ষ লক্ষীনাথ শৰ্মাই। শিক্ষয়িত্ৰী ৰুমী গগৈ বসুমতাৰীয়ে পৰিৱেশন কৰা এটি বৰগীতেৰে আৰম্ভ কৰা সম্বৰ্ধনা সভাৰ আদৰণি ভাষণ প্ৰদান কৰি অধ্যক্ষ লক্ষীনাথ শৰ্মাই কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে কৃতিত্বৰ ধাৰাবাহিকতা অব্যাহত ৰখাৰ প্ৰচেষ্টাৰে অধ্যয়নত ব্ৰতী হ'বলৈ আহ্বান জনায়। সম্বৰ্ধনা সভাৰ আমন্ত্ৰিত বিশিষ্টৰূপে দুলীয়াজান অইল ইণ্ডিয়া লিমিটেডৰ জেনেৰেল মেনেজাৰ হৃদয়ানন্দ গোহাঁই, ডিব্ৰুগৰ মহাবিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক প্ৰদীপ চেতিয়া ফুকন, টেঙাখাত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ একলব্য সোণোৱাল, টেঙাখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱ ওজা আৰু বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দুৰ্লভ ৰঞ্জন গগৈয়ে বক্তব্য ৰাখি কৃতী ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী বিজয়লক্ষী বৰুৱা আৰু গুৰু দুৱৰায়ো অভিনন্দন জ্ঞাপন কৰি বক্তব্য ৰাখে। শিক্ষক দীপক গগৈয়ে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানত বিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ একোখনকৈ গামোচা, সম্বৰ্ধনা পত্ৰ আৰু কিতাপৰ টোপোলাৰে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱাৰ হয়। বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলকো একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হৈ দশম স্থান লাভ কৰা এনিকংকনা গগৈৰ লগতে ৯৮.১৬ শতাংশ লৈ উত্তীৰ্ণ হোৱা প্ৰিয়া হাজৰিকাকো আৰ্থিক অৰিহণাৰে উৎসাহিত কৰা হয়। টেঙাখাত শাখা সাহিত্য সভাৰ ফালৰ পৰাও বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্তৃপক্ষক একোখনকৈ ফুলাম গামোচাৰ সম্বৰ্ধনা জনায়। সম্বৰ্ধনাৰ আঁত ধৰা টেঙাখাত শাখা সাহিত্য সভাৰ সম্পাদক পলাশজ্যোতি শৰ্মাৰ লগত সহযোগ কৰে সভানেত্ৰী স্বপ্না শইকীয়া, জয়ন্ত শইকীয়া, অৰ্জুন ছেত্ৰীকে ধৰি কে'বাজনো বিষয়ববীয়াই সম্বৰ্ধনা সভাত অভিভাৱক জিতু গগৈ, কৃতী ছাত্ৰী এনিকংকনা গগৈ আৰু প্ৰিয়া হাজৰিকাই বক্তব্য ৰাখে। বিদ্যালয়ৰ ছাত্ৰীসকলে পৰিৱেশন কৰা এটি সমবেত গীতেৰে আদৰণি জনোৱা সভাখনত বিদ্যালয়খনৰ নিম্ন শাখাৰ প্ৰধান শিক্ষক প্ৰেমৰাজ শৰ্মা, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক দিগন্ত হাজৰিকা আৰু সহকাৰী সম্পাদিকা গীতা গগৈ হাজৰিকা উপস্থিত থাকে। সভাৰ মাজতে গীত পৰিৱেশন কৰে ছাত্ৰী অনন্য হাজৰিকা আৰু প্ৰস্তুতি তামুলীয়ে। জাতীয় সংগীত পৰিৱেশন কৰি সভাখন সামৰণি মৰা হয়।

■ টেঙাখাত জাতীয় বিদ্যালয়ত সম্বৰ্ধনা সভা



# ঘগ্ৰাপাৰৰ নিজখগটাত অনুসূচিত জাতি মৰ্চাৰ চোতাল বৈঠক



**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৫ জুন ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে আঠটা বৰ্ষ সম্পূৰ্ণ কৰা উপলক্ষে কালি অনুসূচিত জাতি মৰ্চাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ উদ্যোগত ঘগ্ৰাপাৰৰ নিউখগটাত 'জনসম্পৰ্ক অভিযান'ৰ স'তে ৰাখি 'প্ৰধানমন্ত্ৰী আৱাস যোজনা'ৰ হিতাধিকাৰী, কৃষক সমাজ, অৰুণোদয় হিতাধিকাৰী, বৃদ্ধ পেঞ্চনাৰ আদিৰ স'তে চোতাল বৈঠকত মিলিত হয়। মণ্ডলটোৰ অন্তৰ্গত ঘগ্ৰাপাৰ-নিজখগটা গাঁৱৰ নিৱাসী তথা বিজেপিৰ কাৰ্যকৰ্তা ৰিতু বৈশ্যৰ চোতালত অনুষ্ঠিত চোতাল বৈঠকত মণ্ডলটোৰ অনুসূচিত জাতি মৰ্চাৰ প্ৰভাৰী তথা নলবাৰী সমিতিৰ উপ-সভাপতি সুজিত দাস, সভাপতি অৰুণ দাস, উপ-সভাপতি বিনোদ তালুকদাৰ, সাধাৰণ সম্পাদক তপন সূত্ৰধৰ, সম্পাদক সঞ্জয় মালী আদিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি বিনোদ তালুকদাৰে উপস্থিত থাকি নিজৰ ভাষণত কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে দেশত থকা ১৭ লাখ গাঁৱৰ উন্নয়নৰ হকে আঠবছৰে নিৰৱচ্ছিন্নভাৱে কাম কৰায়ে নহয় দেশৰ প্ৰগতিৰ বাবে সদায় চিন্তা কৰি আহিছে বুলি সদৰী কৰে। লগতে তালুকদাৰে কেন্দ্ৰীয়-ৰাজ্য চৰকাৰৰ বিভিন্ন অভিলাষী আঁচনিৰ কথাও বিতং ভাৱে আলোপাত কৰে। অনুষ্ঠানটিত অঞ্চলটোৰ প্ৰায় শতাধিক ৰাইজে অংশগ্ৰহণ কৰে।

# বোকাখাতত ক'ভিড-১৯, বানপানীৰ প্ৰতি সজাগতামূলক অভিযান আৰম্ভ

**বোকাখাত, ১৫ জুন ঃ** অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আৰু ইউনিচেফৰ সহযোগত জনসাধাৰণৰক ক'ভিড-১৯ মহামাৰীৰ পৰা ৰক্ষা কৰা আৰু বানপানীৰ প্ৰতি সজাগতা আৰু সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে এক ব্যাপক গণ অভিযানৰ আৰম্ভ কৰিছে। এই অভিযানৰ অংশ হিচাপে কালি অসম চৰকাৰৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মহোদয়ে বোকাখাত মহকুমাধিপতিৰ কাৰ্যালয় চৌহদৰ পৰা উলিওৱা সজাগতামূলক অভিযান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰে। এই কাৰ্যসূচীৰ অন্তত মন্ত্ৰীগৰাকীয়ে মহকুমাধিপতিৰ কাৰ্যালয় কক্ষত মহকুমাধিপতি ডাঃ নেহা যাদৱৰ উপস্থিতত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰ স'তে এক বৈঠকত মিলিত হয়। আজিৰ বৈঠকখনত মন্ত্ৰীজনে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিচাই যোজনা, জলজীৱন মিছন, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনি, অমৃত সৰোবৰ, প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল আৰু গ্ৰাম্য) আদি আঁচনিসমূহৰ কাম-কাজৰ শেহতীয়া স্থিতিৰ লগতে কৃষকসকলৰ পৰা ধান ক্ৰয় কাৰ্যসূচীৰ বিষয়ে বুজ লয়। মন্ত্ৰীজনে জনসাধাৰণৰ উন্নতিকল্পে লোৱা প্ৰতিটো আঁচনিৰ কামসমূহ সঠিক আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ উপস্থিত বিষয়াসকলক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত চক্ৰ বিষয়া, সহকাৰী আয়ুক্তসকল প্ৰমুখ্যে মহকুমাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

# অসম দৰ্শন আঁচনিৰ পুঁজিৰে নামঘৰ নিৰ্মাণ, ভাগৱত পাঠ



**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৫ জুন ঃ** অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ অধীনত মুকলি হোৱা প্ৰথম কিস্তি অনুদান আৰু ভক্তবৃন্দৰ মুক্ত দান-বৰঙণিৰে সম্পূৰ্ণ কৰা ঢেকিয়াজুলি উজনি কঁহাৰ গাঁৱৰ শ্ৰীশ্ৰী চেঁচা সত্ৰ আজ্ঞাপৰ পুৰণি কোঁৱৰ খেল নামঘৰ ভাগি ১৩ জুনত অহোৰাত্ৰ ভাগৱত পাঠ কৰি শুভ উদ্বোধন কৰে ভক্তবৃন্দই। তদুপলক্ষে টনু কোঁৱৰ, ধনেশ্বৰ কোঁৱৰ, বংশীধৰ কোঁৱৰে বন্তি প্ৰজ্বলন কৰাৰ পাছতে অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত অহোৰাত্ৰ ভাগৱত পাঠ প্ৰতিস্থা কৰে চেনীৰাম কোঁৱৰ আৰু পূৰ্ণেশ্বৰ কোঁৱৰে। বিশিষ্ট সত্ৰীয়া শিল্পী ডিম্ব গগৈৰ পৰিচালনাত পুৱাৰ নাম-প্ৰসংগ পৰিৱেশন কৰে। মূল পাঠক নোমল গগৈ আৰু প্ৰেমধৰ কোঁৱৰৰ পৰিচালনাত ভাগৱত পাঠ আৰম্ভ হয়। উল্লেখ্য যে বয়োজ্যেষ্ঠ দুৰ্গেশ্বৰ কোঁৱৰ, ডিম্বেশ্বৰ কোঁৱৰ, ভদ্ৰ কোঁৱৰৰ প্ৰচেষ্টাত, উদ্যোক্তা খেলৰ যুৱকবৃন্দ আইসকল, স্থানীয় ৰাইজৰ সহযোগত অনুষ্ঠিত ভাগৱত পাঠ আজি পুৱাবেলাতেই সামৰণি পৰে। ইয়াৰ পাছতে নামপ্ৰসংগ অনুষ্ঠিত হয়। উল্লেখ্য যে নামঘৰ ভাগিৰ আৰু বহু কাম আধৰুৱা হৈ আছে যদিও অসম দৰ্শন আঁচনিৰ সম্পূৰ্ণ পুঁজি মুকলি নহলেও প্ৰথম কিস্তি অনুদানেৰে ৰাইজে বিভিন্ন কৰ্ম সেৱা কৰিব পৰাকৈ নিৰ্মাণ কৰাত উদ্যোক্তা খেলক গাঁওবাসীয়ে প্ৰশংসা কৰিছে।

# গন্ধমৌ-পছৰীয়াত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন

**অগ্ৰদূতবাৰ্তা**

**শুৱালকুছি, ১৫ জুন ঃ** গন্ধমৌ বিষ্ণু ৰাভা সোঁৱৰণী সংঘ আৰু পুথিভড়ালৰ উদ্যোগত ১৯ আৰু ২০ জুনত বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰিব। আন আন কাৰ্যসূচীৰ লগত পুথি ভড়ালৰ উন্নতিৰ সকে অহোপুৰুষাৰ্থ কৰা স্বৰ্গগামী ব্যক্তিসকলক সোঁৱৰণ কৰি বন্তি প্ৰজ্বলন কৰিব। সন্ধিয়া সম্বৰ্ধনা অনুষ্ঠান। নিশা সাংস্কৃতিক অনুষ্ঠান সাংস্কৃতিক মঞ্চ মুকলি কৰিব মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে। সাংস্কৃতিক মঞ্চত স্থানীয় শিল্পী-আমন্ত্ৰিত শিল্পীসকলে গীত-নৃত্য পৰিৱেশন কৰিব। একেদৰে বৃহত্তৰ পছৰীয়াৰ হিতসাধিনী সভাৰ উদ্যোগত ২০ জুনত বিভিন্ন কাৰ্যসূচীৰে বিষ্ণুপ্ৰসাদ ৰাভা দিৱস উদ্‌যাপন কৰিব। তাৰ ভিতৰত চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচিত আৰু তেওঁৰ আধাৰত ৰচিত কবিতা আবৃত্তি, স্থানীয় গায়ক- গায়িকাৰ ৰাভাৰ গীত, নৃত্য পৰিৱেশনৰ লগতে একাংকিকা নাট প্ৰদৰ্শন কৰিব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

# কমলাবাৰীত 'ৰাভা দিৱস' উপলক্ষে সৃষ্টিশীল নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৫ জুন ঃ** মাজুলীৰ তিনিটা স্বেচ্ছাসেৱী সাংস্কৃতিক অনুষ্ঠান ক্ৰমে ১৯৩৮ত প্ৰতিষ্ঠিত মাজুলীৰ সাংস্কৃতিক জগতৰ ঐতিহ্যৰ বাৰ্তা বাহক 'মাজুলী মিলন সংঘ', ১৯৮৬ত প্ৰতিষ্ঠিত মাজুলীৰ প্ৰথমখন, একমাত্ৰ প্ৰণালীবদ্ধ সংগীত শিক্ষানুষ্ঠান 'মাজুলী কেন্দ্ৰীয় সংগীত মহাবিদ্যালয়' আৰু কমলাবাৰীৰ প্ৰথম আৰু একমাত্ৰ চিত্ৰকলা বিদ্যালয়, 'ৰূপবৰণ চিত্ৰকলা বিদ্যালয়'ৰ যৌথ উদ্যোগত 'ৰাভা দিৱস' উপলক্ষে আন্তঃমাজুলী বিষ্ণুপ্ৰসাদ ৰাভা সংগীত, বিষ্ণুপ্ৰসাদ ৰাভা সংগীতৰ আধাৰত সৃষ্টিশীল নৃত্য আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১৯ জুনৰ পুৱা ন বজাৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতা দুটা শাখাত অনুষ্ঠিত হ'ব। সেই অনুসৰি 'ক' শাখা প্ৰথমৰ পৰা পঞ্চম আৰু ষষ্ঠৰ পৰা দশমলৈ অনুষ্ঠিত হ'ব। আনহাতে, বিষ্ণুপ্ৰসাদ ৰাভা সংগীত- (নিৰ্বাচিত গীত) 'ক' শাখা-১) বিলতে হালিছে, ২) ৰৈ ৰৈ কেতেকী আৰু ৩) আজলী ছোৱালী, শীৰ্ষক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ইয়াৰ বিপৰীতে 'খ' শাখা ১) আজি মন্দিৰৰ দুৱাৰ, ২) মোৰ কবিতাৰ ছন্দ আৰু ৩) এয়ে মোৰ শেষ গান শীৰ্ষক গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সৃষ্টিশীল নৃত্যৰ বাবে নিৰ্বাচিত গীত - 'ক' শাখা, ১) বিলতে হালিছে... ২) টিলাই টিলাই আৰু ৩) নিচলা আইৰে অনুষ্ঠিত হোৱাৰ বিপৰীতে চিত্ৰাংকন প্ৰতিযোগিতাৰ বাবে প্ৰতিযোগিতাৰ আগমুহূৰ্তত বিষয় ঘোষণা কৰা হ'ব। প্ৰতিযোগীয়ে আৱশ্যকীয় সামগ্ৰী নিজে আনিব লাগিব। গীতৰ বাবে সময় তিনি মিনিট, নৃত্যৰ বাবে পাঁচ মিনিট আৰু চিত্ৰাংকনৰ বাবে ৩০ মিনিট সময় নিৰ্ধাৰণ কৰা হৈছে। প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰাসকলক পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগীয়ে এশ টকা ভৰ্তি মাচুল সহ ১৮/৬/২৩ তাৰিখে যোগদান নিশ্চিত কৰিব লাগিব। প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ৮৬৩৮৭৭১৪৩৩, ৬০০২০৯২৮৯০, ৭০০২৫৩৪৩২২, ৯৪৩৫২০৩২৩২, ৯১০১৪৩৩৩২৮, ৮৪৭২৮০৭৬৩৮, ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।



*লাহৰীঘাটত অনুষ্ঠিত কংগ্ৰেছৰ দলীয় সভাত অংশগ্ৰহণকাৰী একাংশ।*

# মৰাণত স্কুল বাছ দুৰ্ঘটনাগ্ৰস্ত



**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১৫ জুন ঃ** মৰাণ নগৰৰ কাষতে থকা অভয়পুৰত কালি এখন স্কুল বাছ দুৰ্ঘটনাত পতিত হয়। সৌভাগ্যক্ৰমে ৪০ জন ছাত্ৰ-ছাত্ৰী কঢ়িয়াই নিয়া বাছখনত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাণ ৰক্ষা পৰে। দিৰৈ চাহ বাগিচাৰ পৰা ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনা বাছখনৰ চালকে নিয়ন্ত্ৰণ হেৰুৱাৰ ফলত দুৰ্ঘটনা সংঘটিত হয়। বাছখনত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আছিল। বাছখন একেবাৰে খাৱৈত পৰি যায়।

# গোৱালপাৰাৰ নলংগাত চোৰাং কাঠ জব্দ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৫ জুন ঃ** গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই অভিযান চলাই কালি দিনৰ ভাগত নলংগা মাজেৰ পাৰাৰ পৰা সাত টুকুৰা চোৰাং কৰৈ কাঠৰ কুণ্ডা জব্দ কৰি নিজ কাৰ্যালয়লৈ আনে। পথাৰত পৰি থকা অৱস্থাত উদ্ধাৰ কৰা জব্দকৃত কুণ্ডাকেইটাৰ বজাৰ মূল্য প্ৰায় ৩০ হেজাৰ টকা হ'ব।

# দিচাংপানীত অগপৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**মাহমৰা, ১৫ জুন ঃ** অসম গণ পৰিষদৰ চৰাইদেউ জিলাৰ অন্তৰ্গত মাহমৰা বিধান পৰিষদৰ এখনি বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ১০ জুনত দিচাংপানী ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। অগপৰ মাহমৰা বিধান পৰিষদৰ সভাপতি পূৰ্ণানন্দ চুতীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ভবানী গগৈয়ে। সভাত অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক তথা চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোনাকন বৰুৱা, অগপৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক নৰুল চুলতান পৰ্যৱেক্ষক হিচাপে উপস্থিত থকাৰ লগতে অগপৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক নাৰায়ণ লাহন, অগপৰ কেন্দ্ৰীয় পৰিষদৰ সদস্য যতীন লেখাৰু আৰু প্ৰবীণ চেতিয়া, অগপৰ কেন্দ্ৰীয় শ্ৰম পৰিষদৰ সাংগঠনিক সম্পাদক ৰুণু চবৰ, অগপৰ কেন্দ্ৰীয় যুৱ পৰিষদৰ সাংগঠনিক সম্পাদক সন্দীপ লাহন, চৰাইদেউ জিলা সমিতিৰ সভাপতি মহেন্দ্ৰ ফুকন, সম্পাদকদ্বয় ক্ষীৰোদ বৰুৱা আৰু নন্দেশ্বৰ গগৈ আদিয়ে অংশগ্ৰহণ কৰে। প্ৰায় শতাধিক অগপৰ দলীয় কৰ্মী উপস্থিত থকা সভাত আগন্তুক এমাহৰ ভিতৰত দলৰ বিভিন্ন সমিতিসমূহ গঠন কৰাৰ উপৰি সদস্য ভৰ্তি অভিযান পূৰ্ণগতিত চলোৱাৰো সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# বাৰাংহাটীত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা স্মৃতি দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১৫ জুন ঃ** ৰঙিয়া মহকুমাৰ পশ্চিম বড়িগোগ মৌজাৰ অন্তৰ্গত বাৰাংহাটী ডাকঘৰ চ'কত অৱস্থিত কীৰ্তিৰাম প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অহা ২০ জুনত দিনজোৱা কাৰ্যসূচীৰে ষষ্ঠ বাৰ্ষিক কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ স্মৃতি দিৱসৰ আয়োজন কৰিছে। তদুপলক্ষে সেইদিনা উদ্‌যাপন সমিতিৰ সভাপতিয়ে পতাকা উত্তোলনৰে কাৰ্যসূচীৰ আৰম্ভ কৰিব। ইয়াৰ পাছতে বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব কীৰ্তিৰাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নীলমণি চৌধুৰীয়ে। গছপুলি ৰোপণৰ পাছত সু কুমাৰ কলা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। আবেলি কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন, পাঁচ বজাত প্ৰয়াত প্ৰসন্ন কলিতা আৰু তোষপ্ৰভা কলিতা সোঁৱৰণী মঞ্চ উদ্বোধন কৰা হ'ব। পাছত বিষ্ণু ৰাভাৰ কৰ্মজীৱনৰ ওপৰত আলোকপাত আৰু বঁটা বিতৰণী সভা। পঃবঃ আঞ্চলিক মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাতুল চন্দ্ৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা সভাখনত আলোচক হিচাপে অংশগ্ৰহণ কৰিব সাংবাদিক চক্ৰপাণি পৰাশৰ, গড়পোট বাপুজী হাইস্কুলৰ সহকাৰী শিক্ষক ড° অৱনী সোণোৱাল আৰু এমট্ৰনৰ উপ-প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থই। সন্ধিয়া বিশেষ সম্বৰ্ধনা অনুষ্ঠান, সাংস্কৃতিক মঞ্চ উদ্বোধন কৰিব বৰভাগ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন চন্দ্ৰ কাকতিয়ে, সাংস্কৃতিক সন্ধিয়াত স্থানীয় শিল্পীৰ গীত-মাতৰ লগতে আমন্ত্ৰিত শিল্পী দেৱপ্ৰতিম বৰা আৰু কুকিস্মীতা দেৱীয়ে অংশগ্ৰহণ কৰিব। ইতিমধ্যে অৱনীকান্ত লহকৰক সভাপতি, অজয় শইকীয়াক উপ-সভাপতি, জীৱন কলিতাক কাৰ্যকৰী সভাপতি, তপন কলিতা আৰু ধ্ৰুৱজ্যোতি গোস্বামীক সাধাৰণ সম্পাদকদ্বয়, সমৰজ্যোতি কলিতা, পোনাকন কলিতাক সহকাৰী সাধাৰণ সম্পাদকদ্বয় হিচাপে লৈ এখন বিষ্ণু ৰাভা স্মৃতি দিৱস উদ্‌যাপন সমিতি গঠন কৰে।

# কিংবদন্তি, ইতিহাস-লোকসংস্কৃতিৰে সমৃদ্ধ দৰং ঃ উপায়ুক্ত

**বিশেষ সংবাদদাতা,**

**মঙলদৈ, ১৫ জুন ঃ** এক বৰ্ণাঢ্য কাৰ্যসূচীৰে দৰং জিলা প্ৰশাসনৰ দ্বাৰা প্ৰথমবাৰৰ বাবে দৰং জিলা দিৱস মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদ্‌যাপন কৰা হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এক নিৰ্দেশ মৰ্মে সকলো জিলাতে এইবাৰ জিলা ঘোষণা হোৱা দিনটোক জিলা দিৱস হিচাপে উদ্‌যাপন কৰা হৈছে। কালিৰ অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই কয় যে কিংবদন্তি, ইতিহাস আৰু লোকসংস্কৃতিৰে সমৃদ্ধ দৰং জিলা। মধ্য যুগতে কোচসকলে শাসন প্ৰতিষ্ঠা কৰা দৰং জিলা এসময়ত সাহিত্য, কলা-সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। ব্ৰিটিছ সম্ৰাজ্যবাদীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি পথৰুঘাটত প্ৰাণ আহুতি দিয়া কৃষকবীৰৰ কথা উল্লেখ কৰি উপায়ুক্তজনে দেশৰ স্বাধীনতা সংগ্ৰামত দৰঙৰ সংগ্ৰামীসকলৰ উল্লেখ্য অৱদান আছিল বুলি কয়।

পূৰ্বৰ গৰিমা ওভতাই আনি দৰঙক দেশৰ ভিতৰতে এখন উন্নত জিলা হিচাপে গঢ়িবলৈ কেন্দ্ৰীয় চৰকাৰৰ আকাংক্ষিত জিলা প্ৰকল্পৰ অধীনত লোৱা পদক্ষেপসমূহৰ বিষয়ে উপায়ুক্তজনে তেওঁৰ ভাষণৰ জৰিয়তে অৱগত কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলি থকা গৰুখুঁটি কৃষি প্ৰকল্পৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমৰ নৱপ্ৰজন্মক কৃষি কৰ্মৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিশিষ্ট সাংবাদিক তথা সমাজকৰ্মী ভাৰ্গৱ কুমাৰ দাসে দৰঙৰ ইতিহাস সঠিকভাৱে সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে নৱপ্ৰজন্মক ইয়াৰ দ্বাৰা অনুপ্ৰাণিত কৰিব পৰা যায়। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দৰঙৰ নাম উজলোৱা জিলাখনৰ সুসন্তানসকলৰ বিষয়ে সকলোৰে জনাটো প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। জিলা দিৱস উদ্‌যাপনৰ প্ৰচেষ্টাৰ বাবে তেওঁ জিলা প্ৰশাসনক ধন্যবাদ জনায়। দৰঙৰ আৰ্থ-সামাজিক জীৱনলৈ উল্লেখ্য বৰঙণি আগবঢ়োৱা কে'বাগৰাকীও বিশিষ্ট ব্যক্তিক দৰং জিলা প্ৰশাসনৰ দ্বাৰা আজিৰ অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত দৰঙৰ বাৰেৰহণীয়া কৃষ্টি সংস্কৃতিৰ বিবিধ প্ৰদৰ্শনীৰে সাংস্কৃতিক গোষ্ঠীসমূহে সৌষ্ঠৱ বৃদ্ধি কৰে। অতিৰিক্ত উপায়ুক্ত পল্লৱী কছাৰী, জোনটি ডেকা, সহকাৰী আয়ুক্ত ৰিণি হাজৰিকা প্ৰমুখ্যে বিষয়া কৰ্মচাৰীসকলে এটি বিহুনৃত্য অনুষ্ঠানো পৰিৱেশন কৰে। দৰঙৰ কলা-সংস্কৃতি, ইতিহাস তথা সামাজিক জীৱন সামৰি প্ৰকাশ কৰা মেঘমল্লাৰ নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন আৰু এখন ছুটি তথ্যচিত্ৰ আজিৰ অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। তাৰ উপৰি আলোকচিত্ৰ প্ৰদৰ্শন আৰু আত্মসহায়ক গোটসমূহে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহৰ প্ৰদৰ্শন কৰে।

■ প্ৰশাসনৰ দ্বাৰা দৰং জিলা দিৱস উদযাপন



# শিক্ষক কৰুণা কান্ত পাঠকৰ অকাল মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ১৫ জুন ঃ** গোসাঁইগাঁও চহৰৰ তিনিআলি নিবাসী গোসাঁইগাঁও শংকৰদেৱ বিদ্যা নিকেতনৰ প্ৰতিষ্ঠাপক সহকাৰী প্ৰধানাচাৰ্য, সৰবৰহী তথা জনপ্ৰিয় শিক্ষকৰূপে পৰিচিত কৰুণা কান্ত পাঠক এটি পথ দুৰ্ঘটনাত পতিত হৈ বিগত এসপ্তাহে চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাত কালি মৃত্যুক আঁকোৱালি লয়। উল্লেখ্য যে যোৱা সাত জুনৰ সন্ধিয়া স্থানীয় ইউকো বেংকৰ এ টি এমৰ পৰা ধন উলিয়াই গৃহাভিমুখী হ'বলৈ লওঁতেই তেওঁৰ দুচকীয়া বাহনখনৰ সন্মুখেদি দৌৰ মাৰি যোৱা মানসিক ভাৰসাম্যহীন ব্যক্তি এজনক বচাবলৈ গৈ নিজে দুৰ্ঘটনাত পতিত হয়। ফলত বুকু, ভৰিকে আদি কৰি দেহৰ বিভিন্ন স্থানত আঘাত পোৱা পাঠকক পোনতে স্থানীয় চিকিৎসালয়ত তাৰ পৰা বঙাইগাঁৱত আৰু তাৰ পাছত গুৱাহাটীস্থিত ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত ভৰ্তি কৰা হয়। তাতে তেওঁৰ অস্ত্ৰোপচাৰ সফলভাৱে সম্পন্ন হয় আৰু পৰ্যায়ক্ৰমে তেওঁৰ শাৰীৰিক অৱস্থাৰ যথেষ্ট উন্নতিও ঘটে। কিন্তু কালি পুৱাৰ ভাগত চিকিৎসাধীন অৱস্থাতে তেওঁৰ শাৰীৰিক অৱস্থাৰ হঠাতে অৱনতি ঘটে আৰু পুৱা ন মান বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। বিনয়ী, স্বল্পভাষী, ধীৰ-স্থিৰ স্বভাৱৰ পাঠক গোসাঁইগাঁৱৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান শংকৰদেৱ বিদ্যা নিকেতনৰ জন্মলগ্নৰ পৰাই ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। কৰ্তব্য নিষ্ঠা তথা পাৰদৰ্শিতাৰ বাবে তেওঁ সহকাৰী প্ৰধানাচাৰ্য হিচাপে বিদ্যালয়খনত সেৱা আগবঢ়াই আছিল। এগৰাকী কৰ্তব্য পৰায়ণ, নিষ্ঠাবান শিক্ষকৰূপে তেওঁ বিদ্যালয়খনৰ শিক্ষাৰ্থী তথা সহকৰ্মীসকলৰ মাজত জনপ্ৰিয় আছিল। ইপিনে, পাঠকে পূৰ্বে কাম কৰা এক নম্বৰ কানুপাৰাস্থিত নৱজ্যোতি এম ই স্কুলৰ শিক্ষক - শিক্ষাৰ্থীসকলে তেওঁৰ মৃত্যুত এক মিনিট সময় মৌনতা প্ৰকাশ কৰি গভীৰ শোক প্ৰকাশ কৰে। পত্নী, এটি পুত্ৰ আৰু এজনী কন্যা সন্তান এৰি যোৱা পাঠকৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৩ বছৰ। নিশাই স্থানীয় শ্মশানত অগণন ৰাইজৰ উপস্থিতিত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# ঘগ্ৰাপাৰত ২০ খনতকৈ অধিক গাঁও জলমগ্ন

## ■ যিকোনো মুহূৰ্ততে নোনা নৈৰ মথাউৰি ছিঙি নিয়াৰ আশংকা



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৫ জুন ঃ** বিগত কিছুদিন ধৰি নেৰানেপেৰা বৰষুণৰ ফলত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২০খনতকৈ অধিক গাঁও জলমগ্ন হৈ পৰিছে। মুষলধাৰ বৰষুণৰ ফলত ৰাজহ চক্ৰটোৰ অন্তৰ্গত এক নম্বৰ অৰৰা, বালিপাৰা, সোণকুৰিহা, ভিঠামহল, বৰাজোল, আকনা, সঠামৌ, পোণৰকাউনীয়া, কাটুৰীয়া, বাঘমাৰা, চিলিং, লাটিলা, কুন্দৰগাঁও-জাৰৰিহাটী, বুৰবুৰী, নাৰকুছি ধৰি ২০ খনতকৈ অধিক গাঁও কৃত্ৰিম বানৰ কবলত পৰিছে। কৃত্ৰিম বানে ৰঙিয়া-ধমধমা সংযোগী পথটোৰ বৰাজোলত একাংশ বুৰাই পেলোৱাত যাতায়াত বিঘ্নিত হৈ পৰিছে। আনহাতে, এক নম্বৰ অৰৰা গাঁৱৰ মুখ্য পথটোকে ধৰি ঘগ্ৰাপাৰৰ মিলনপুৰ-সঠামৌ সংযোগী পথ, ঘগ্ৰাপাৰৰ ৩১ নম্বৰ ঘাইপথৰ পৰা ৰেল লাইনৰ তলেৰে যোৱা দামোদৰ ধাম সংযোগী পথটোত একাঁঠু পৰ্যন্ত পানী হোৱাত পথ দুয়োটাৰে যোগাযোগ ব্যৱস্থা ব্যাহত হৈ পৰিছে। এই বানৰ ফলত এক নম্বৰ অৰৰা প্ৰাথমিক বিদ্যালয়, ধুৰকুছিয়াপাৰা প্ৰাথমিক বিদ্যালয়, অৰৰা অংগনৱাড়ী কেন্দ্ৰ, আকনা বসুণপ্ৰিয়া প্ৰাথমিক বিদ্যালয়, আকণা প্ৰাথমিক বিদ্যালয়, সঠামৌৰ পূব বনভাগ মধ্য ইংৰাজী বিদ্যালয়, ঘগ্ৰাপাৰৰ এম বি চিয়াছ একাডেমী আদি শিক্ষানুষ্ঠান পানীত বুৰ গৈ আছে। অঞ্চলটোৰ তিনিশতাধিক পৰিয়ালৰ পুখুৰী পানীয়ে বুৰাই পেলোৱাত মৎস্যপালকসকল ভীষণ লোকচানৰ সন্মুখীন হৈছে। ইফালে, নোনা নৈৰ বাঢ়নী পানীয়ে সঠামৌ গাঁৱৰ বৰবৰীত ভাবুকি কঢ়িয়াই আনিছে। বাঢ়নী পানীয়ে উক্ত ঠাইত যিকোনো মুহূৰ্ততে মথাউৰি ছিঙি নিয়াৰ আশংকা ঘনীভূত হৈছে।

## ন-আলি ঢেকিয়াজুলিত চকু চিকিৎসা

*১২ পৃষ্ঠাৰ পৰা* কৰি আহিছে। ব্যস্ততাপূৰ্ণ জীৱনত বহুলোকে নিজৰ চকুযুৰিৰ সময়মতে পৰীক্ষা কৰিবলৈ আহৰি নোপোৱা অথবা আৰ্থিকভাৱে দুৰ্বল লোকসকলে চিকিৎসকৰ ওচৰলৈ যাবলৈ অসমৰ্থ হোৱা বাবে জিলাখনৰ গ্ৰামাঞ্চলৰ ভিতৰুৱা অঞ্চলসমূহত বিগত এমাহ ধৰি চিকিৎসা শিবিৰ অনুষ্ঠিত কৰি আহিছে। বৰ্তমানলৈকে অনুষ্ঠিত হোৱা শিবিৰসমূহত ২৭৮৫ গৰাকী লোকৰ চকু পৰীক্ষা সম্পন্ন কৰাৰ লগতে ১৯৯৭ গৰাকী লোকক মাত্ৰ ৮০ টকাতে প্ৰয়োজন হোৱা চছমাও যোগান ধৰিছে। এইসকল ৰোগীৰ ভিতৰত ২৫ গৰাকী লোকৰ চকুত ছানি পৰা ৰোগ হোৱাৰ বাবে তেওঁলোকক বিনামূলীয়া কেটেৰেক্ট অস্ত্ৰোপচাৰৰ ব্যৱস্থাও কৰিছে।

## গোৱালপাৰাত অংগনৱাড়ী কৰ্মী

*১২ পৃষ্ঠাৰ পৰা* -সহায়িকাসকলক গ্ৰেচুইটি প্ৰদানৰ ব্যৱস্থা কৰা। ইপিনে, প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে জিলা সভানেত্ৰীগৰাকীয়ে কয় যে চৰকাৰে অংগনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাসকলক বান্দৰৰ দৰে নচুৱাই আছে। আজিৰ জুই জ্বলা বজাৰত মাহিলিৰূপে কেৰ্মীয়ে পোৱা ৬৫০০ টকা আৰু সহায়িকাই পোৱা তিনি হেজাৰ টকাৰে ঘৰ সংসাৰ চলোৱাটো অসম্ভৱ হৈ পৰিছে। যি সময়ত বিভিন্ন ৰাজ্যত কৰ্মী-সহায়িকাসকলৰ মাননি বৃদ্ধিৰ লগতে অৱসৰৰ সময় সীমা বৃদ্ধি কৰি ৬৫ অথবা ৭০ বছৰ কৰিছে তেনে সময়তে অসম চৰকাৰে কৰিব নোৱাৰাৰ যুক্তি কি বুলি প্ৰশ্ন উত্থাপন কৰিছে দাসে। লগতে স্মাৰকপত্ৰত উল্লেখ কৰা দাবীসমূহ অতি শীঘ্ৰেই মানি লোৱাৰো দাবী জনাইছে সভানেত্ৰীগৰাকীয়ে ।

## অ'বিচিৰ মৰ্যাদা প্ৰদানৰ বাবে অসম

*১২ পৃষ্ঠাৰ পৰা* সমন্বয় ক্ষেত্ৰৰ বাবেও কমেও ১০০ কোটি টকা আবন্টন দিবলৈ দাবী জনাই অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পৰিষদে এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা বুলি বড়াই উল্লেখ কৰে। এই সভাতেই পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক ৰাজু বড়া আৰু প্ৰচাৰ সম্পাদক খাইৰুদ্দিন আহমেদে বিভিন্ন সাংগঠনিক দিশৰ ওপৰত আলোকপাত কৰাৰ উপৰি চলিত বৰ্ষৰ নৱেম্বৰৰ ভিতৰত পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধি সভা অনুষ্ঠিত কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। তাৰ পাছতেই কেন্দ্ৰীয় সমিতিৰ সভাপতি চৌকত লতিফৰ অনুমোদন আৰু পৰামৰ্শ ক্ৰমে কল্যাণ পৰিষদৰ ডিব্ৰুগড়, চৰাইদেউ, তিনিচুকীয়া, লখিমপুৰ আৰু ধেমাজি জিলা সমিতিখন তৎকালীনভাৱে ভংগ কৰা হয়। ভংগ হোৱা জিলা সমিতিকেইখন শক্তিশালী ৰূপত পুনৰ গঠন কৰিবলৈ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অহিদুৰ জামান চৌধুৰীক দায়িত্ব অৰ্পণ কৰা হয়।

## ১৩৪ পৰীক্ষাৰ্থীৰ বিপৰীতে উত্তীৰ্ণ মাথোঁ

*১২ পৃষ্ঠাৰ পৰা* উপস্থিতি আৰু পলায়নবাদী মনোভাবৰ কাৰণে ইয়াৰ শিক্ষা ব্যৱস্থাক দিনকদিনে দুৰ্বল হৈ আহিছে বুলি স্থানীয় সচেতন ৰাইজে প্ৰকাশ কৰে। শিক্ষা বিভাগ তথা শোণিতপুৰৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ সোপা-ঢিলা নীতিৰ বাবে এই বিদ্যালয়খনৰ শিক্ষকসকলে নিজৰ কৰ্তব্যত হেমাহি কৰি আহিছে বুলি স্থানীয় সচেতন ৰাইজে প্ৰকাশ কৰে। ইপিনে, বৰছলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, শিঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, কেহৰুখুন্দা উচ্চ মাধ্যমিক বিদ্যালয়, নাৰেংকাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, ৰাক্ষসমাৰী উচ্চ ইংৰাজী বিদ্যালয়, চিৰাজুলি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত নিৰাশাজনক ফলাফল প্ৰদৰ্শন কৰাত সচেতন ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে।

## দৰঙৰ কলাইগাঁও প্ৰাথমিক শিক্ষা খণ্ডৰ

*১২ পৃষ্ঠাৰ পৰা* বিদায় সম্বৰ্ধনা সময়ত শিক্ষক তিনিগৰাকীৰ লগতে উপস্থিত সমূহ শিক্ষকবৃন্দ আবেগিক হৈ পৰে। শৰাই, ধৰ্মপুথি, ফুলাম গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে বিদায় সম্বৰ্ধনা জনোৱা এই সভাত সভাপতিত্ব কৰে জ্ঞানজ্যোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হিতেশ বৰুৱাই। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে কলাইগাঁও প্ৰাথমিক শিক্ষা খণ্ডৰ গাণনিক চাহাবুদ্দিন আহমেদ আৰু পাৰ্থজিৎ কুমাৰ। তাৰ উপৰি জলজলি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণয় জ্যোতি কাশ্যপ আৰু খৰ্গ চহৰীয়া এই বিদায় সভাত উপস্থিত থাকি ভাষণ আগবঢ়ায়। জলজলি মণ্ডল সমল কেন্দ্ৰৰ সম্পাদক দীপক চহৰীয়াই আঁত ধৰা এই অনুষ্ঠানত শিক্ষক ধৰণী চহৰীয়াই এটি গীত পৰিৱেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বঢ়ায়। এই সভাত শিক্ষক তিনিগৰাকীৰ কৰ্ম জীৱনৰ গুণানুকীৰ্তন কৰি বক্তৃতা প্ৰদান কৰে সভাপতি হিতেশ বৰুৱা, গাণনিক চাহাবুদ্দিন আহমেদ, পাৰ্থজিৎ কুমাৰ, শিক্ষক সুদৰ্শন শইকীয়া, বুলেন কলিতা, নকুল ডেকা, ৰীণা কলিতা, ৰাখী ৰাণী দাস, ৰীণা বৰুৱা, ভৰেন শৰ্মা আৰু কে'বাজনো শিক্ষকে।

## অধ্যাপক অজিত শৰ্মা স্মাৰক বক্তৃতা

*১২ পৃষ্ঠাৰ পৰা* কৰে অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন ৰাজ্যিক শিক্ষামন্ত্ৰী ৰমণী বৰ্মনে। নিজৰ ভাষণত বৰ্মনে স্বাধীনতা সংগ্ৰামত শৰ্মাৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰে। আৰু লগতে তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ এগৰাকী অগ্ৰণী নেতা হিচাপে ১৯৫১ তে শ্বিলঙত অনুষ্ঠিত অধিৱেশনত যি সৱল নেতৃত্ব বহন কৰি অসম কলেজ শিক্ষকসকলৰ সমস্যাৰ সমাধান কল্পে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছিল সেই বিষয়েও উল্লেখ কৰে। উক্ত অনুষ্ঠানতে অসম কলেজ শিক্ষক সংস্থাক বিভিন্ন সময়ত নেতৃত্ব বহন কৰা বৰেণ্য ব্যক্তিসকল ক্ৰমে ৰমণী চহৰীয়া, হিতেন্দ্ৰ নাথ শৰ্মা, ৰমেশ গোস্বামী, অধ্যাপক জয়নাল আবেদিন, জ্যোতি প্ৰসাদ গগৈ, ড° জয়কান্ত শৰ্মা আৰু প্ৰদীপ দত্তক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। অসম কলেজ শিক্ষক সংস্থাৰ এই প্ৰাক্তন নেতৃবৃন্দই অহা ২৬ ফেব্ৰুৱাৰীত আৰম্ভ হ'বলগীয়া সংস্থাৰ মহাৰজত জয়ন্তী উদ্‌যাপন সম্পৰ্কেও সংস্থাৰ বৰ্তমানৰ নেতৃত্বক ভালেমান দিহা-পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে অসম কলেজ শিক্ষক সংস্থাৰ মহাৰজত জয়ন্তী বৰ্ষৰ আৰম্ভণিৰ কাৰ্যসূচী আগন্তুক ২০২৩ৰ ২৬ ফেব্ৰুৱাৰীত ঐতিহ্যমণ্ডিত নগাঁও মহাবিদ্যালয়ত আৰম্ভ কৰা হ'ব বুলি সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই জানিবলৈ দিছে।

## মৰাণত ১৯০ সংখ্যক জোনাকী মেল

*১২ পৃষ্ঠাৰ পৰা* সুবাস শিতানত বিশিষ্ট সাহিত্যিক জয়ন্ত মাধৱ বৰাই ৰচনা কৰা 'নিচান চাহিব' নামৰ উপন্যাসৰ ওপৰত আলোচনা আগবঢ়ায় কবি, আবৃত্তিকাৰ, শিক্ষক দ্বীজেন্দ্ৰ নাথ দত্তই। উপন্যাসখনত অসমত বাস কৰা শিখ সম্প্ৰদায় লোকসকলে অসমীয়াৰ ধৰ্ম, নীতি- কৃষ্টি, সংস্কৃতিৰ লগত কিদৰে আদান-প্ৰদানেৰে বাস কৰি নিজকে অসমীয়া বুলি একাত্ম হৈ পৰিছে তাৰ এটি সুন্দৰ বিৱৰণ দাঙি ধৰিছে বুলি আলোচকে কয়। সমাজকৰ্মী বিৰাজ গগৈ আৰু লেখিকা ভানু লাহন গগৈৰ পৰিয়ালৰ আতিথ্যত তেওঁলোকৰ বাসগৃহৰ চৌহদত অনুষ্ঠিত বৈঠকখনত প্ৰয়াত পথাৰ কবি ৰাম গগৈৰ এটি হাতে লিখা কবিতা ডাঃ লোহিত কুমাৰ বৰাই পাঠ কৰি বৈঠকৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত বৈঠকতে লেখিকা ভানু লাহন গগৈৰ নৱ প্ৰকাশিত কাব্য সংকলন 'চিঞৰ' উন্মোচন কৰে সদৌ অসম কবি সন্মিলনৰ প্ৰাক্তন সভানেত্ৰী জুলিয়ানা বেগমে। সেইদৰে লেখিকা পদ্মিনী লাহনৰ আন এখন শিশু পুথি 'অকণিৰ ৰামধেনু' নামৰ গ্ৰন্থখন উন্মোচন কৰে মৰাণ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞানৰ অধ্যাপক নবীন গগৈয়ে। বৈঠকত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মৰাণ অঞ্চলৰ চাৰি ছাত্ৰীক জোনাকী মেলৰ হৈ সম্বৰ্ধনা জনোৱা হয়। ছাত্ৰীকেইগৰাকী অন্তৰা লবিবা, ষষ্ঠী তনয়া কলিতা, আন্যা জাহিন আৰৰাৰ আৰু পাঞ্চুৰিতা কোঁৱৰ। এইবাৰ বৈঠকত কবিতা পাঠ কৰে অঞ্জু বৰুৱা, সত্যনাথ শৰ্মা, পৰিস্মিতা দত্ত শৰ্মা, যোগেন সিং, বিজয়া শইকীয়া আৰু নিমিষা গগৈয়ে। গীত পৰিবেশনেৰে বৈঠকখন সজীৱ কৰি তোলে ছুইতি গগৈ, ষষ্ঠ তনয়া কলিতা, অন্তৰা লবিবা, দৰিণা ফুকন, আন্যা জাহিন আৰৰাৰ আৰু লাভলী গগৈয়ে।

## ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ দুৰ্ঘটনা

*১২ পৃষ্ঠাৰ পৰা* আহ্বান জনায়। যাতে শিশুসকলেও মটৰ চাইকেলত উঠিলে হেলমেট পৰিধান কৰে। সভাত ঢেকীপাৰা আৰু ঘোঁৰাবান্ধা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকাই আগন্তুক বিদ্যালয় বিলাকত প্ৰথম মূল্যায়ণৰ বাবে প্ৰশ্নকাকতসমূহ শিকনীয় অৰ্হতা ভিত্তিত প্ৰস্তুত কৰাৰ বাবে পৰামৰ্শ দিয়ে। ছিপাঝাৰ শিক্ষাখণ্ডৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক লক্ষ্যধৰ শৰ্মা আৰু দৰং জিলা সমগ্ৰ শিক্ষা অভিযানৰ জিলা আঁচনি বিষয়া ধনজিৎ ৰাজবংশীয়ে শৈক্ষিক দিশৰ ওপৰত আলোচনা কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ বিগত দিনত ঘাটি হোৱা শিকনীয় অৰ্হতা কেনেকৈ পূৰ কৰিব পাৰি আৰু তাৰ বাবে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমে প্ৰস্তুত কৰি উলিওৱা শিকন অন্বেষণ আৰু উন্নীতকৰণ সমলৰ ওপৰত আলোচনা আগবঢ়াই ছিপাঝাৰ শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি গীতাৰাণী ডেকাই। শিক্ষক সভাত ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষয়িত্ৰী নীভা ডেকা মহন্ত আৰু খণ্ড সমল ব্যক্তি পিংকী তালুকদাৰে প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত ইংৰাজী শিক্ষা কেনেদৰে ছাত্ৰ-ছাত্ৰীয়ে সহজতে আয়ত্ত কৰিব পাৰে আৰু ইংৰাজী ভাষা কেনেকৈ শুদ্ধ সুৰ লয় ব্যৱহাৰ কৰি পাঠদান কৰিব লাগে তাৰ বিষয়ে সুকীয়া সুকীয়াকৈ প্ৰদৰ্শনমূলক পাঠদান কৰে। সভাত আগন্তুক মূল্যায়ণৰ দিন, গ্ৰীষ্মকালীন বন্ধত ছাত্ৰ-ছাত্ৰীৰ গৃহকৰ্ম আদি বিষয়তো আলোচনা কৰা হয়। প্ৰায় অৰ্ধ শতাধিক শিক্ষক উপস্থিত থকা সভাত ছিপাঝাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মুনীন্দ্ৰ বৰুৱা উপস্থিত থাকে।

## প্ৰকৃতি নিৰ্ভৰশীল সমাজখন এতিয়া

*১২ পৃষ্ঠাৰ পৰা* সময়ত সময়লৈকে বিশাল পথাৰ, অৰণ্য, পৰ্বত-পাহাৰ, নদ-নদী, জীৱ-জন্তু, চৰাই-চিৰিকটিৰ মাজতেই লোকজীৱন অতিবাহিত হৈছিল আৰু প্ৰকৃতিৰ পৰাই মানুহে জীৱন আৰু জীৱিকাৰ সকলো সম্পদ আহৰণ কৰিছিল । অন্ন, বস্ত্ৰ, বাসস্থানৰ তিনিটা মৌলিক সমস্যাহে প্ৰকৃতি প্ৰদত্ত সম্ভাৰেৰেই সমাধান কৰিছিল আৰু তাতেই জিলিকি আছিল লোক জীৱন।' তেওঁ পুনৰ কয়, 'সংস্কৃতি হ'ল এটা জাতিৰ সামগ্ৰিক জীৱন চৰ্যা। য'ত শয্যা ত্যাগ কৰাৰ পৰা ৰাতি পুনৰ শয্যা গ্ৰহণ কৰালৈকে দৈনন্দিন জীৱনৰ সকলো কাম-কাজ আলফুলে প্ৰতিফলিত হয়। সাম্প্ৰতিক সময়ত প্ৰযুক্তিৰ বিভিন্ন মাধ্যমে সমাজ ব্যৱস্থাক যেনে ধৰণে ছানি ধৰিছে তাৰ সুবাদতে জীৱন চৰ্চা যেনে ধৰণে বিকশিত আৰু পৰিৱৰ্তিত হৈছে সেয়া অনুভৱ কৰি লোক সংস্কৃতি ক্ষতিগ্ৰস্ত হ'ব পাৰে বুলি মানুহ সন্দিহান হৈ পৰিছে ।' প্ৰযুক্তিৰ সম্প্ৰসাৰণে মানুহৰ প্ৰয়োজনীয় সকলো আহিলা যোগান ধৰাৰ বাবে সেই প্ৰকৃতি নিৰ্ভৰশীল সমাজখন এটি প্ৰযুক্তি নিৰ্ভৰশীল সমাজলৈ পৰিৱৰ্তিত হৈছে বুলি ড° শইকীয়াই ভাষণত উল্লেখ কৰে । মুঠ পাঁচটা সত্ৰত অনুষ্ঠিত গুৰুত্বপূৰ্ণ আলোচনাচক্ৰখনত অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক ড° যমুনা বিনি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সঞ্জয় ভট্টাচাৰ্য, লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° তোলন মুছাহাৰী আৰু লেখিকা অজন্তা আৰু বিহু কৃষ্টি পৰিষদ অসমৰ মুখপাত্ৰ তথা আৰ জি বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ড° দ্বীপেন দাসে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে । আলোচনাচক্ৰখনত ৭০ গৰাকী অধ্যাপক- গৱেষকে নিজৰ গৱেষণা পত্ৰ পাঠ কৰে। আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° জ্যোৎস্না বৰুৱাই আঁত ধৰা সামৰণি অনুষ্ঠানত লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰী আৰু ড° কান্তাৰ ভূষণ নন্দীয়ে বক্তব্য ৰাখে। উক্ত আলোচনাচক্ৰখনত অংশগ্ৰহণকাৰী অধ্যাপক-গৱেষকসকলক মানপত্ৰ প্ৰদান কৰা হয় ।

## দুমুনিচকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**


**দুমুনিচকী, ১৫ জুন ঃ** কামৰূপ জিলাৰ দুমুনিচকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। দুমুনিচকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মাইকণ কুমাৰৰ আহ্বানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুধিৰঞ্জন ডেকাৰ সঞ্চালনাত বিদ্যালয় প্ৰাংগণত এই সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত এইবেলি দুমুনিচকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ৪২ গৰাকী শিক্ষাৰ্থীক এখন মানপত্ৰ, ফুলাম গামোচা আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শিক্ষক ৰাজেশ্বৰ কলিতাই আঁতধৰা সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে সাংবাদিক পুকল চমুৱা, প্ৰাক্তন প্ৰধান শিক্ষক প্ৰভাত চন্দ্ৰ নাথ, নিৰঞ্জন ডেকা, পৰিচালনা সমিতিৰ সদস্য পুলক চমুৱা (কনিষ্ঠ), দিলজাৰ আলী প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী।

## বিলাসীপাৰাত অংগনৱাড়ী কৰ্মীৰ মৃত্যু

**বিশেষ সংবাদদাতা**

**বিলাসীপাৰা, ১৫ জুন ঃ** বিলাসীপাৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ ৫৪ নম্বৰ হাকামা অংগনৱাড়ী কেন্দ্ৰত নিয়োজিত কৰ্মীগৰাকীৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। হাকামা পঞ্চম খণ্ড বেলতমী গাঁৱৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত শিক্ষক মহচেন আলীৰ পত্নী তহমিনা খাতুন (৫৭)-এ অংগনৱাড়ী কেন্দ্ৰটোৰ প্ৰতিষ্ঠাপক কৰ্মী হিচাপে নিয়োজিত হৈ আছিল। শেহতীয়াকৈ কৰ্মীগৰাকীয়ে কিছুদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত আছিল। কৰ্মীগৰাকী শেষকৃত্য আজি দিনৰ ভাহত উত্তৰ বিলাসীপাৰা আঞ্চলিক কবৰস্থানত শেষকৃত্য সম্পন্ন কৰে। কৰ্মীগৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে।

## নলবাৰী চহৰৰ বিশিষ্ট ব্যক্তি কৈলাশ চন্দ্ৰ শৰ্মাৰ বিয়োগ



**গুৱাহাটী, ১৫ জুন ঃ** যোৱা ১১ জুনৰ সন্ধিয়া ৫.১৫ বজাত নলবাৰী চহৰৰ এজন প্ৰতিষ্ঠিত ব্যৱসায়ী তথা সৰ্ববৰহী ব্যক্তি কৈলাশ চন্দ্ৰ শৰ্মাৰ দেহাৱসান ঘটে। ১৯৩৬ত নলবাৰীৰ সমীপৱৰ্তী বগলছ চ'কৰ ওচৰৰ কুচীয়া গাঁৱত জন্মগ্ৰহণ কৰা কৈলাশ শৰ্মা প্ৰয়াত কেশৱ চন্দ্ৰ শৰ্মা আৰু ৰথেশ্বৰী দেৱীৰ জ্যেষ্ঠ সন্তান আছিল আৰু অতি কম বয়সতে পিতৃ-মাতৃক হেৰুৱাই কষ্টকৰ জীৱনৰ মুখামুখি হৈছিল। পৰৱৰ্তী সময়ত নলবাৰীৰ বিশিষ্ট শিক্ষক তথা তেওঁ খুড়াক জয়দেৱ শৰ্মাৰ অভিভাৱকত্বত স্নাতক উপাধি গ্ৰহণ কৰি ব্যৱসায়ত মনোনিবেশ কৰে। ছপাশাল আৰু গ্ৰন্থ প্ৰকাশৰ ব্যৱসায়ত জড়িত হৈ নলবাৰীৰ হাজো ৰোডত স্বাধীনভাৱে জয়শ্ৰী প্ৰিন্টিং প্ৰেছৰ জন্ম দি অগ্ৰণী প্ৰকাশক হিচাপে প্ৰতিষ্ঠা লাভ কৰে। এই জয়শ্ৰী প্ৰেছতে নলবাৰীকে ধৰি অসমৰ বিভিন্ন ক্ষেত্ৰৰ পৰা অহা সাহিত্যিক, লেখক, ৰাজনীতিক, কলা-কুশলীসকলৰ সমাহাৰ ঘটিছিল। পৰৱৰ্তী সময়ত জ্ঞানপীঠ নামৰ কিতাপ প্ৰতিষ্ঠান আৰু জ্যোতি ফাৰ্মাচীলৈ ব্যৱসায়ৰ পৰিসৰ বৃদ্ধি কৰে। তেওঁ যে এজন ব্যৱসায়ীয়ে আছিল এনে নহয়, তেওঁ আছিল এজন মানৱদৰদী, সমাজ-সচেতক, সদাহাস্য আৰু ধুতি-পাঞ্জাৰী পৰিহিত ভদ্ৰলোক। ২০০৭ত তেওঁৰ পত্নীৰ বিয়োগ ঘটে। ৮৬ বছৰ বয়সত শৰ্মাৰ পৰলোক প্ৰাপ্তিত নলবাৰী জিলাত শোকৰ ছাঁ পৰে।

## বিমানকোঠত বহুমূলীয়া বস্তু

*১২ পৃষ্ঠাৰ পৰা* এৰি যোৱা দুটাতকৈ বেছি লেপটপ, ম'বাইল ফোন, কে'বাটাও লাগেজ বেগ আৰু বিভিন্ন প্ৰকাৰৰ বহুমূলীয়া সামগ্ৰী ইতিমধ্যে যাত্ৰীসকলক ঘূৰাই দিয়া বুলি বিমানকোঠ কৰ্তৃপক্ষই সদৰী কৰে। বিমানকোঠ কৰ্তৃপক্ষই এইসকল নিষ্ঠাৱান কৰ্মচাৰী ক্ৰমে ৰাহুল কুলী, আজিমুদ্দিন খান, মানৱ বড়ো আৰু সীমান্ত দাসৰ সহযোগিতাৰ বাবে প্ৰশংসা কৰে।

## উত্তৰাঞ্চলত উগ্ৰপন্থীৰ নামত ধন

*১২ পৃষ্ঠাৰ পৰা* অৰুণোদয় আঁচনিৰ ৰূপায়ণত হিতাধিকাৰী বৈ গৈছে। বহু হিতাধিকাৰী প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ পাবলৈ সক্ষম হোৱা নাই। জিলাখনত প্ৰচুৰ পৰিমাণে মচুৰ দাইলৰ খেতি হোৱাৰ বাবে খেতিয়কসকলক সকাহ দিয়াৰ বাবে গুৰুত্ব প্ৰদান কৰিছে বুলি উল্লেখ কৰে। ইয়াৰ লগতে বহুতো ৰাইজে চৰকাৰী বহু আঁচনিৰ পৰা বঞ্চিত হৈ আছে বুলি সংবাদ মাধ্যমৰ সন্মুখত সদৰী কৰে।

## বিদ্যালয় পৰিদৰ্শন শিক্ষা সচিব

*১২ পৃষ্ঠাৰ পৰা* পাই অনুপ্ৰাণিত হয়। নিজৰ ব্যক্তিগত ম'বাইল নম্বৰ ছাত্ৰ-ছাত্ৰীসকলক জনোৱাৰ লগতে যি কোনো অসুবিধাৰ বাবে তেওঁৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে উপায়ুক্তসকলক সঘনাই স্কুলসমূহ পৰিদৰ্শন কৰাৰ বাবে তেজপুৰৰ উপায়ুক্তৰ সন্মিলনত নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। পৰিদৰ্শনৰ সময়ত শিক্ষা সচিবগৰাকীয়ে শিক্ষক শিক্ষয়িত্ৰীসকলক আন্তৰিকতাৰে শিক্ষা প্ৰদান কৰি যাবলৈ আহ্বান জনায়।

## কামৰূপ মহানগৰ জিলা ভিত্তিক যোগ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ১৫ জুন ঃ** অষ্টম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰ আয়ুস সঞ্চালকালয়ৰ সৌজন্যত আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগৰ লগতে সেৱা ভাৰতী পূৰ্বাঞ্চলৰ সহযোগত কামৰূপ মহানগৰ জিলা ভিত্তিক যোগ প্ৰতিযোগিতা বি বৰুৱা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ডাঃ দিপ্তী ৰেশা শৰ্মাই আঁত ধৰা অনুষ্ঠানত বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ নডেল বিষয়া ডাঃ কৰবী হাজৰিকাই। মুখ্য অতিথিৰূপে উপস্থিত থাকে বি বৰুৱা মহাবিদ্যালয় গণিত বিভাগৰ মুৰব্বী অধ্যাপিকা ডাঃ অঞ্জনা শৰ্মা। উদ্বোধনী ভাষণ আৰু উদ্দেশ্য ব্যাখ্যা কৰে সেৱা ভাৰতী পূৰ্বাঞ্চল উত্তৰ অসম প্ৰান্তৰ যোগ প্ৰমুখ অৰূপজ্যোতি দাসে। প্ৰতিযোগিতা সুকলমে চলাই নিয়াৰ বাবে বিচাৰকৰূপে অসীম বৰুৱা যোগ বিশ্ব চেম্পিয়ন, নাৰায়ণ ডেকা, সৌৰভ ৰয় আৰু সংগীতা শৰ্মা প্ৰতিযোগিতাখনত প্ৰায় ১১৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। লগতে এই অনুষ্ঠানৰ সামৰণি অনুষ্ঠান উপস্থিত থাকে কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি হাজৰিকা, কামৰূপ মহানগৰ জিলা যুটীয়া সঞ্চালক কন্দৰ্প দাসৰ উপৰি সেৱা ভাৰতী পূৰ্বাঞ্চল গুৱাহাটী মহানগৰৰ শিক্ষক-শিক্ষয়িত্ৰী-কাৰ্যকৰ্তা ক্ৰমে ভৱেশ্বৰ গোস্বামী, দ্বিজেন্দ্ৰ নাথ দাস, ৰামচৰণ ডেকা, চন্দন কলিতা, জুনু বৰা, নৱলক্ষী গগৈ, মৃদুলা লহকৰ, মঞ্জু দাস, প্ৰীতিশা গোস্বামী, পূৰবী শইকীয়া, মায়া লামা আদিয়ে যোগ প্ৰতিযোগিতাত সহায়-সহযোগিতা আগবঢ়ায়।

## মঙলদৈত জয়ন্ত হাজৰিকাৰ গীতৰ কৰ্মশালা আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ১৫ জুন ঃ** অহা পাঁচৰ পৰা ১৯ জুলাইলৈ মঙলদৈৰ জেব্ৰা ফ'ৰ্চৰ উদ্যোগত অনুষ্ঠিত হ'ব জয়ন্ত হাজৰিকাৰ গীতৰ কৰ্মশালা। দৰঙৰ অন্যতম সামাজিক সাংস্কৃতিক অনুষ্ঠান জেব্ৰা ফ'ৰ্চে জিলাখনত নাট্য কৰ্মশালা, গীতৰ কৰ্মশালা, চিকিৎসা শিবিৰ আৰু অন্যান্য সামাজিক কাম কৰি আহিছে। এইবেলি ক্লাবটোয়ে সমাগত গ্ৰীষ্ম বন্ধত জয়ন্ত হাজৰিকাৰ গীতৰ কৰ্মশালা অনুষ্ঠিত কৰিব। কৰ্মশালাত মুখ্য প্ৰশিক্ষকৰূপে থাকিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ স্বীকৃতি প্ৰাপ্ত গায়ক তথা জয়ন্ত হাজৰিকাৰ গীতৰ সাধক জীৱেন্দ্ৰ মোহন দেৱ শৰ্মাই। ইতিমধ্যে ৰাজ্যৰ বিভিন্ন প্ৰান্তত জয়ন্ত হাজৰিকাৰ গীত পৰিৱেশন কৰি প্ৰশংসা লাভ কৰা জীৱেন্দ্ৰ মোহন দেৱ শৰ্মাৰ প্ৰশিক্ষণে নৱ প্ৰজন্মৰ গায়কসকলক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলি সংগীতৰ লগত জড়িত বিশেষজ্ঞসকলে মতপ্ৰকাশ কৰিছে। ইচ্ছুকসকলক যোগাযোগৰ বাবে ৯৮৬৪০৫১৯০২ নম্বৰত যোগাযোগ কৰিবলৈ উদ্যোক্তা জেব্ৰা ফ'ৰ্চে অনুৰোধ জনাইছে।

## কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পাঁচ শিক্ষকৰ বিদায় সম্বৰ্ধনা




**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৫ জুন ঃ** কলিয়াবৰৰ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰ হাটবৰস্থিত কলিয়াবৰ উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা পাঁচগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক আজি বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উদ্দেশ্য বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সলিল কুমাৰ মিত্ৰৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাত অধ্যক্ষ সঞ্জীৱ কুমাৰ হাজৰিকাৰ লগতে কলিয়াবৰ শাখা সাহিত্য সভাৰ সম্পাদক বিৰাজ ভূষণ বৰা, কুঁৱৰীটোল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অম্লান গোস্বামী, ভাৰত হাজৰিকা, ফণী হাজৰিকা, হেমন্ত কুমাৰ বৰা, প্ৰসন্ন কুমাৰ মহন্ত আদিয়ে অংশগ্ৰহণ কৰে। সভাত বিদায়ী শিক্ষক ক্ৰমে প্ৰাক্তন অধ্যক্ষ মহেন্দ্ৰ কাকতি, দিপালী মহন্ত, অৰ্চনা মহন্ত, ধঞ্জু বৰুৱা আৰু প্ৰণতি হাজৰিকাক ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা আৰু এখন প্ৰশস্তি পত্ৰৰ লগতে শৰাইৰে বিদায় সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানতে বিদ্যালয়খনত নতুনকৈ নিযুক্তি লাভ কৰা আঠগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সহকাৰী শিক্ষক বিপুল হাজৰিকাই আঁত ধৰা অনুষ্ঠানত শিক্ষক-ছাত্ৰীসকলৰ লগতে স্থানীয় কে'বাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে।

## অধ্যাপিকা ৰুণুমী তালুকদাৰৰ কবিতা পুথি 'মন আকাশৰ জোনাক' উন্মোচন

### ■ দমদমা মহাবিদ্যালয়ত গ্ৰন্থ উন্মোচনী সভা



**অগ্ৰদূত বাৰ্তা**

**হাজো, ১৫ জুন ঃ** তীৰ্থ নগৰী হাজোৰ অগ্ৰণী শিক্ষানুষ্ঠান দমদমা মহাবিদ্যালয়ৰ সভাকক্ষত আজি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হৈ যায়। এই গ্ৰন্থ উন্মোচনী সভাত দমদমা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপিকা তথা লেখিকা ৰুণুমী তালুকদাৰৰ স্বৰচিত শিশু উপযোগী কবিতা পুথি 'মন আকাশৰ জোনাক' উন্মোচন কৰা হয়। দমদমা মহাবিদ্যালয়ৰ অধ্যাপক চন্দন চুতীয়াই আঁত ধৰা সভাত কাব্য গ্ৰন্থখন উন্মোচন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুৰঞ্জন শৰ্মাই। গ্ৰন্থখন উন্মোচন কৰি অধ্যক্ষ ড° শৰ্মাই কয় যে সাহিত্য সৃষ্টিৰ আঁৰত মূলতঃ লুকাই থাকে কঠোৰ সাধনা। গতিকে সমাজ জীৱনৰ প্ৰতিচ্ছবি নিহিত থকা সাহিত্যই জনপ্ৰিয়তা লাভ কৰে। অধ্যয়ন আৰু সমাজৰ সামগ্ৰিক দিশ অনুধাৱন কৰি সৃষ্টিশীল কৰ্মৰ যোগেদি আজিৰ ছাত্ৰ- ছাত্ৰী সকলোৰে আগবাঢ়ি যাব লাগিব । সভাত লেখিকা ৰুণুমী তালুকদাৰে ভাষণত কয় যে বিভিন্ন সময়ত মনলৈ অহা ভাব-অনুভূতিবোৰ কবিতাৰ ৰূপ দি পুথিখন লিপিবদ্ধ কৰিছো। ভগৱানৰ পাছতে আমাৰ নমস্য গুৰু পিতৃ-মাতৃ। পৃথিৱীৰ পোহৰ দেখুওৱা পিতৃ-মাতৃৰ ঋণ জীৱনত কেতিয়াও পৰিশোধ কৰিব নোৱাৰি। পুথিখনৰ জৰিয়তে পিতৃ- মাতৃৰ স্মৃতি যুগমীয়া কৰিবলৈ স্মৃতি সোঁৱৰণ কৰি কবিতা লিখি পুথিখন ৰচনা কৰা হৈছে। প্ৰসংগক্ৰমে তেওঁ পুনৰ কয় যে শিশুসকলক প্ৰাকৃতিক জগতখনৰ লগত সামান্যভাৱে হ'লেও পিতৃ-মাতৃসকলে পৰিচয় কৰি দিয়া প্ৰয়োজন যাতে বাস্তৱ জগতৰ বিষয়ে কিছু পৰিমাণে জ্ঞান লাভ কৰিব পাৰে। এই সভাত দমদমা মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ অধ্যাপক বিৰাজ দাস, হাজো সাংবাদিক সন্থাৰ সভাপতি গোবিন্দ দাস, কুলহাটী পাঁচগাঁও গাঁও পঞ্চায়তৰ সভানেত্ৰী পদুমী দাস, অধ্যাপক অমিতাভ চক্ৰৱৰ্তীয়ে অংশগ্ৰহণ কৰি সাহিত্য সৃষ্টিৰ বিভিন্ন দিশৰ ওপৰত সাৱলীল বক্তব্য আগবঢ়ায়। সভাত দমদমা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা মঞ্জু দাস, সাংবাদিক কমলাকান্ত দাস, যুৱ কবি-সাংবাদিক অনামিকা কলিতাকে ধৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপৰি মহাবিদ্যালয়খনৰ কৰ্মচাৰীবৃন্দ উপস্থিত থাকে।

## কলিয়াবৰত মৰণফান্দলৈ পৰ্যবসিত ঘাইপথ

# পথত গাঁত নে গাঁতত পথ ঃ ৰাইজৰ প্ৰশ্ন



**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১৫ জুন ঃ** পথত গাঁত নে গাঁতত পথ? কলিয়াবৰৰ মাজেৰে যোৱা ৩৭ নম্বৰ ঘাইপথৰ দুৰৱস্থা দেখি এই প্ৰশ্ন কৰিছে কলিয়াবৰৰ লগতে পথটোৰে চলাচল কৰা পথচাৰীয়ে। ঘাইপথ প্ৰাধিকৰণৰ লগতে গড়কাপ্তানী বিভাগৰ অমনোযোগিতা আৰু কৰ্মবিমুখতাৰ বাবেই কলিয়াবৰত মৰণফান্দত পৰিণত হৈছে ৩৭ নম্বৰ ঘাইপথ। পথত গাঁত নে গাঁতত পথ অনুমান কৰিব নোৱাৰা এক পৰিস্থিতিৰ সৃষ্টি হৈছে সৰ্বত্ৰ। আন আন স্থানৰ লগতে মেৰামতিৰ অভাৱত জহি-খহি গৈছে কলিয়াবৰৰ মিছাৰ পৰা আমনিলৈ সমগ্ৰ ৰাষ্ট্ৰীয় পথছোৱা। পথৰ মাজে মাজে সৃষ্টি হৈছে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ। ফলত যাতায়াতৰ ক্ষেত্ৰত ব্যাপক অসুবিধাৰ সন্মুখীন হৈছে বাহনৰ চালকসকলৰ লগতে পথচাৰী। মিছাৰ পৰা আমনি পৰ্যন্ত পথচোৰা যাতায়াতৰ অনুপযোগী হৈ পৰাৰ লগতে মিছা নদীৰ ওপৰত থকা পকী দলংখনো বিধ্বস্ত হৈ পৰিছে। ফলত যিকোনো মুহূৰ্তত দুৰ্ঘটনাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে উক্ত অঞ্চলটোত চাৰিলেন যুক্ত পথ নিৰ্মাণৰ কাম চলি আছে যদিও পুৰণি পথছোৱা মেৰামতি কৰি দিয়া নাই নিৰ্মাণকাৰী সংস্থা ছিমপ্লেক্সে। ইফালে, চাৰিলেন যুক্ত পথৰ নিৰ্মাণ কাৰ্যৰ গতি তেনেই লেহেমীয়া হোৱাৰ বাবে যমৰ যাতনা ভোগ কৰিব লগা হৈছে পথচাৰীয়ে। পথৰ দুৰৱস্থাৰ বাবেই সময়ে সময়ে বিভিন্ন দুৰ্ঘটনাও সংঘটিত হৈ আহিছে কলিয়াবৰৰ ৰাষ্ট্ৰীয় পথত। কিন্তু ইমানৰ পাছতো শুভ বুদ্ধিৰ উদয় হোৱা নাই কৰ্তৃপক্ষৰ লগতে সংশ্লিষ্ট বিভাগৰ।

## শিৱসাগৰৰ চুৰি মটৰ চাইকেলসহ দুলীয়াজানত ধৃত দুই চোৰ

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ১৫ জুন ঃ** যোৱা নিশা দুলীয়াজান আৰক্ষীৰ এটি টহলদাৰী দলে এখন মটৰ চাইকেলত অহা দুজন যুৱকক ঘূৰি ফুৰা অৱস্থাত সন্দেহবশত যুৱক দুজনক ৰখাই সোধাপোছ কৰাত মটৰ চাইকেল চুৰিৰ ঘটনা পোহৰলৈ আহে। আৰক্ষী সূত্ৰই সদৰী কৰা অনুসৰি যুৱক দুজনে কেইদিনমান পূৰ্বে উদ্ধাৰ হোৱা মটৰ চাইকেলখন শিৱসাগৰৰ পৰা চুৰি কৰিছিল। ঘটনাৰ সন্দৰ্ভত দুলীয়াজান আৰক্ষীয়ে ইতিমধ্যে শিৱসাগৰ আৰক্ষীক অৱগত কৰিছে। অভিযুক্ত যুৱক দুজন হৈছে দুলীয়াজান আৰক্ষী থানাৰ অন্তৰ্গত মধুটিংপট্টি লাইনৰ নিৱাসী ক্ৰমে গোপী প্ৰধান ওৰফে ৰৌহন (২১) আৰু ৰাহুল গগৈ(২১)।

## বিশুদ্ধ খোৱা পানীৰ তীব্ৰ নাটনি, পশুধনৰ খাদ্য সংকট

# আজাৰা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল পানীৰ তলত

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ১৫ জুন ঃ** আজাৰা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল আজিও পানীৰ তলতে আছে। যাৰ ফলত জনসাধাৰণৰ মাজত বিশুদ্ধ খোৱাপানীৰ তীব্ৰ নাটনিয়ে দেখা দিছে। আনফালে পথাৰসমূহ পানীত বুৰ যোৱাত পশুধনৰ খাদ্যৰ নাটনিয়ে দেখা দিছে।

বিগত কেইদিমানৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ ফলত আজাৰা ৰাজহ চক্ৰৰ আজাৰা, ধাৰাপুৰ, গড়ল, মাজিৰগাঁও আৰু বৰঝাৰ গাঁও পঞ্চায়তৰ কে'বাখনো গাঁৱৰ বাট-পথ, বিদ্যালয়, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান কৃত্ৰিম বানৰ গৰাহত পৰিছে। বৃহত্তৰ অঞ্চলটোৰ আজাৰা, বৰবৰী, কলিতাপাৰা, মিৰ্জাপুৰ, লোৱাৰ মিৰ্জাপুৰ, ভক্তোবৰী, কুহাবৰী, কোচ পৰা, সূতাৰপাৰা, কাঁহিকুছি, বুল্লা আদি ঠাইত কৃত্ৰিম বানৰ প্ৰভাৱ যথেষ্ট পৰিছে। এইবোৰ অঞ্চলৰ কোনো কোনো ঠাইৰ মানুহৰ ঘৰ-বাৰীও পানীত বুৰ গৈছে। সমগ্ৰ অঞ্চলত কৃত্ৰিম বানৰ ফলত জনসাধাৰণৰ মাজত বিশুদ্ধ খোৱাপানীৰ সমস্যাই ভয়াৱহ ৰূপ লৈছে। চৰকাৰৰ জলজীৱন আঁচনিৰ জৰিয়তে ঘৰে ঘৰে পানী যোগানৰ টেপৰ বহুৱা হৈছে যদিও জনসাধাৰণে প্ৰয়োজনীয় খোৱাপানী টুপি নোপোৱাৰ অভিযোগ উঠিছে। ইফালে, বৃহত্তৰ অঞ্চলটোৰ কৃত্ৰিম বানৰ বাবে কোনো কোনো ঠাইত নলীনাদসমূহ পানীত বুৰ যোৱাত বিশুদ্ধ খোৱাপানীৰ সমস্যাই ভয়াৱহ ৰূপ লৈছে। আনফালে, বৃহত্তৰ অঞ্চলটোৰ পথাৰসমূহ পানীত বুৰ যোৱাত গৰু-ছাগলীৰ খাদ্যৰ নাটনিয়ে দেখা দিছে। এই ক্ষেত্ৰত সচেতন ৰাইজে ক্ষতিগ্ৰস্ত অঞ্চলত অতিশীঘ্ৰে বিশুদ্ধ খোৱাপানীৰ লগতে পশু ধনৰ খাদ্যৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনাইছে।



# ঘাইপথ সংলগ্ন জনীয়া সমষ্টিৰ কান্দুলিয়াৰ পৰা মইনবৰীলৈ কদৰ্য ৰূপ

**কলগাছিয়া, ১৫ জুন ঃ** কলগাছিয়াৰ কান্দুলীয়াৰ পৰা মইনবৰীলৈ যোৱা গড়কাপ্তানী পথৰ কদৰ্যময় অৱস্থাৰ বাবে যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজে নৰক যন্ত্ৰণা ভোক কৰিবলগীয়া হৈছে। ৰাজ্যিক ঘাইপথ সংলগ্ন কান্দুলীয়া চ'কৰ পৰা বৰভিটা হৈ মইনবৰীলৈ যোৱা দুই কিলোমিটাৰ পথৰ মাজত ঠায়ে ঠায়ে বোকা দিয়া খেতিৰ দৰে বোকা আৰু প্ৰকাণ্ড প্ৰকাণ্ড গাঁত হোৱাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে চলাচলৰ ক্ষেত্ৰত চৰম যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে। এজাক বৰষুণ পৰিলেই পথছোৱাত পুখুৰী সদৃশ পৰিৱেশ সৃষ্টি হোৱাত সৰু-বৰ বাহনৰ লগতে জৰুৰীকালীন সেৱা বন্ধ হৈ পৰিছে বৃহত্তৰ অঞ্চলটোত। পথছোৱাত দৈনিক হৈ আহিছে সৰু-ডাঙৰ দুৰ্ঘটনা। পথছোৱাৰ কাৰণে চৰম অসুবিধাত পৰা ক্ষুব্ধ ৰাইজে সাংসদ, বিধায়ক আৰু পঞ্চায়তৰ প্ৰতিনিধিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছে। অচিৰেই পথছোৱা মেৰামতি কৰাৰ বাবে ৰাজ্য চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে স্থানীয় ৰাইজে। শীঘ্ৰেই পথছোৱা মেৰামতিৰ ব্যৱস্থা নকৰিলে চৰকাৰ, সাংসদ, বিধায়ক আৰু পঞ্চায়তৰ প্ৰতিনিধিৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰিছে স্থানীয় লোকে।

## পথচাৰীৰ যমৰ যাতনা



# মৰণফান্দত পৰিণত কালাতলী-ডেকাচাং সংযোগী পথৰ নাওভাংগা দলঙৰ এপ্ৰ'ছ

## যাতায়াত ব্যাহত পথচাৰীৰ



**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ১৫ জুন ঃ** কামৰূপ জিলাৰ সোণতলীস্থ নাওভাংগাত বিধ্বস্ত পকীদলঙৰ প্ৰকাণ্ড এপ্ৰ'ছ। এই বিধ্বস্ত এপ্ৰ'ছে ইতিমধ্যে সৃষ্টি কৰিছে মৰণফান্দৰ। যিকোনো মুহূৰ্ততে সংঘটিত হ'ব পাৰে ভয়ংকৰ দুৰ্ঘটনা। সম্পূৰ্ণৰূপেই ব্যাহত হৈ পৰিছে যাতায়াত। কিদৰে খহি গৈছে মাটি, কিন্তু বিভাগটোৰ নাই কোনো কাণসাৰ। আজি কে'বাদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত এফালৰ এপ্ৰ'ছ এটাৰ মাটি খহি সৃষ্টি হৈছে প্ৰকাণ্ড গাঁতৰ। সোণতলীৰ কিছমত কাঠমী, নিজকাঠমী, কালাতলী, নতুন কাঠমী আৰু ডেকাচাং গাঁও সংলগ্ন পথৰ এই পকী দলংখনে সম্প্ৰতি বহন কৰিছে মৃত্যুৰ অশনি সংকেত। মৰণফান্দ সদৃশ এই বিধ্বস্ত দলংখনেৰে যাতায়াত অব্যাহত ৰখাৰ ক্ষেত্ৰত শংকিত হৈ পৰিছে পথচাৰীৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী। সম্প্ৰতি এই এপ্ৰ'ছ বিধ্বস্ত দলংখনৰ খবৰ লোৱা নাই চৰকাৰৰ তথা গড়কাপ্তানী বিভাগে। এই দলংখনৰ বিধ্বস্ত এপ্ৰ'ছটো শীঘ্ৰেই মেৰামতি কৰিবলৈ স্থানীয় সচেতন মহলে বিধায়িকা নন্দিতা দাস আৰু চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## বটদ্ৰৱা থানত চুৰিকাণ্ড

# এক কিলোমিটাৰ দৌৰাই দৌৰাই কৰায়ত্ত চোৰক

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ জুন ঃ** বিগত কেইটামান বছৰৰ পৰা চোৰ, ডকাইত, ড্ৰাগছ মাফিয়াৰ দৰে অপৰাধী আৰু বে-দখলকাৰীৰ ৰম্যভূমি হৈ পৰা বটদ্ৰৱাত আজি দিন দুপৰতে স্বয়ং গুৰুজনাৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱা থানতে চোৰে সংঘটিত কৰে চুৰিকাণ্ড। কীৰ্তনঘৰ আৰু পদশিলাৰ কাষৰ পৰা চুৰ কৰে থানৰ বৈদ্যুতিক সামগ্ৰী। দিনৰ দুই বজাত চুৰিকাণ্ড সংঘটিত কৰি সামগ্ৰী লৈ উধাও হোৱাৰ সময়ত কথাটো প্ৰত্যক্ষ কৰে কেইজনমান তীৰ্থযাত্ৰীয়ে। লগে লগে চোৰটোৱে থানৰ হাটীবহাৰ এখন দেৱাল পাৰ হৈ পলায়ন কৰে ঘটনাস্থলীৰ পৰা। থানৰ ওচৰে পাজৰে সেই সময়ত উপস্থিত থকা স্থানীয় ৰাইজে তৎপৰতাৰে পাছে পাছে খেদি গৈ প্ৰায় এক কিলোমিটাৰ আঁতৰত বটদ্ৰৱা শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত গৈ কৰায়ত্ত কৰে চোৰটোক। ধৃত চোৰজনক নাম ছহিদুল ইছলাম (২০) আৰু ঘৰ ধিং থানাৰ অন্তৰ্গত ধূপগুৰি গাঁৱত। পাছত ঘটনাস্থলীৰ পৰা বটদ্ৰৱা আৰক্ষীয়ে চোৰটোক কৰায়ত্ত কৰি থানালৈ লৈ যায়। বৰ্তমান অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে। দেশ কঁপোৱা বটদ্ৰৱা থানা জ্বলোৱা কাণ্ডৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই গুৰুজনাৰ জন্মস্থানত দিন দুপৰতে চোৰ প্ৰৱেশ কৰা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চুৰিৰ ঘটনা সন্দৰ্ভত আজি বটদ্ৰৱা থান পৰিচালনা সমিতিৰ হৈ কাৰ্যালয় সহায়ক কন্দৰ্প কলিতাই বটদ্ৰৱা আৰক্ষী থানাত দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৩৮০ আৰু ৪৫৪ ধাৰাৰ অধীনত ৫৭/২২ নম্বৰত এটি গোচৰ ৰুজু কৰি ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

## নগাঁৱত হেৰ'ইনসহ দুই ড্ৰাগছ সৰবৰাহকাৰী ধৃত

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৫ জুন ঃ** আজি বিয়লি নগাঁও আৰক্ষীৰ এটা দলে এক অভিযান চলাই বিলপাৰ কাৰৈমাৰীৰ পৰা দুজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰী দুজন বিলপাৰ কাৰৈমাৰীৰ জাকিৰ আলী মিৰ্দা (২৭) আৰু ইছলামপট্টিৰ ছহিদুল ইছলাম (২৬)। তেওঁলোকৰ হাতৰ পৰা আৰক্ষীয়ে ৭৮ গ্ৰাম ওজনৰ ১০ ভাইল নিষিদ্ধ হেৰ'ইন জব্দ কৰিবলৈ সক্ষম হয়। দুয়োকে আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।



### দেশৰ সকলো ক্ৰীড়া ফেডাৰেছনলৈ কঠোৰ নিৰ্দেশনা দি তৎকালীনভাৱে গ্ৰহণ কৰিবলৈ পৰামৰ্শ কেন্দ্ৰৰ

# মহিলা ক্ৰীড়াবিদৰ সুৰক্ষাক লৈ দৃঢ় পদক্ষেপ ছাইৰ

**নতুন দিল্লী, ১৫ জুন ঃ** ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণে (ছাই) দেশৰ মহিলা খেলুৱৈসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহক কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। মহিলা খেলুৱৈসকলৰ সুৰক্ষা বিষয়টোক অগ্ৰাধিকাৰ দিয়াৰ লগতে অধিক সক্ৰিয়ভাৱে ফেডাৰেছনক এই দিশত জড়িত হ'বলৈও ছায়ে কিছুমান নিৰ্দেশনা জাৰি কৰিছে আৰু ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনসমূহক তৎকালীনভাৱে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছে। সেই অনুসৰি এতিয়াৰে পৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ সময়ত মহিলা খেলুৱৈ দলৰ লগত বাধ্যতামূলকভাৱে সংগ দিব লাগিব মহিলা প্ৰশিক্ষকে। ইফালে, এতিয়াৰে পৰা সকলো ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰ আৰু বিদেশী এক্সপ'জাৰত মেনেজাৰৰূপে পুৰুষ আৰু মহিলাক নিযুক্তি দিয়াতো বাধ্যতামুলক। মেনেজাৰৰ ভূমিকা আৰু দায়িত্বসমূহৰ ভিতৰত আছে খেলুৱৈ আৰু অন্যান্যৰ সৈতে নিয়মীয়াকৈ যোগাযোগ কৰি নিৰ্দেশনাসমূহ মানি চলাটো নিশ্চিত কৰাৰ লগতে ক্ৰীড়াত যৌন নিৰ্যাতন প্ৰতিৰোধৰ ক্ষেত্ৰত আইনী নিৰ্দেশনা অনুসাৰে দল পৰিচালনা তথা পদ্ধতিসমূহ বলবৎ কৰা। তদুপৰি অন্যান্য কৰ্তব্যৰ লগতে মেনেজাৰে নিশ্চিত কৰিব লাগিব যে যদি কোনো সদস্যই কোনো নিয়ম উলংঘাৰ খবৰ দিয়ে, তেন্তে একেখিনি কথাই দায়িত্বশীল কৰ্তৃপক্ষক শীঘ্ৰেই অৱগত কৰাটো। ইফালে, ফেডাৰেছনে যিকোনো ৰাষ্ট্ৰীয় আৰু বিদেশৰ প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰাৰ পূৰ্বেই সকলো খেলুৱৈ, প্ৰশিক্ষক আৰু সহায়ক কৰ্মচাৰীক একেলগে বহাই লৈ সংবেদনশীলতাৰ বিষয়সমূহ মুকলিকৈ উপস্থাপন কৰাটো জৰুৰী। আনহাতে, ফেডাৰেছনে এতিয়াৰে পৰা নিজ নিজ ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰত মহিলা প্ৰশিক্ষক তথা সহায়ক কৰ্মচাৰীৰ সংখ্যা পূৰ্বতকৈ বৃদ্ধি কৰিব লাগিব। উল্লেখ্য যে শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় ভ্ৰমণৰ সময়ত কেবাগৰাকীও মহিলা খেলুৱৈয়ে নিজৰ প্ৰশিক্ষকৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগ উত্থাপন কৰা লজ্জাজনক ঘটনা পোহৰলৈ অহাৰ পিছতে এই পদক্ষেপ গ্ৰহণ কৰিছে ছায়ে।



আলোচনীৰ বেটুপাতৰ বাবে বক্সাৰ লাভলীনাৰ ফটোশ্বুট।

### ৰাষ্ট্ৰীয় জুনিয়ৰ-যুৱ টি টি প্ৰতিযোগিতা

## অসমৰ ল'ৰা-ছোৱালীৰ দল ঘোষণা

**গুৱাহাটী, ১৫ জুন ঃ** কেৰালাত 17 ৰ পৰা 23 জুনলৈ অনুষ্ঠিত হ'ব 83 সংখ্যক ৰাষ্ট্ৰীয় জুনিয়ৰ আৰু যুথ টেবুল টেনিছ চেম্পিয়নশ্বিপ । অসম টেবুল টেনিছ সন্থাই ইয়াৰ বাবে উক্ত প্ৰতিযোগিতাত অংশ ল'ব লগা ৰাজ্যিক দলটো ঘোষণা কৰিছে। অসম দলত স্থান লাভ কৰা পেডলাৰসকল হ'ল ঃ 17 অনূৰ্ধ্বৰ জুনিয়ৰ ল'ৰাৰ শাখাত হৃদয় জ্যোতি শৰ্মা, অধিৰজা হাজৰিকা, আয়ান আজিজ আৰু শ্ৰেয়াছ দাস। 17 অনূৰ্ধ্বৰ জুনিয়ৰ ছোৱালী শাখাত খেলিব ভূমিকা কৌশিক, হৰ্ষিতা দাস, ভাবনা কাশ্যপ আৰু ধনিষ্ঠা শঞ্জইকীয়াই। ইফালে, 19 বছৰ অনূৰ্ধ্বৰ যুথ ল'ৰাৰ শাখাত স্থান লাভ কৰিছে অগ্নিভ ভাস্কৰ গোহাঁই, অৰ্ক কুমাৰ গগৈ, হৃদয় জ্যোতি শৰ্মা, আহ্নিক গৌতম ভট্টই। 19 বছৰ অনূৰ্ধ্বৰ যুথ ছোৱালী শাখাৰ খেলুৱৈসকল হ'ল তৃষা গগৈ, হৰ্ষিতা দাস, ভূমিকা কৌশিক আকাংখ্যা ডেকা । ইফালে, বৰ্তমান ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়ন প্ৰিয়ানুজ ভট্টাচাৰ্যই ল'ৰাৰ জুনিয়ৰ আৰু যুথ উভয় শাখাতে অসমক প্ৰতিনিধিত্ব কৰিব ।অসম দলৰ সৈতে মেনেজাৰ হিচাপে ৰঞ্জিত দত্ত আৰু প্ৰশিক্ষক হিচাপে হৃষিকেশ বৰা যাব বুলি কয় অসম টেবুল টেনিছ সন্থাৰ সম্পাদক ত্ৰিদিব দুৰৰাই।

### অন্তিম মেচত হংকঙৰ বিৰুদ্ধে ৪-০ ত জয়লাভ

## অপৰাজেয় হৈ গ্ৰুপৰ শীৰ্ষত ভাৰত

**কলকাতা, ১৫ জুন ঃ** এছিয়ান কাপৰ ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ গ্ৰুপ মেচত ভাৰতীয় ফুটবল দলে অপৰাজেয় যাত্ৰা সমাপন কৰি শীৰ্ষস্থান অধিকাৰ কৰিছে। উল্লেখ্য যে প্ৰথম দুখন মেচত জয়লাভ কৰা ভাৰতীয় ফুটবল দলে যোৱানিশা কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত হোৱা গ্ৰুপৰ তৃতীয় তথা অন্তিমখন মেচত হংকঙৰ বিৰুদ্ধে 4-0 গ'লত জয়লাভ কৰি অভিযান সামৰে। তিনিখন মেচৰ পৰা ন পইণ্ট লাভ কৰা ভাৰতে গ্ৰুপ শীৰ্ষ হৈ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰাৰ গৌৰৱ লাভ কৰিছে। যোৱানিশা হংকঙৰ বিৰুদ্ধে খেলা মেচত ভাৰতক প্ৰথমে অগ্ৰগতি দিয়ে আনৱাৰ আলীয়ে (দুই মিনিট)। প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত সুনীল চেত্ৰীৰ (45 মিনিট) গ'লৰ সহায়ত ভাৰতৰ অগ্ৰগতি হয় 2-0¼ আনহাতে, মনবীৰ সিঙে 85 মিনিটত আৰু ইযান পণ্ডিতাই ভাৰতীয় দলৰ হৈ বাকী দুটা গ'ল দি 4-0 ৰ দৰ্শনীয় বিজয় দিয়ে দলক। উল্লেখ্য যে ভাৰতৰ লগতে হংকঙো অপৰাজেয় হৈ আছিল যদিও অন্তিম মেচত দলটো ব্যৰ্থতাৰ সন্মুখিন হ'ল। হংকঙে প্ৰথম মেচত আফগানিস্তানক পৰাস্ত কৰাৰ পাছত দ্বিতীয় মেচত কম্বোডিয়াক পৰাস্ত কৰিছিল। অৱশ্যে এই মেচৰ পূৰ্বেই ভাৰত আৰু হংকঙে পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছিল। সেয়ে মেচৰ ফলাফল কাৰ্যতঃ গুৰুত্বহীন আছিল। কিন্তু ভাৰতীয় ফুটবল দলৰ তিনিখন আন্তৰ্জাতিক মেচৰ অপৰাজেয় যাত্ৰা স্বাভাৱিকতে গৌৰৱময়।



## কমনৱেলথ গেমছলৈ সাজু টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী নীৰজ চোপ্ৰা



**নতুন দিল্লী, ১৫ জুন ঃ** অলিম্পিকৰ পিছত প্ৰথমটো ইভেণ্টত নিজৰ ৰাষ্ট্ৰীয় অভিলেখ উন্নত কৰা টকিঅ' অলিম্পিকৰ স্বৰ্ণ পদক বিজয়ী নীৰজ চোপ্ৰাই ইতিমধ্যে পৰৱৰ্তী ইভেণ্টসমূহৰ ওপৰত চকু ৰাখিছে আৰু আগন্তুক সময়ত আৰু উন্নতি কৰাৰ লক্ষ্য ৰাখিছে বুলি জনাইছে। আজি এই বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নীৰজে কয় 'টকিঅ' অলিম্পিকৰ পিছত চেন্নাইত মোৰ প্ৰথম প্ৰতিযোগিতা আছিল আৰু প্ৰদৰ্শনক লৈ মই সঁচাকৈয়ে আনন্দিত। মই মোৰ ব্যক্তিগত বেষ্ট থ্ৰ' মাৰিলোঁ আৰু লগতে পদকো লাভ কৰিলোঁ। এতিয়া মই পৰৱৰ্তী কেইটামান ইভেণ্টৰ লক্ষ্য লৈছো যিবোৰ ইয়াতকৈ ডাঙৰ হ'ব। সন্মুখত কমনৱেলথ গেমছ আছে।' নীৰজে লগতে কয় যে প্ৰত্যাৱৰ্তনৰ প্ৰদৰ্শনে নিশ্চিতভাৱে এথলীটগৰাকীৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে আৰু ভাল প্ৰদৰ্শন কৰিব পাৰিব বুলি দৃঢ়। ষ্টকহ'মত অনুষ্ঠিত হ'বলগীয়া ডাইমণ্ড লীগ ইভেণ্টৰ বাবে ফিনলেণ্ডৰ কুওৰ্টানত প্ৰশিক্ষণ লৈ আছে নীৰাজে। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ সোণৰ পদক বিজয়ী চোপ্ৰাই যোৱানিশা নিজৰ ৰাষ্ট্ৰীয় অভিলেখৰ উন্নতি কৰি সফল প্ৰত্যাৱৰ্তন কৰিছে।

### অসম দলত স্থান পালে শিৱসাগৰৰ ১৬ গৰাকী খেলুৱৈয়ে

## জম্মু-কাশ্মীৰত ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ ৰ'য়িং

**গুৱাহাটী, ১৫ জুন ঃ** অহা 20 ৰ পৰা 26 জুনলৈ জম্মু-কাশ্মীৰৰ ডাল লেকত অনুষ্ঠিত হ'বলগা 23 সংখ্যক ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ ৰ'য়িং চেম্পিয়নশ্বিপত অসম দলৰ হৈ অংশ গ্ৰহণ কৰিব শিৱসাগৰৰ 16 গৰাকী প্ৰশিক্ষাৰ্থীয়ে । বৰ্তমান খেলুৱৈসকলে গুৱাহাটীৰ দীঘলীপুখুৰীত এমাহ ধৰি প্ৰশিক্ষণ গ্ৰহণ কৰি আছে ।ৰাজ্যিক দলত কেৱল শিৱসাগৰৰ 16 গৰাকী ল'ৰা আৰু ছোৱালীয়ে স্থান লাভ কৰাৰ আঁৰত কেইবাগৰাকীও ক্ৰীড়া সংগঠকৰ নিৰলস প্ৰচেষ্টা জড়িত হৈ আছে । উল্লেখ্য যে শিৱসাগৰত ব'টিং আৰু ৰ'য়িং প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ হোৱা বৰ বেছি দিন হোৱা নাই ।2010 ত কেইগৰাকীমান ক্ৰীড়াপ্ৰেমীৰ প্ৰচেষ্টাত শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত মৰিবিল সৰোবৰত গঢ় লৈ উঠিল ব'টিং আৰু ৰ'য়িঙৰ প্ৰশিক্ষণ । শিৱসাগৰ নগৰত এনেধৰণৰ প্ৰচেষ্টাৰ বিষয়ে জানিব পাৰি অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তই গৃহ জিলাখনত উন্নত প্ৰশিক্ষণ প্ৰদানৰ বাবে কিছু ব্যৱস্থা গ্ৰহণ কৰে । নিজৰ জিলাৰ প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে জ্যেষ্ঠ আৰক্ষী বিষয়া মহন্তই অসম আৰক্ষীৰ চাৰি গৰাকী ৰ'য়িং প্ৰশিক্ষকক শিৱসাগৰলৈ প্ৰেৰণ কৰে । এই আৰক্ষী প্ৰশিক্ষকৰ দলটোৱে শিৱসাগৰ ব'টিং এণ্ড ৰ'য়িং সন্থাৰ বিষয়বৰীয়াৰ সহযোগত উন্নত প্ৰশিক্ষণ প্ৰদানত জড়িত হয় ।ইয়াৰ ফলতেই ক'ভিড পৰিস্থিতি উপশম হোৱাৰ পাছত শিৱসাগৰ ব'টিং আৰু ৰ'য়িং সন্থাই অনুশীলনৰ নতুন অভিযান আৰম্ভ কৰে। সৃষ্টি হয় ব'টিং আৰু ৰ'য়িং শিকাৰ বাবে আগ্ৰহী এচাম ন-শিকাৰুও। 2020 ত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন গগৈয়ে শিৱসাগৰৰ মৰিবিল সৰোবৰক অসমৰ প্ৰথম জলক্ৰীড়া ক্ষেত্ৰৰূপে ঘোষণা কৰাৰ লগতে এই জলক্ৰীড়া বিকাশৰ বাবে কাম কৰাৰ সম্পূৰ্ণ কৰ্তৃত্ব শিৱসাগৰ ব'টিং আৰু ৰ'য়িং সন্থাক প্ৰদান কৰে । অসম আৰক্ষীৰ ৰ'য়িং দলৰ সদস্য চাৰি গৰাকীৰ সুন্দৰ প্ৰশিক্ষণৰ বাবেই এতিয়া 16 গৰাকী খেলুৱৈয়ে ৰাজ্যিক দলত স্থান লাভ কৰিছে । উল্লেখ্য যে ৰাজ্যিক দললৈ নিৰ্বাচিত খেলুৱৈসকল হ'ল ঃ কুন্দন বৰগোঁহাই, একবৰ্তা বৰগোঁহাই, কৃষ্টিনা কোঁৱৰ, প্ৰত্যুষ শৰ্মা, মনজিৎ মহন্ত, কুনাল ময়ুৰ কাশ্যপ, দিবাংশু হাজৰিকা, আয়ান খান, প্ৰদীপ দাস, প্ৰজ্ঞান লাহন, আয়ুশ্ৰী গায়ন, ৰাজশ্ৰী দত্ত, ইপ্সিতা চৌধুৰী, অভিলাষা বৰাট, অংশুমান দত্ত আৰু নবাব আজৰ আলী ।



দ্বিতীয় টেষ্টত জয়ৰে নিউজিলেণ্ডৰ বিৰুদ্ধে শৃংখলা লাভ ইংলণ্ডৰ।

## মৰিগাঁৱত এ চি এ নিৰ্মাণ কৰিছে নতুন ষ্টেডিয়াম

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১৫ জুন ঃ** অসম ক্ৰিকেট সন্থাই অসমৰ নতুন প্ৰজন্মৰ খেলুৱৈ সকলক ৰাজ্যিক ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় পৰ্যায়ত আগুৱাই নিয়াৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মৰিগাঁৱৰ ক্ষিৰোড বৰুৱা ষ্টেডিয়ামত এই মন্তব্য প্ৰকাশ কৰে এ চি এ ৰ সম্পাদক দেৱজিৎ শইকীয়াই। উল্লেখ্য যে ৰাজ্যৰ 19 খন জিলাৰ লগতে মৰিগাঁৱৰ ক্ষিৰোড বৰুৱা ষ্টেডিয়ামত অসম ক্ৰিকেট সন্থাই নিৰ্মান কৰি থকা ক্ৰিকেট খেলপথাৰ নিৰ্মাণৰ কামৰ বুজ লবলৈ মৰিগাঁৱত উপস্থিত হয় এ চি এৰ সম্পাদক শইকীয়া। ক্ৰীড়া সন্থাৰ সভাপতি পবন মান্তা, সম্পাদক জিতু বৰদলৈ, ৰমেন নাথ, জয়ন্ত ডেকা আদি বিষয়ববীয়া সকলৰ লগত তেওঁ ক্ৰিকেট ষ্টেডিয়াম নিৰ্মান তথা উইকেট প্ৰস্তুতিৰ বুজ লয়। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই অসমৰ সকলো জিলাতে পৃথক ক্ৰিকেট খেলপথাৰ নিৰ্মানৰ পদক্ষেপ হাতত লৈছে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি ৰূপে উপস্থিত থাকে মৰিগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সুপ্ৰতিভ লাল বৰুৱা।

### তিনিখন মেচত চাৰিটাকৈ গ'ল কৰাৰ সফলতা

## গৃহভূমিত খেলি উৎসাহিত সুনীল

**কলকাতা, ১৫ জুন ঃ** ঘৰুৱা ষ্টেডিয়ামত অনুৰাগীৰ সমৰ্থনত এছিয়ান কাপৰ মেচ খেলি আনন্দিত ভাৰতীয় ফুটবল তাৰকা সুনীল চেত্ৰী। উল্লেখ্য যে কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত হোৱা এছিয়ান কাপৰ ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জনৰ গ্ৰুপ মেচত ভাৰতীয় ফুটবল দলে অপৰাজেয় যাত্ৰা সমাপন কৰি শীৰ্ষস্থান অধিকাৰ কৰিছে। তিনিখন মেচৰ পৰা ন পইণ্ট লাভ কৰা ভাৰতে গ্ৰুপ শীৰ্ষ হৈ পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰাৰ গৌৰৱো লাভ কৰিছে। তিনিওখন মেচতে ভাৰতৰ হৈ গ'ল কৰাত সফল হয় তাৰকা ষ্ট্ৰাইকাৰ সুনীল। উল্লেখ্য যে প্ৰতিযোগিতাৰ উদ্বোধনী মেচত কম্বোডিয়াৰ বিৰুদ্ধে 2-0 গ'লত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছিল ভাৰতে। কলকাতাৰ ছল্ট লেক ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত ভাৰতৰ হৈ দিয়োটা গ'ল দিয়ে খেলৰ 13 আৰু 59 মিনিটত সুনীল চেত্ৰীয়ে। আত্মবিশ্বাসী ভাৱে দ্বিতীয়খন মেচত আফগানিস্তানৰ মুখামুখি হয় আৰু ৰোমাঞ্চকৰ মেচখনত জয়লাভ কৰি অপৰাজেয় যাত্ৰা অব্যাহত ৰাখে। উল্লেখ্য যে উত্তেজনাপূৰ্ণ মেচত ভাৰতীয় ফুটবল দলে আফগানিস্তানৰ বিৰুদ্ধে 2-1 গ'লত জয়লাভ কৰে। ভাৰতৰ হৈ 86 মিনিটত সুনীল চেত্ৰীয়ে গ'ল দি দলক প্ৰথমে 1-0 গ'লৰ অগ্ৰগতি দিয়ে যদিও 88 মিনিটত আমিনৰ গ'লেৰে মেচত সমতা স্থাপন কৰে আফগানিস্তানে। কিন্তু ইঞ্জুৰী টাইমত ছামাদৰ বিজয়সুচক গ'লেৰে মেচত 2-1 গ'লত জয়লাভ কৰে ভাৰতে। ইফালে, যোৱানিশা হংকঙৰ বিৰুদ্ধে খেলা মেচত ভাৰতক প্ৰথমে অগ্ৰগতি দিয়ে আনৱাৰ আলীয়ে (দুই মিনিট)। প্ৰথমাৰ্ধৰ অন্তিম ক্ষণত সুনীল চেত্ৰীৰ (45 মিনিট) গ'লৰ সহায়ত ভাৰতৰ অগ্ৰগতি হয় 2-0¼ আনহাতে, মনবীৰ সিঙে 85 মিনিটত আৰু ইযান পণ্ডিতাই ভাৰতীয় দলৰ হৈ বাকী দুটা গ'ল দি 4-0 ৰ দৰ্শনীয় বিজয় দিয়ে দলক। উল্লেখ্য যে এই প্ৰতিযোগিতাত চাৰিটা গ'ল কৰাৰ পাছত বিশ্বৰ সক্ৰিয় ফুটবলাৰৰ ভিতৰত সৰ্বাধিক স্ক'ৰ কৰা তালিকাত তৃতীয় স্থানলৈ উত্তৰণ কৰাইছে সুনীলে। উল্লেখ্য যে সুনীলে 129 খন মেচত 84 টা গ'ল দি এতিয়া পৰ্তুগালৰ ছুপাৰষ্টাৰ ক্ৰিষ্টিয়ানো ৰোনাল্ডো ( [117] আৰু আৰ্জেণ্টিনাৰ লিয়নেল মেছিৰ ( [86] ) পিছতে আছে।



### ছোৱালীৰ দিবা-নৈশ ভলীবল প্ৰতিযোগিতা

## মৃগুৱীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ খিতাপ দখল

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৫ জুন ঃ** বজালীৰ কৰ্দৈগুৰি ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হোৱা ছোৱালীৰ দিবা নৈশ ভলীবল প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে কেবাটাও দলে অংশ লোৱা উক্ত দিবা নৈশ ভলীবল প্ৰতিযোগিতাত চেম্পিয়ন হয় মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰ। একপক্ষীয় ফাইনেল মেচত মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰৰ ছোৱালী দলে পূব নলবাৰী ভলীবল প্ৰশিক্ষণ কেন্দ্ৰক 2-0 ব্যৱধানত পৰাজিত কৰে। বিজয়ী মুগুৰীয়া ভলীবল প্ৰশিক্ষণ কেন্দ্ৰই ভবিত্ৰী বালা উজিৰ সোঁৱৰণী বঁটাৰ লগতে পাঁচ হেজাৰ টকা লাভ কৰে। ইফালে, ফাইনেলত পৰাস্ত হোৱা পূব নলবাৰীৰ ছোৱালী দলে তিনি হেজাৰ টকা লাভ কৰে । মুগুৰীয়া ভলীবল কেন্দ্ৰৰ ডলী বেগমে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে।

### ১৫ বছৰ অনূৰ্ধ্বৰ সাতটা দলৰ শতাধিক খেলুৱৈৰ অংশগ্ৰহণ

## প্ৰতিভাৰ সন্ধানত ড্ৰীম লীগ আৰম্ভ

**গুৱাহাটী, ১৫ জুন ঃ** লখিমপুৰৰ হাতীলোং ফুটবল কোচিং চেণ্টাৰৰ উদ্যোগত আৰম্ভ হৈছে ড্ৰীম লীগ ফুটবল ছিজন-1 । আকৰ্ষণীয় প্ৰাইজমানিৰ এই লীগত অংশগ্ৰহণ কৰিছে 15 বছৰ অনূৰ্ধ্বৰ সাতটা দলে। উল্লেখ্য যে নতুন প্ৰতিভাৰ সন্ধানত এই ড্ৰীম লীগ ফুটবল টুৰ্ণামেণ্ট আৰম্ভ কৰা হৈছে ।বিগত দুমাহ ধৰি বিভিন্ন খেলপথাৰত এই সাতটা দলৰ প্ৰস্তুতিৰ অন্তত সাজু হৈ উঠিল প্ৰতিভাবান খেলুৱৈ। লীগৰ প্ৰথম মেচত বামুণ দলনি ব্লুজ আৰু দিখৌমুখীয়া ডাইনামোজ দলে 3-3 গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয় ।ইয়াত হিৰো অৱ দ্য মেচ ৰূপে বিবেচিত হয় লক্ষীনাথ চেত্ৰী । ৰেফাৰী হিচাপে মেচ পৰিচালনা কৰে দুষ্মন্ত মৰাং, বেবীজ্যেতি হাজৰিকা, জিতুপন মিলি আৰু কুমাৰ ডেদিলাছ দাসে । দ্বিতীয়খন লীগ মেচত উলুবাৰী ইউনাইটেড দলে হাতীলোং জুনিয়ৰ দলক 1-0 গ'লত পৰাজিত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে । দ্বিতীয় মেচত হিৰো অৱ দ্য মেচ ৰূপে বিবেচিত হয় নিৰজ গগৈ । মেচখন পৰিচালনা কৰে তনয়া দলে, দীপাংকৰ টায়ে, প্ৰিয়ম প্ৰতিম চেতীয়া আৰু চতুৰ্থ ৰেফাৰী দুষ্মন্ত মৰাং ।উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে লখিমপুৰ জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি লতিফুৰ আহমেদ হুছেইন, উত্তৰ লখিমপুৰ কলেজৰ অধ্যক্ষ ড০ বিমান চেতিয়া, নগৰৰ পশ্চিমাঞ্চল ক্ৰীড়া সন্থাৰ সম্পাদক আনন্দ তামুলী ফুকন, হাতীলোং ফুটবল কোচিং চেণ্টাৰৰ সভাপতি কৃষ্ণকান্ত সন্দিকৈ, চেম্পিয়ন দলৰ ট্ৰফী দাতা অচ্যুত পাৱে আৰু ফাইনেলিষ্ট দলৰ ট্ৰফী দাতা প্ৰবীণ দস্তিদাৰ । দীপাংকৰ তামুলী ফুকনে জনোৱা মতে ড্ৰীম লীগত অংশগ্ৰহণ কৰা শতাধিক চেমনীয়া খেলুৱৈৰ মাজৰ পৰা 30 গৰাকী প্ৰতিভাসম্পন্ন ফুটবলাৰক নিৰ্বাচন কৰি পৰৱৰ্তী সময়ত হাতীলোং ফুটবল কোচিং চেণ্টাৰৰ দ্বাৰা উন্নত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ব।

## প্ৰাইজমানি শক্তি উত্তোলন পাঞ্জাৰ সফল সামৰণি

**গুৱাহাটী, ১৫ জুন ঃ** হোজাই স্প'ৰ্টছ পাৱাৰ লিফটিং সন্থা আৰু লামডিং জিম এছচিয়েচনৰ সহযোগত অনুষ্ঠিত সদৌ অসম প্ৰাইজমানি শক্তি উত্তোলন আৰু পাঞ্জা প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। প্ৰতিযোগিতাখনত যোৰহাট, শিৱসাগৰ, নগাঁও, গুৱাহাটী আদি বিভিন্ন স্থানৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিলে । শতাধিত যুৱক- যুৱতীৰ অংশগ্ৰহণেৰে জীপাল ৰেলৱে ইনষ্টিটিউটৰ প্ৰেক্ষাগৃহ। শক্তি উত্তোলন আৰু পাঞ্জাত সকলো খেলুৱৈয়ে উজাৰি দিলে নিজৰ শ্ৰেষ্ঠত্ব। প্ৰতিযোগিতাত জয়ী হোৱা যুৱক-যুৱতীসকলক ট্ৰফীসহ নগদ ধন প্ৰদান কৰা হয় । নৱ প্ৰজন্মক খেলৰ প্ৰতি অধিক আকৰ্ষিত কৰি তুলিবলৈ ভৱিষ্যতেও এনে প্ৰতিযোগিতা আয়োজন কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ আয়োজক। উল্লেখ্য যে, প্ৰায় 10-12 বছৰৰ পাছত লামডিঙত শক্তি উত্তোলন আৰু পাঞ্জা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।


শ্ৰীলংকাৰ বিৰুদ্ধে প্ৰথম এদিনীয়াত অষ্ট্ৰেলিয়াৰ জয়লাভ

## বিল্যাসনন্দন চ'ৰা



# মহাসাগৰ দেখিছা ?

সাগৰ দেখিছা?
দেখা নাই কেতিয়াও?
সঁচাই দেখা নাই?
মহাসাগৰ দেখিছানে?
সেয়াও দেখা নাই?
নামো শুনা নাই— আটলাণ্টিক বা প্ৰশান্ত?
নহ'বা অশান্ত?
আহা—চাই যোৱা এবাৰ!
বোকাময় গেলা জলৰাশি
কেনেকৈ পৰিছে উপচি
চিন-চাব নোহোৱা নলা-নৰ্দমা
সাঁতুৰি সাঁতুৰি পাৰ হোৱা আলী বা শৰ্মা
জাতি-ধৰ্ম সৱ একাকাৰ
গুৱাহাটী আজি সঁচাই নিৰাকাৰ!


কি ক'লা?
জানিব খুজিছা—কেনি গ'ল আভিজাত্য?
মহাসাগৰৰ বুকুত
আজি প্ৰৱাহিত
মহানাগৰিকৰ আভিজাত্য!
মাছুৱৈৰ নাও হৈ
উটি ভাহি গৈ
বজাই আছে নবজা হৰ্ণ
যেন হিৰ'ইনৰ তিতা গালৰ এটা ব্ৰণ
ঘৰলৈ চাই চাই কান্দে ফৰ্ডে
গা ধুই ধুই ঠাণ্ডা লাগিছে ৰে
চেঁচা পৰি গৈছে হোল ব'ডী
তিতি-বুৰি কান্দিছে চাফাৰী-অ'ডী
মালিকে বোলে—কিনিছিলো গাড়ী
বনি গ'ল নাও
সেইখনো এতিয়া উটি-ভাহি যাওঁ যাওঁ!

কি ক'লা? কিয় বান্ধিছে প্ৰাসাদ
মহাসাগৰৰ বুকুত?
চৌদিশে চোৱা, পৰিব দিয়া চকুত!
খাল-বিল পুতি বনিছে এৰিষ্ট'ক্ৰেট
নলাৰ কাৰণে জাগা নাই
বাঢ়িছে যে মাটিৰ ৰেট।
যি দুই-এটা নলা আছিল
সেয়া হৈছে ডাষ্টবিন
দুৰ্গন্ধ ওলাই যায়,
তথাপি নালাগে ঘিণ!
পেৰিছৰ ৰুমালেৰে নাক ঢাকি
বিলাতী সুৰাৰ পেগ ঢালি
ডানলপৰ গাদীত কৰিছে বিৰাজ!
এয়া কি! গাদী হ'লগৈ জাহাজ!
একঁকাল পানীত আড়ম্বৰ
আনি দিয়া! আনি দিয়া হেল্পলাইন নম্বৰ!



কি ক'লা? কোনেও কিয়
দেখা নাই অ'তবোৰ অবৈধ নিৰ্মাণ?
কেনেকৈ দেখিব?
প্ৰতিটো নিৰ্মাণৰ আঁৰত যে আছে
নেতা-মন্ত্ৰীৰ সন্মান!
যিমানেই নোপোতক জলাশয়
যিমানেই নাহক প্ৰলয়
সাগৰৰ বুকুৰে চলিব ভি আই পিৰ কনভয়।
জি এম চিয়ে ভাবিছে
ক'ত পাতিব পাৰি বন্দৰ?
পৰিৱেশবিদৰ প্ৰশ্ন ঃ

ক'লৈ যাব গুৱাহাটীৰ অতবোৰ বান্দৰ!
কি ক'লা? আহিবা গৰমৰ বন্ধত?
চাবলৈ নোযোৱা গোৱাৰ সাগৰ!
খৰ্চা কমিব!
চাবলৈ আহিবা গুৱাহাটী মহাসাগৰ!



## অশ্বক্লান্ত পাহাৰত পুনৰ খহনীয়া জাইকা প্ৰকল্পৰ বাবেই অঘটন

**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ১৫ জুন ঃ** নেৰানেপেৰা বৰষুণৰ ফলত মহানগৰীৰ কে'বা ঠাইতো ভুমিস্খলন হয় মঙলবাৰৰ দিনটোত উত্তৰ গুৱাহাটী অশ্বক্লান্ত দেৱালয়ৰ নামনিত হোৱা ভুমিস্খলনত এটি গৃহৰ ক্ষতি হোৱাৰ লগতে দৈৱক্ৰমে ৰক্ষা পৰে জাইকাৰ পানী প্ৰকল্পৰ কেইজনমান শ্ৰমিক। বিগত দুদিনত উত্তৰ গুৱাহাটীৰ কে'বা ঠাইতো ভুমিস্খলনৰ ঘটনা সংঘটিত হয় ।নিশাৰ বৰষুণত অশ্বক্লান্ত দেৱালয়ৰ গাৰ্ডৱালৰ কে'বা ঠাইটো দেখা গ'ল প্ৰকাণ্ড ফাট। গাৰ্ডৱালৰ একাংশ খহি যোৱাত অশ্বক্লান্ত দেৱালয়ৰ মূল পথতো দেখা দিছে ফাট। মাজ গাঁৱৰ এটি পথৰ ওপৰত ওলমি থকা গাৰ্ডৱালৰ বাবে যিকোনো মুহূৰ্তত আবাসী পথচাৰীৰ ঘটিব পাৰে বিপদ। ইফালে, অশ্বক্লান্ত দেৱালয়ৰ সমীপৰ গছ উভালি এটি ঘৰৰো বিস্তৰ ক্ষতি সাধন হৈছে। কথমপি ঘৰৰ ভিতৰত থকা লোকসকল ৰক্ষা পৰে। নৈৰ পাৰৰ ওখ টিলাৰ বিপদসংকুল ঠাইত বিপজ্জনকভাৱে আছে কে'বাটাও পৰিয়াল। এতিয়ালৈ জিলা প্ৰশাসনৰ কোনো উপস্থিত হোৱা নাই ঘটনাস্থলীত। যিকোনো মুহূৰ্তত অঘটনৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় লোকে ।প্ৰায় ২৭ লক্ষ টকা ব্যয়ৰে নিৰ্মাণ কৰা গাৰ্ডৱাল খণ্ড খণ্ড হোৱাত ক্ষোভিত হৈছে ৰাইজ। স্থানীয় লোকৰ ভাষ্য অনুসৰি নৈৰ দাঁতিত সজা জাইকাৰ প্ৰকল্পৰ বাবে অশ্বক্লান্ত দেৱালয়ৰ পাহাৰ গৰাখহনীয়াৰ কবলত পৰিছে। কেৱল এই পাহাৰেই নহয় জাইকাৰ নিৰ্মাণৰত পানী প্ৰকল্পৰ ৰিজাৰ্ভাৰৰ বাবে আন এক বিপদৰ মুখামুখি হ'ব লাগিব উত্তৰ গুৱাহাটীবাসী। পাছত উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া ৰশ্মি প্ৰতাপ উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ স্বাস্থ্যক কেন্দ্ৰ কৰি বিভিন্ন জল্পনা-কল্পনা অব্যাহত আছে। পুটিন আনকি কৰ্কটত আক্ৰান্ত বুলিও চৰ্চা হৈছিল। আকৌ কেতিয়াবা বৈঠকত অনুপস্থিত থাকিলেও পুটিনৰ স্বাস্থ্যৰ প্ৰসংগত নানা গুঞ্জন সৃষ্টি হয়। বিভিন্ন পক্ষ আনকি আমেৰিকা-ইউৰোপৰ একাধিক দেশৰ চোৰাংচোৱায়ো ৰুছ ৰাষ্ট্ৰপতিজনৰ স্বাস্থ্যৰ প্ৰকৃত অৱস্থাৰ সন্ধান লোৱাৰ চেষ্টা অব্যাহত ৰাখিছে।




**দেহৰক্ষীয়ে ৰক্ষা কৰে ৰুছ ৰাষ্ট্ৰপতিৰ স্বাস্থ্যজনিত গোপনীয়তা**

# বিদেশৰ পৰা চুটকেছত মস্কোলৈ আহে পুটিনৰ মল-মূত্ৰ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৫ জুন ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ স্বাস্থ্যক কেন্দ্ৰ কৰি বিভিন্ন জল্পনা-কল্পনা অব্যাহত আছে। পুটিন আনকি কৰ্কটত আক্ৰান্ত বুলিও চৰ্চা হৈছিল। আকৌ কেতিয়াবা বৈঠকত অনুপস্থিত থাকিলেও পুটিনৰ স্বাস্থ্যৰ প্ৰসংগত নানা গুঞ্জন সৃষ্টি হয়। বিভিন্ন পক্ষ আনকি আমেৰিকা-ইউৰোপৰ একাধিক দেশৰ চোৰাংচোৱায়ো ৰুছ ৰাষ্ট্ৰপতিজনৰ স্বাস্থ্যৰ প্ৰকৃত অৱস্থাৰ সন্ধান লোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ সমান্তৰালকৈ বহুতে তেওঁৰ ৰোগৰ সন্দৰ্ভত নানা ধৰণৰ উৰাবাতৰিও বিয়পাই আহিছে। ইয়াৰ মাজতে সম্প্ৰতি পুটিন সম্পৰ্কে এক চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। বিদেশ ভ্ৰমণত থকাৰ সময়ছোৱাত পুটিনৰ সকলো মল-মূত্ৰ সংগ্ৰহ কৰি চুটকেচত ভৰাই মস্কোলৈ লৈ আহে তেওঁৰ দেহৰক্ষীসকলে।

ফৰাচী বাতৰি পত্ৰিকা 'পেৰিছ মেচ'ৰ দুজন প্ৰখ্যাত অনুসন্ধানমূলক সাংবাদিকৰ প্ৰতিবেদনত দাবী কৰা হৈছে যে পুটিনৰ স্বাস্থ্য সম্পৰ্কে যাতে কোনো তথ্য কাৰো হাতলৈ নাযায়, সেই কাৰণেই বিদেশ ভ্ৰমণৰ সময়ত ৰুছ ৰাষ্ট্ৰপতিৰ মল-মূত্ৰ সংগ্ৰহ কৰি মস্কোলৈ লৈ আহে তেওঁৰ দেহৰক্ষীসকলে। প্ৰধানকৈ পুটিনৰ স্বাস্থ্য সম্পৰ্কীয় তথ্য ফাদিল নোহোৱাৰ বাবেই দেহৰক্ষীসকলে এই 'কাণ্ড' কৰে। ফৰাচী সংবাদ মাধ্যমৰ সূত্ৰই লগতে জনাইছে যে পুটিনৰ মল-মূত্ৰ সংগ্ৰহৰ দায়িত্বত আছে ৰাছিয়াৰ ফেডাৰেল গাৰ্ড ছাৰ্ভিচ। তেওঁলোকেই এটা চুটকেচত ৰুছ ৰাষ্ট্ৰপতিৰ মল-মূত্ৰ সংগ্ৰহ কৰি মস্কোলৈ প্ৰেৰণ কৰে। ৰাছিয়া সংক্ৰান্তীয় দুখন গ্ৰন্থৰ ৰচক ৰেজিছ জেণ্টে আৰু এটা দশকৰো অধিক সময়ধৰি ৰাছিয়াক লৈ চৰ্চা কৰা মিখাইল ৰুবিনৰ স'তে কথা পাতি উক্ত সংবাদ মাধ্যমে জানিব পাৰিছে যে ২০১৭ৰ ২৯ মে'ত ফ্ৰান্স ভ্ৰমণ আৰু ২০১৯ৰ অক্টোবৰৰ ছৌদি আৰব ভ্ৰমণৰ সময়ত পুটিনৰ মল-মূত্ৰ সংগ্ৰহ কৰা হৈছিল।

প্ৰতিবেদনত কোৱা হৈছে যে ৰাছিয়াৰ শাসনত অধিষ্ঠিত হোৱাৰ পাছৰ পৰাই হেনো পুটিনে এই 'পদ্ধতি' অৱলম্বন কৰি আহিছে। যোৱা ফেব্ৰুৱাৰীত ইউক্ৰেইনৰ স'তে ৰাছিয়াৰ যুদ্ধ আৰম্ভ হোৱাৰ পাছৰে পৰা পুটিনৰ স্বাস্থ্যৰ প্ৰসংগত বিভিন্ন মহলত চৰ্চা অব্যাহত আছে। বহুতে আৰু তেওঁ গুৰুতৰভাৱে অসুস্থ বুলিও দাবী কৰিছে। এনে পৰিস্থিতিত পোহৰলৈ অহা তথ্যই পুটিনৰ স্বাস্থ্যৰ বিষয়টোৱে নতুন মোৰ লোৱা বুলিয়ে বহুতে ধাৰণা কৰিছে।



গোলকীয় উষ্ণতাৰ কলীয়া ডাৱৰ ক্ৰমাৎ নামি আহিছে সভ্যতাৰ ওপৰলৈ। দ্ৰুতগতিত গলিছে মেৰু অঞ্চলৰ বৰফ। এইবাৰ বিশেষজ্ঞসকলে জনালে যে প্ৰতি বছৰে অলপ অলপকৈ ডুবি গৈ আছে বিশ্বৰ বহু গুৰুত্বপূৰ্ণ চহৰ। সেই তালিকাতে আছে ভাৰতৰ বাণিজ্য নগৰী মুম্বাই। গৱেষকৰ মতে, প্ৰতি বছৰে গড়ে দুই মিলিমিটাৰকৈ ডুবি গৈ আছে মহাৰাষ্ট্ৰৰ ৰাজধানী।

**গোলকীয় উষ্ণতাই অশনি সংকেত মাতি আনিছে বাণিজ্য নগৰীলৈ**

# লাহে লাহে সাগৰলৈ সোমাই গৈছে মুম্বাই!

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৫ জুন ঃ** গোলকীয় উষ্ণতাৰ কলীয়া ডাৱৰ ক্ৰমাৎ নামি আহিছে সভ্যতাৰ ওপৰলৈ। দ্ৰুতগতিত গলিছে মেৰু অঞ্চলৰ বৰফ। এইবাৰ বিশেষজ্ঞসকলে জনালে যে প্ৰতি বছৰে অলপ অলপকৈ ডুবি গৈ আছে বিশ্বৰ বহু গুৰুত্বপূৰ্ণ চহৰ। সেই তালিকাতে আছে ভাৰতৰ বাণিজ্য নগৰী মুম্বাই। গৱেষকৰ মতে, প্ৰতি বছৰে গড়ে দুই মিলিমিটাৰকৈ ডুবি গৈ আছে মহাৰাষ্ট্ৰৰ ৰাজধানী।

'জিঅ'ফিজিকেল ৰিছাৰ্চ লেটাৰ্ছ' নামৰ এখন বিজ্ঞান পত্ৰিকাত প্ৰকাশিত গৱেষণাপত্ৰত এই আশংকা প্ৰকাশ কৰা হৈছে। তাত কোৱা হৈছে, 'জনসংখ্যাৰ বিচাৰত মুম্বাই হৈছে বিশ্বৰ সপ্তম চহৰ।ইয়াত বাস কৰে প্ৰায় দুই কোটি মানুহে।চহৰখনৰ এটা গুৰুত্বপূৰ্ণ অংশ দ্ৰুতগতিৰে ডুবি আছে। বছৰি দুই মিলিমিটাৰকৈ।' গৱেষকসকলে জনাইছে যে ২০১৫ৰ পৰা ২০২০ৰ মাজৰ সময়ছোৱাত মুম্বাইৰ পৰা প্ৰাপ্ত তথ্যৰ পৰাই এনে ইংগিত পোৱা গৈছে। গৱেষণাপত্ৰত কোৱা হৈছে যে মুঠ ৯৯খন চহৰক লৈ এই গৱেষণা চলোৱা হৈছিল। দেখা গৈছে যে মুম্বাইতকৈ বহু বেছি ভয়ানক অৱস্থা চীনৰ তিয়ানজিনৰ। প্ৰতি বছৰে ৫.২ ছেণ্টিমিটাৰকৈ পানীৰ তললৈ গৈ আছে সেই চহৰ। তালিকাৰ ওপৰৰ ফালেই আছে ইণ্ডোনেছিয়াৰ জাকাৰ্টা (বছৰি ৩.৪৪ ছেণ্টিমিটাৰ), চীনৰ ছাংহাই (বছৰি ১.৯৪ ছেণ্টিমিটাৰ) ভিয়েটনামৰ হো ছি মিন (বছৰি ২.৮১ ছেণ্টিমিটাৰ) আৰু হেনই (বছৰি ২.৪৪ ছেণ্টিমিটাৰ) চহৰ।

প্ৰসংগক্ৰমে, যোৱা বছৰ ৰাষ্ট্ৰসংঘৰ বতৰ পৰিৱৰ্তন সংক্ৰান্তীয় পেনেল আইপিচিচিয়ে জনাইছিল যে আগন্তুক দিনত ভাৰতসহ দক্ষিণ এছিয়াৰ বতৰক কেন্দ্ৰ কৰি উদ্বেগৰ কাৰণ আছে। তেওঁলোকে আশংকা কৰিছিল যে বৰষুণৰ সময়সীমা বৃদ্ধি পাব। তাৰ লগতে বিশ্বজুৰি তাপমাত্ৰা বাঢ়ি যোৱাৰ ফলত খৰাং অৱস্থাৰ সৃষ্টি হ'ব। এই সকলো মিলাই তেওঁলোকে ভৱিষ্যদ্বাণী কৰিছিল যে দক্ষিণ এছিয়া বিশেষকৈ ভাৰতীয় উপ-মহাদেশত তাপপ্ৰবাহৰ মাত্ৰা আগন্তুক দিনত আৰু তীব্ৰ হ'ব। কমিব শীতকালৰ আয়ুস। তাৰ লগতে দ্ৰুতগতিৰে বৃদ্ধি পাব ঘূৰ্ণী বতাহ আৰু খৰাঙৰ পৰিমাণ। অৱশ্যে এই আশংকাৰ অন্তৰালত একমাত্ৰ গোলকীয় উষ্ণতাকে গৱষণাই 'খলনায়ক' সজোৱা নাই। গৱেষণাই জনাইছে যে ভূগৰ্ভৰ পৰা অনৰ্গল পানী উত্তোলন, খনিত খননকাৰ্য, প্ৰাকৃতিক জলাশয় পুনৰুদ্ধাৰৰ দৰে নানা প্ৰকল্পই আঘাতেই এই ধৰণৰ বিপৰ্যয় মাতি আনিছে।

কোনেও যাতে পেটত ক্ষুধা লৈ শুবলৈ নাযায়। বিপদত তেওঁলোকৰ কাষত থাকিব লাগিব। এই কথা আন্তৰিকভাৱে বিশ্বাস কৰে শিখ ধৰ্মাৱলম্বীসকলে। পিতৃ-মাতৃয়েও শৈশৱত সেই শিক্ষা দিছিল বুলিয়ে জনাইছে আমেৰিকাৰ ফিনিক্স গেছ ষ্টেছনৰ গৰাকী যশবিন্দাৰ সিঙে। সেই বাবেই তেওঁ দৈনিক প্ৰায় ৩৯ হেজাৰ টকা লোকচান ভৰি ইন্ধন বিক্ৰী কৰি আছে।



**পিতৃ-মাতৃৰ পৰা শিক্ষা লৈ থিয় দিছে আৰ্তজনৰ কাষত**

# দৈনিক ৩৯ হেজাৰ টকা লোকচান ভৰি ইন্ধন বিক্ৰী পাম্প মালিকৰ

**নিউজ ব্যুৰ'**
**ফিনিক্স, ১৫ জুন ঃ** কোনেও যাতে পেটত ক্ষুধা লৈ শুবলৈ নাযায়। বিপদত তেওঁলোকৰ কাষত থাকিব লাগিব। এই কথা আন্তৰিকভাৱে বিশ্বাস কৰে শিখ ধৰ্মাৱলম্বীসকলে। পিতৃ-মাতৃয়েও শৈশৱত সেই শিক্ষা দিছিল বুলিয়ে জনাইছে আমেৰিকাৰ ফিনিক্স গেছ ষ্টেছনৰ গৰাকী যশবিন্দাৰ সিঙে। সেই বাবেই তেওঁ দৈনিক প্ৰায় ৩৯ হেজাৰ টকা লোকচান ভৰি ইন্ধন বিক্ৰী কৰি আছে। যাৰ বাবে স্বাভাৱিকতেই এতিয়া যশবিন্দাৰ সিং সামাজিক মাধ্যমত বিশেষ চৰ্চিত লোক হৈ পৰিছে। অথচ এইদৰে দৈনিক বিপুল পৰিমাণৰ লোকচান ভৰি থকাৰ অৰ্থ কি?

যশবিন্দাৰে কয়, 'এই মুদ্ৰাস্ফীতিৰ সময়ত মানুহৰ হাতত টকা ক'ত? সেয়ে মোৰ ভাইসকল, মোৰ গ্ৰাহকসকলক সাহায্য কৰিছো।' যশবিন্দাৰে সম্প্ৰতি ৪৭ শতাংশ ৰেহাই মূল্যত গেছ চিলিণ্ডাৰ বিক্ৰী কৰি আছে। যাৰ বাবে দৈনিক তেওঁৰ প্ৰায় পাঁচশ ডলাৰ লোকচান হৈ আছে। ভাৰতীয় মুদ্ৰাত সেই পৰিমাণ ৩৯ হেজাৰ টকা। প্ৰতি গেলন গেছ তেওঁ বিক্ৰী কৰি আছে ৫.১৯ ডলাৰত। এইদৰে প্ৰৌঢ় শিখ লোকজনে প্ৰতি দিনে ৩,৭৮৫ লিটাৰ গেছ বিক্ৰী কৰি আছে।

মানুহক সাহায্য কৰিব লাগিব, কিন্তু নিজৰ আৰ্থিক ক্ষতিৰ দিশটোও যিমান পাৰি কমাব পাৰি তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। সেয়ে সস্ত্ৰীক যশবিন্দাৰে নিজৰ কামৰ সময়ো বৃদ্ধি কৰিছে। যোৱা মাৰ্চত তেওঁ ১০ শতাংশ ৰেহাই মূল্যত গেছ বিক্ৰী কৰিছিল। সেই ৰেহাইৰ পৰিমাণ এতিয়া ৪৭ শতাংশলৈ বৃদ্ধি পাইছে। যশবিন্দাৰে কয়, 'ভগৱানে মোক সাহায্য কৰিছে যাতে মই আনক সাহায্য কৰিব পাৰো। এতিয়া লাভ লোৱাৰ সময় নহয়।' তেওঁ লগতে কয়, 'এতিয়া সকলোৰে অৰ্থসংকট চলি আছে। মোৰ পিতৃ-মাতৃয়ে শিক্ষা দিছিল যে নিজৰ সামান্য কিছু থাকিলেও যাতে তাৰেই আনক সাহায্য কৰো। এতিয়া সেয়াই কৰিছো।'

# ৰাজ্যৰ চাহৰ বজাৰত নৱতম সংযোজন হ'ল 'চকলেট চাহ'

**অগ্ৰদূত বাৰ্তা**
**ঠেলামৰা, ১৫ জুন ঃ** ৰাজ্যৰ চাহৰ বজাৰত নৱতম সংযোজন 'চকলেট চাহ' শীঘ্ৰেই বজাৰত উপলব্ধ হ'ব। পোনপ্ৰথমবাৰৰ তৈয়াৰ হৈছে 'চকলেট চাহ'। হয়, সাধাৰণতে বজাৰত উপলব্ধ চকলেটৰ দৰেই এইবাৰ এজন যুৱকে তৈয়াৰ কৰিছে 'চকলেট চাহ'। ৰাজ্যত পোনপ্ৰথমবাৰৰ বাবে শোণিতপুৰ জিলাৰ বৰছলাৰ অনুজ সাহা নামৰ এজন উদ্যমী যুৱ ব্যৱসায়ীয়ে তৈয়াৰ কৰা চকলেট চাহ দেশৰ বিভিন্ন প্ৰান্তৰ লগতে ডুবাই, ওমান, কাটাৰ, ইউএছএলৈ ৰপ্তানিৰ বাবে সাজু হৈছে। সাধাৰণতে বজাৰত উপলব্ধ হোৱা চকলেটৰ দৰেই মুখত চুহি খাব পাৰিব এই 'চকলেট চাহ'। বৰছলাৰ 'বসুন্ধৰা ' জৈৱিক চাহ উদ্যোগত সম্পূৰ্ণ জৈৱিকভাৱে অনুজ সাহাই চকলেট চাহ তৈয়াৰ কৰি নতুন চমক দিবলৈ সক্ষম হৈছে ।এটা পেকেট চকলেট চাহৰ মূল্য ৩০ টকাকৈ নিৰ্ধাৰণ কৰিছে। উল্লেখ্য যে বৰছলাৰ বসুন্ধৰা জৈৱিক চাহ উদ্যোগত অনুজ সাহা নামৰ যুৱকজনে ইতিপূৰ্বে তৈয়াৰ কৰা ২০ বিধ জৈৱিক চাহ ইতিমধ্যে দেশে-বিদেশে সমাদৃত হৈছে। বৰছলাৰ ভঙামন্দিৰ গাঁৱৰ এগৰাকী নিবনুৱা যুৱকৰ জৈৱিক চাহ উৎপাদনে কঢ়িয়াইছে আশাৰ ৰেঙণি। জৈৱিক পদ্ধতিৰে তৈয়াৰ কৰা অৰ্থডক্স টি,অলং টি, মুৰিংগা টি, হোৱাইট টি, ব্লেক টি, গ্ৰীণ টী, ব্লু টি, ইয়েলু টিকে ধৰি প্ৰায় ২০ টা প্ৰকাৰৰ ভিন্ন সোৱাদৰ জৈৱিক চাহ তৈয়াৰ কৰি দেশৰ লগতে বিদেশলৈ ৰপ্তানী কৰিছে অনুজ সাহাই ।উদ্যমী যুৱক অনুজ সাহাই ২০১৫ৰ পৰাই জৈৱিক পদ্ধতিৰে 'বসুন্ধৰা টি ফেক্টৰিত' প্ৰথমে জৈৱিক পদ্ধতিৰে গ্ৰীণ টি পিছত ব্লু টিকে ধৰি বৰ্তমান ২০তকৈ অধিক প্ৰকাৰৰ জৈৱিক চাহ তৈয়াৰ কৰি এই চাহ দেশৰ লগতে ছৌদি আৰৱ, উমান, কাটাৰ, ইউএছএলৈ ৰপ্তানি কৰিছে। ৫০ বিঘা ভূমিত জৈৱিক পদ্ধতিৰে চাহ খেতি কৰা অনুজ সাহাই উৎপাদিত

**দেশে-বিদেশে জৈৱিক চকলেট চাহ ৰপ্তানিৰ বাবে সাজু হৈছে শোণিতপুৰৰ বৰছলাৰ অনুজ সাহা**

চাহসমূহ 'বসুন্ধৰা টি' নামেৰে নামকৰণ কৰি নিজৰেই এটি ক্ষুদ্ৰ চাহ ফেক্টৰীত ভিন্ন সোৱাদৰ চাহ তৈয়াৰ কৰে। এইজন যুৱকৰ জৈৱিক চাহৰ ক্ৰমে গ্ৰীণ টি, ব্লু টি, অৰ্থডক্স টি, অলং টি, মুৰিংগা টি, হোৱাইট টি, ব্লেক টি, তৈয়াৰ কৰা হয় বুলি জানিবলৈ দিয়ে অনুজ সাহাই। জৈৱিক চাহ উৎপাদনৰ ক্ষেত্ৰত অনুজ সাহাৰ বসুন্ধৰা টি ফেক্টৰীয়ে ২০১৭ত টি কনক্লেভ এণ্ড এক্সপ'ত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে অনুজ সাহাই পোনপ্ৰথমবাৰৰ বাবে বিগত কেইমাহমান পূৰ্বে অপৰাজিতা ফুলৰ সংমিশ্ৰণেৰে সৃষ্টি কৰিছিল ব্লু টি । কিন্তু পৰ্যায় ক্ৰমে ব্লু টিৰ চাহিদা আৰু সমাদৰ সমগ্ৰ ৰাজ্যত বৃদ্ধি পায়। অনুজ সাহাৰ ভিন্ন সোৱাদৰ চাহ ২০১৭ৰ পৰাই ডুবাই, ওমান, আৰৱ আদি ঠাইলৈ ৰপ্তানি কৰাৰ লগতে দেশৰ দিল্লী, মুম্বাই, পুনে আদি ঠাইলৈ ৰপ্তানি হৈ আহিছে। ইয়াৰ দ্বাৰা অনুজে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰি আন বহু লোকক ইয়াত কৰ্ম সংস্থাপন প্ৰদান কৰিছে। বৰ্তমান অনুজ অঞ্চলটোৰ বহুত নিবনুৱাৰ বাবে আদৰ্শ হৈ পৰিছে।

# তামুলপুৰৰ ভূটান সীমান্তৰ মহেন্দ্ৰ নগৰ, ডোঙাৰ গাঁৱত বন্যহস্তীৰ উপদ্ৰৱ



**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ১৫ জুন ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। বনৰীয়া হাতীৰ ধাৰাবাহিক উপদ্ৰৱত সম্প্ৰতি সীমান্তঞ্চলৰ ৰাইজে বিনিদ্ৰ ৰজনী কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। যোৱা নিশাও প্ৰতিকূল বতৰৰ মাজতে ভূটান পাহাৰৰ পৰা খাদ্যৰ সন্ধানত নামি অহা বনৰীয়া হাতীৰ বৃহৎ জাক এটাই সীমান্তৰ মহেন্দ্ৰনগৰ, এক নম্বৰ ডোঙাৰ গাঁৱত উপদ্ৰৱ চলায়। বনৰীয়া হাতীয়ে অঞ্চলটোৰ ১৯ টাকৈ পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন কৰে। হাতীৰ উপদ্ৰৱৰ ফলত মহেন্দ্ৰ নগৰৰ বলোৰাম বিশ্বাস, সন্তোষ তালুকদাৰ, নীলকমল বৰ্মন, নিৰঞ্জন বৰ্মন, জিতেন বৰ্মন, নৰেন বৰ্মন, বাবুলাল সৰকাৰ, বিমলা মণ্ডল, সুভাষ দাস নামৰ লোক কেইজনৰ বাসগৃহ ভাঙি লণ্ড ভণ্ড কৰাৰ লগতে কে'বাটাও পৰিয়ালৰ ভড়াল ঘৰ ভাঙি সাঁচি ৰখা ধান, চাউল খায় তহিলং কৰে। হাতী বৃহৎ জাকে মালভোগ কলৰ বাগান, জিকা, লাউ, পটল আদি পাচলিৰ খেতিৰ খায়, গচকি তহলং কৰাৰ লগতে তামোল বাৰীৰো বিস্তৰ ক্ষতিসাধন কৰে। নিশা অহা মুষলধাৰ বৰষুণৰ মাজতে খাদ্যৰ ভূটান পাহাৰৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাকে গাঁও দুখনত প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত আতংকিত হৈ পৰে গাঁওবাসী । নিশা অঞ্চলটোত বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱাত স্থানীয় লোকে বনবিভাগৰ লোকক খবৰ দিয়ে যদিও প্ৰতিকূল বতৰৰ বাবে হাতী খেদিবলৈ উপস্থিত হ'ব নোৱাৰিলে বনবিভাগৰ লোক। ফলত হাতীৰ উপদ্ৰৱত আতংকিত হৈ পৰা স্থানীয় ৰাইজে যিয়ে যেনেকৈ পাৰে নিজৰ ঘৰ-দুৱাৰ এৰি পলায়ন কৰে। গোটেই নিশা হাতীৰ জাকটোৱে অঞ্চলটোত উপদ্ৰৱ চলাই পুৱতি নিশাহে পাহাৰলৈ গুছি যায়। আজি পুৱা বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসৰ লগতে কুমাৰীকাটা বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া বীৰেন বড়োৰ নেতৃত্বত যোৱা বনকৰ্মীৰ দল এটা সীমান্তৰ ক্ষতিগ্ৰস্ত অঞ্চলত উপস্থিত হয় ক্ষয়-ক্ষতিৰ বুজ লয়।

**■ ১৯ টা পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ড ভণ্ড**
**■ ভড়ালৰ ধান, পাচলি খেতি খায় তহিলং**

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com